

# ডিগবৈ মহাবিদ্যালয় আলোচনী

## পঞ্চবিংশতিতম্ সংখ্যা

২০০১ - ০২ বৰ্ষ

সম্পাদক ঃ হোমনাথ উপাধ্যায়








WELCOME TO
FOUNDATION DAY CELEBRATION
OF DIGBOI COLLEGE






# ডিগবৈ মহাবিদ্যালয় আলোচনী

পঞ্চবিংশতিতম্ সংখ্যা

২০০১-০২ বৰ্ষ

সম্পাদক

হোমনাথ উপাধ্যায়



মাননীয় অধ্যক্ষ মহোদয় ঃ ডিগবৈ মহাবিদ্যালয়

শ্রীযুত মনেশ্বৰ বৰ্মন, এম, এ, পি, জি, ডি, টি, ই ।

# ডিগবৈ মহাবিদ্যালয়- কোৰাচ

ৰচনা - ড০ কান্তেশ্বৰ ডেকা / বিমল গগৈ
সুৰ - ড০ কান্তেশ্বৰ ডেকা / বৰুণ দেৱ

এয়া অসম দেশৰে প্ৰান্ত,
য'ত পনীয়া সোণেৰে প্ৰাণৱন্ত
আছে এক কামনা অনন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত ॥

এখন ছবি এয়া বহুতো ৰঙৰ,
বহুত জনৰ আৰু বহুতো প্ৰাণৰ;
তথাপিও এই ছবি প্ৰাণেৰে জীৱন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত ॥

সূৰুযমুখী আমাৰ এ মন
উৰ্দ্ধমুখী আমাৰ এ মন,
আমি যাওঁ, - শান্তিৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ, - শান্তিৰ জোনাক বিচাৰি যাওঁ ॥

মহাপ্ৰলয়ৰ মহাভাৰতৰ
ইতিহাসত আমি পাওঁ
মহান মহান কত শ্ৰেষ্ঠ তুলিকা
মানৱক আমিয়ে বিলাওঁ ॥

ডিগবৈ কলেজৰ কৃতিত্বৰে
দেশ - মাতৃৰ মুখ উজলাওঁ
আমি যাওঁ - জ্ঞানৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ - শান্তিৰ জোনাক বিচাৰি যাওঁ ॥

# শ্বহীদ নহয় তুমি জাতিৰ চেতনা ।
# মহত্ত্বম ত্যাগ আৰু অগ্নিৰ প্ৰেৰণা ॥




শ্বহীদ বেদী ঃ ডিগবৈ মহাবিদ্যালয়

# শ্ৰদ্ধাঞ্জলি

মৃত্যু অপ্ৰিয় হ'লেও ই ৰোধিব নোৱাৰা চিৰন্তন সত্য । মৃত্যুৰ হাতবাউলিক উপেক্ষা কৰিব পৰা শক্তি জানো কাৰোবাৰ আছে! বিগত বছৰত মৃত্যুৰ আহ্বান ধ্বনিত বহুতো চিৰনমস্য, স্বনামধন্য লোকে ইহজগতৰ পৰা বিদায় লয় । তেখেতসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই অশ্ৰুসিক্ত নয়নেৰে, বাকৰুদ্ধ কন্ঠেৰে তেখেতসকলৰ নাম পুনৰ এবাৰ শ্ৰদ্ধাৰে সুঁৱৰিছোঁ ।

- বিশিষ্ট কবি, ঔপন্যাসিক, শিশুসাহিত্যিক, গীতিকাৰ ~ নৱকান্ত বৰুৱা
- ভাৰতৰ উপৰাষ্ট্ৰপতি ~ কৃষ্ণকান্ত
- লোকসভাৰ অধ্যক্ষ ~ গন্তি মোহন চন্দ্ৰ বালাযোগী
- অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ও সাংবাদিক ~ কীৰ্তিনাথ হাজৰিকা
- অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ~ বীৰেন বৰকটকী
- অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ও সাহিত্য সমালোচক ~ অতুল চন্দ্ৰ বৰুৱা
- বিশিষ্ট বুৰঞ্জীবিদ ~ ড০ হেৰম্বকান্ত বৰপূজাৰী
- বিশিষ্ট ৰাজনীতিবিদ ~ গৌৰীশংকৰ ভট্টাচাৰ্য
- বিশিষ্ট পণ্ডিত ~ বিশ্বনাৰায়ণ শাস্ত্ৰী
- বিশিষ্ট কবি, নাট্যকাৰ, কথাশিল্পী ~ অমূল্য কাকতি
- বিশিষ্ট ভাস্কৰ্য শিল্পী ~ পুৰ্ণেন্দু বিকাশ ধৰ
- বিশিষ্ট গল্পকাৰ ~ জীৱকান্ত গগৈ
- বিশিষ্ট উদ্যোগপতি, সমাজসেৱী ~ ধীৰু ভাই আম্বানি
- বিশিষ্ট নাট্য সমালোচক ~ বি, ভি, কৰন্থ
- হিন্দী চিনেমাৰ ''দাদী মা'' ~ দীনা পাঠক
- জনপ্ৰিয় অভিনেতা ~ ৰিচাৰ্ড হেৰিছ
- জনপ্ৰিয় কন্ঠশিল্পী, অভিনেত্ৰী ~ জংকী বৰঠাকুৰ
- জনপ্ৰিয় অভিনেত্ৰী ~ ৰিম্‌ঝিম বৰুৱা
- ইয়াৰ উপৰিও সন্ত্ৰাসবাদ, প্ৰাকৃতিক দুৰ্যোগ, দুৰ্ঘটনা আদিৰ বলি হোৱা জ্ঞাত~অজ্ঞাত শত-সহস্ৰজনলৈ আমাৰ বেথা ভৰা আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ ।

*- সম্পাদনা সমিতি ।*

# উৎসৰ্গ

মৃত্যু
মাথোঁ এটি শব্দ নহয়
নহয় কেৱল জীৱনৰ অন্ত
ই এটা হৃদয়ৰ স'তে হাজাৰ হৃদয়ৰ
বিচ্ছিন্নতাৰ অন্য নাম .....



ঁনৱকান্ত বৰুৱা

আধুনিক অসমীয়া কবিতাক বিশেষ আয়তন দান কৰি মহিমামণ্ডিত কৰি তুলা বিশিষ্ট কবি, ঔপন্যাসিক, শিশু-সাহিত্যিক, গীতিকাৰ ঁনৱকান্ত বৰুৱাদেৱে আমাক সকলোকে কন্দুৱাই ২০০২ বৰ্ষৰ জুলাই মাহৰ ১৪ তাৰিখে ইহলীলা সম্বৰণ কৰে । তদুপৰি মহাবিদ্যালয়ৰ এগৰাকী কৰ্মচাৰী ঁপ্ৰতাপ গড়ে যোৱা অক্টোবৰ' ০২ মাহৰ ১৭ তাৰিখে আমাক শোক সাগৰত পেলাই নশ্বৰ দেহ ত্যাগ কৰে । তেখেতলোক দুয়োৰে পবিত্ৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই এই সংখ্যাৰ আলোচনীখন উৎসৰ্গা কৰিলোঁ ।

— সম্পাদনা সমিতি

# ডিগবৈ মহাবিদ্যালয় আলোচনী

## পঞ্চবিংশতিতম্ সংখ্যা

## ২০০১ - ০২ বৰ্ষ

## সম্পাদনা সমিতি

*সভাপতি*
মনেশ্বৰ বৰ্মণ ( অধ্যক্ষ )

*সম্পাদক*
হোমনাথ উপাধ্যায়

*তত্ত্বাবধায়ক*
অধ্যাপক পবিত্ৰ ভৰালী

সদস্য
অধ্যাপক অচ্যুত শইকীয়া
অধ্যাপক দেৱীচৰণ চেডাই
অধ্যাপক জয়ন্ত সন্দিকৈ

*সদস্য*
সন্তোষ কুমাৰ
লোহিত গগৈ
অশ্বিনী শইকীয়া
জ্যোতিমণি দাস
মামনি উজ্বন
অৰূপ কলিতা

*বেটুপাত* ঃ ফাৰ্হানা বেগম
*পৰিকল্পনা* ঃ অধ্যাপক গৌৰী বুঢ়াগোহাঁই
*অংগসজ্জা* ঃ সম্পাদক
*প্ৰকাশক* ঃ ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা ( আলোচনী বিভাগ )
*মুদ্ৰক* ঃ শিৱদাস তালুকদাৰ, সনেকা প্ৰেছ, ডিগবৈ ।

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ হৈ হোমনাথ উপাধ্যায়ৰ দ্বাৰা সম্পাদিত আৰু প্ৰকাশিত ।

# শুভেচ্ছাবাণী

ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ আলোচনী খনিৰ বাবে মই মোৰ হিঁয়া ভৰা শুভেচ্ছা জনালো। মোৰ দৃঢ় বিশ্বাস এই আলোচনীখনে এই অঞ্চলৰ ছাত্ৰ ছাত্ৰীক প্ৰেৰণা জনাব পাৰিব। সাহিত্য ৰচনাত উৎসাহিত কৰিব পাৰিব।

মই এই আলোচনীৰ দীৰ্ঘ জীৱন কামনা কৰিলো।

ড' মামণি ৰয়ছম গোস্বামী
6. 10. 02

ড০ মামণি ৰয়ছম গোস্বামী

# কৃতজ্ঞতাৰ শৰাই

*আলোচনীখন সম্পাদনা কৰি উলিওৱাত বিভিন্ন দিশত সহায়-সহযোগ আগবঢ়োৱা আপোনালোক সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ ~*

- জ্ঞানপীঠ বঁটা বিজয়িনী বিশিষ্টা সাহিত্যিক ~ ড০ মামণি ৰয়ছম গোস্বামী
- দ্বিজেশ চন্দ্ৰ দেৱশৰ্মা, জয়কান্ত গন্ধীয়া, পুণ্য শইকীয়া, মনবাহাদুৰ ছেত্ৰী আৰু বিনন্দ কুমাৰ কোঁৱৰ
- মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়
- আলোচনী বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক পবিত্ৰ ভৰালী মহোদয়
- অধ্যাপক সৰ্বশ্ৰী পূৰ্ণানন্দ শইকীয়া, অচ্যুত শইকীয়া, মৃণাল কুমাৰ গগৈ, দেৱীচৰণ চেতাই, জয়ন্ত সন্দিকৈ, গৌৰী বুঢ়াগোহাঁই, অধ্যাপিকা দীপা শৰ্মা, ড০ নিৰ্মলা দেৱী, গ্ৰন্থাগাৰিক বৰুণ দেৱ
- নীলোৎপল শইকীয়া, ধৰণী লাহন, চিৰজিৎ কুমনেন, দ্বিজু ওজা, শৰৎ তালুকদাৰ
- বেটুপাতৰ শিল্পী ফাৰ্হানা বেগম
- আলোচনীৰ সকলো লেখক-লেখিকা
- সম্পাদনা সমিতিৰ সদস্যবৃন্দ
- বন্ধুবৰ্গ নৰেন্দ্ৰ, লিলৰাজ, নাৰায়ণ, জয়ন্তী, মায়া, কল্পনা, পল্লৱী, সীমা, মাইনু, জেবীন, মিনতি, ৰেখা, দুৰ্গা, শান্তি, শেষৰ, হেমন্ত, মিলন, জয়নাথ, নবীন, জয়ন্ত, জিতেন্দ্ৰ, চেইনুলাহ, ৰোহিত, মতি, হৰি, উষা, বিজু, পদ্মজা, মৌচুমী, পুনম, আশা, কিৰণ, অজয়, লক্ষ্মী, ৰিতা
- সনেকা প্ৰেছৰ স্বত্বাধিকাৰী আৰু কৰ্মচাৰীবৃন্দ
- আলোচনীখন প্ৰকাশ কৰি উলিওৱাত প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে বিভিন্ন দিশত দিহা-পৰামৰ্শ, উৎসাহ ও সহায়-সহযোগ আগবঢ়োৱা সকলো জ্ঞাত-অজ্ঞাত ব্যক্তি ।

*~ সম্পাদক*

# সম্পাদকীয়

## সাহিত্য :-

সাহিত্য হৈছে মানৱ সমাজৰ দাপোনস্বৰূপ । মানৱ সমাজৰ আদৰ্শ, অস্তিত্ব, সভ্যতা, সংস্কৃতি, আচাৰ - ব্যৱহাৰ, বৌদ্ধিক চিন্তা-চৰ্চা আদি সকলো বিষয়-বস্তু প্ৰতিফলিত হয় সাহিত্যৰ যোগেদি । সাহিত্যই এফালে যেনেদৰে ব্যক্তিৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভাক বিকাশ কৰে, ঠিক তেনেদৰে আনফালে ই আমাৰ মাজত ঐক্য, ঐতিহ্য, শান্তি, সংহতি, মানবীয়তা, ভাতৃত্ববোধ আদিৰ সৃষ্টি কৰে । সাহিত্যই মানৱ সমাজৰ বিভিন্ন দিশৰ চিন্তা - চৰ্চাৰ সম্যক ৰূপ দাঙি ধৰে । সাহিত্যৰ দ্বাৰাই মানৱ সমাজক বিশ্লেষণ কৰিব পাৰি । সাধাৰণ কথাত ক'বলৈ গ'লে এটা সমাজৰ সাহিত্যত সেই সমাজ -ব্যৱস্থাটোৰ সম্পূৰ্ণ ইতিহাস লুকাই থাকে । কোনো ব্যক্তিৰ সাহিত্য সৃষ্টিত সেই ব্যক্তিজনৰ মনোভাৱ, আচাৰ - ব্যৱহাৰ, ব্যক্তিত্ব আদি সকলো প্ৰতিফলিত হয় । সাহিত্য এনে এটা বিষয় য'ত মানুহে নিজৰ মনৰ সকলো ভাব প্ৰকাশ কৰিব পাৰে । সাহিত্য অবিহনে মানৱ সমাজ সঠিক দিশত কেতিয়াও আগুৱাই যাব নোৱাৰে ।

## সাহিত্য আৰু আলোচনী :-

সাহিত্য কেৱল সৃষ্টি কৰিলেই নহ'ব, ইয়াক সৰ্বসাধাৰণৰ মাজলৈ বিলাই দিব পাৰিব লাগিব । সাহিত্য সৃষ্টি কৰি সৰ্বসাধাৰণৰ মাজলৈ বিলাই দিব নোৱাৰিলে আমাৰ এই পংগু সমাজ ব্যৱস্থাক সৰ্বাংগ-সুন্দৰ কৰাৰ মানসিকতা কেৱল সাহিত্যিকৰ মাজতে আৱদ্ধ থাকিব । বিশ্বৰ যি কোনো চুকে-কোণে ৰচিত সাহিত্যক সৰ্বসাধাৰণ মানৱ সমাজৰ মাজত বিস্তাৰ কৰাত বৰ্তমান মুখ্য ভূমিকা গ্ৰহণ কৰিছে বিভিন্ন আলোচনী, সংবাদপত্ৰ আদিয়ে । এই আলোচনী সংবাদপত্ৰ আদি নথকা হ'লে বৰ্তমান সাহিত্যৰ যিমান বিকাশ হৈছে, সিমান বিকাশ হ'বলৈ নিশ্চয় আৰু বহু বছৰ লাগিলেহেঁতেন । আলোচনীসমূহৰ যোগেদি সৰ্বসাধাৰণ ব্যক্তিয়ে নিজৰ মনৰ ভাব-ধাৰণা মুক্ত মনে নিৰপেক্ষভাৱে প্ৰকাশ কৰিব পাৰিছে । নিজৰ সাহিত্য সংস্কৃতিক অধিক মনোগ্ৰাহী কৰি তুলিবলৈ সক্ষম হৈছে । অতীতত বহুতো প্ৰতিভাসম্পন্ন ব্যক্তিয়ে নিজৰ সৃষ্টিশীল সাহিত্য প্ৰকাশ কৰাৰ কাৰণে উপযুক্ত সুবিধা নোপোৱাৰ ফলত সৰ্বসাধাৰণ সমাজলৈ নিজৰ প্ৰতিভাক উদঙাই দেখুৱাব পৰা নাছিল বুলি আমি স্বীকাৰ কৰিব লাগিব । কিন্তু বৰ্তমান যুগত আলোচনী, বাতৰি কাকত আদিৰ সংখ্যা ইমানেই বাঢ়িছে যে কোনো প্ৰতিভাসম্পন্ন ব্যক্তিয়ে তেওঁ সৃষ্টি কৰা সাহিত্যক প্ৰকাশ কৰাৰ সুবিধা নোপোৱাকৈ থকা নাই ।

বিভিন্ন আলোচনী, সংবাদপত্ৰ আদিয়ে প্ৰত্যেক জাতিৰ নিজা সাহিত্য সংস্কৃতি আদিক জনসাধাৰণৰ আগত আনিবলৈ যেনেদৰে সক্ষম হৈছে, ঠিক তেনেদৰে ইয়াৰ অপ-প্ৰয়োগৰ ফলতো বহুত কু-কাৰ্য, অপ-সংস্কৃতি আদিৰ প্ৰচলন হোৱা দেখা যায় । বহুতো আলোচনীৰ কৰ্তৃপক্ষসকলে আৰ্থিক লোভৰ কবলত পৰি নিজৰ আলোচনী প্ৰকাশৰ মূল উদ্দেশ্যৰ পৰা বিচলিত হোৱা দেখা যায় । বহুতো সামাজিক আলোচনীৰ বেটুপাতত অৰ্ধনগ্নদেহা নাৰীৰ ছবি দেখা যায় । সম্পাদকসকলে তেওঁলোকৰ আলোচনীত এনে লিখনীসমূহ সন্নিবিষ্ট কৰা দেখা যায়, যাৰ ফলস্বৰূপে সেই আলোচনীসমূহ অতি সোনকালে বিক্ৰি কৰিব পৰা হয় । কিন্তু সেই লিখনীসমূহৰ পৰা সমাজত কেনে প্ৰভাৱ পৰিব তাক এবাৰো বিচাৰ কৰি নাচায় । বিভিন্ন আলোচনী, সংবাদ -পত্ৰ আদিত দুৰ্বল সম্পাদনাৰ প্ৰতিচ্ছবি ফুটি উঠা বহুত দেখিবলৈ পাওঁ । বহুতো ব্যক্তিয়ে আনৰ লিখনীসমূহ নকল কৰি আলোচনীত প্ৰকাশৰ কাৰণে পঠিয়ায় আৰু সবল সম্পাদনাৰ অভাৱত সেই লিখনীসমূহ পুনৰ প্ৰকাশিত হয় । এইক্ষেত্ৰত আলোচনী সংবাদপত্ৰ আদিৰ সম্পাদকৰ লগতে লেখক-পাঠক আদি সকলো সচেতন হ'ব লাগিব আৰু আলোচনীসমূহৰ মাজত থকা এইবোৰ দোষ আঁতৰাবলৈ সযত্নে চেষ্টা কৰিব লাগিব । এইবোৰ দোষ থকা সত্ত্বেও মানৱ সমাজৰ সাহিত্য-সংস্কৃতি আদিৰ বিকাশত আলোচনী সংবাদপত্ৰ আদিৰ ভূমিকা অনস্বীকাৰ্য ।

## মহাবিদ্যালয় মুখপত্ৰ বা আলোচনী :-

সাহিত্যৰ প্ৰতি আগ্ৰহী ব্যক্তিয়ে তেওঁৰ প্ৰতিভাক উদঙাই দেখুৱাবৰ কাৰণে প্ৰথম সুযোগ লাভ কৰে তেওঁ অধ্যয়ন কৰা বিদ্যালয় অথবা মহাবিদ্যালয়ৰ আলোচনীৰ যোগেদি । মহাবিদ্যালয় আলোচনীয়ে যুৱক-যুৱতীৰ অন্তৰত লুকাই থকা সুপ্ত প্ৰতিভাক প্ৰকাশ কৰি সৰ্বসাধাৰণৰ মাজলৈ আনিবলৈ অনুপ্ৰেৰণা যোগায় । বিশ্বৰ বহুতো বিশিষ্ট সাহিত্যিকৰ সাহিত্যিক জীৱন আৰম্ভ হৈছে মহাবিদ্যালয় আলোচনীৰ যোগেদি । একোখন মহাবিদ্যালয়ৰ সামগ্ৰিক দিশৰ প্ৰতিচ্ছবি ফুটি উঠে সেই মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনত । আজিৰ যুৱক-যুৱতী কালিৰ দেশৰ নাগৰিক অথবা নেতা । দেশৰ ভৱিষ্যতৰ নেতাৰ স্বভাৱ-চৰিত্ৰ, আচাৰ - ব্যৱহাৰ, চিন্তা-চৰ্চা আদিৰ বিষয়ে অনুমান কৰিব পাৰি মহাবিদ্যালয় আলোচনীৰ যোগেদি । সেয়ে সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত মহাবিদ্যালয় আলোচনীৰ ভূমিকা অমূল্য ।

## ডিগবৈ মহাবিদ্যালয় আলোচনী ঃ-

ডিগবৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী মহাবিদ্যালয়ৰ জন্মৰ কিছুদিনৰ পিচৰে পৰা প্ৰকাশিত হৈ আহিছে । মহাবিদ্যালয়ৰ স্বৰূপৰ পূৰ্ণ প্ৰতিফলন ঘটিছে এই আলোচনীসমূহৰ যোগেদি । আমাৰ মহাবিদ্যালয়ৰ প্ৰথম আলোচনী প্ৰকাশ হৈছিল ১৯৭২-৭৩ চনত । ডম্বৰু শইকীয়াৰ সম্পাদনাত আৰম্ভ হোৱা আলোচনীৰ ধাৰাই ২৫ বছৰ অতিক্ৰমি এই সংখ্যাই 'ৰূপালী জয়ন্তী সংখ্যা'ৰ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে । অৰ্থাৎ আলোচনীৰ এই সংখ্যাটো হৈছে পঞ্চবিংশতিতম্ সংখ্যা ।

## আলোচনীৰ আঁৰত ঃ-

২০০১-০২ বৰ্ষৰ ডিগবৈ মহাবিদ্যালয় আলোচনী সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিলো কিছু আবেগ, কিছু আশা আৰু কিছু সাহসেৰে । কাৰ্যভাৰ গ্ৰহণ কৰাৰ মাত্ৰ তিনিদিনৰ পিছত ৭/১/২০০২ তাৰিখে ৩৭ তম্ মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি প্ৰাচীৰ পত্ৰিকা 'সময়' উন্মোচন কৰা হয় । এই ক্ষেত্ৰত মোক বিশেষভাৱে সহায় কৰা তত্ত্বাবধায়ক অধ্যাপক শ্ৰীযুত পবিত্ৰ ভৰালী মহোদয়, ছাত্ৰবন্ধু অশ্বিনী শইকীয়া আৰু চিৰজিৎ কুমনেনলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ । ২০০১-০২ বৰ্ষৰ আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত হওঁতে ইতিমধ্যে আৰম্ভ হৈছিল ২০০২ বৰ্ষ । সেইকাৰণে মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদকসকলৰ দৰে আলোচনী প্ৰকাশ কৰাৰ পৰ্যাপ্ত সময় মোৰ হাতত নাছিল । তথাপিও বহু উৎসাহ, উদ্দীপনা, আশা আদিৰে আগবাঢ়ি গৈছিলো বাৰ্ষিক আলোচনী প্ৰকাশৰ কাৰণে । এখন আলোচনী প্ৰকাশ কৰিবলৈ হ'লে বহু সমস্যাক অতিক্ৰম কৰি যাব লাগিব । কিন্তু কিছুমান এনে সমস্যা আছে যাক নেওচি সম্পাদকে উচিত মানদণ্ডৰ আলোচনী প্ৰকাশ কৰিব নোৱাৰে । আমাৰ মহাবিদ্যালয়ত এনে সমস্যা বা প্ৰতিবন্ধকসমূহ হৈছে উপযুক্ত লিখনীৰ অভাৱ আৰু উপযুক্ত পুঁজিৰ নাটনি । অন্য মহাবিদ্যালয়সমূহৰ তুলনাত আমাৰ মহাবিদ্যালয়ত আলোচনী বিভাগৰ কাৰণে নিৰ্দ্ধাৰিত পুঁজিৰ পৰিমাণ বহু কম । আলোচনীখন পঞ্চবিংশতিতম্ সংখ্যা হোৱাৰ কাৰণে ইয়াত কিছুমান বিশেষ বিষয় সংযোজন কৰাৰ পৰিকল্পনা হাতত লৈছিলো । কিন্তু মোৰ এই পৰিকল্পনা ভাঙি চুৰ্ণ-বিচুৰ্ণ হৈ যায় তেতিয়া, যেতিয়া অধ্যক্ষ মহোদয়ে নিৰ্দ্ধাৰিত পুঁজিৰ উপৰঞ্চি কোনো আৰ্থিক সাহায্য প্ৰদান কৰাৰ কথা অস্বীকাৰ কৰে । 'ডিগবৈ মহাবিদ্যালয় আলোচনী'ৰ ইতিহাসত এনে এজন সম্পাদক নাই যিজনে আলোচনী প্ৰকাশৰ ক্ষেত্ৰত আৰ্থিক নাটনিৰ সমস্যাত ভোগা নাই ।

ছাত্ৰ-ছাত্ৰীসকলে আলোচনীৰ কাৰণে লিখনীসমূহ পৰ্যাপ্ত পৰিমাণে প্ৰদান কৰে । কিন্তু তাৰ ভিতৰত উপযুক্ত লিখনীসমূহ বহুত কমহে পোৱা যায় । তদুপৰি পূৰ্বৰ পৰম্পৰাৰ ব্যতিক্ৰম নকৰি এইবাৰো ছাত্ৰ-ছাত্ৰীৰ উপৰিও কিছুমান লেখনি শিক্ষাগুৰু সকলৰ পৰা সংগ্ৰহ কৰা হ'ল । উপযুক্ত পুঁজিৰ নাটনিত আলোচনীৰ পঞ্চবিংশতিতম্ সংখ্যাও আন সংখ্যাৰ দৰে হৈ পৰিল । মাত্ৰ দুটা লিখনী বিশেষ ভাৱে সংযোজন কৰিব পৰা গ'ল । এইক্ষেত্ৰত মহাবিদ্যালয়ৰ প্ৰথম আলোচনী সম্পাদকক ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীৰ জন্মৰ বিষয়ে কিছু লিখিবলৈ অনুৰোধ জনাইছিলো । তেখেতে এই বিষয়ৰ ওপৰত একলম লিখি এটা বৃহৎ অভাৱ পূৰণ কৰিলে । মহাবিদ্যালয়ৰ প্ৰকাশিত আলোচনীসমূহৰ সামগ্ৰিক আলোচনাৰ পৰিকল্পনা হাতত লৈছিলো যদিও সময় আৰু আলোচনীৰ পৰিসৰৰ অভাৱত মাত্ৰ প্ৰৱন্ধসমূহে সমালোচনা কৰিব পৰা গ'ল । মহাবিদ্যালয়ৰ প্ৰকাশিত সকলো আলোচনী হাতত নপোৱাৰ কাৰণে কিছুমান আলোচনীৰ সমালোচনা কৰিব পৰা নগ'ল । প্ৰায় ডেৰ দশকতকৈও বেছি সময়ৰ অন্তৰালত প্ৰথমবাৰৰ বাবে ইংৰাজী বিভাগত গল্প সংযোজন কৰিব পৰা গ'ল । মই ছাত্ৰ-ছাত্ৰীসকলক অনুৰোধ জনাইছো যে তেওঁলোকে ইংৰাজী ভাষাত প্ৰৱন্ধ লিখাৰ লগতে গল্পৰ প্ৰতিও কিছু গুৰুত্ব দিয়ে যেন । আমাৰ মহাবিদ্যালয়ৰ প্ৰায়বিলাক আলোচনীতে ইংৰাজী আৰু অসমীয়া বিভাগক বেলেগ বেলেগ ৰূপে প্ৰকাশ কৰা দেখা যায় । কিন্তু ভাষাৰ ওপৰত ভিত্তি কৰি লিখনী সমূহক ভাগ কৰাটো অনুচিত যেন লাগে । সেয়ে এই সংখ্যাত ভাষাৰ ওপৰত ভিত্তি কৰি কোনো লিখনীসমূহ পৃথক পৃথকভাৱে প্ৰকাশ কৰা নহ'ল ।

## ঘোখনি ঃ-

কোনো আলোচনী সম্পাদনা কৰাৰ ক্ষেত্ৰত মোৰ জীৱনৰ এয়েই প্ৰথম অভিজ্ঞতা । সেয়ে তাত কিছু ভুল থকাটো স্বাভাৱিক । এখন আলোচনী সম্পাদনা কৰা কিমান কঠিন তাক ব্যৱহাৰিক দিশৰ পৰাহে অনুভৱ কৰিব পাৰি । বহু অভাৱ অভিযোগ আৰু ঘাত - সংঘাতৰ মাজেৰে পাৰ হৈও আলোচনীখন সময়মতে আপোনালোকৰ হাতলৈ আগবঢ়াব পাৰি নিজকে কিছু সুখী অনুভৱ কৰিছোঁ । কিন্তু সম্পাদকৰ আচল সন্তোষ্টি তেতিয়াহে হ'ব, যেতিয়া পাঠক সমাজে আলোচনীখন পঢ়ি কিছু হ'লেও আনন্দ অনুভৱ কৰিব পাৰিব । প্ৰেছৰ ভুল আদিকে ধৰি অনভিজ্ঞ ব্যক্তিৰ সম্পাদনা হেতু হৈ যোৱা ভুলৰ বাবে পাঠক সমাজৰ ওচৰত মই ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ । যি সকল বন্ধু - বান্ধৱীৰ লিখনীসমূহ প্ৰকাশ কৰিব নোৱাৰিলো তেওঁলোকৰ ওচৰত মই নতশিৰে ক্ষমা বিচৰাৰ লগতে তেওঁলোকক হতাশ নহৈ ভৱিষ্যতে আৰু উন্নত মানদণ্ডৰ লিখনী লিখিবলৈ অনুৰোধ জনাইছোঁ । এইখিনিতেই এটা বিষয় উত্থাপন কৰিব বিচাৰিছোঁ যে আলোচনীত সন্নিবিষ্ট কৰা লিখনীসমূহৰ লিখকৰ ভিতৰত কিছুমানে যে ভৱিষ্যতে একোজন লব্ধ প্ৰতিষ্ঠ সাহিত্যিক হিচাপে নিজকে পৰিচয় দিব পাৰিব তাক কোনো প্ৰকাৰে নুই কৰিব নোৱাৰি । সম্পাদক হিচাপে মই কি কৰিলোঁ অথবা কি কৰিব নোৱাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য । নিৰপেক্ষ দৃষ্টিৰে সমালোচনা পোৱাৰ আশাৰে ডিগবৈ মহাবিদ্যালয় আলোচনীৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ এই সম্পাদকীয় অনুভৱক ইমানতেই সামৰণি মাৰিছোঁ ।

জয়তু ডিগবৈ মহাবিদ্যালয় ।
জয়তু ডিগবৈ মহাবিদ্যালয় আলোচনী ॥

বিনীত

হোমনাথ উপাধ্যায়
আলোচনী সম্পাদক
২০০১-০২ বৰ্ষ

# সূচীপত্র


প্ৰবন্ধ

- সফলতাৰ অমোঘ মন্ত্ৰ – গোলাপ কলিতা – ॥ ০১ ॥
- পিতৃতান্ত্ৰিক সমাজ আৰু নাৰী – দীপা শৰ্মা – ॥ ০৩ ॥
- Yoga in Indian Thought – Dr. Nirmala Devi – ॥ ০৫ ॥
- মনোবিজ্ঞানীৰ দৃষ্টিত একপ্ৰকাৰৰ মানসিক ৰোগ নিঃসংগতা – ধৰণী লাহন – ॥ ০৭ ॥
- মৃত্যু – সঞ্জনা মৌৰ্য – ॥ ০৯ ॥
- নিৰোদ চৌধুৰীৰ সাহিত্য ৰাজি – পদ্মজা খাওন্দ – ॥ ১১ ॥
- Woman is God's best Creation – Stilla Lakra – ॥ ১২ ॥
- নৈতিক অধঃপতন ও ইয়াৰ প্ৰতিকাৰ – হোমনাথ উপাধ্যায় – ॥ ১৪ ॥
- Our duty for Environment preservation – Mousumi Kalita – ॥ ১৬ ॥
- Success is a journey, not a Destination – Dhwajen Sonowal – ॥ ১৮ ॥
- মানুহে মদ্যপানৰ আশ্ৰয় লয় কিয় ? – ৰাজীৱ উপাধ্যায় – ॥ ১৯ ॥
- চিকিৎসাবিহীন ব্যাধি এইড্ছ – হেমেন শইকীয়া – ॥ ২১ ॥
- History of National Cadet Corps – Amul Dhan Chakma – ॥ ২৩ ॥
- The Singpho's : One of the Hill tribe of Assam – Mamoni Umbown – ॥ ২৫ ॥
- Child Labour in India – Sudip Ranjan Dey – ॥ ২৭ ॥

চুটি গল্প

- পথ – ধৰণী লাহন – ॥ ২৯ ॥
- বিক্ষিপ্ত মন মৃত হৃদয় – সন্তোষ কুমাৰ – ॥ ৩২ ॥
- ধুমুহা, ৰামধেনু আৰু বৰষুণ – অমিয় সোণোৱাল – ॥ ৩৬ ॥
- অৰূপাৰ চকুলো – ভাস্কৰ সোণোৱাল – ॥ ৩৮ ॥
- অন্তগামী সুৰুযৰ - হেঙুলী কিৰণ – লোহিত গগৈ – ॥ ৪০ ॥
- আহুতি আৰু প্ৰতিশ্ৰুতি – বুবু গগৈ – ॥ ৪১ ॥
- ডিচেম্বৰী হোৱা ভূত – তপন ৰাইডিঙিয়া – ॥ ৪৩ ॥
- Love - an inspiration – Chandan Tamang – ॥ ৪৫ ॥

কবিতা ( অসমীয়া বিভাগ )

- প্ৰেমৰ কবিতা – মৃণাল কুমাৰ গগৈ – ॥ ৪৭ ॥
- কবিতাৰ জন্ম – পবিত্ৰ ভৰালী – ॥ ৪৮ ॥
- প্ৰেমৰ স্তৱক – হৰিকান্ত চেতিয়া – ॥ ৪৮ ॥
- দুটি কবিতা – সন্তোষ কুমাৰ – ॥ ৪৯ ॥

- কবিতা - বিজু ওজা - ॥ ৫০ ॥
- জীৱন - বিনীতা গগৈ - ॥ ৫০ ॥
- এপাহ নুবুজা ফুল - চয়নিকা গগৈ - ॥ ৫০ ॥
- কেনে আছোঁ - অজয় মৌৰ্য - ॥ ৫১ ॥
- সকলো শেষ তথাপিও - প্ৰহ্লাদ বৰুৱা - ॥ ৫১ ॥

**English Section**

- In my heartland - Ranjan Chakma - ॥ ৫২ ॥
- The value of money - Chayanika Bhattacharya - ॥ ৫২ ॥
- Happy is he who makes others happy - Omin Chakma - ॥ ৫২ ॥

**नेपाली विभाग**

- म, मेरो माया र कविता - कल्पना छेत्री - ॥ ৫৩ ॥
- थाहै न पाई बरा ! - सुरज उपाध्याय - ॥ ৫৩ ॥

**हिन्दी विभाग**

- हमारे सपनों का देश - जितेन्द्र राही दास - ॥ ৫৪ ॥
- मातृभक्ति - ओम प्रसाद उपाध्याय - ॥ ৫৪ ॥

**বঙালী বিভাগ**

- কবি কাহাকে বলে - পিযুশ সিংঘ - ॥ ৫৪ ॥

**ফটো** - ॥ ৫৫ ॥

**TEACHING & ADMINISTRATIVE STAFF** - ॥ ৬২ ॥

**উপন্যাসিকা**

- অজানিতে কেতিয়াবা - অশ্বিনী শইকীয়া - ॥ ৬৪ ॥

**অতিথি শিতান**

- ডিগবৈ গান্ধী মৈদান - বিনন্দ কুমাৰ কোঁৱৰ - ॥ ৭১ ॥
- অসমীয়া - নেপালীৰ লোক সংস্কৃতিৰ ঐতিহ্য - মন বাহাদুৰ ছেত্ৰী - ॥ ৭২ ॥

**সাম্প্ৰতিক শিক্ষা - ব্যৱস্থাৰ ওপৰত অভিমত** - ॥ ৭৪ ॥

**বিশেষ ৰচনা**

- স্মৃতি, বিষাদ ও যন্ত্ৰণাৰ ভাষ্য - ডম্বৰু শইকীয়া - ॥ ৭৬ ॥
- বিহংগম দৃষ্টিত 'ডিগবৈ মহাবিদ্যালয় আলোচনী'ৰ কেইটিমান প্ৰৱন্ধ - জয়কান্ত গন্ধীয়া - ॥ ৭৮ ॥
- সম্পাদকীয় প্ৰতিবেদন - ॥ ৮৩ ॥
- Result of the 37th college week celebration '2001-02 - ॥ ৯১ ॥
- Our Ex-Editors - ॥ ৯৪ ॥

# প্ৰবন্ধ

“কল্পনা আৰু বুদ্ধিবৃত্তিক আশ্ৰয় কৰি লেখকে কোনো বিষয়বস্তু সম্বন্ধে যি আত্মসচেতন নীতি-দীৰ্ঘ সাহিত্য ৰূপ সৃষ্টি কৰে তাকে প্ৰবন্ধ বোলা হয়।”

- শ্ৰীশচন্দ্ৰ দাস।

# সফলতাৰ অমোঘ মন্ত্ৰ

❑ গোলাপ কলিতা
প্ৰৱক্তা, ৰসায়ন বিভাগ

পৃথিৱী নামৰ এই বিনন্দীয়া গ্ৰহটোত সৃষ্টি কৰ্তাই মানুহ নামৰ জীৱটোক চিন্তা কৰিব পৰা শক্তি প্ৰদান কৰি আন জীৱ-জন্তুৰ তুলনাত শ্ৰেষ্ঠ হোৱাৰ সুযোগ দিছে । চিন্তা কৰিব পৰা শক্তিটো মানুহৰ আটাইতকৈ মূল্যবান ও প্ৰশংসনীয় বিশেষাধিকাৰ । চিন্তা কৰিব পৰাটোৱেই হৈছে মানুহৰ শেষ জীৱন্ত ৰহস্য । এই ক্ষমতাক সঠিকভাৱে কামত লগালে মানুহে হেলাৰঙে জীৱনত কৃতকাৰ্যতা লাভ কৰিব পৰাটো সুনিশ্চিত বুলি ইতিমধ্যে ইতিহাসে প্ৰমাণ কৰিছে । ''মানুহ কিয় ৰুগীয়া হয়, মানুহ কিয় আলৰ বুঢ়া হয় আৰু মানুহ কিয় মৰে ?'' এই চিন্তাৰ উদ্ৰেকৰ ফলতেই গৌতম হৈ পৰিল বুদ্ধদেৱ । ''আপেলটো গছজোপাৰ পৰা ওপৰলৈ নগৈ কিয় তললৈ পৰিল ?'' এই চিন্তাৰ উন্মুকনিত আৱিষ্কাৰ হ'ল মধ্যাকৰ্ষণ শক্তি । আকাশত বিজুলী আৰু বজ্ৰপাতৰ চমক দেখি তাক কৃত্ৰিম ভাৱে পৃথিৱীলৈ নমাই অনাৰ যি চিন্তা টমাচ আল্ভা এডিছনৰ মনত বাহ ল'লে সিয়েই জন্ম দিলে বিজুলী বাতিৰ । ডা০ জেনাৰে গোৱালনীৰ হাতত বসন্তৰ দাগৰ দৰে এক চিন দেখি সুধি পুছি গম পালে যে গৰুৰ ওহাৰত হোৱা ফোঁহাৰ পুঁজ লাগি পিছত তাইৰ হাততো তেনে হ'ল । ইংলণ্ডত বসন্তই মহামাৰীৰূপ লোৱাৰ সময়ত গোৱালনীবোৰ আক্ৰান্ত নোহোৱাৰ কথা জানি যি চিন্তা জেনাৰৰ মগজুত সোমাল তাৰেই ফলত আৱিষ্কাৰ হ'ল প্ৰতিষেধক টিটাৰ । তেনে সহস্ৰ উদাহৰণৰ তালিকা দিব পৰা যায় । কিন্তু চিন্তা কৰোতে আটাইতকৈ ভালটোৰ বাবেহে চিন্তা কৰিব লাগিব, আটাইতকৈ ভালটোৰ বাবে কাম কৰিব লাগিব, লগতে আটাইতকৈ ভাল ফলৰ বাবে আশা কৰিব লাগিব । এবাৰ চিন্তাৰ উদ্ৰেক ঘটিলে ই শৃংখল ৰূপ ল'ব আৰু কোনো সীমা নাথাকিব । উদ্যোগত উৎকৃষ্ট কেঁচামাল প্ৰয়োজন হোৱাৰ দৰে সুস্থ চিন্তাৰ বাবে প্ৰয়োজন সঠিক তথ্যৰ । কম্পিউটাৰত তথ্য সৰবৰাহ কৰি ৰিজাল্ট পোৱাৰ দৰে চিন্তাৰ মাজেদি তথ্য সৰবৰাহ কৰিলে এক বদ্ধমূলধাৰণা বাহিৰ হৈ আহে । এনে বদ্ধমূল ধাৰণাৰে গভীৰ চিন্তা কৰিব লাগিব, এক বাস্তৱমুখী সপোন ৰচিব লাগিব । কিন্তু এনেধৰণে চিন্তা কৰিব পৰাটোৱেই হৈছে মানুহৰ বাবে আটাইতকৈ কঠিন কাম । ধনাত্মক দিশত চিন্তাশক্তি আহৰণ কৰিব পাৰিলেহে প্ৰকৃত সাফল্য লাভ কৰাৰ সম্ভৱ । অতীতৰ ভুলবোৰ চালি জাৰি ভৱিষ্যতৰ বাবে সজাগ দৃষ্টি ৰাখিব লাগিব । গভীৰ চিন্তাশীল ব্যক্তিজনক এজন নিখুত খনিকৰৰ লগত তুলনা কৰা হয়; তেওঁ জীৱনটো যিদৰে ভাবে তেনে ৰূপত গঢ় দি ল'ব পাৰে । এজোপা গছক যেনেকৈ পিপাৰ প্ৰয়োজন হয়, তেনেকৈ সফলতা লাভ কৰিবলৈ চিন্তাকৰাৰ লগতে দৃঢ়মনৰ প্ৰয়োজন । নিজৰ লক্ষ্য পূৰণাৰ্থে প্ৰথমতে গভীৰ চিন্তা, তাৰ পিছত পৰিকল্পনা আৰু লগে লগে নেৰানেপেৰা প্ৰচেষ্টা । 'Think like a man of action and act like a man of thought'. মহাত্মা গান্ধী, আব্ৰাহাম লিংকন, নেপোলিয়ন আদিয়ে নিজ চিন্তাধাৰাৰে নিজা পথ বাচি লৈছিল, প্ৰবল মানসিক শক্তি আৰু অদম্য সাহসেৰে নিজৰ লক্ষ্যত উপনীত হ'ব পাৰিছিল । মানুহৰ একমাত্ৰ ডাঙৰ ভুলটো হ'ব পাৰে তেতিয়া, যেতিয়া এবাৰতে কিবা এটা কৰিব নোৱাৰিলে দুঃচিন্তাই মনটোক বিহ্বল কৰি তোলে ।

আত্মবিশ্বাসেই হৈছে প্ৰতিটো কৃতিত্বৰ, নতুন আৱিষ্কাৰ আৰু প্ৰতিটো বিজয়ৰ ভেটি স্বৰূপ । আত্মবিশ্বাস কাৰো ওপৰত জাপি দিব নোৱাৰি বা ওজন কৰিব ও জুখিব নোৱাৰি । ই মানুহৰ নিভৃত কোণৰ পৰা আহে । ই নিৰ্ভৰ কৰে এজন লোকে কিমান ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছে । কোনো এজন লোকৰ অকৃতকাৰ্যতাৰ কাৰণ ফঁহিয়াই চালেই দেখা যাব মানুহজনৰ আত্মবিশ্বাসৰ অভাৱ । হতাশাগ্ৰস্ত এজনলোকক উৎসাহিত কৰিব পৰা ক্ষমতাটোৱেই হ'ল তেওঁৰ আত্মবিশ্বাস । আত্মবিশ্বাস নথকা লোকজন ফুটা বেলুনৰ সদৃশ অৰ্থাৎ কাৰ্যক্ষম কৰাৰ আৰু আন কোনো উপায় নোহোৱা হয় । আত্মবিশ্বাস থকা লোকজনে জীৱনত বহুতো বিপৰ্যয় ও বিফলতাৰ সন্মুখীন হ'ব পাৰে, কিন্তু হতাশাত ভুগিব লগা নহয় । তেওঁ সেইবোৰক কেৱল ক্ষণস্থায়ী কেতবোৰ উপসৰ্গ বুলি গণ্য কৰে আৰু অৱশেষত নিজৰ লক্ষ্যপথত অগ্ৰসৰ হয় । সাগৰত ধুমুহাৰ কবলত পৰা জাহাজখনৰ নাবিকজন যিদৰে কৰ্তব্যৰ পৰা বিচলিত নহয়, তেনেদৰে আত্মবিশ্বাসী এজন লোক যিকোনো প্ৰতিকূল পৰিস্থিতিৰ দাস হ'ব নোখোজে । নেপোলিয়ন হিলৰ মতে - "A mind that finally achieves victory is a mind capable of sustained faith." বিজ্ঞান প্ৰযুক্তিৰ অমূল্য আৱিষ্কাৰ সমূহৰ মূলতেই হৈছে বিজ্ঞানীসকলৰ গভীৰ আত্মবিশ্বাস ও দৃঢ়মনা স্বভাৱ । এজন ব্যক্তিৰ প্ৰবল ইচ্ছা শক্তিৰ বলতেই সফলতাৰ অঙ্কুৰণ হয় আৰু লহ্ পহ্ কৈ গজি আহে । এক দৃঢ় ইচ্ছাশক্তি থাকিলে জীৱনত সন্মুখীন হোৱা নানা ঘাত প্ৰতিঘাত, বাধা - বিঘিনি, প্ৰত্যাহ্বান অতিক্ৰম কৰিব পাৰে যেনেকৈ এখন চিলা উৰাবলৈ বতাহৰ সোঁতৰ বিপৰীতেহে ৰচি ডাল টানিব লগা হয় । পৰিস্থিতিয়ে মানুহক দাস কৰে, পৰিস্থিতিক অতিক্ৰম কৰিলেই সফলতা । চাৰ্লছ ডাৰউইনৰ 'Survival of the fittest' আৰু 'Theory of Evolution' তেওঁৰ গভীৰ আত্মবিশ্বাসৰ ফল । ডাৰউইনে 'origin of the species' খন লিখি উলিয়াবৰ বাবে একেৰাহে পঁচিশ বছৰ বিভিন্ন জীৱজন্তু সংৰক্ষণ, আৰু পৰ্যবেক্ষণ কৰাৰ কথা কোনে নাজানে ? এন্টানি ভন্ লিউৱেনহুকৰ মাইক্ৰস্ক'প, এডিচনৰ বিজুলীবাতি আদি এনে অলেখ উদাহৰণৰ নাম মাত্ৰ । শাৰীৰিকভাৱে পঙ্গু লোকেও আত্মবিশ্বাসৰ বলত পৃথিৱীত নিজৰ খ্যাতি ৰাখি গৈছে । লুই ব্ৰেইলি শিশু অৱস্থাৰ পৰাই অন্ধ । প্ৰবল ইচ্ছাশক্তি আৰু আত্মবিশ্বাস গভীৰ হোৱাৰ বাবেই অন্ধমানুহে পঢ়িব আৰু লিখিব পৰাৰ উপায় উদ্ভাৱন কৰি গ'ল - 'ব্ৰেইলি পদ্ধতি' । এগৰাকী অন্ধ, বোবা আৰু কলা নাৰী হেলেন কেলাৰে নিজৰ ভৱিত থিয় দি হেজাৰ হেজাৰ বিকলাঙ্গক শিক্ষা দি বিৰল নজিৰ ৰাখি গৈছে । ভাৰত-নাট্যম্ - খ্যাত সুধা চন্দ্ৰনে দুৰ্ঘটনাত পতিত হৈ এটা ভৰি হেৰুৱালে । কিন্তু কৃত্ৰিমভাৱে তৈয়াৰী জয়পুৰীয়া ভৰি লগাই পুনৰ কৰ্ষিত সাধনাৰে নিজৰ অসাধ্য সাধন কৰিলে । ৰবাৰ্ট লুই

ষ্টিভেনচন ওপজোতেই যক্ষ্মারোগৰ বীজাণু বহন কৰি আহিছিল । কিন্তু মৃত্যু পৰ্যন্ত লিখিয়েই থাকিল । ৰেইনল্ড প্ৰাইচৰ বাজহাড়ত দুৰাৰোগ্য কেন্সাৰ হৈছিল আৰু ডাক্তৰে প্ৰথম ছমাহত নিম্নাংশ, পিছৰ ছমাহতে ওপৰৰ অংশ পেৰালাইছিছ হ'ব আৰু তাৰ পিছৰ যিকোনো এদিনতে মৃত্যু ঘটিব বুলি কৈছিল । কিন্তু সৰ্বাঙ্গ পক্ষাঘাতগ্ৰস্ত শৰীৰটো লৈয়েই দহখন কিতাপ লিখিলে আৰু অতিৰিক্ত দহবছৰ জীয়াই থাকিল । 'মটৰ নিউৰন' ৰোগত ভুগি সম্পূৰ্ণ স্নায়ুতন্ত্ৰ বিকল হৈ পৰা ষ্টিফেন হকিঙে হাতৰ এটা আঙুলিৰ বাহিৰে একোৱেই লৰচৰ কৰিব নোৱাৰে । বৰ্তমান যুগৰ কিংবদন্তি স্বৰূপ এই শ্ৰেষ্ঠ পদাৰ্থ বিজ্ঞানী জনাই 'কম্পিটিউৰাইজদ্ হুইল চেয়াৰ'ত বহি বিচৰণ কৰি ফুৰিছে অনন্ত কোটি ব্ৰহ্মাণ্ডৰ ইমূৰৰ পৰা সিমূৰলৈ আৰু সৃষ্টিৰ ৰহস্য উদ্ঘাটনত মতলীয়া হৈ আছে । টলষ্টয়ে সঠিক কথাকে কৈছে - "Faith is the force of life, faith is the mother of success, with it anything is possible." আত্মবিশ্বাস থাকিলে এদিন নহয় এদিন নিজৰ দৃঢ়মন, কঠিন পৰিশ্ৰম আৰু সাহসৰ যোগেদি সাফল্য লাভ কৰিব পাৰি । বিবেকানন্দই কৈছে জীৱনৰ দুখ দুৰ্দশাবোৰ নাথাকিলেহেঁতেন যদিহে সকলোৱেই আত্মবিশ্বাসৰ যি ক্ষমতা তাক কামত লগালেহেঁতেন ।

এজন মানুহৰ প্ৰকৃত শক্তি নিহিত হৈ থাকে তেওঁৰ অন্তৰত ; বাহুবল বা আন দৈহিক শক্তিৰ ওপৰত নহয় । এজন ক্ষীণকায় লোকেও সীমাহীন মানসিক শক্তি, ইচ্ছা শক্তি আৰু অপৰিসীম দৃঢ়মনৰ বাবে জীৱনৰ চৰম বাধা-বিঘিনিবোৰকো অতিক্ৰম কৰিব পাৰে । যিকোনো ধৰণৰ আশংকাই মানুহক দাসহে কৰে, প্ৰয়োজনীয় কৰ্ম কৰিবলৈ অনুপ্ৰেৰণা নোযোগায় । গীতাত আছে - "Karma originates from desire"। ৰেলৰ প্লেটফৰ্মত বৈ ভ্ৰমণ কৰিম বুলি কেৱল ভাবি থকা এজন ব্যক্তিয়ে যেনেকৈ পৃথিৱীখনৰ বিভিন্ন ঠাইৰ সৌন্দৰ্যৰ উমান পাব নোৱাৰে, এজন ব্যক্তিয়ে এটা কাম আৰম্ভ নকৰাকৈ বা আদবাটতে লক্ষ্যভ্ৰষ্ট হ'লে বাঞ্চিত ফল পাব নোৱাৰে । চীনৰ এটা বিখ্যাত পটন্তৰ - 'A journey of a thousand miles begins with one step.' চীনৰ মাও জে ডং, ভিয়েট নামৰ হো চি মিন, ভাৰতৰ টাটা, ধীৰুভাই আম্বানি, কোৰিয়াৰ 'ডাইৱ - ইণ্ডাষ্ট্ৰিয়েল কোম্পানীৰ প্ৰতিষ্ঠাতা কিম্-ৱ-চুং আদিৰ কৰ্মস্পৃহা সৰ্বজনাবিদিত । জীৱনৰ প্ৰকৃত আনন্দ আহে নানা বাধা-বিঘিনিৰ বিৰুদ্ধে যুদ্ধ দিয়াটোত, কাৰ্য সম্পাদন কৰাটোত । টি, এচ্ - ইলিয়টে কৈছে - 'It is better to do evil than to do nothing, because one who is wrong today may be doing right tomorrow, but one who is doing nothing shall take more time to come to the right path.' এৰিষ্টটলে কৈছে - 'Happiness lies in undeterred activities.' মহান উদ্দেশ্য জড়িত কাৰ্য সম্পাদনে ব্যক্তি বিশেষ ও সমাজৰ মঙ্গল সাধে - জীৱনৰ প্ৰতিটো ক্ষণ ব্যস্ততাপূৰ্ণ কৰে আৰু মহিমামণ্ডিত কৰি তোলে । কাৰ্যসম্পাদনৰ দ্বাৰা বিশ্বাস বাঢ়ে আৰু বিশ্বাসে কাৰ্যক প্ৰলোভিত কৰে । বিশ্বাস আৰু কৰ্মস্পৃহাৰ যুগপৎ মিলনেই হ'ল কৃতকাৰ্যতা । সদ্যজাত এটা কেৰ্কেটুৱাই মাকজনীক প্ৰশ্ন কৰিলে - ''ইমান ওখ তামোল গছ জোপা কেনেকৈ বগাব ?'' মাকে ততালিকে উত্তৰ দিলে, 'বাৰে বাৰে চেষ্টা কৰা ।' কেইদিনমানৰ পিছতে পোৱালী কেৰ্কেটুৱাটোৱে ওখ তামোল জোপাৰ আগলি তামোল ছুলেগৈ ।

কনফুচিয়াচৰ মতে - 'এজন মহান ব্যক্তি দেখিলে সমপৰ্যায়ৰ হ'বলৈ যত্ন কৰিবলে, এজন অসৎ মানুহ দেখিলে নিজকে চালি জাৰি পৰীক্ষা কৰি চালেহে সফলতাৰ সৌন্দৰ্য উপভোগ কৰিবলৈ সক্ষম হ'ব পাৰে ।' মানুহৰ জীৱন নামৰ বস্ত্ৰখন প্ৰতায়, চেষ্টা আৰু আশাৰ সূতাৰে বোৱা । শ্যেকচ্পীয়েৰৰ ভাষাত - 'The web of our life is a mingled yarn, good and evil together."পৃথিৱীত যদি নিশাৰ পৰিৱৰ্তে কেৱল দিনেই হৈ থাকিলহেঁতেন, তেন্তে এই গ্ৰহটোৱেই মানুহৰ বাসোপযোগী নহ'লহেঁতেন । ৰ'দ বৰষুণৰ দোমোজাতেই অপৰূপ ৰামধেনুৰ সৃষ্টি হয় । গতিকে কোনো ক্ষেত্ৰত সাময়িকভাৱে বিফলতাৰ মুখামুখি হ'লেই নিৰুৎসাহ, হতাশা আৰু নিৰানন্দ হোৱা উচিত নহয় । তেনে ক্ষেত্ৰত আত্মবিশ্লেষণৰ প্ৰয়োজন - ভুল কোন খিনিত ? গীতাৰ মহৎ বাণী অনুসৰণ কৰি কৰ্ম কৰি যাব লাগে । ফলাফল পিছৰ কথা । কাৰণ কৰ্মৰ মূল্য এদিন নহয় এদিন পাবই । যিজন সাহসী, প্ৰতিটো প্ৰত্যাহবানৰ সন্মুখীন হ'বলৈ বদ্ধ পৰিকৰ, তেওঁ কৰ্মফল অৱশ্যে পাব ।

বহুতে বেদান্ত দৰ্শনক বিশ্বাস কৰে অৰ্থাৎ জীৱনৰ প্ৰতিটো ঘটনা পূৰ্ব-নিৰ্দ্ধাৰিত, গতিকে বিনা পৰিশ্ৰমেৰেই তেওঁলোকৰ লিখিত ফল পাব । অৰ্থাৎ ভাগ্যৰ লিখনত অটল বিশ্বাসী । ভাগ্য হৈছে আচম্বিতে বা অবাঞ্চিতভাৱে প্ৰাপ্তি হোৱা সুবিধা মাথোন অথবা দুৰ্ঘটনা মাত্ৰ । কিন্তু লটাৰীৰ টিকট এটা নিকিনিলে লটাৰী প্ৰাপ্তিৰ আশা শূন্য । তেনেকৈ লিখা - পঢ়া নিশিকিলে এখন বিশ্ববিখ্যাত উপন্যাস ৰচনাকৰাটো অবাস্তৱ ঘটনা । শক্তি ও পৰিশ্ৰম বিনে ভাগ্য সুপ্ৰসন্ন নহয় । ভাগ্যই হেনো সদায় পৰিশ্ৰমী মানুহৰহে পক্ষ লয়, ভাগ্য অন্ধ নহয় । সাগৰৰ বতাহ আৰু প্ৰবল টোৱে নিপুণ নাৱিকৰ পক্ষ লয় । ভাগ্যক খিওৱা মানেই প্ৰতাৰণাৰ সন্মুখীন হোৱা । ই কেৱল মানুহৰ মনক কৰ্মত লিপ্ত হোৱাৰ পৰিবৰ্তে দিবাস্বপ্নত আত্মবিভোৰ হৈ থকাতহে অৰিহণা যোগায় । দিবা স্বপ্নৰ লগত কৰ্মস্পৃহাক সাঙুৰিব পাৰিলেহে কৃতকাৰ্যতাৰ মুখ দেখা সম্ভৱ । Albert camus ৰ মতে - 'there is no fate that can be surmounted by scorn'. ভাগ্যক অতিক্ৰম কৰিব পৰাটোৱেই হৈছে এজন ব্যক্তিত থকা আত্ম বিশ্বাসৰ গৌৰৱময় বিজয় । মানুহৰ জীৱনৰ সাফল্যৰ চাবি কাঠি যাদুৰ খেল নহয় এক আশ্চৰ্যজনক ঘটনা (miracle ) বা হঠাতে ঘটা লাভবান কাৰ্য ( fluke ) নহয় । প্ৰকৃততে নিজৰ গভীৰ বিশ্বাসক কৰ্মলৈ ৰূপান্তৰ কৰা কাৰ্যহে মাথোন ।

আত্মবিশ্বাস গঢ়ি তোলাৰ আন এটা উপায় হ'ল চাইকড্ৰামা অৰ্থাৎ এজন মহান ব্যক্তিৰ লেখীয়াকৈ নিজৰ কথা বতৰা, ভাব-ভঙ্গী, ভাবধাৰা প্ৰকাশ কৰা আৰু আনকি চলন ফুৰণৰ অনুকৰণ কৰা । এনেদৰে কিছুদিন কৰাৰ পিছত সেই ব্যক্তিজনৰ ভালেখিনি প্ৰতিফলন ঘটিব । লগতে নিজৰ উজ্জ্বল দৰ্শন শক্তিৰো পৰিবৰ্দ্ধন ঘটিব । যিমানেই সৰু কাম নহওক কিয় সম্পন্ন কৰাৰ পিছত নিজকে ধন্য মানিব লাগে । ক্ৰমে ক্ৰমে এনে বিশ্বাসেই আত্ম প্ৰত্যয় বৃদ্ধি কৰিব । বাৰে বাৰে পৰাজয় বৰণ কৰি বিফলতাৰ মুখ দেখিও যিসকলে আত্মবিশ্বাস নেহেৰুৱায় সেই সকলেই প্ৰকৃত সাহসী লোক । আব্ৰাহাম লিংকন তেনে এজন ব্যক্তি যি বহু বাধা বিঘিনি অতিক্ৰম কৰিও আমেৰিকাৰ দাসবিলাকক দাসত্বৰ পৰা মুক্তি দিয়াবলৈ সক্ষম হৈছিল । আমাৰ জাতিৰ পিতা গৰাকীয়েও নিজৰ নিভৃত শক্তি আৱিষ্কাৰ কৰি প্ৰবল প্ৰতাপী ইংৰাজ সকলৰ বিৰুদ্ধে দেশখনৰ জনগণক সাহস দিব পাৰিছিল । স্বামী বিবেকানন্দৰ ভাষাৰে - "Stand up, be bold and be strong! know that you are the creator of your own destiny. All the strength and success you want is within yourself."

# পিতৃতান্ত্রিক সমাজ আৰু নাৰী

❑ দীপা শৰ্মা বৰঠাকুৰ
অধ্যাপিকা, অসমীয়া বিভাগ

যুগ যুগ ধৰি সকলো স্তৰতে নাৰীৰ ওপৰত চলি অহা শোষণ, পিড়ন আৰু বঞ্চনাৰ বিৰুদ্ধে নাৰীৰ প্ৰতিবাদৰ প্ৰথম ধ্বনি শুনা গৈছিল ইংলেণ্ডত । এই প্ৰতিবাদ ক্ৰমে বিস্তৃত হৈছিল ফ্ৰান্সলৈ আৰু ১৮-১৯ শতিকাত ইয়াৰ ধ্বনি শুনা গৈছিল আমেৰিকাত । এই শতিকাৰ মাজভাগতেই তৃতীয় বিশ্বৰ দেশ সমূহতো নাৰীৰ প্ৰতিবাদী কণ্ঠ ধ্বনিত হৈছিল । এইদৰেই জন্ম হৈছিল নাৰীমুক্তি আন্দোলনৰ । এই আন্দোলন পুৰুষৰ বিৰুদ্ধে নহয়, পুৰুষ প্ৰধান সমাজ ব্যৱস্থাৰ বিৰুদ্ধেহে ।

মানৱসমাজ পৰিবৰ্তনশীল । সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ লগে লগে নাৰী পুৰুষৰ অৱস্থানৰো পৰিবৰ্তন ঘটে । সামন্তবাদী সমাজ ব্যৱস্থাৰ পিছত পুঁজিবাদৰ আগমনে সমাজ ব্যৱস্থালৈ অভূতপূৰ্ব পৰিবৰ্তন আনিলে । যেতিয়াৰে পৰা ঘৰৰ বাহিৰলৈ গৈ অৰ্থ উপাৰ্জন কৰা ব্যৱস্থাৰ সূত্ৰপাত ঘটিল আৰু ব্যক্তিগত সম্পত্তিৰ বিকাশ হ'বলৈ ধৰিলে তেতিয়াৰে পৰা নাৰীৰ অৱস্থান ক্ৰমে নিম্নগামী হ'ল । ঘৰুৱা উৎপাদনৰ প্ৰক্ৰিয়াটোৱে গুৰুত্ব হেৰুৱাৰ লগে লগে মহিলাসকল ক্ৰমান্বয়ে পৰিয়ালৰ পুৰুষ সভ্যসকলৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিল । ''আদৰ্শ মাতৃত্ব'', ''নাৰীৰ স্থান ঘৰত'' আদি ধাৰণাসমূহ সমাজৰ সকলো শ্ৰেণীৰ মহিলাৰ মাজত বিয়পাই দিয়া হ'ল ।

মনুস্মৃতিৰ যুগৰে পৰা নাৰীয়ে সমাজৰ আটাইতকৈ নিম্ন স্তৰত স্থান পাবলৈ ধৰিলে । নাৰীক কোনো বয়সতে স্বাধীনতা দিয়াৰ পক্ষপাতী নাছিল মনু । মনুৰ কুখ্যাত সূত্ৰমতে ''বিয়াৰ আগতে তিৰোতা পিতৃৰ অধীনত, বিয়াৰ পিছত স্বামীৰ অধীনত আৰু বিধৱা হ'লে পুত্ৰৰ অধীনত থাকিব লাগে ।'' বাল্য-বিবাহ, সতীদাহ, বিধৱাৰ যন্ত্ৰণাময় জীৱন ইত্যাদিৰ মাধ্যমেৰে নাৰীক নানা ভাৱে নিৰ্যাতন কৰাৰ পথ মুকলি হ'ল এই যুগতে । ধাৰাবাহিক ভাৱে সি আজিও চলি আছে । সেয়ে বেছি ভাগ সমাজতে কন্যা সন্তান আজিও মূল্যহীন । স্বাধীন ভাৰতৰ সংবিধানে কোনো লিংগ বৈষম্য ৰখা নাই যদিও বাস্তৱত কিন্তু তাক দেখা নাযায় ।

পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত আইন - কানুনবোৰ পুৰুষসকলেই নিজৰ সুবিধা অনুযায়ী গঢ়ি তুলিছে । পুৰুষৰ প্ৰাধান্য থকা সমাজত নাৰী শাৰীৰিক আৰু মানসিকভাৱে পুৰুষতকৈ দুৰ্বল, প্ৰকৃতিয়ে নাৰীক শিশু পালনৰ বাবে সৃষ্টি কৰিছে, ঘৰেই নাৰীৰ কৰ্মক্ষেত্ৰ আদি ধাৰণাসমূহ প্ৰচাৰ কৰা হয় । আজিৰ একবিংশ শতিকাতো পুৰুষৰ আধিপত্য নাৰীৰ সামাজিক স্থিতিৰ উন্নয়নৰ প্ৰধান অন্তৰায় হৈ ৰৈছে ।

পিতৃ প্ৰধান পৰিয়ালে নাৰীক বিনা বেতনৰ শ্ৰমদান কৰিবলৈ বাধ্য কৰায় । নাৰীক পুৰুষৰ সম্পত্তিত পৰিণত কৰে । ল'ৰা আৰু ছোৱালীৰ ভিন ভিন সামাজিক প্ৰক্ৰিয়াও আৰম্ভ হয় এনে পৰিয়ালতে । কন্যা শিশু সকলক সৰুৰে পৰাই পৰিয়ালৰ পুৰুষ সভ্য সকলৰ আলধৰা কামত জড়িত কৰা হয় আৰু এই ভূমিকাকে কন্যা শিশুৱে গোটেই জীৱন কটিয়াই লৈ ফুৰে । অতি কৌশলী প্ৰক্ৰিয়াৰে নাৰীক এনে এক জীৱত পৰিণত কৰা হয় যি নিজৰ শোষণত গৰ্ব বোধ কৰে । পুৱাৰ পৰা গধূলিলৈকে ঘৰুৱা কামত ব্যস্ত থকা গৃহিনীসকলৰ কামক এনেবোৰ সমাজত স্বীকৃতি দিয়া নহয় । অৰ্থাৎ যি কামৰ বিনিময়ত অৰ্থ নাহে, সেই কাম কাম নহয় । সেই একেবোৰ কামেই যেতিয়া বেতন থকা বৃত্তিত পৰিণত হয়, তেতিয়া সেইবোৰ কাম পুৰুষে নিৰ্বিবাদে কৰিবলৈ আহে । হোটেল, ৰেস্তোৰাঁ আদিৰ ৰান্ধনীবৃত্তি পুৰুষৰ দখলত ।

চাকৰিয়াল মহিলাসকলৰ শ্ৰমদিন পুৰুষতকৈ দিঘলীয়া হয় । অৰ্থ উপাৰ্জন কৰিছে বুলি তেওঁক ঘৰুৱা কামৰ পৰা ৰেহাই দিয়া নহয় । অথচ অৰ্থ উপাৰ্জন কৰিছে বুলিয়েই পুৰুষজন ঘৰুৱা কামৰ পৰা আঁতৰি থাকে । অৰ্থ উপাৰ্জন কৰা মহিলা গৰাকীও দেখাতহে মুক্ত । তেওঁলোক পুৰুষৰ উপাৰ্জনৰ মাধ্যম হৈ পৰে । কোনো প্ৰতিবাদ নকৰাকৈয়ে নিজৰ আয় তুলি দিয়ে পিতা বা স্বামীৰ হাতত ।

পিতৃতান্ত্ৰিক সমাজত চলচ্চিত্ৰ, বিজ্ঞাপন, ধাৰাবাহিক আদিত নাৰীৰ ত্যাগময়ী ৰূপটো মহান কৰি দেখুওৱা হয় । যি গৰাকী নাৰীয়ে

সংসাৰ আৰু পৰিয়ালৰ বাবে নিজৰ সমস্ত আশা-আকাংক্ষা বিসৰ্জন দিয়ে আৰু তেওঁৰ প্ৰতি আনে কৰা অন্যায় - অবিচাৰ নীৰৱে সহি মহিয়সী হয়. নিজৰ প্ৰতিভা অপচয় কৰে তেনে নাৰীক ভাৰতীয় আদৰ্শ নাৰী বুলি স্বীকৃতি দিয়ে । এনে বোৰ চৰিত্ৰত নাৰীৰ মানসিক উত্তৰণৰ কোনো প্ৰতিচ্ছবি নাথাকে । এনে সমাজ ব্যৱস্থাত যুগে যুগে চলি অহা পৰম্পৰাগত অন্ধ নীতিৰে নাৰী চৰিত্ৰক ঢাকি ৰখা হয় ।

আমাৰ প্ৰচলিত সমাজ ব্যৱস্থাত নাৰীক অবলা বুলি কোৱা হয় । প্ৰকৃততে নাৰী অবলা নহয়, তেওঁলোকক অবলা কৰিছে পুৰুষ শাসিত সমাজে । প্ৰকৃতিয়ে তেওঁৰ কোনো সৃষ্টিক দুৰ্বল কৰি সৃষ্টি নকৰে । দুৰ্বল কৰে পৰিৱেশে । গাঁৱৰ মহিলাসকল, চাহ বাগিছাৰ মহিলা শ্ৰমিকসকল আৰু বিভিন্ন শ্ৰেণীৰ শ্ৰমিক মহিলাসকলৰ হাড়ভগা পৰিশ্ৰমৰ কথা কোনে নাজানে ? সুবিধা পালে নাৰীয়ে যে সমাজৰ সকলো স্তৰতে প্ৰতিষ্ঠা লাভ কৰিব পাৰে তাক নতুনকৈ দোহৰাৰ প্ৰয়োজন নাই । নাৰীয়েই হৈছে প্ৰকৃত ৰাষ্ট্ৰ গঢ়োতা । সেয়ে কোৱা হয় - "The hand that rocks the cradle, rules the world."

পিতৃতান্ত্ৰিক সমাজত নাৰীৰ ওপৰত নিৰ্যাতন ভ্ৰূণ অৱস্থাৰে পৰাই আৰম্ভ হয় । ভাৰতৰ বহু ৰাজ্যতে কন্যা ভ্ৰূণ ধ্বংস কৰি কন্যা সন্তানক ইচ্ছাকৃত ভাৱে বধ কৰা হয় । ৰাজস্থানৰ এখন ভিতৰুৱা গাঁৱলৈ প্ৰায় কুৰি বছৰৰ পিছত এক বৰ যাত্ৰীৰ আগমন ঘটে । ইয়াৰ প্ৰধান কাৰণ হ'ল - কন্যা সন্তান জন্ম হলেই বধ কৰি পেলোৱাটো তাত এটা পৰম্পৰা ৰূপে চলি আহিছে । দূৰৈত থকা মোমায়েকৰ ঘৰত জন্ম হৈ লালিত পালিত হোৱা বাবেহে কুৰি বছৰৰ পিছত এগৰাকী ছোৱালী কন্যা সাজত বহিব পাৰিছিল । দেখা গৈছে যে - খোৱা - বোৱা, চিকিৎসা, শিক্ষা-দীক্ষা আদি ক্ষেত্ৰত কন্যা সন্তানক অৱহেলা কৰি নানা ধৰণে নিৰ্যাতন আৰু শোষণ কৰি ভাৰতত নাৰীক আজি সংখ্যা লঘূত পৰিণত কৰা হৈছে ।

যেতিয়ালৈকে নাৰী শিক্ষিত নহ'ব, অৰ্থনৈতিকভাৱে স্বাৱলম্বী নহ'ব, তেতিয়ালৈকে নাৰী সম্বন্ধে প্ৰচলিত ভুল ধাৰণাৰ পৰা নাৰী নিজেও আৰু সমাজো মুক্ত হ'ব নোৱাৰিব । নাৰী নিৰ্যাতন আৰু শোষণৰ বিৰুদ্ধে প্ৰগতিশীল নাৰী - পুৰুষ উভয়ে ঐক্যবদ্ধ হৈ প্ৰচলিত সমাজ ব্যৱস্থা সলনি কৰিব লাগিব । নহ'লে নাৰীমুক্তি, নাৰী অধিকাৰ, নাৰী সবলীকৰণ আদি বিষয়বোৰ নিৰৰ্থক ৰাজহুৱা বক্তৃতাৰ মাজতে আৱদ্ধ থাকিব ।

পাদটীকা ঃ

১। আজিৰ নাৰীঃ পিতৃতান্ত্ৰিক মূল্যবোধৰ বলি ।
ড০ মনোৰমা শৰ্মা । ( 'ডেউকা' - সপ্তদশ -অষ্টাদশ সংখ্যা)

২। নাৰী মুক্তিৰ প্ৰশ্নঃ ঐতিহাসিক প্ৰেক্ষাপটত ইয়াৰ বিচাৰ ।
ড০ অপৰ্ণা মহন্ত ( 'ডেউকা' - সপ্তদশ - অষ্টাদশ সংখ্যা )

৩। প্ৰচাৰ মাধ্যম, বিজ্ঞাপন আৰু নাৰী ।
অৰুন্ধতী দত্ত ( 'ডেউকা' - সপ্তদশ - অষ্টাদশ সংখ্যা )

৪। তৃতীয় বিশ্ববাসিনীৰ দৃষ্টিত নাৰী আৰু সমাজ ।
ড০ অনিমা গুহ ।

৫। মহিলা সবলীকৰণ আৰু আমাৰ ঘৰখন ।
ড০ ভবেন্দ্ৰ নাথ শইকীয়া ( 'প্ৰান্তিক' অষ্টাদশ সংখ্যা )

★ এতিয়ালৈকে সৰ্বাধিক এঘাৰটা অস্কাৰ বঁটা লাভ কৰিছে দুখন ছবিয়ে । ছবি দুখন হ'ল বেনহুৰ (1959) আৰু টাইটানিক (1997) । সৰ্বাধিক অস্কাৰ বঁটা লাভ কৰা ব্যক্তিজন হ'ল ৱাল্ট ডিজনি ( Walt Disney, 1901-1966 ) । তেওঁ 1933 চনৰ পৰা 26 বাৰ এই বঁটা লাভ কৰিছিল ।

★ ভাৰতৰ আটাইতকৈ দক্ষিণতম বিন্দুটো আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জত অৱস্থিত । গ্ৰেট নিকোবৰ দ্বীপত অৱস্থিত এই বিন্দুৰ নাম 'ইন্দিৰা পইন্ট' । পূৰ্বতে ইয়াৰ নাম আছিল 'Pygmalion Point' বা 'Person's Point' ।

★ আপোনাৰ হাতত থকা ঘড়ীৰ টিক্ টিক্ শব্দ কৰি মিনিটলৈ লক্ষ্য কৰি গৈ থকা চেকেণ্ডৰ কাঁটাডাললৈ মন কৰকচোন । এক মিনিট হ'লনে ? যদি হ'ল তেন্তে জানি ল'ব এই এক মিনিট সময়ৰ ভিতৰতে ইতিমধ্যে এঘাৰজন নতুনকৈ এইড্‌ছ আক্ৰান্ত ৰোগী আমাৰ মাজলৈ আহি গ'ল । বিশ্ব স্বাস্থ্য সংস্থাই ( WHO ) 1998 চনতেই দিছে এই সকীয়নি ।

# Yoga in Indian Thought

Dr. Nirmala Devi
Lecturer, Dept. of Philosophy

India is well-known for her geo-physical and anthropological diversity. The speciality of disuniformity is not limited to these aspects only. This specific character of the country is extended to the mental and intellectual level of her people, who are classified as theists and atheists, materialists and idealists and other intellectual groups. But these diverse groups of philosophical thinking were interwoven by one strong thread- the concept of Yoga. This marvellous string is ever extended, though ornamented in its different parts by different kinds of jewels by the supporters of different view-points.

The meaning of the word is connection, conjugation or union. It is the process of psychical unilateral persuasion, stability and equilibrium. Literal rendering of the term Yoga into English can hardly express its implied meanings. or the idea contained within it.

The term and its concept is Indian. But in India itself it is used differently by different groups of ideology from the time of the Vedas ( the first record of Indian thought ) upto the modern period of this twentith century.

Necessity of Yoga was felt to be the highest point by Patanjali who formulated the concept into a full-fledged philosophical system as Patanjali Yoga. Here Yoga is a process of different practices to be followed by the individual self in order to be united with the Supreme Self or to realise its own nature, what it really is. In this system of thought 'Yoga' is used in the sense of 'cittavrttinirodha,' i.e. 'to resist the modifications of mind or citta.' This idea is based on the view of dualistic reality of the Sankhyins as Prakrti and Purusa or matter and self as possessed of completely opposite characters. These people believed that the self is pure intelligence but it confuses itself with the material body because of the functions of citta. Naturally, to remove this confusion and to realise its own nature, it is necessary to have discriminative knowledge of Prakrti and Purusa, as advocated by the Sankhya school of thought. To attain this highest knowldege, to drop out the false indentification, the purusa should have cittavrttinirodha.

The Yoga system analysed elaborately the different practices to be followed stage by stage in a gradual developing process in order to acquire a strong mental and spiritual habit for the attainment of true knowledge by preventing the ever fluctuating mental processes. The stages are interdependent and should be followed in regular succession. Patanjali formulated such eight stages of Yoga - 1) Yama. 2) Niyama, 3) Asana, 4) Pranayama 5) Pratyahara, 6) Dharana 7) Dhyana and 8) Samadhi.

Yama is a series of moral disciplines. This includes the five ethical principles of ahimsa, satya, asteya, brahmacarya and aparigraha. These are essential because to have a sound body and a sound mind, the first and foremost condition is to have control over passions. Immoral and evil actions can never create a pure intellect. So moral life is the number one condition in the process of Yoga.

Niyama is the purification of body and mind. Bodily cleanliness and mental habit of contentment, tolerance, devotion are other essential conditions forming Yoga discipline.

Asana includes different bodily postures and rules for maintaining sound health which is the utmost necessary condition for meditation or concentration, the ultimate stage of Yoga. There are about eighty four asanas in Yoga system which are effective ways by which the body can be kept free from diseases thereby making it fit for concentration. Moreover these exersises enable a person to have control over limbs and nerves and thus have an undisturbed mental equilibrium.

The next step of Pranayama is related with the process of regulating breathing system. These respiratory exercises are useful for strengthening the heart and improving its functions. This promotes steadiness of body and mind and helps in concentration.

The fifth stage of Yoga is pratyahara. It is a much advanced step and is the last one of the five bahiranga sadhana. Here the mind is sufficiently befitted to withdraw itself from external objects. The yoga practisioner at this stage gets full mastery over the senses with a resolute will power. Mind is not disturbed by any object coming through the senses. This is the background of the next step antarangayoga.

Dharana is the sixth in the series of the Yogangas and first of the antarangasadhana. This is direct attention to one's goal. Here mind is steadily fixed on some object.

Dhyana is the next higher step. It is undisturbed and steadfast contemplation of the object of Dharana or meditation. It reveals the full knowledge of the object attended.

Samadhi is the last one of the eight Yogangas. It is the final step in the practice of Yoga. Here the means and the end, the subject and the object become identical and the self recognizes its own entity by restraining the modifications of the citta.

It is believed that by Yoga practice one can attain wonderful powers of body and mind. He can make himself higher than the highest, lighter than the lightest, heavier than the heaviest, as small or large as he pleases, etc. These are called Yoga vibhuties. But the aim of Yoga philosophy was not to attain such supernatural powers. These are the aims of materialistic philosophy. Yogadarsana invented these practices as means of samadhi or concentration to attain spiritual insight of purusa or self.

Necessity of Yoga as important method for realising the spiritual truths is accepted by Indian philosophy as a whole. In the Bhagavad Gita Yoga is the means of union with God. All the three methods of Jnana, Bhakti and Karma are Yogas. Yoga is essential and important for the works of day-to-day life also. So 'Yoga Karmasu Kausalan.' It is the best skill of action.

Really Yoga is a method, a skill of life. This value of Yoga was felt by the atheists who did not believe in God as Supreme Self. The most typical example of this are the Yogachara Buddhists. Without believing in God or self, the Buddhists honour the need of Yoga as inevitable means of Nirvana. The panca Mahavratas of the Jainas, the panca-silas of the Buddhists are the same as the panca - Yamas of the Yoga philosophy. These principles are welcome in the commandments of the Bible. Religious thinkers of modern time also honour meditation as the best way of devotion.

External struggles always draw the mind outwards to an unsteady restless condition. We are to struggle to draw it back to a steady restful state. That most needed mental state may be possible to a great extent by the practice of Yoga. We need Yoga not for spiritual insight, not for God's revelation but for some peaceful moments in life.

Yoga in the sense of Samyama or control is the utmost necessity of the time. Control of mind is related with control of body. So importance of Yoga is revaluated in physiological as well as psychological departments. For proper knowledge of the exercises proper guidance is essential. Yoga physique is the endeavour to supply this need of time. We hope our coming generations will preserve the use and utility of Yoga, our ancient treasure.

# মনোবিজ্ঞানীৰ দৃষ্টিত একপ্ৰকাৰৰ মানসিক ৰোগ নিঃসংগতা

❑ ধ্ৰুৱণী লাহন
প্ৰাক্তন ছাত্ৰ, অসমীয়া বিভাগ

সম্পূৰ্ণ জন প্ৰাণীহীন মানৱ বৰ্জিত এটা নিসংগ দ্বীপত বসবাস কৰা আলেকজেণ্ডাৰ চেলকাৰ্কৰ বিষয়ে অধ্যয়ন কৰোতে মোৰ চেতন মনত আন এজন মহান ব্যক্তিৰ কথাই ভুমুকি মাৰিছিল । সেইজন হৈছে নেপ'লিয়ন ব'নাৰ্পাৰ্ট । এজন অভিজ্ঞ আৰু পৰাক্ৰমী বীৰযোদ্ধা হৈও তেওঁ যেতিয়া ৱাটাৰলু যুদ্ধত মিত্ৰশক্তিৰ হাতত বন্দী হৈ ছেন্ট হেলেনা দ্বীপলৈ নিৰ্বাসিত হ'ব লগা হৈছিল, তেতিয়া তেওঁ কৈ উঠিছিল - 'নিঃসংগতাকেই মই বেছিকৈ ভয় কৰো ।' অৰ্থাৎ তেওঁ অধিক শক্তিশালী আৰু সকলো অসম্ভৱকে সম্ভৱ কৰা দৃঢ় আত্মবিশ্বাসী ব্যক্তি হলেও, নিঃসংগতাবোধ তেওঁৰ বাবে কোনো ক্ষেত্ৰতেই আয়ত্তৰ অধীন নহয় । নিঃসংগ জীৱন যাপন কৰাটো তেওঁৰ বাবে অসম্ভৱ ।

সকলো মানুহৰ জীৱনত নিঃসংগতাবোধৰ প্ৰভাৱ থাকে । নিঃসংগতাৰ আভিধানিক অৰ্থ হৈছে - যাৰ সংগ নাই । অৰ্থাৎ সংগীবিহীন সকলোৱেই নিঃসংগ । নিঃসংগতা মানুহৰ জীৱনলৈ খুউব আকস্মিক ভাৱে বা নিঃশব্দেও আহিব পাৰে । ই মানুহৰ চেতন আৰু অৱচেতন মনত ক্ৰিয়া কৰা এক জটিল মানসিক প্ৰক্ৰিয়া । এজন মানুহৰ মনত নিঃসংগতাবোধৰ উপলব্ধি সাধাৰণতে দুই ধৰণেৰে হ'ব পাৰে । নিৰ্জন পৰিবেশৰ মাজত থাকি বসবাস কৰা এজন ব্যক্তিৰ নিঃসংগতাবোধ আৰু জনসমাগমৰ মাজত থাকিও উপলব্ধি কৰা নিঃসংগতাবোধৰ মাজত যথেষ্ট পাৰ্থক্য আছে । প্ৰথম বিধৰ ক্ষেত্ৰত নিঃসংগ বোধ কৰা ব্যক্তিজনৰ ওচৰত সঁচাকৈয়ে দ্বিতীয় এজন ব্যক্তি নাই, যাৰ সৈতে তেওঁ মনৰ ভাব বিনিময় কৰিব পাৰিব । এই নিঃসংগতা স্বাভাৱিকতেই জটিলতা বিহীন । কাৰণ তেওঁ ইচ্ছা কৰিলেই জনসমাগমৰ মাজলৈ আহি, তেওঁৰ নিঃসংগতাবোধটো আঁতৰাই পেলাব পাৰে । এই ক্ষেত্ৰত অৱশ্যে মানুহজন ইচ্ছাকৃতভাৱে নিঃসংগতাবোধৰ পৰিপন্থী হ'ব লাগিব । অন্যহাতে চৌদিশে অগনন মানুহ থকাৰ পাছতো যেতিয়া কোনো মানুহে নিজকে বৰ অকল শৰীয়া বা নিঃসংগ অনুভৱ কৰে, সেই নিঃসংগতাৰ অনুভৱ তেওঁৰ বাবে বৰ বেদনা-দায়ক । ই মানুহজনৰ মানসিক জগতখনত প্ৰচণ্ডভাৱে ক্ৰিয়া কৰাৰ উপৰি ইয়াৰ প্ৰভাৱ চিৰজীৱনলৈ হৈ পৰাৰ আশংকা থাকে । মনোবৈজ্ঞানিকসকলে এই নিঃসংগতাক মানুহৰ এবিধ মানসিক ৰোগ হিচাপে অভিহিত কৰিছে । কাৰণ চৌদিশে সহস্ৰ মানুহ থকাৰ পাছতো যিয়েই নিঃসংগতাবোধ অনুভৱ কৰে ; সেই নিঃসংগ তেওঁৰ বাবে কোনো অপ্ৰত্যাশিত পৰিঘটনাৰ ফলশ্ৰুতি । যিটো তেওঁৰ বাবে হয়তো কোনো দিনেই কাম্য নাছিল ।

সংগীবিহীনভাৱেই নিঃসংগ হওক বা সংগী থাকিও নিঃসংগ হওক, এই নিঃসংগতাই মানুহৰ জীৱনত বহু পৰিমাণে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে । কিছুমান মানুহৰ বাবে নিঃসংগতা অসহনীয় বা আমনিদায়ক হ'লেও ; কিছুমানৰ বাবে ই উপভোগৰ আহিলা । যাৰ মনৰ অদম্য শক্তি আৰু উচ্চাকাংক্ষা অধিক তেওঁক নিঃসংগতাই কেতিয়াও কাবু কৰিব নোৱাৰে । সংগীবিহীন পৰিবেশেই তেওঁৰ বাবে অধিক আনন্দদায়ক হৈ পৰে । এই ক্ষেত্ৰত বিশেষকৈ শিল্পী, সাহিত্যিক, কবি, চিত্ৰকৰ বা বিজ্ঞানীসকলৰ কথাই উল্লেখ কৰিব পাৰি । সৃষ্টি কৰ্মৰ লগত জড়িত এইসকল ব্যক্তিয়ে নিৰ্জন পৰিবেশত নিজকে নিঃসংগতাৰে আঁকোৱালি ল'ব পাৰিলেহে, সৃষ্টি তত্ত্বৰ প্ৰকৃত সাৰ্থকতা উপলব্ধি কৰিব পাৰে । এইসকলৰ বাবে নিৰ্জনতা বা নিঃসংগতাই সকলো সৃষ্টি, সকলো শক্তি আৰু আত্মবিশ্বাসৰ মূল বস্তু । বহু ক্ষেত্ৰত নিঃসংগতাই তেওঁলোকক ভাবিবলৈ শিকায়, নতুন কিবা এটা সৃষ্টি কৰিবলৈ প্ৰেৰণা দিয়ে । দাৰ্শনিক বাৰ্ট্ৰাণ্ড ৰাছেলে কৈছে - 'কিছু পৰিমাণে সুখী জীৱন -যাপন কৰিবলৈ হ'লে কিছু পৰিমাণৰ বিৰক্তি বা আমনি সহ্য কৰিব পৰা শক্তি আমাৰ বাবে খুবেই প্ৰয়োজন ।' নকলেও হ'ব প্ৰথম অৱস্থাত নিঃসংগতাই মানুহক আমনি কৰিলেও পাছলৈ এই নিঃসংগতাই তেওঁৰ সাফল্যৰ চাবি কাঠি হৈ পৰিব পাৰে । অৱশ্যে মানুহজনৰ এই নিঃসংগতা নিৰ্বাসিত হৈ লাভ কৰা নিঃসংগতা বা অনিচ্ছাকৃতভাৱে পালন কৰা নিঃসংগতা নহয়, নিজৰ ইচ্ছা অনুসৰি প্ৰাত্যহিক নিৰবিচ্ছিন্ন ব্যস্ততাৰ পৰা ৰেহাই লৈ আত্ম সান্নিধ্য উপভোগৰ বাবে কটোৱা নিঃসংগতাহে ।

সংগী থাকিও যি সকলে নিঃসংগতাৰ যন্ত্ৰণাত ভুগে সেই সকলৰ মনত নিঃসংগতাই ছাঁৰ দৰে অহৰ্নিশে সংগ লয় । যিজন ব্যক্তিয়ে নিঃসংগতাক ভয় কৰে ; তেৱেঁই হয়তো কোনো মুহূৰ্তত কৈ উঠিব পাৰে মোক অকলে থাকিবলৈ দিয়া । ব্যক্তি জনে এই নিঃসংগতা বিচৰাৰ অন্তৰালত নিঃসন্দেহে কিছুমান কাৰণ লুকাই থাকে । যিবিলাক তেওঁ আনৰ আগত প্ৰকাশ কৰিবলৈ সমৰ্থ নহয় । ব্যক্তিৰ এই আকাংক্ষিত নিঃসংগতাই স্বাভাৱিকতেই মানুহজনৰ জীৱনী শক্তিক তিল তিলকৈ নিঃশেষ কৰি আনিব পাৰে । প্ৰিয়জনৰ পৰা বিচ্ছেদ অথবা কিবা প্ৰাপ্তিৰ আশাত চেঁচাপানী পৰিলে মানুহৰ এই নিঃসংগতাবোধৰ উদয় হয় । তদুপৰি ভৱিষ্যতৰ প্ৰতি অত্যাধিক সচেতন ব্যক্তিসকল আৰু নিৰাপত্তাহীনতাত ভোগা সকলো মানুহেই পৰোক্ষভাৱে এনে নিঃসংগতাবোধৰ পাকচক্ৰত সোমাই পৰে । তেওঁলোকে এই নিঃসংগতাবোধৰ ফলত এক অসহনীয় পৰিবেশৰ মাজত মিলি যাবলৈ বাধ্য হয় ।

মানুহৰ এই নিঃসংগতাবোধ আঁতৰ কৰিবলৈ বিভিন্নজনে বিভিন্ন ধৰণে পৰামৰ্শ আগবঢ়াইছে । চিকিৎসাবিহীন এনে ধৰণৰ মানসিক ৰোগ নিৰাময়ৰ ক্ষেত্ৰত বহুতে ব্যস্ততা ভৰা জীৱন এটা আঁকোৱালি ল'বলৈ মানুহক উপদেশ দিয়ে । তেওঁলোকৰ মতে ব্যস্ততাই নিঃসংগতা দূৰ কৰা কাৰ্যকৰী ব্যৱস্থা । আন এজন প্ৰখ্যাত ব্যক্তি ভাগ হেমাৰশ্লিল্ডৰ মতে

'নিঃসংগতাৰ যন্ত্ৰণানাশক প্ৰতিষেধক হিচাপে কাম আৰু মানুহৰ সংগৰ বিকল্প হিচাপে কিতাপ ।' অৰ্থাৎ কিতাপেই মানুহক নিঃসংগ জীৱনৰ পৰা আঁতৰাই আনি এখন বিশাল বিশ্বৰ বুকুত সুমুৱাই দিব পাৰে । মানুহৰ জীৱনটোক অন্তহীনভাৱে উপভোগ্য কৰি ৰাখিব পৰা অনেক অমৃত উৎসৰ ভিতৰত কিতাপেই শ্ৰেষ্ঠ । চৌদিশে মানুহ থকাৰ সত্বেও যিসকলে নিঃসংগ অনুভৱ কৰে, তেওঁলোকে কিতাপৰ পাততেই প্ৰয়োজনতকৈ অধিক সংগী বিচাৰি পাব পাৰে । কিতাপৰ পাতত পোৱা সংগীসমূহ মানুহৰ জীৱনৰ আটাইতকৈ প্ৰভাৱশালী আৰু বিশ্বস্ত সংগী । এই সংগীয়ে মানুহক কেতিয়াও বিশ্বাসঘাতকতা নকৰে ।

এইখিনিতে আমি পুনৰ পূৰ্বৰ প্ৰসংগলৈ ঘূৰি গৈছো । আলেকজেণ্ডাৰ চেলকাৰ্ক আৰু নেপ'লিয়ন ব'নাপাৰ্ট দুয়োজন একে তেজ মঙহেৰে গঢ়া মানুহ হ'লেও, দুয়োজনৰ মাজত এটা বিৰাট বৈসাদৃশ্য আছে । সেইটো হৈছে এজনে নিঃসংগতাক ভাল পায় আৰু আন জনে নিঃসংগতালৈ অত্যধিক ভয় কৰে । ইয়াৰ কাৰণ বিচাৰিলে আমি দেখিম যে দুয়োজন ব্যক্তিৰ ওপৰত পৰিবেশৰ প্ৰভাৱ পৰিছে । নেপ'লিয়ন ব'নাপাৰ্টে যুদ্ধ বিগ্ৰহৰ লগত জড়িত হৈ সম্পূৰ্ণ এটা হুলস্থূলীয়া পৰিবেশৰ প্ৰতি আকৰ্ষিত হৈ পৰিছিল । গতিকে তেওঁৰ বাবে নিঃসংগ জীৱন আছিল অত্যন্ত দুৰূহ । আনহাতে, আলেকজেণ্ডাৰে সাধাৰণ পৰিবেশত বসবাস কৰাৰ বাবেই নিঃসংগ জীৱনৰ লগত তেওঁ অতি সহজে অভ্যস্ত হৈ পৰিছিল । তেওঁৰ বাবে হয়তো নিঃসংগতাই আছিল অন্তিম বিশ্বস্ত সংগী । মনোবিদসকলে মানুহ এজন সংগ প্ৰিয় হ'বনে নিঃসংগ প্ৰিয় হ'ব সেই কথা ঠাৱৰ কৰাৰ ক্ষেত্ৰত মানুহ জনৰ শৈশৱ - কৈশোৰৰ পৰিবেশৰ প্ৰতিও গুৰুত্ব আৰোপ কৰিছে । তেওঁলোকৰ মতে মানুহৰ চৰিত্ৰ গঠনত পৰিবেশৰ প্ৰভাৱ অতি গুৰুত্বপূৰ্ণ । সৰুৰে পৰা বিভিন্ন হুলস্থূলীয়া পৰিবেশৰ মাজত ডাঙৰ দীঘল হোৱা কোনো ব্যক্তিয়ে পাছৰ জীৱনত হঠাতে অকলশৰীয়া হৈ জীৱন কটোৱাতো অতি যন্ত্ৰণাদায়ক । আনহাতে, শৈশৱৰ পৰাই নিজকে আনৰ সংগৰ পৰা আঁতৰাই ৰখা ব্যক্তিয়ে পাছৰ জীৱনতো সেই প্ৰভাৱেৰে প্ৰভাৱান্বিত হয় । ফলত তেওঁ কিছুমান জটিল সমস্যা নিজৰ সূক্ষ্ম চিন্তাশক্তিৰ দ্বাৰাই সু-সমাধান কৰিব পাৰে । নিঃসংগ প্ৰিয় ব্যক্তিৰ ক্ষেত্ৰত সমস্যা সমাধানৰ বাবে চিন্তাশক্তি প্ৰয়োগ হোৱাৰ বিপৰীতে সংগ প্ৰিয় ব্যক্তিয়ে আবেগৰ বশবৰ্তী হৈ সমস্যা সমাধানৰ পোষকতা কৰে ।

কৈ আছিলো নিঃসংগতাৰ কথা, কিন্তু কৈ থকাৰ মাজতে আকৌ নিঃসংগতাৰ লগত সংপৃক্ত পৰিবেশৰ কথাও উনুকিয়াই দিলো । ইয়াৰ কাৰণ এটাই যে, আজিকালি আমাৰ সমাজৰ শিশু আৰু কিশোৰ কিশোৰীইঁতে নিঃসংগ অথবা নিৰ্জন পৰিবেশ ভাল নাপায় । তেওঁলোকৰ প্ৰিয় বস্তু হ'ল টি ভি, টেপৰেকৰ্ডাৰ বা ডেক । যাৰ দ্বাৰাই অনবৰতে এটা হুলস্থূলীয়া পৰিবেশ পাই থাকিব পাৰে । সংগবিহীন নিঃসংগ মুহূৰ্তত তেওঁলোকে 'ব'ৰ'ধ'ৰ' বুলি চিঞৰি দিয়ে । চহৰীয়া পৰিবেশত আচ্ছন্ন ল'ৰা - ছোৱালীৰ ক্ষেত্ৰত সাধাৰণতে এই 'ব্যাধি'ৰ পৰিমাণ বেছি । কিন্তু এইটো কথা ঠিক যে, শিশুৰ আভ্যন্তৰীণ দেহ মনৰ পৰিপক্কতা বৃদ্ধি আৰু মগজুৰ সূক্ষ্ম চিন্তাশক্তি ব্যৱহাৰ কৰিবলৈ হ'লে, প্ৰতিদিনে অকনমান হ'লেও নিঃসংগ পৰিবেশত নিজকে লীন নিয়াবৰ সুবিধা পাব লাগিব । নহ'লে তেওঁলোকে কেতিয়াও নিজৰ মগজুৰ চিন্তাশক্তিক ভাল কামত ব্যৱহাৰ কৰিব নোৱাৰে । এই সম্পৰ্কত বাৰ্ট্ৰাণ্ড ৰাছেলৰ এষাৰ কথা অতি তাৎপৰ্যপূৰ্ণ । তেওঁ কৈছে 'ল'ৰালি কালৰ উপভোগ বিলাক প্ৰধানত এনে হোৱা উচিত যে, যাতে সিহঁতে চেষ্টা কৰি নিজৰ বুদ্ধিৰে নিজ পৰিবেশৰ পৰাই নিজে নিজেই আনন্দ উপভোগ কৰিব পাৰে । সৰুৰে পৰা জাকজমকতা আৰু উলহ-মালহৰ মাজত ডাঙৰ দীঘল হোৱা ল'ৰা ছোৱালীৰ মাজত কোনো সৃষ্টি বা সংগঠনমূলক কামৰ প্ৰবৃত্তি সহজে নাজাগে । উত্তেজনা হ'ল মাদক দ্ৰব্যৰ দৰেই । ৰাগীৰ দৰে ইয়াৰ পৰিমাণ বঢ়াই গৈ থাকিব লগীয়া হয় ।' সেয়েহে শিশুসকলক পৰাপক্ষত হুলস্থূলীয়া পৰিবেশৰ পৰা আঁতৰত ৰাখি নিৰ্জন আৰু নিঃসংগ পৰিবেশৰ লগত (প্ৰয়োজনতকৈ অধিক নিঃসংগতা যাতে অনুভৱ কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি ) একাত্মতা গঢ়িবলৈ সুবিধা দিব লাগে । এনে কৰিলে শিশুসকলে স্বাভাৱিকতেই সৃষ্টিমূলক কামত চিন্তা-চৰ্চা কৰিবলৈ সুবিধা পায় ।

পূৰ্বতেই আমি এটা কথা উল্লেখ কৰি আহিছো যে, মানুহৰ জীৱনত নিঃসংগতাবোধ থাকিব লাগে । নিজক বুজিবলৈ হ'লে বা নিজক উপলব্ধি কৰিবলৈ হ'লে মানুহৰ এই নিঃসংগ মুহূৰ্তবোৰ খুবেই প্ৰয়োজন । কিন্তু এই নিঃসংগতা অনিচ্ছাকৃতভাৱে নহৈ সম্পূৰ্ণ ইচ্ছাকৃত হ'ব লাগে । বাধ্যত পৰি নিঃসংগ জীৱন যাপন কৰা মানুহৰ ক্ষেত্ৰত মনৰ বিভ্ৰান্তি ঘটাটো স্বাভাৱিক । আধুনিক সমাজৰ ক্লান্তিকৰ যান্ত্ৰিক জীৱনৰ পৰা আঁতৰি গৈ কেতিয়াবা ক'ৰবাত অকণমান নিৰলে বহি নিঃসংগ মুহূৰ্তৰ স্বাদ-উপভোগ কৰা আনন্দই বেলেগ । সেয়েহে আমি এই আনন্দ লাভৰ বাবে চেষ্টা কৰিব লাগে । আমি আমাৰ নিঃসংগ মুহূৰ্তৰ সংগী হিচাপে কিতাপ - কলম, ৰং-তুলিকা, সংগীত, সুৰা আদি যিয়েই নলওঁ কিয় এই সকলোবোৰ সেই সময়ত হৈ পৰে অন্তহীন আনন্দৰে পৰিপূৰ্ণ একো একোটা তুলনাবিহীন উৎস ।

★ এন্টাৰ্কটিকাত পৃথিৱীৰ 90% শতাংশ বৰফ জমা হৈ আছে । এই বৰফ যদি কেনেবাকৈ গলে তেতিয়া সমগ্ৰ পৃথিৱী 70 মিটাৰ গভীৰ পানীত বুৰ যাব ।

★ বিচিত্ৰ যেন লাগিলেও ফুলষ্টপৰ ( . ) ওজন আছে । ইয়াক ওজন কৰি দেখুৱাইছে 'নিউৱৰ্ষ্টউইক এটমিক এনাৰ্জি লেবৰেটৰী' ৰ বিজ্ঞানীসকলে । ফুলষ্টপ এটাৰ ওজন হ'ল ০.০০০০০০৩৫ আউন্স অৰ্থাৎ ০.০০০০০৯৯২ গ্ৰাম ।

★ দেশ দুখনৰ মাজত যুদ্ধ লাগিলে সাধাৰণতে বহু সময় ধৰি ই চলিয়েই থাকে । কিন্তু এইটো আঁচৰিত কথা যে গ্ৰেট বৃটেইন আৰু জঞ্জিবাৰৰ ( এতিয়াৰ টাঞ্জানিয়া ) মাজত লগা যুদ্ধখন মাত্ৰ ৩৮ মিনিট ধৰিহে চলিছিল । ১৮৯৬ চনৰ ২৭ আগষ্টত সংঘটিত হোৱা যুদ্ধখনেই হ'ল পৃথিৱীৰ আটাইতকৈ কম সময়ৰ যুদ্ধ ।

# মৃত্যু

❑ সঞ্জনা মৌৰ্য
স্নাতক তৃতীয় বৰ্ষ (কলা)

মৃত্যু শব্দটোৰ আভিধানিক অৰ্থঃ Complete and total cessation of functioning of all the vital organs। মৃত্যুৰ অভিজ্ঞতা আমাৰ বাবে তেনেই স্বাভাৱিক আৰু সাধাৰণ। তথাপি অভিধানে বিশদভাৱে বুজাই দিয়াৰ পাছতো আমি ইয়াৰ অৰ্থ পৰিষ্কাৰকৈ বুজি নাপাওঁ। মৃত্যু মানে কি ? মৃত্যু হ'লে কি হয় ? মানুহৰ মৃত্যু কিয় হয় ? মৃত্যুৰ ঘটনাটো দুখৰ নে সুখৰ ? যদি দুখৰ কাৰ বাবে ? মৃতকৰ বাবে নে মৃতকৰ আত্মীয়সকলৰ বাবে ? মৃত্যুৰ বিষয়ে মৃতকে আগতীয়াকৈ জানে নেকি ? মৰাৰ পিছত কি হয় ? মৃত্যু, আত্মহত্যা আৰু হত্যা একে নেকি ? এনেধৰণৰ অজস্ৰ প্ৰশ্নই আমাৰ মনত জুমুৰি দি ধৰেহি। এই আটাইবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰিলে হয়তো পোৱা যাব; কিন্তু সেই উত্তৰবোৰে আমাৰ মনৰ পৰা সন্দেহৰ কুঁৱলী সম্পূৰ্ণকৈ আঁতৰাব নোৱাৰে। মৃত্যুৰ বিষয়ে যিমানে চিন্তা কৰা যায়, প্ৰশ্নৰ উত্তৰ বিচাৰি সিমানে হাবাথুৰি খোৱা যায়, সিমানে তাৰ চাৰিওফালৰ ৰহস্যৰ কুঁৱলী ক্ৰমে অধিক ডাঠ হৈ আহিবলৈ ধৰে। লাহে লাহে 'মৃত্যু' শব্দটোৰ সকলো সংজ্ঞা আৰু ব্যাখ্যা গভীৰতম ৰহস্যৰ গহ্বৰত নিক্ষিপ্ত হ'বলৈ ধৰে। অৰ্থাৎ 'মৃত্যু' নিজেই মৃত্যুৰ মুখত পৰে।

ভাৰতীয় দৰ্শনত মৃত্যুক পোনপটীয়াকৈ গ্ৰহণ কৰা হৈছে, নাইবা বৰ্জনৰ মাজেদি গ্ৰহণ কৰা হৈছে। ৰবীন্দ্ৰনাথ ঠাকুৰৰ পৰা আৰম্ভ কৰি আধুনিক কবিৰ কবিতালৈকে সকলোতে এই ৰূপেই গৃহীত হৈ আহিছে।

এপিকিউৰাছৰ মতে মৃত্যু সকলোতকৈ ভয়াবহ। কিন্তু সেই বিষয়ে মূৰ ঘমোৱাৰ প্ৰয়োজন নাই। কিয়নো যেতিয়া জীৱন থাকে তেতিয়া মৃত্যুৰ অস্তিত্ব নাথাকে আৰু যেতিয়া মৃত্যু ঘটে, তেতিয়া জীৱনৰ অস্তিত্ব নাথাকে। অৰ্থাৎ আমি মিছাকৈয়ে মৃত্যুৰ চিন্তাত বিহ্বল হওঁ। মৃত্যু আৰু জীৱনৰ মাজত একো সম্পৰ্ক নাই। দুটা সম্পূৰ্ণ ভিন্ন কথা। ভিন্ন বাস্তৱতা। কেৱল মানুহৰ জ্ঞান আৰু চেতনাইহে দুয়োটা কথা একেডাল সূতাৰে গাঁথিছে। এদিন মৃত্যু হ'ব বুলি মানুহে জানে। লৰেন্স ডুৰেলে এই কথাটোকে অন্য প্ৰকাৰে ক'বলৈ বিচাৰেঃ death is a metaphar, nobody dies to himself.

মৃত্যুক সহজ ভাৱে, অৱধাৰিত নিয়তি হিচাপে গ্ৰহণ কৰা এটা কথা আৰু ইয়াক জীৱনৰেই একৰূপান্তৰ মাথোন বুলি ভবাটো আন এটা কথা। মৃত্যুক জীৱনৰে অন্য ৰূপ বুলি ভবাসকলে প্ৰথমেই ধৰি লয় যে আমি সকলো 'মাটিৰ মানুহ'। গতিকে 'মাটিৰ মানুহ তুমি মাটিত মিলিবা' নাইবা বাইবেলৰ ডাষ্ট দাউ আৰ্ট এণ্ড আন্ টু ডাষ্ট শ্বেল দাউ ৰিটাৰ্ণ বোলা কথাৰে এই সকলে মৃত্যুৰ ছবি আঁকিবলৈ চেষ্টা কৰে। ভাৰতীয় চিন্তাৰ 'পঞ্চভূত' আৰু বাইবেলৰ 'ডাষ্ট' দুয়োটাৰে বৈজ্ঞানিক ভিত্তি আছে। মানুহৰ শৰীৰ যিবিলাক পদাৰ্থৰ দ্বাৰা গঠিত সেই পদাৰ্থবোৰ মানুহৰ মৃত্যুৰ পিছত পুনৰ মাটিত মিলি যায়। প্ৰকাৰান্তৰে বুজা গ'ল মৃত্যু জীৱনৰে ৰূপান্তৰ বা নামান্তৰ। এইটো সকলোৰে অভিজ্ঞতালব্ধ সত্য যে মৃত্যুৰ পিছত পুৰিলে মানুহৰ দেহাটো এমুঠি ছাইত পৰিণত হয়। টেনেছি ৱিলিয়ামে কোৱাৰ দৰে - পুৰুষৰ দেহা পুৰিলে ছাই হৈ যায়। কোনো নাৰীয়ে তেওঁক আৰু ধৰি ৰাখিব নোৱাৰে। বতাহে তেওঁক দূৰলৈ উৰুৱাই লৈ যায়। এই কৰুণ, মৰ্মান্তিক অভিজ্ঞতা যি নাৰীৰ জীৱনত হৈছে, তেওঁ বুজি পাব এই কথাৰ মৰ্মভেদী অৰ্থ। মৃত্যুৰ লগে লগে মানুহৰ সকলো অনুভূতি শূন্য হৈ পৰে - সুখ-দুখৰ সকলো। তেওঁৰ প্ৰিয়তমাই কিমান দুখ পাইছে, কি অসহনীয় যন্ত্ৰণাত ভুগিছে, মৃতকে তাৰ কোনো সম্ভেদ নাপায়।

প্ৰকৃতি জগতত ফুল ফুলাৰ যেনেকৈ নিৰ্দিষ্ট একোটা সময় আছে, মৰি যোৱাৰো নিৰ্দিষ্ট সময় আছে। গছৰ পাত সৰাৰ নিৰ্দিষ্ট সময় আছে। পুৱাতেই যেনেকৈ বেলি ওলায়, সন্ধিয়া তেনেকৈ মাৰ যায়। আকাশৰ তৰাও ওলায় সময়মতে আৰু মাৰ যায়ও নিৰ্দিষ্ট সময়মতে। কিন্তু মানুহৰ জীৱনলৈ মৃত্যু অহাৰ কোনো নিৰ্দিষ্ট সময় নাই। সকলো ঋতুৱেই মানুহৰ বাবে মৃত্যুৰ ঋতু। জৰ্জ হাবাৰ্ডে কোৱাৰ দৰে মৃত্যুৱে কোনো কেলেণ্ডাৰ নামানে। ৰাতিপুৱা বেলিৰ ফালে চাই কোনেও খাটাংকৈ ক'ব নোৱাৰে যে তেওঁ এই বেলিটো মাৰ যোৱা দেখা পাব। বেলি ডুবা হয়তো তেওঁ সদায় দেখি আহিছে, কিন্তু আজি নেদেখিবও পাৰে। মৃত্যুক কেন্দ্ৰ কৰি জীৱনৰ চাৰিওফালে যি অনিশ্চয়তা বা অনিৰ্দিষ্টতা আছে, সিয়েই মানুহৰ মন কিছু পৰিমানে বিষন্ন কৰি তোলে।

ইয়াৰ বিপৰীতে আৰু এক শ্ৰেণীৰ লোক আছে যিসকলে এই অনিশ্চয়তাক এক ইতিবাচক ভাবনাৰ অৰ্ন্তগত কৰিব খোজে । তেওঁলোকৰ ভিতৰত ভাৰ্জিল উইলিয়াম কাউপাৰ, ছেনেকা, জন ড্ৰাইডেন আদিৰ নাম উল্লেখ কৰা যায় । ভাৰ্জিলৰ মতে, মৃত্যুক লৈ কোনো অনিশ্চয়তা থাকিব নোৱাৰে । সকলোৰে মৃত্যুৰ দিন ঠিক হৈ আছে । কিয়নো জীৱনটো চুটি । ইয়াক ঘূৰাই পাব নোৱাৰি । জীৱনটো চুটি বুলি মানি লোৱাৰ লগে লগে মৃত্যুৰ নিশ্চয়তাও মানি লোৱা হয় । মৃত্যুৰ দিন আগতিয়াকৈ ঠিক হৈ থাকে, তাৰ পৰিবৰ্তন ঘটাব নোৱাৰি । নিয়তিৰ নিৰ্দেশ ৰজা - মহাৰজায়ো মানিব লাগিব । মানুহ যি কেইদিন পৃথিৱীত থাকিব, সেইকেইদিনেই তেওঁৰ জীৱন । ডেনিয়েল ডিফো এ কোৱা "ভাল মানুহবোৰ সোনকালে মৰে, বেয়াবোৰহে বহু বছৰলৈ জীয়াই থাকে" কথাষাৰৰ সমৰ্থনত কোনো যুক্তি বিচাৰি পোৱা নাযায় । প্ৰতিজন মানুহৰে জীৱনৰ পূৰ্ণতাৰ পৰিমাপ আৰু পৰিমাণ একে নহয় । মৃত্যুৱে সেই পূৰ্ণতাৰ সূচনা কৰে । পূৰ্ণতাৰ সময় আহিলেই মানুহ যাব লাগে । তেওঁ গ'লেহে আন এজন আহিব ।

মৃত্যু অৱধাৰিত বুলি জানিলেও মানুহে নিজকে অমৰ আৰু অক্ষয়-অব্যয় বুলি ভাবে । এই ভাব দৃঢ়বদ্ধ হয় যৌৱন কালত । মৰিব বুলি কোনো ডেকা-গাভৰুৱে বিশ্বাস কৰিব নোখোজে । এই ভাবৰ পৰাই অমৰত্বৰ ধাৰণাই গঢ়লৈ উঠিছে । দস্তয়েভস্কীয়ে কৈছেঃ কোনো মানুহ বা কোনো জাতিয়ে একোটা উচ্চতৰ আদৰ্শ নোহোৱাকৈ জীয়াই থাকিব নোৱাৰে আৰু তেনে আদৰ্শ এটাই আছে - অমৰ আত্মাৰ আদৰ্শ । মানুহৰ আন সকলো আদৰ্শৰ জন্ম ইয়াৰ পৰাই । মৃত্যুৰ সঁচা সময় আহি নোপোৱা লৈকে মানুহে 'মৰিব পাৰিলেই ৰক্ষা' এইধৰণৰ কথা কৈ বিলাস কৰে । কিন্তু প্ৰকৃত সময় যেতিয়া আহে তেতিয়া মৃত্যুৰ কবলৰ পৰা ৰক্ষা পাবলৈ প্ৰাণ-পণে চেষ্টা কৰে । মৃত্যুমুখীজনে গাৰ ওচৰত যি পায়, যাকে পায় তাকে খামুচি ধৰা সকলোৱে দেখিছে ।

মৃত্যুৰ আগমুহূৰ্তত মানুহে অতিশয় সহায়হীন হৈ পৰে । সেই সময়ত আত্মীয় স্বজনে কিবা কৰিব বুলি ভবাটো মুৰ্খামি । কিয়নো তেওঁলোকো একে পথৰে পথিক । মৃত্যুমুখীজনৰ দৰে তেওঁলোকো শক্তিহীন, নিঃস্ব । তেওঁলোকে একো সহায় কৰিব নোৱাৰে । অকলেই আহিছোঁ, অকলেই এই পৃথিৱীৰ পৰা যাব লাগিব ।

একোটা সময়ত মানুহে স্বজ্ঞানে মৃত্যু কামনা কৰে কেতিয়া ? ঘূৰি পিছিয়ে কৈছে - যেতিয়া জীৱন - যন্ত্ৰণা সহ্যাতীত হয়, তেতিয়া । এনে অৱস্থাত মানুহে আত্মহত্যা কৰে । আত্মহত্যা কৰি মানুহে জীৱন যন্ত্ৰণাৰ ওৰ পেলায় বা কিবা এটা সাংঘাতিক সমস্যাৰ অন্ত পেলায় । কিন্তু এৰিষ্ট'টলে আত্মহত্যাকাৰীক কাপুৰুষ বুলি কৈছে । অৱশ্যে কোনো মহৎ লক্ষ্য সিদ্ধিৰ বাবে আত্মহত্যা কৰিলে বেলেগ কথা । সাধাৰণতে কিবা এক নীচতাৰ পৰা পৰিত্ৰাণ পাবৰ বাবেহে মানুহে আত্মহত্যা কৰে । মানুহে মনৰ দুখত আত্মহত্যা কৰে সঁচা ; কিন্তু দুদিনমান ধৈৰ্য ধৰা হ'লে হয়তো তেওঁৰ মনৰপৰা আত্মহত্যাৰ ভাব আঁতৰি গ'লহেঁতেন ।

মৃত্যুৰ চিন্তা যেতিয়া মনলৈ আহিবলৈ ধৰে, তেতিয়া মানুহৰ জীৱনৰ নিশ্চয়তা হ্ৰাস পাবলৈ ধৰে । দীৰ্ঘকালীন অসন্তুষ্টি আৰু হতাশাই প্ৰথমে মানুহক ভিতৰে ভিতৰে তিল্‌তিল্‌কৈ শেষ কৰি আনে । কঠোৰ পৰিশ্ৰমেও মানুহক সিমান খৰ্ব কৰিব নোৱাৰে, যিমান পাৰে অসন্তোষে ।

★ বিশ্বৰ বৃহত্তম গ্ৰীটিংছ্ কাৰ্ডখন হ'ল ভাৰতৰ ভূপালৰ সঞ্জয় শেঠ নামৰ 28 বছৰীয়া যুৱক এজনে সাজি উলিওৱা কাৰ্ডখন । দীঘলে 12.2 মিটাৰ আৰু বহলে 41.15 মিটাৰৰ এইখন কাৰ্ডৰ ওজন হৈছিলগৈ 180 কিলোগ্ৰাম । কাৰ্ডখন ভৰাবলৈ লগা লেফাফাটোৰ আকৃতি আছিল দীঘলে 12.5 মিটাৰ আৰু বহলে 14 মিটাৰ । কাৰ্ডখন তৈয়াৰ কৰোতে কেইবামাহো লাগিছিল আৰু ইয়াত খৰচ পৰিছিল 2.9 লাখ টকা ।

★ '37' সংখ্যাটো অইন কোনো সংখ্যাৰে ( 1 আৰু 37 ৰ বাহিৰে ) ভাগ কৰিব নোৱাৰি ; কিন্তু 37 ৰে 111, 222, 333, ৰ পৰা 999 লৈকে সংখ্যাক ভাগ কৰিব পাৰি ।

★ নিদ্ৰা প্ৰতিজন মানুহৰ বাবেই অতিশয় প্ৰয়োজনীয় । নিদ্ৰাই আমাৰ শৰীৰৰ লগতে মানসিক শান্তিতো যথেষ্ট অৰিহণা যোগায় । উপযুক্ত পৰিমাণৰ নিদ্ৰা নহ'লে শৰীৰ তথা মন দুৰ্বল হৈ পৰে । কিন্তু কিউবাৰ টমাছ হাজিকিয়াৰ্তো নামৰ লোক এজনে একেবাৰে চল্লিশ বছৰ টোপনি নোযোৱাকৈ কটাইছে । বিশ্বাস কৰিবলৈ টান লাগে যদিও ই সত্য ঘটনা ।

# নিৰোদ চৌধুৰীৰ সাহিত্য ৰাজি

❑ পদ্মজা খাওন্দ
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

যোৱা চাৰিটা দশকৰ অন্যতম জনপ্ৰিয় কথাশিল্পী, সাংবাদিক, 'চামেলি মেমচাব'ৰ স্ৰষ্টা নিৰোদ চৌধুৰী আৰু ইহ জগতত নাই । তেখেতৰ জীৱন আৰু সাহিত্য-কৰ্মৰ সংক্ষিপ্ত পৰিচয় পাঠকৰ উদ্দেশ্যে দাঙি ধৰা হ'ল ।

ডুমডুমা নগৰত ১৯৩২ চনত নিৰোদ চৌধুৰীদেৱৰ জন্ম হয় । তেখেতৰ পিতৃ আছিল চেনাৰাম চৌধুৰী আৰু মাতৃ আছিল সাবিত্ৰী চৌধুৰী । চৌধুৰীদেৱে ডুমডুমা আৰু ডাঙৰীত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা সমাপ্ত কৰে । গুৱাহাটীত কটন কলেজিয়েট স্কুলৰ পৰা প্ৰবেশিকা আৰু কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লোৱা চৌধুৰীদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ত এম, এ পঢ়িবলৈও আগবাঢ়িছিল কিন্তু ঘৰুৱা অসুবিধাৰ বাবে এম, এ পঢ়া নহ'ল ।

কটন কলেজত পঢ়ি থাকোতেই চৌধুৰীদেৱে সেই সময়ৰ 'আসাম ট্ৰিবিউন' কাকতৰ বিশিষ্ট সাংবাদিক সতীশ চন্দ্ৰ কাকতিৰ সহায়ত 'দি আসাম ট্ৰিবিউন' প্ৰেছত গ্ৰন্থাগাৰিকৰ চাকৰি এটা কৰিবলৈ সুবিধা পাইছিল । আৰু পিছলৈ সম্পাদক পদত অধিষ্ঠিত হৈছিল ।

তেখেতে লিখা ভিন্ন সুৰী গ্ৰন্থ কেইখন হ'ল -
১। বিচিত্ৰা, ২। অসমীয়া বোলছৱিৰ ইতিহাস, ৩। বহুত মুখঃ বহুতৰং, ৪। ৰাধা গোবিন্দ বৰুৱা, ৫। ইন্দিৰা গান্ধী, ৬। লতা, সুৰীয়া লতা । বিগত পঞ্চদশ গুৱাহাটী গ্ৰন্থমেলাত প্ৰকাশ পায় তেখেতৰ ২০০ পৃষ্ঠাৰ আত্মজীৱনী মূলক গ্ৰন্থ 'ডুমডুমা ডুমডুমা' । উল্লেখনীয় আৰু এটা জানিব লগীয়া বিষয় হ'ল - যে তেখেতেই আছিল বাংলাদেশ যুদ্ধৰ পাছত বাংলাদেশ ভ্ৰমণ কৰা প্ৰথম গৰাকী সাংবাদিক সাহিত্যিক । চৌধুৰী দেৱে বাংলাদেশ ভ্ৰমণ কৰি আহি লিখিছিল 'বুঢ়ী গংগাত জুই' নামৰ উপন্যাসখন । এই উপন্যাস খনৰ বেটুপাত আঁকিছিল সেই সময়ৰ প্ৰখ্যাত চিত্ৰশিল্পী পূৰ্ণেন্দু পাত্ৰীয়ে আৰু এইখনেই অফছেটত ছপা কৰা সৰ্বপ্ৰথম অসমীয়া উপন্যাস ।

নিৰোদ চৌধুৰীদেৱৰ ১২ খন চুটি গল্প সংকলন হৈছে -
১। মোৰ গল্প, ২। অংগে অংগে শোভা, ৩। বায়ুবহে পূৰবৈয়া, ৪। হীৰা-পান্না, ৫। নিশি গন্ধা, ৬। সোণ পৰুৱা, ৭। হংসমিথুন, ৮। চামেলি মেমচাব, ৯। প্ৰথম প্ৰহৰ, ১০। নিৰ্বাচিত গল্প, ১১। এটি সন্ধিয়াৰ প্ৰেম, ১২। চাইক'ডিলিক ঢেকীয়া, ১৩। অসমীয়া প্ৰেমৰ গল্প (সম্পাদিত) ।

তেখেতৰ উপন্যাস সমূহ হৈছে -
১। কুকুহা, ২। জটায়ু, ৩। নাম ৰাখিলোঁ বাসবী, ৪। কুঁৱলীৰ আখৰ, ৫। কালহীৰা, ৬। কস্তুৰী মৃগ, ৭। মন প্ৰজাপতি, ৮। দেৱী, ৯। দেহ দেউল, ১০। স্বপ্ন বৃন্দাবন, ১১। নষ্ট চন্দ্ৰ, ১২। বুঢ়ী গংগাত জুই, ১৩। নকল বাঘ, ১৪। পানী, ১৫। উপকণ্ঠৰ আৰ্তনাদ ।

এতিয়ালৈকে চৌধুৰীদেৱৰ কাহিনীৰ আধাৰত ৫ খন অসমীয়া কথাছবি বা বোলছবি নিৰ্মিত হৈছে । সেই কেইখন হ'ল -
১। মন প্ৰজাপতি, ২। চামেলি মেমচাব, ৩। কাঁচঘৰ, ৪। বনহংস আৰু ৫। পানী । তেখেতৰ 'চামেলি মেমচাব' নামৰ কথা ছবিখনে আমালৈ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল সৰ্ব্বভাৰতীয় সন্মানৰ বঁটা । চৌধুৰী দেৱে 'ভাল' টোক 'সুন্দৰ' কৈ সজাবলৈ শিকাইছিল ।

অসমৰ সংবাদ জগতত নিৰোদ চৌধুৰী এগৰাকী জনপ্ৰিয় সাংবাদিক হিচাপে সদায়ে এক বিশিষ্ট আসন দখল কৰি আছিছে । অসমবাণীৰ সাংবাদিক হৈ থাকোতে তেখেতে বিৰাট আলোড়নৰ সৃষ্টি কৰিছিল ধুবুৰীৰ ন্যায়াধীশ উপেন ৰাজখোৱাৰ দ্বাৰা নিজৰ পত্নী আৰু পুত্ৰীক হত্যা কৰাৰ লোম হৰ্ষক সংবাদ - 'অসম বাণী'ত লিখি । চৌধুৰী দেৱৰ ধুবুৰী হত্যাকাণ্ডৰ প্ৰতিবেদনে 'অসমবাণী'ক অসমৰ ঘৰে ঘৰে প্ৰবেশ কৰোৱালে । 'অসম বাণী'ৰ এই প্ৰচলন আৰু জনপ্ৰিয়তা দেখি সিংহ পুৰুষ ৰাধাগোবিন্দ বৰুৱা ইমানে সন্তুষ্ট হ'ল যে এদিন মৰমৰ উপহাৰ স্বৰূপে 'এনিকাৰ' ঘড়ী এটা নিজ হাতে চৌধুৰী দেৱৰ হাতত পিন্ধাই দিলে ।

ৰামধেনু যুগৰ সাহিত্যিক নিৰোদ চৌধুৰীদেৱ দীৰ্ঘদিন ধৰি চিকিৎসাধীন হৈ থাকি শেষত তেখেতৰ পত্নী ডাঃ ইন্দিৰা চৌধুৰী আৰু একমাত্ৰ পুত্ৰ শ্ৰীমান ইমন চৌধুৰীক এৰি ২০০১ চনৰ ১০ ফেব্ৰুৱাৰী তাৰিখ শনিবাৰে দিনৰ ২-৪৫ বজাত চিৰদিনৰ বাবে শুই পৰে ।

নিৰ্মম সত্য হ'ল নিৰোদ চৌধুৰী আৰু নাই । কিন্তু তেখেতে যি দি গ'ল, তাৰ জৰিয়তেই অসমীয়া পাঠক সমাজে তেখেতক স্মৰণ কৰিব লাগিব আৰু ইয়াৰ মাজেৰেই চৌধুৰীদেৱৰ সাহিত্য ৰাজি জীয়াই ৰাখিব লাগিব ।

# WOMAN IS GOD'S BEST CREATION

❑ **Stilla Lakra**
H.S. 1st year ( Science )

Woman is the builder and moulder of a nation's destiny. Though delicate and soft as a lily, she has a heart, far stranger and bolder than that of a man. She is the supreme inspiration for man's onward morals" - Rabindranath Tagore.

Woman is the magnificent creation of God, a multifaceted personality with the power of benevolence, adjustability, integrity and tolerance. She is the companion of man gifted with equal mental faculty, a protector and provider, the embodiment of love and affection. The word 'woman' encompasses the word 'man' she shows a man, what love and care, sacrifice and sharing are all about. The origin of a child is the mother and she is a woman. It is not said for nothing that, "The hand that rocks the cradle rules the world."

Ironically, they who constitute one half of the world and without whose presence the survival of the world is unimaginable, have been going through all sorts of trauma in the male dominated society. Has one wondered why only the women are subjected to torture and atrocities ? Why is the desire for a son so strong that daughters, since their birth are treated as second class citizens. How come that it is the women who are raped, molested and teased and not men ?

In many countries, property and financial advantage continue to pass mainly down to the male line. In Tanzania women are lobbying for the right to inherit land. In Jordan, one third of reported murders are family murders of women. Cases of female infanticides. Sexual abuse, child marriage, wife beating, bride burning, etc. have become so common in India. Therefore people should understand why of all the issues woman should be the agenda of our international meet.

For the father of the Nation, Mahatma Gandhi man and woman were equal execpt as had been made by nature and can be seen with human eye "to call a woman a weaker sex is a libel, it is man's injustice to woman. Wife is not the slave of her husband, but his companion and helpmate, an equal partner in all joys and sorrows as free as the husband to choose her own path", he said.

Women have contributed much in every field for the upliftment of the nation. Florence Nightingale, the lady with the lamp, made history and showed the way to womanhood how efficiently and nobly women can mitigate the sufferings of humanity in war and epidemic. Mother Teresa an embodiment of divinity brought smiles to the dying destitute, kindled a new light in children and chured up those who bore the cross of leprosy. Without any selfishness, without any expectations of a reward, she set up hope for the poor and the neglected. She was chosen by God as a messenger to fulfill the divine mission of love and care. Another woman who has managed to achieve miracles

in the sordid surroundings of male chauvinism is Kiran Bedi who is known for her courage and strong determination. She is the first Indian woman IPS, others includes Indira Gandhi, Vjayalakshimi Pandit, the first woman president of United Nation General Assembly, etc.,

Sushmita Sen, Aishwarya Rai, Diana Hayden, Yukta Mookhey, Lara Dutta and Priyanka Chopra have established India as a beauty super power. Belonging to a country bound by strong traditions, they have proved that they are inferior to none in beauty, grace and intelligence. Their self motivation and perseverance have taken them far ahead on the road to success. Such is the charisma of a woman. Even in the results of competitive examination and Indian universities, it is a pleasant surprise to see woman among the top, successful in most of the exams.

Really, women are less selfish, more dedicated to duty and have much patience than men by nature. In order to make optimum use of woman power, we should first liberate woman. However, mere legislation cannot emancipate the lot of our women. This needs a radical change in our mental make up and for this we shall have to foster a social emancipating spirit in our everyday life. Napoleon has rightly said when he declared that by "educating the women, we educate and uplift the whole nation."

According to Rabindranath Tagore, "Woman is God's best creation." She adds beauty and charm to every aspect of life. Emotional, affectionate, caring and yet resolute, a woman is the perennial source of inspiration for man in the odyssey of life. It has been reiterated time and again that behind the success of every man is a woman. In 1955, Pandit Jawaharlal Neheru glorified women in one of his famous speeches, "I can say with considerable confidence that I am proud of woman of India. I am proud of their beauty, grace, charm, shyness, modesty, intelligence, and their spirit of sacrifice and I think if anybody can truly represent the spirit of India, the woman can do it and not the men. Every time a woman has been sent abroad, she has done well, not only done well, but produced a fine impression about the womanhood of India." Hats off to you woman !

★ ৰাস্তাৰে যাওঁতে মেকুৰী আগেৰে পাৰ হৈ গ'লে অশুভ বুলি ভবা হয়। বহুদিন ধৰি চলি থকা এই অন্ধবিশ্বাসৰ উৎপত্তি ইংলেণ্ডত। আগতে ইংলেণ্ডৰ পৰিয়ালত শিশুসকলে মেকুৰী পুহিছিল। মেকুৰীৰ স'তে খেলি থাকোতে মেকুৰীটো দৌৰী গ'লে পিছে পিছে শিশুটিও দৌৰি আহিব বুলি গাড়ীখন ৰাখি দি সাম্ভাব্য বিপদৰ পৰা আঁতৰত থাকিব বিচাৰিছিল। সেই পৰম্পৰাৰেই আজিও মটৰ গাড়ীৰ চালকে আগৰ পৰা মেকুৰী পাৰ হৈ গ'লে অলপ সময় গাড়ী ৰাখি দিয়ে।

★ বৰ্তমান ভাৰতৰ ৰাষ্ট্ৰপতি আব্দুল কালাম খ্যাতিমান মহাকাশ বিজ্ঞানী। ভাৰতৰ মহাকাশ আৰু মিছাইল কৰ্মসূচীৰ অন্যতম হোতা কালামৰ সম্পূৰ্ণ নাম হৈছে -ড০ আবুল পাকিৰ জয়নুলাব্দিন আব্দুল কালাম (Dr. Avul Pakir Jainulabdeen Abdul Kalam)। 1931 চনৰ 15 অক্টোবৰত তামিলনাডুৰ ৰামেশ্বৰমত জন্ম গ্ৰহণ কৰা ড০ কালাম বিভিন্ন সন্মানেৰে সন্মানিত হৈছে। তাৰেই কিছুমান হ'ল - 'পদ্মভূষণ' (1981), 'পদ্মবিভূষণ' (1990), 'নেচনেল ডিজাইন এৱাৰ্ড' (1980), 'ড০ বীৰেণ ৰায় স্পেচ এৱাৰ্ড' (1986), ওম প্ৰকাশ ভাছিন পুৰস্কাৰ' (1990), 'ভাৰত ৰত্ন' (1997), আদি। 'মাই জাৰ্নি' শীৰ্ষক তেওঁৰ এখন কাব্য সংকলন।

# নৈতিক অধঃপতন ও ইয়াৰ প্ৰতিকাৰ

❑ হোমনাথ উপাধ্যায়
স্নাতক তৃতীয় বৰ্ষ (কলা)

নৈতিক অধঃপতনক জনাৰ আগতে নৈতিকতা মানে কি তাক জনাটো নিতান্তই প্ৰয়োজন । আমি আমাৰ ব্যৱহাৰিক জীৱনৰ কাম-কাজ, আচাৰ ব্যৱহাৰ, ৰীতি-নীতি, অভ্যাস, স্বভাৱ চৰিত্ৰ, কথা-বতৰা, আদান-প্ৰদান আদি কাৰ্য কলাপৰ দোষ-গুণ, ভাল - বেয়া, শুদ্ধ-অশুদ্ধ, উচিত - অনুচিত আদি বিচাৰ কৰোঁ । এইবোৰ কাৰ্য-কলাপ বিচাৰ কৰোঁতে আমি কেতবোৰ নীতি-নিয়ম বা আদৰ্শৰ দ্বাৰা পৰিচালিত হওঁ । এই আদৰ্শসমূহেই হৈছে নৈতিকাদৰ্শ । নৈতিকাদৰ্শৰ পৰা পৰিচালিত হৈ বিচাৰ বিবেচনা কৰাকে নৈতিক বিচাৰ বোলে ।

'সদায় সত্য কথা ক'বা' 'পিতৃ-মাতৃক সদায় সন্মান জনাবা', 'ৰাজহুৱা সম্পত্তিক নিজৰ দৰে ব্যৱহাৰ কৰিবা' আদি কথা আমি সদায় শুনিবলৈ পাওঁ । এইবোৰ কথা নৈতিক আদৰ্শৰ দ্বাৰা পৰিচালিত । কিন্তু ব্যৱহাৰিক জীৱনত এইবোৰ বাক্যৰ কিমান ব্যৱহাৰ হৈছে বা হোৱা নাই সেই বিষয়ে জনাটো প্ৰয়োজন ।

আমি জানো যে এই জগতৰ সকলো কাৰ্য-কলাপ যদি নৈতিক আদৰ্শৰ দ্বাৰা পৰিচালিত হয়, তেন্তে বৰ্তমান দেশৰ যি নৈতিক মানদণ্ড দেখি আছোঁ তাক আমি কেতিয়াও দেখা নাপালোঁহেঁতেন । বৰ্তমান বিশ্বৰ যি নৈতিক মানদণ্ড আছে, তাক চাই আমি কোনো পধ্যে ক'ব নোৱাৰোঁ যে ই নৈতিক আদৰ্শৰ দ্বাৰা পৰিচালিত ।

মানুহ জীৱশ্ৰেষ্ঠ প্ৰাণী আৰু ইয়াৰ বিচাৰ কৰাৰ সম্পূৰ্ণ ক্ষমতা আছে । বিচাৰ-বুদ্ধিসম্পন্ন একমাত্ৰ প্ৰাণীয়েই হৈছে মানুহ । মানুহৰ এই ক্ষমতা থকাৰ বাবে অন্য প্ৰাণীতকৈ বহু আগত আগবাঢ়ি যাবলৈ সক্ষম হৈছে । এসময়ত, গছৰ তলত জীৱন যাপন কৰা মানুহেই আজি নতুন বৈজ্ঞানিক কৌশলেৰে জীৱন যাপন কৰিবলৈ সক্ষম হৈছে কেৱল বিচাৰ - বুদ্ধি সম্পন্ন ক্ষমতা থকাৰ কাৰণেই । এই দৃষ্টিভংগীৰ পৰা লক্ষ্য কৰিলে আমি ক'ব পাৰোঁ যে ইমান উচ্চ মানসিক বিচাৰ বুদ্ধি সম্পন্ন মানুহে নিশ্চয় নৈতিক আদৰ্শৰ দ্বাৰা পৰিচালিত হৈ জীৱন যাপন কৰে বা কৰিব বিচাৰে । কিন্তু ইয়াক আমি ব্যৱহাৰিক জীৱনত দেখা পাওঁনে ? এইটো এটা বিতৰ্কৰ বিষয় । ইয়াক আলোচনা কৰিবৰ কাৰণে কিছুমান উদাহৰণক বিশ্লেষণ কৰি চাব পাৰোঁ ।

নৈতিক আদৰ্শই কয় 'জীৱহত্যা কৰাটো পাপ কৰ্ম' । আমি সাধাৰণ দৃষ্টিভংগীৰ পৰাও জানো যে জীৱহত্যা কৰাটো মহান পাপ । জীৱহত্যা কৰিব নালাগে । ধৰ্মৰ দৃষ্টিভংগীৰ পৰা চালে দেখা পাওঁ যে - বৌদ্ধ ধৰ্মই এই নৈতিক আদৰ্শক মানি চলিছে । কিন্তু হিন্দু, মুছলমান আদি ধৰ্মই ইয়াক মানি চলিছে জানো ? হিন্দু ধৰ্মত প্ৰচলিত বলি বিধান প্ৰক্ৰিয়াই হৈছে ইয়াৰ ব্যতিক্ৰম । আদিম কালত মানুহে প্ৰাকৃতিক দুৰ্যোগৰ বৈজ্ঞানিক কাৰণ নাজানিছিল আৰু ইয়াৰপৰা ৰক্ষা পোৱাৰ আশাৰে পূজা-পাতল, বলি-বিধান আদি কাৰ্য সংঘটিত কৰিছিল । কিন্তু বৰ্তমান প্ৰত্যেক ব্যক্তিয়েই এই বিষয়ে সম্পূৰ্ণ জ্ঞাত যদিও সেই বলি - বিধান প্ৰক্ৰিয়া বিশ্বৰ বহুতো ঠাইত প্ৰচলিত হৈ আছে । কাৰণ এই প্ৰক্ৰিয়াসমূহ তেওঁলোকৰ অভ্যাসত পৰিণত হৈছে । ইয়াক তেওঁলোকে নিজৰ পৰম্পৰা বুলি মানি লয় । বৰ্তমানেও মানুহৰ মাজত এনে ভাব থকাৰ একমাত্ৰ কাৰণ হ'ল অন্ধ-বিশ্বাসৰ প্ৰতি সমৰ্থন । তেওঁলোকে এইবোৰ কাৰ্যক সমৰ্থন কৰে যদিও ইয়াৰ বৈজ্ঞানিক কাৰণ জানিবৰ ইচ্ছা নকৰে । এই দিশৰ পৰা আমি গম পাওঁ যে অন্ধবিশ্বাসে কেনেকৈ মানুহক নৈতিক আদৰ্শৰ পৰা আঁতৰাই আনে । সেয়েহে আমি ক'ব পাৰোঁ যে বৰ্তমানৰ নৈতিক অধঃপতনৰ অন্যতম কাৰণ হৈছে অতীতৰ নীতি-নিয়মৰ প্ৰতি অন্ধসমৰ্থন বা অন্ধবিশ্বাস । আমি যদি এই নৈতিক অধঃপতন সঁচাকৈ বন্ধ কৰিব বিচাৰোঁ তেন্তে বৰ্তমান সমাজত চলি থকা অন্ধবিশ্বাস, অযুক্তিকৰ ৰীতি-নীতি আদি ৰোধ কৰিব লাগিব ।

বৰ্তমান সমাজৰ নৈতিক অধঃপতনৰ অন্যতম কাৰণ হৈছে মানুহৰ স্বাৰ্থপৰ মনোভাব । আমি আমাকেই পৰিচালিত কৰিবৰ কাৰণে যিকেইজন শাসনকৰ্তাক নিৰ্বাচিত কৰি পঠিয়াওঁ, সেই কেইজন নিশ্চয় সমাজৰ উন্নতিৰ বাহক হ'ব লাগিব । আমি যাৰ আদৰ্শক লৈ জীৱন যাপন কৰিব লাগে, সেইকেইজন নিশ্চয় নৈতিক আদৰ্শৰ পৰিচায়ক হ'ব লাগিব । কিন্তু বৰ্তমানৰ ব্যৱহাৰিক জীৱনত ইয়াৰ ব্যতিক্ৰমহে বেছি দেখিবলৈ পোৱা গৈছে । দেশৰ প্ৰশাসন আৰু অন্যান্য সংগঠনসমূহৰ উচ্চ পদস্থ বিষয়াসকল বৰ্তমান বিভিন্ন দুষ্কৃতিকাৰী কাৰ্যত লিপ্ত হোৱা সঘনে দেখিবলৈ পাওঁ । এনে কাৰ্যৰ পৰা আমাৰ মনত নৈতিক অধঃপতন চৰম সীমালৈ অতিক্ৰম কৰা যেন পৰিলক্ষিত হয় । ইয়াক ৰোধ কৰিবৰ কাৰণে কোনো এটা নিৰ্দিষ্ট সংগঠন বা ব্যক্তি অকল আগবাঢ়ি আহিলে নহ'ব । এই ক্ষেত্ৰত বিশ্বৰ প্ৰত্যেক জনসাধাৰণৰ নিজা কৰ্তব্য থাকে । প্ৰত্যেকে নিজক শুধৰোৱাৰ লগতে নিজৰ পৰিয়াল, গাওঁ, এলেকা, নিজা সংগঠন আদিৰ লগতে সমগ্ৰ দেশকে নৈতিক আদৰ্শৰ দ্বাৰা পৰিচালিত কৰোৱাৰ চেষ্টা কৰিব লাগিব । সামাজিক স্বাৰ্থৰ কাৰণে নিজা-স্বাৰ্থ পৰিত্যাগ কৰিবলৈ কুণ্ঠাবোধ কৰিব নালাগে । দেশৰ কোনো এটা ব্যক্তি বা সংগঠনে যদি নৈতিকতাৰ বিৰোধে থিয় দিয়ে তেন্তে বাকী থকা জনসাধাৰণে ইয়াক অনায়াসে ৰোধ কৰিব পাৰে যদিহে প্ৰত্যেক জনসাধাৰণে নিজা কৰ্তব্যৰ পৰা আঁতৰি যোৱাৰ চেষ্টা নকৰে ।

এখন দেশৰ মূল ভেঁটি হৈছে সেই দেশখনৰ শিক্ষা-ব্যৱস্থা । শিক্ষাৰ পোহৰৰ ফলত মানুহৰ মাজত থকা অন্ধবিশ্বাস, কুসংস্কাৰ, অনৈতিক ৰীতি-নীতি আদিৰ বিনাশ হৈ এখন দায়িত্বশীল, সচেতন সমাজৰ সৃষ্টি হয় । কিন্তু বৰ্তমানৰ শিক্ষাব্যৱস্থাক চাই ই নিজৰ দায়িত্ব নিষ্ঠাৰে পালন কৰা যেন আমি অনুভৱ নকৰোঁ । ইয়াৰ মূল কাৰণসমূহ হৈছে শিক্ষাৰ বাণিজ্যিকৰণ, শিক্ষা-ব্যৱস্থাত চলি থকা দুৰ্নীতি, অৰাজকতা আদি । বৰ্তমানৰ শিক্ষাব্যৱস্থাক ৰাষ্ট্ৰই নিজৰ হাতৰ পৰা ব্যক্তিগত খণ্ডৰ হাতত তুলি দিয়াৰ ব্যৱস্থা কৰিছে । ফলত এই শিক্ষা ব্যৱস্থাও অন্যান্য শিল্প

উদ্যোগৰ নিচিনাকৈ বাণিজ্যিকৰণৰ দিশলৈ আগুৱাই যাবলৈ ধৰিছে। শিক্ষাক কেন্দ্ৰ কৰি বিভিন্ন ব্যক্তিগত শিক্ষানুষ্ঠান গঢ়ি উঠিছে আৰু ৰাষ্ট্ৰীয় সাৰ্বজনীন শিক্ষানুষ্ঠানৰ বিলুপ্তি হোৱাৰ উপক্ৰম হৈছে। যাৰ কাৰণে শিক্ষানুষ্ঠানসমূহ কেৱল ধনী শ্ৰেণীৰ কাৰণেহে গঢ়লৈ উঠা বুলি ক'ব পাৰি। দুখীয়া শ্ৰেণী ক্ৰমে উচ্চ শিক্ষা গ্ৰহণৰ পৰা বাদ যাবলৈ ধৰিছে আৰু ধনী শ্ৰেণীয়ে অধিক সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে। ফলত দেশত দুটা শ্ৰেণীৰ উদ্ভৱ হৈছে ধনী আৰু দুখীয়া। শিক্ষা ব্যৱস্থাৰ ওপৰত ব্যক্তিগত খণ্ডৰ পৰিচালনাৰ লগতে দুৰ্নীতিয়ে গা কৰি উঠিছে। ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্তিৰ পৰা আৰম্ভ কৰি শিক্ষক কৰ্মচাৰীৰ নিযুক্তি লৈকে দুৰ্নীতিয়ে উচ্চস্থান দখল কৰিব ধৰিছে। এনে ক্ষেত্ৰত আমি ক'ব পাৰোঁনে বৰ্তমানৰ শিক্ষা ব্যৱস্থাই আমাক উজ্জ্বল ভৱিষ্যতলৈ কঢ়িয়াই নিছে? আদৰ্শাত্মক দৃষ্টিভংগীৰ পৰা শিক্ষাৰ যি স্থান ব্যৱহাৰিক দৃষ্টিৰ পৰাও একে। কিন্তু বৰ্তমানৰ সমাজে আমাৰ শিক্ষাব্যৱস্থাক উচিত ব্যৱহাৰ নকৰাৰ বাবে দুৰ্নীতিয়ে ইয়াত বিশিষ্ট স্থান দখল কৰিছে বুলি ক'ব পাৰি।

যদি ৰাষ্ট্ৰই ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান সমূহৰ বাণিজ্যিকৰণ বা ইয়াৰ মাজত থকা প্ৰতিযোগিতাসমূহক দৃঢ় পদক্ষেপেৰে দমন কৰি সমগ্ৰ দেশতে একে সাৰ্বজনীন শিক্ষা ব্যৱস্থাৰ প্ৰচলন কৰে আৰু ইয়াত কোনো বিভেদৰ সৃষ্টি হ'ব নিদিয়ে তেতিয়াহে বৰ্তমানৰ শিক্ষাব্যৱস্থাই মানুহক নৈতিক ভাৱে সচেতন কৰি তুলাত সক্ষম হ'ব পাৰিব। ব্যক্তিগত শিক্ষানুষ্ঠান আমাৰ কাৰণে প্ৰয়োজন যদিও ইয়াৰ ওপৰত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ নিতান্ত প্ৰয়োজনীয়। এই ক্ষেত্ৰত প্ৰত্যেক নাগৰিক সচেতন হ'ব লাগিব আৰু ইয়াৰ বিৰুদ্ধে গঢ়ি উঠা কোনো ব্যক্তি বা সংগঠনক দৃঢ়ভাৱে ৰোধ কৰিব লাগিব। ইয়াত ধনী দুখীয়াৰ মাজত কোনো বিভেদ সৃষ্টি হ'ব দিব নালাগিব। তেতিয়াহে আমাৰ শিক্ষা ব্যৱস্থা সৎ আৰু নিষ্ঠাবান হ'ব। যাৰ ফলত বিশ্বৰ প্ৰত্যেক ব্যক্তিয়ে নৈতিক আদৰ্শক অনুসৰণ কৰিব ধৰিব।

নৈতিক অধঃপতনৰ অন্যতম কাৰণ যুৱ মানসিকতা। আজিৰ যুৱক-যুৱতী কালিৰ দেশ-পৰিচালক। যুৱক-যুৱতী হৈছে এখন দেশ বা জাতিৰ উন্নতিৰ চাবি-কাঠি। সেয়ে এই যুৱশক্তিৰ বৰ্তমানৰ যি অৱস্থা তাক বিশ্লেষণ কৰাটো নিতান্ত প্ৰয়োজনীয়। ইতিমধ্যে আমি একবিংশ শতিকাত পদাৰ্পণ কৰিছোঁ। কিন্তু এই শতিকাৰ জ্বলন্ত সমস্যা ৰূপে থিয় দিছে উচ্ছৃংখল যুৱ-মানসিকতা। উচ্ছৃংখল যুৱ-মানসিকতাই আজি সমাজক নৈতিক অধোন্নতিৰ দিশলৈ ডুবাই লৈ গৈছে। চাৰিওফালে হিংসা-হত্যা, ধৰ্ষন লুণ্ঠন আদি বিভিন্ন অপৰাধমূলক ঘটনা আমি সদায় বাতৰি কাকতত পাই আহিছোঁ যাৰ অন্তৰালত যুৱক-যুৱতীয়েই মুখ্য ৰূপে জড়িত। দেশৰ মূল চালিকা শক্তি যুৱক-যুৱতীয়েই যদি এনে কাৰ্যত লিপ্ত হয়, তেনেহ'লে আমাৰ ভৱিষ্যৎ কোনটো দিশলৈ অগ্ৰসৰ হৈছে তাৰ স্বৰূপ স্পষ্টকৈ ফুটি উঠিছে। আমি এইবোৰ সমস্যা কেনেদৰে সমাধান কৰিম তাক বিচাৰ কৰাৰ আগতেই এই যুৱ উচ্ছৃংখলতা গঢ়ি উঠাত সহায় কৰা কাৰক সমূহক দমন কৰিব লাগিব। ল'ৰা-ছোৱালীৰ চৰিত্ৰ গঠনত আমাৰ সামাজিক পৰিবেশ, অভিভাৱকৰ ভূমিকা, আমাৰ শিক্ষা ব্যৱস্থা, বৰ্তমানৰ ৰাজনৈতিক পদ্ধতি আদিয়ে মুখ্য ভূমিকা গ্ৰহণ কৰে। গতিকে যুৱ উচ্ছৃংখলতাক ৰোধ কৰিবৰ কাৰণে উপৰোক্ত বিষয় সমূহ সঠিক আৰু ব্যৱহাৰিক জীৱনত প্ৰয়োগ কৰিব পৰাকৈ হ'ব লাগিব। তেতিয়াহে আমি নৈতিক অধঃপতনৰ অন্যতম কাৰক যুৱ-উচ্ছৃংখলতাক দমন কৰিব পাৰিম।

বিভিন্ন আলোচনী, টেলিভিছন, ৰেডিঅ', বাতৰিকাকত আদিয়ে নৈতিকতাৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলায়। এই মাধ্যম সমূহৰ জৰিয়তে আমি ব্যক্তিৰ নৈতিক চৰিত্ৰ গঠনত বিশিষ্ট ভূমিকা গ্ৰহণ কৰিব পাৰোঁ। এই মাধ্যমৰ যোগেদি নৈতিক জ্ঞান প্ৰত্যেক ব্যক্তিৰ মাজত বিস্তাৰ কৰিব পাৰোঁ। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে এই মাধ্যমসমূহে বৰ্তমানৰ পৰিস্থিতিত এনে ভূমিকা গ্ৰহণ কৰিব পৰা নাই। ইয়াৰ মুখ্য কাৰণ হৈছে এনে মাধ্যম সমূহে নিজৰ প্ৰচাৰণৰ বিষয়বস্তুৰ ব্যৱহাৰিক জীৱনৰ সংগতিৰ ওপৰত গুৰুত্ব নিদি ইয়াৰ দ্বাৰা আমদানি হ'বলগীয়া ধনতহে গুৰুত্ব দিব ধৰিছে। এই মাধ্যমসমূহ একোখন শিল্পানুষ্ঠান আৰু ধন আয়ত্ত কৰাই ইয়াৰ লক্ষ্য বুলি ইয়াৰ পৰিচালক বা মালিকসকলে ভাবে। ফলত এই মাধ্যমসমূহৰ দ্বাৰা প্ৰচাৰিত অনুষ্ঠান সমূহে সমাজত বেয়া প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা বেছি। এই ক্ষেত্ৰত আমি সচেতন হ'লেহে ইয়াক ৰোধ কৰিব পাৰিম। এই অনুষ্ঠানসমূহে সামাজিক বিকাশৰ নামত অধিক ধন আয়ত্ত কৰাৰ উদ্দেশ্যে সামাজিক দায়বদ্ধতাৰ পৰা আঁতৰি যাতে বেয়া কাৰ্য সংঘটিত নকৰে তাৰ প্ৰতি আমি সকলো সচেতন হোৱাৰ সময়।

ইয়াৰ উপৰিও অন্যান্য বহুতো কাৰণ আছে যাৰ ফলত নৈতিক অধঃপতনৰ গতি আৰু দ্ৰুততৰ হ'ব ধৰিছে। যেনেঃ- ৰাগীয়াল বস্তুৰ সেৱন, জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায়ৰ মাজত ভেদাভেদ আচৰণ, পুৰুষ-মহিলাৰ অধিকাৰৰ মাজত থকা ব্যৱধান, শিক্ষা-ব্যৱস্থাৰ ৰেগিং, নকল, ব্যৱহাৰিক জীৱনৰ লগত নিমিলা বা সংগতি নথকা শ্ৰেণীসমূহৰ পাঠ্যক্ৰম, নাৰী-নিৰ্যাতন, অপসংস্কৃতি, ধনী দুখীয়াৰ মাজৰ ভেদাভেদ, নিবনুৱা সমস্যা, বৰ্ধিত জনসংখ্যা, বৰ্ধিত পৰিবেশ প্ৰদূষণ আদি অন্যান্য সমস্যাৰ ফলত নৈতিকতাৰ অৱমাননা হৈছে। যদি এনে সমস্যাসমূহ আৰু বাঢ়ি গৈ থাকে তেন্তে নৈতিক অধঃপতনে চৰম সীমা স্পৰ্শ কৰিবলৈ আৰু বেছি সময় নালাগিব। ইয়াৰ বাবে দায়ী একমাত্ৰ মানৱ জাতি। যিটো জাতিক জীৱশ্ৰেষ্ঠ বুলি কোৱা হয়, সেই জাতিয়েই আজি নৈতিক অধঃপতনৰ চৰম সীমাৰ দিশলৈ গতিশীল। এই নৈতিক অধঃপতনৰ একমাত্ৰ কাৰণ এই মানৱ জাতি আৰু এই মানৱ জাতিয়েই ইয়াক ৰোধ কৰি নৈতিক আদৰ্শৰ ফালে আগুৱাই যাব পাৰে।

নৈতিক অধঃপতন ৰোধ কৰাৰ কিছুমান উপায়সমূহ আগতেই উল্লেখ কৰা হৈছে। গতিকে ইয়াক আকৌ বিশ্লেষণ কৰাৰ আৱশ্যাক নাই। নৈতিক অধঃপতনক এই সমাজৰ পৰা নিৰাময় কৰিবলৈ হ'লে ইয়াৰ প্ৰকৃত কাৰণসমূহ বিশ্লেষণ কৰি তাৰ বিৰুদ্ধে সমুচিত ব্যৱস্থা ল'ব লাগিব। এই ক্ষেত্ৰত বিশ্বৰ প্ৰত্যেকজন ব্যক্তিৰে নিজে কৰিবলগীয়া কৰ্তব্য বহুতো আছে। ইয়াৰ পৰা কোনো ব্যক্তিয়ে নিজৰ দায়িত্বক অৱহেলা কৰি তাৰ পৰা হাত সাৰিব নোৱাৰিব। সমাজক নেতৃত্ব দিয়া ব্যক্তিসকলে সুস্থ সামাজিক পৰিবেশ গঠন কৰাত গুৰুত্ব আৰোপ কৰিব লাগিব। আমাৰ শিক্ষা ব্যৱস্থাৰ নীতিসমূহ বাস্তৱৰ লগত সংগতি থকাৰ লগতে নৈতিকতাৰ দ্বাৰা পৰিচালিত হ'ব লাগিব। বুদ্ধিজীৱি সকলে কেৱল নৈতিক অধঃপতনৰ সমালোচনা কৰি থাকিলে নহ'ব; তেওঁলোকে ইয়াক কেনেকৈ ৰোধ কৰিব পাৰি আৰু সমাজ ব্যৱস্থাক নৈতিক আদৰ্শৰ দ্বাৰা কেনেকৈ পৰিচালিত কৰিব পাৰি তাক চিন্তা কৰি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। নৈতিক অধঃপতনৰ সকলো দোষক ইজনে সিজনৰ ওপৰত জাপি নিদি প্ৰত্যেক সমস্যাৰ সমাধান কৰাৰ প্ৰচেষ্টা হাতত ল'ব লাগিব। মানুহৰ মাজত থকা স্বাৰ্থপৰ ভাবক পৰিত্যাগ কৰি সামাজিক স্বাৰ্থত গুৰুত্ব দিব লাগিব। জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে সকলোৱে একগোট হৈ সুস্থ সবল, নৈতিক সমাজ সৃষ্টি কৰিব লাগিব। তেতিয়াহে আমি সকলো একেলগে খোজৰ লগত খোজ মিলাই উন্নতিৰ পথলৈ আগবাঢ়ি যাব পাৰিম।

# OUR DUTY FOR ENVIRONMENT PRESERVATION

❑ Mousumi Kalita
B. A. 3rd year (Arts)

'Environment' is a very broad term. It includes all that is about, below and around us. The biggest question today before the metropolitan population of our country in particular is, 'pollution is snuffing us out,' and will pollution ever be controlled ? The reason for this type of thinking may be because of the fact that inspite of several legislations from 1964 onwards, not much of progress can be visualised in this area, even though, we are much more apparenthy concerned and aware of the environmental degradation today than a few decades environmental degradation today than a few decades earlier.

A pollution-free environment is what everybody loves and looks for. But pollution is an unavoidable evil of modern civilization and mankind has to pay the price for it. The pollution scenario in and around our town presents a truly drab picture, with emission level rising everyday, and add to it the 'sophisticated' environment consciousness of the so-called intellectuals, we end up with total chaos. A casual look at the genesis of pollution is basically anthropogenic, i.e. human activities like industrialization, urbanization, modern agricultural practices, urban style etc. Human activities always generate wastes but in olden days they were far and few and they easily got dispersed, diluted and slowly degraded by nature. But now-a-days they are generated far in excess than nature can handle, resulting in their accumulation to a serious proportion and if this trend is not reversed than in another half a century major part of the world will become wasteland. Pollution is by and large universal and all pervassive. Since pollutants may be gaseous, liquid and solid, it affects all components of environment uiz. land, water and air. So, for pollution, geographical and political-boundaries of countries are of no avail. Therefore, it is our duty to be aware of preserving the environment to our best. Our modus - operandi must change mankind and must develop a symbiotic relationship with the nature. It means we must go for a system which will definitely expand the span of civilization beyond imagination.

**Causes of fouling the environment :-** If we look around the causes of environmental pollution, we get the effects on land, air and water- the major constituents of our environment. It is difficult to measure and control land pollution. Land is used for the disposal of domestic and industrial waste. Sludge from the sewage plants is deposited on the land surface. Although it contains useful nutrients, such as nitrogen and phosphorus, it is full of toxic substances and poisonous chemicals which affect the fertility of the soil. Again, the wastages from the refineries deposited on the land, oilspills caused by oil tankers through accidents etc affect the fertility of soil. Thus, they become harmful to human beings as well as the plant kingdom.

Water is essential for life. We can go without food but not without water. The type of water from where it comes from plays a crucial role. In a recent study, about 800 chemicals are found in some tap water, which are contaminated with pesticides. weedkillers, factory waste, air borne pollutants and others like lead etc are picked up from old pipes. Tap water undergoes 57 tests for possible contaminants. Three main sources of water pollution are industry, agriculture and municipal areas. If we think mineral water is the safe option for tap water, again we have to give a second thought, as it undergoes only 15 tests. Even though tap water is more rigorously tested than bottle water, it still contains undesirable elements and we are helpless.

The Air we breathe is polluted in various ways. We find busy motor vehicles, power plants, and refineries emiting carbondioxide, carbonmonoxide, sulphurdioxide, etc. as well as

dust particles. These dust particles get into our lungs and thus lead to cancer of the digestive tract and many pulmonary diseases. Moreover the presence of sulphur-dioxide and nitrogenous oxide in the atmosphere may cause flora and fauna and soil fertility. Again, as the population records a spiralling growth, man is busy cutting down the trees and clearing forests for locating new towns and industries. Consequently the proportion of $CO_2$ in the atmosphere increases. This has already resulted in the warming of earth and loss of rains.

More than 80% of the carbonmonoxide in the air is produced by vehicles. None other than the authorities themselves of our country are responsible alone for the conversion of our country into a gas chamber. Our country still lacks a mass transit system with a human face ; it can only boast of its overcrowded buses, the four wheeled monsters, throwing to winds all canons of road safety all under the nose of the authorities - killing and maiming other road users with immunity.

Another fact that upsets the balance of nature and jeopardises human existence is noise. The growing levels of noise in our ever expanding machanised society have become a public health hazard. It has been recommended a tolerance limit of 45 decibels of noise level at night and 55 decibels during day. Beyond this limit, noise is dangerous. This is how environment is polluted by human activity. How come that despite the gravity of the situation we are not reacting the way we ought to. If Environmental degradation continues at the present rate, mankind is bound to perish. It is therefore imperative to conserve our environment as far as possible.

As far as our duty is concerned, I would regard as the best to begin with our home. It is so, because 'Safety begins at home' several studies say, indoor air pollution is more dangerous than outdoor air. Poor ventillation inside the house can cause coughing, sneezing, sinusites, watery eyes, headache etc. When the gas from cooking stove or burner is enough to cause some of these problems and we are least bothered. So we should prefer to use smokeless chullahs in our home for cooking. Our first enemy in the house is dust. Skin, hair, carpet hair, moulds, fungi, smoke from the kitchen, cigarettes, plant spores are the sources of dust. It is therefore, better to be against the use of wall to wall carpets, pets like dogs and cats, feather pillow to avoid allergy in the infants or toddlers. Curtains also gather dust, hence they should be washed periodically in hot water to ensure killing of dust particles.

The next health hazard in our house is the smoke. It is not only found in our houses but all over the town we find the environment being polluted by the harmful smokes as it contains 4000 chemicals, some are even carcinogens ( cancer causing ) we should always remind a smoker inside the house about the danger of second hand or passive smoking. Better hang a 'THANK YOU FOR NOT SMOKING' poster or the like in the houses and various kinds of shops.

We should all, therefore aim at the following notable points to preserve our environment.

★ Plantation of trees.
★ Recycling of wastage.
★ Banning or avoiding the use of polythene bags.
★ Dispose the wet garleage in BMC bins or recycle into compost. Raise saplings from compost, sell them and save the money in the scheme.
★ To prevent mater pollution, discharge of effluents from industries as well as the use of DDT should be banned forthwith.

Some industries products are organic in nature. They can easily be recycled and reused by us, to keep our environment recovering the organic resources.

"Think Globally, but act locally". As students, we have a high responsibility of cleaning a highly polluted environment. If we want we can make our country a better place to live in. We can with the help of learneds and elders, learn to recycle wastepaper and organic waste, develop low-cost and nutritive diets, home remedies for common ailments and more importantly educate our fellow students about the environment. We should aim at an "environmental syllabus" with the motive of equipping the pupil to be a 'child rescarcher.' The studies should include consumption or conservation of energy, assessment of different types of pollution, literacy, health, wasteland development and urban agriculture and greening.

# Success Is A Journey Not A Destination

❑ **Dhwajen Sonowal**
T.D.C. 2nd year (Arts)

"Our greatest weakness is giving up," said Thomas Alva Edison. It may be giving up of our plans in the face of seemingly insurmountable hurdles or giving up midway because our efforts do not measure up to the required level on our way to success. The most harmful giving up, however, is to rest on our laurels once we have achieved a modicum of success. We become smug and complacent and abandon all further efforts to sustain, narture and consolidate it, once left among achieving greater heights in our chosen field of endeavour.

Success does not come by accident, nor is it limited to the chosen few. It requires hard work, single-minded dedication and in-domitable courage in the face of discouraging vicissitudes of life. Once we achieve success, we must strive for something higher for our satisfaction and argue to better ourselves. We should not feel that we have achieved whatever we had wanted to achieve and there are no further peaks of success to be scaled. That would be suicidal. Success, we must remember at all times, is a journey, not a destination. Once we have scaled one peak, there are many other peaks to be scaled and conquered till we reach the highest one. This, again, is elusive. We must, however, give no leeway to indolence. Nor should we crow about what little we have achieved so far.

We should be patient and persevering in our pursuit of success which needs a hard task master. It brooks no lossening of our grip. Nor should there be any slackening of efforts. We should keep glued to our ultimate goal in the face of all distractions and hurdles because life is not roses, roses and roses all the way and success is not perennial. Once we are successful in a limited way there may be other factors at work trying to impede our progress. We should be wary of fair-weather friends and sycophants; they are our worst detractors. Above, all, we should be cool and be level-headed under all circumstances. We should not let temporary success turn our head. At the sametime, we must let equally short - lived failures and setbacks deter us from achieving what we have set-out to achieve. Once our foot is firmly planted on the goal, we should aim higher ........ and still higher. We shall make our family and those around us proud of our achievements. To conclude we must constantly strive to better ourselves. ☐

# মানুহে মদ্য পানৰ আশ্ৰয় লয় কিয় ? - এটি পৰ্যালোচনা

❑ ৰাজীৱ উপাধ্যায়
উঃ মাঃ প্ৰথম বৰ্ষ (বিজ্ঞান)

মানুহ নিচাসক্ত হয় কিয় ? কিয় মানুহে জীৱনৰ এটা সময়ত নিচাৰ আশ্ৰয় লয় ? ইয়াৰ কাৰণ হিচাপে নানাজনে নানা যুক্তি আগবঢ়াইছে যদিও সেইবোৰৰ কোনো বৈজ্ঞানিক ভিত্তি বা যুক্তি নাই । সেইবোৰ নিতান্তই জীৱনৰ পৰা পলায়নবাদী মানুহৰ টুলুঙা যুক্তি । যিয়েই নহওক, আজিৰ মানৱ সমাজত নিচাৰ প্ৰতি ক্ৰমান্বয়ে বাঢ়ি যোৱা আসক্তিৰ বাবে চিন্তাশীল মহল দুঃচিন্তাত পৰিছে আৰু ইয়াৰ কুফলবোৰৰ কথা চিন্তা কৰি বহুতেই নিচাগ্ৰস্ততাৰ আঁৰত থকা কাৰণসমূহ উদ্ঘাটন কৰিবলৈ যত্ন পৰ হৈ পৰিছে । ব্যক্তিগত ভাৱে আমিও এনে বহুলোক পাইছো যাৰ অৱস্থা, আৰ্থিক, সামাজিক অথবা মানসিকভাৱে কোনোগুণেই দুৰ্বল নহয় । দেখাত বেছ ভদ্ৰলোক যেন লগা লোককো আমি নিশাৰ অন্ধকাৰত মাতাল হৈ প্ৰলাপ বকা দেখিছো । এইবোৰ দেখি শুনিয়েই আমাৰ মনত সঘনাই ভুমুকি মৰা গোটাদিয়েক প্ৰশ্নৰ আলোচনা কৰিবলৈ আগবাঢ়িছো ।

গৱেষকসকলৰ মাত, যিসকলে নিচা সেৱন কৰে ( মদ, ভাং, ড্ৰাগছ ইত্যাদি ) সেইসকলৰ মাজত এটা ধাৰণা গঢ়ি উঠিছে যে নিচা সেৱন কৰিলে সাময়িকভাৱে এক অনাবিল আনন্দ লাভ কৰিব পাৰি । কোনো কোনোৱে আকৌ ভাবে শৰীৰৰ যন্ত্ৰণা, বাতবিষ ইত্যাদিৰ উপশম হয় আৰু শৰীৰটো তজবজীয়া, স্ফুৰ্তিবাজ হৈ থকাৰ উপৰিও নানা ধৰণৰ দুঃচিন্তা তথা বিষন্নতাৰ পৰা সাময়িকভাৱে মুক্তি পোৱা যায় । তেওঁলোকৰ এনে ধাৰণাৰ আংশিক সত্যতা থাকিলেও মনত ৰখাটো ভাল যে মানৱ জীৱনত ঘাত-প্ৰতিঘাত অৱশ্যেই থাকিব ; কাৰণ ই পশু নহয় । একমাত্ৰ পশু-জীৱনেই হ'ল ঘাত-প্ৰতিঘাতহীন আৰু ইহঁতে ( পশুৱে ) যি ইচ্ছা তাকে কৰিব খোজে । পশুৰ মস্তিষ্ক অনুন্নত হোৱাৰ ফলত যিকোনো চিন্তা-চৰ্চা, বিচাৰ - বিবেচনা কৰিবলৈ ইহঁত অক্ষম অথবা অতীতৰ স্মৃতিও ধৰি ৰাখিবলৈ ইহঁত অক্ষম । অলপ পিছতেই পশুৱে সকলো পাহৰি যায় । কিন্তু মানুহ হ'ল সামাজিক জীৱ । মানুহৰ চিন্তা - ধাৰা তথা মানসিকতা সকলোবোৰেই সমাজ নিৰ্ভৰ । সেই কাৰণেই মানুহে যেতিয়াই যি মন যায় সেয়া কৰিব নোৱাৰে । সেইবাবে অলপ - কিবা এটা গোপনে কৰাৰ বাসনাক হেঁচি ৰাখিব লগা হয় । এক ধৰণৰ অতৃপ্তিয়ে মানুহক জৰ্জৰিত কৰি তোলে । সেই অতৃপ্তি আৰু জীৱন-যুদ্ধত ক্লান্ত তথা অৱসন্ন হৈ পৰিয়েই মানুহে মাদক দ্ৰব্যৰ আশ্ৰয় লৈ এই সমস্তকে পাহৰি থাকিব বিচাৰে । আচলতে এই মানসিকতা হ'ল পলায়নবাদী মানসিকতা । এয়া জীৱনৰ বাস্তৱতাৰ পৰা পলায়ন ।

মানুহৰ চাহিদা সম্বন্ধে মনোবৈজ্ঞানিকসকলে কৈছে যে বয়স বাঢ়ি যোৱাৰ লগে লগে প্ৰতিজন মানুহেই কিছুমান চাহিদা অনুভৱ কৰিবলৈ ধৰে । যেনে - ভাত - কাপোৰৰ চাহিদা, নিৰাপত্তাৰ চাহিদা, ভালপোৱাৰ চাহিদা ইত্যাদি । বহুতৰ মতে আকৌ ভাত-কাপোৰৰ চাহিদাই হ'ল মানুহৰ প্ৰাথমিক চাহিদা । এইবিধ চাহিদা পূৰ্ণ হোৱাৰ পিছত বহুক্ষেত্ৰত মানুহে আনবোৰ চাহিদা অনুভৱ কৰিবলৈ ধৰে । আনহাতে, সকলো চাহিদা সকলো সময়তে পূৰণ নহয় বা চাহিদাৰ আদি - অন্তও নাই । সেয়েহে চাহিদা পূৰণ নহ'লে বা চাহিদা পূৰণৰ ক্ষেত্ৰত ব্যৰ্থতা আহিলে কোনো কোনোৱে মাদক দ্ৰব্যৰ আশ্ৰয় লয় । উপৰোক্ত কাৰণতে সমাজৰ অনুন্নত সম্প্ৰদায়সমূহৰ মাজত ক্ৰমাগত অন্ন-বস্ত্ৰৰ অভাৱ নিবনুৱাসকলৰ মাজত হতাশা, জীৱন যুদ্ধত পৰাজিত তথা আশাভংগত আহত বয়সীয়ালসকলৰ মাজতো মাদক দ্ৰব্যৰ প্ৰচলন ক্ৰমাৎ বাঢ়ি অহা দেখা যায় ।

মাদক দ্ৰব্যৰ প্ৰতি আসক্তি চেষ্টা আৰু ইচ্ছা কৰিলে কমাব পৰা যায় আৰু এনেকৈ ক্ৰমে কমাই শেষত ইয়াৰ পৰা সম্পূৰ্ণৰূপে নিবৃত্তি পোৱা যায় । বিজ্ঞানীসকলৰ গৱেষণাৰ ফলত এনে কিছুমান উপায় আৱিষ্কৃত হৈছে, যিবোৰ প্ৰয়োগ কৰিলে নিচাৰ প্ৰৱণতা হ্ৰাস পায় । কিন্তু বিজ্ঞান মহলে আৱিষ্কাৰ কৰা এই ব্যৱস্থাসমূহৰ বৰ বেছি প্ৰসাৰ তথা প্ৰচাৰ হোৱা নাই । তথাপি আসক্ত ব্যক্তিসকলে নিজৰ ভুল ধৰিব পাৰিলে চিকিৎসকসকলৰ ওচৰ চপা উচিত । অদূৰ ভৱিষ্যতে হয়তো নিচাৰ প্ৰৱণতা হ্ৰাস কৰিবলৈ আৰু নানা নতুন পদ্ধতি আৱিষ্কৃত হ'ব । তথাপি নিচাখোৱা ব্যক্তিৰ চৌপাশে থকাসকলে ঘৃণাত এনে লোকৰ পৰা আঁতৰি নুফুৰি অলপ চেষ্টা বা কষ্ট কৰি তেওঁলোকক সুপথে আনিব পাৰে । মাদক দ্ৰব্যৰ প্ৰতি থকা আকৰ্ষণ বা আসক্তিৰ কাৰণবোৰৰ সন্ধান কৰি সেইবোৰৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰা আৰু চিকিৎসকসকলৰ ওচৰলৈ নিয়াৰ ব্যৱস্থা কৰা উচিত । ইতিমধ্যে কিছুমান স্বেচ্ছাসেৱী সংগঠনে সমাজৰ পৰা মাদক দ্ৰব্যৰ প্ৰচলন নাইকিয়া কৰিবলৈ মাজে - সময়ে কিছুমান কাৰ্যসূচী লোৱা দেখা যায় ।

এতিয়া আহোঁ মানুহৰ শৰীৰত মদৰ প্ৰতি ক্ৰিয়া কেনে ধৰণৰ আৰু ই শৰীৰত কেনে ধৰণৰ ক্ষতি কৰিব পাৰে সেই আলোচনালৈ ।

সকলোবোৰ মদতে থাকে ইথাইল ( Ethyl ) এলক'হল । কোনোবিধত কম, কোনোবিধত বেছি । এলক'হলৰ বৈশিষ্ট্য হৈছে ই খুব সোনকালে তেজৰ লগত মিহলি হৈ পৰে । কাৰণ পাকস্থলীত ইয়াৰ বিয়োজন খুব সামান্যহে হয় । অৱশিষ্ট প্ৰায়সমূহ এলক'হলেই বিয়োজিত হয় ক্ষুদ্ৰান্তত । তাৰ পিছত ক্ষুদ্ৰান্তৰ পৰা যকৃতলৈ গ'লে এক ধৰণৰ উৎসেচক ৰসৰ প্ৰভাৱত জাৰিত হয় । ফলস্বৰূপে প্ৰথমে গঠন হয় এচিটেল ডিহাইড, তাৰ পিছত এচিটেড আৰু শেষত উৎপন্ন হয় কাৰ্বন-ডাই-অক্সাইড আৰু পানী ( অৰ্থাৎ শেষ উৎপন্ন সমূহ হ'ল $Co_2$ আৰু $H_2O$ ) । ইয়াৰ প্ৰভাৱত যকৃতত লেকটেট নামৰ যিবিধ ৰস ক্ষৰিত হয় ইয়াৰ ক্ষৰণৰ হাৰ মাত্ৰাতিৰিক্তভাৱে বাঢ়ি যায় । তেতিয়া প্ৰচুৰ পৰিমাণে উৎপন্ন হয় ফেটি এচিড তথা ইউৰিক এচিড ।

সেই বাবে এলক'হল ( এলক'হলৰ সাধাৰণ সংকেত হ'ল ROH) পান কৰিলে উপৰোক্ত ক্ৰিয়াসমূহৰ বাবে তেজত পিত্ত আৰু ক্ষাৰৰ সমতা বিনষ্ট হয় আৰু লগে লগে তেজত ইয়াৰ প্ৰৱেশ ঘটে । এই অন্ধ প্ৰৱেশৰ পৰিমাণ 0.03% হ'লে বিশেষ একো ক্ষতি নহয় । সেইবাবে কোনো কোনো ঔষধত কম পৰিমাণে এলক'হল থাকে আৰু ইয়াৰ পৰিমাণ এনেকুৱা যে উপৰোক্ত পৰিমাণতকৈ কমেইহে তেজত প্ৰৱেশৰ সুবিধা পায় । যেতিয়াই ইয়াৰ মাত্ৰাই সীমা পাৰ কৰে তেতিয়াই বিভিন্ন গণ্ডগোল আৰম্ভ হয় । দেখা গৈছে ইয়াৰ মাত্ৰা 0.04% ভাগতকৈ অধিক বা 0.06% ভাগতকৈ কম হ'লে শৰীৰলৈ অৱসাদ নামি আহে, চকু মুদ খাই পৰিব খোজে । যেতিয়া পৰিমাণ টো 0.1% ভাগলৈ বৃদ্ধি পায় তেতিয়া শৰীৰৰ অংগ প্ৰত্যংগবোৰ শিথিল হৈ পৰে । বিচাৰ বুদ্ধি লোপ পায় । আৰু যেতিয়া 0.5% ভাগলৈ যায় তেতিয়া কথা বতৰাত জড়তা আহে, জিভা পাক খাই পৰে, খোজ-কাটল থৰক বৰক হয় আৰু মানুহজন প্ৰায় মাতাল হৈ পৰে । মদ্যপানৰ মাত্ৰা আৰু বাঢ়ি গ'লে শ্বাস - প্ৰশ্বাসত কষ্ট হয় আৰু এনে অৱস্থাত সুৰাপায়ীজনৰ মৃত্যু পৰ্যন্ত হ'ব পাৰে ।

যি সকল লোকে এলক'হলত অভ্যস্ত হৈ পৰিলেও সুৰা পানৰ মাত্ৰা সীমিত ৰাখিব পাৰে আৰু মাতাল নহয় । তেওঁলোকৰো যকৃৎ (Liver) ক্ষতিগ্ৰস্ত হব পাৰে । অনুৰূপ ক্ষেত্ৰত যকৃতত লাহে লাহে চৰ্বি জমা হয় আৰু এটা সময়ত কোষসমূহে সিহঁতৰ কাৰ্যক্ষমতা হেৰুৱাই পেলায় । আৰু সৰ্বশেষত মানুহজন কেন্সাৰত পৰিব পাৰে । নানা সমীক্ষাৰ পৰা জনা গৈছে যে ধুম্ৰপায়ীতকৈ সুৰাপায়ীৰ কেন্সাৰৰ সম্ভৱনা 10 গুণৰ পৰা 15 গুণ পৰ্যন্ত বেছি ।

অৱশেষত কম পৰিমাণৰ এলক'হল পুষ্টিকৰ খাদ্যৰ লগত সেৱন কৰিলে ক্ষণিক ভাল কাম কৰিলেও নিয়মিতভাৱে আৰু অতিৰিক্ত সেৱনৰ ফলত শৰীৰৰ যথেষ্ট ক্ষতি হব পাৰে । এলক'হলৰ এনে এক কুফল আছে যে ঔষধ হিচাপে সেৱন কৰিবলৈ লোৱাৰ পৰা কালক্ৰমত ই অভ্যাসত পৰিণত হৈ পৰা দেখা যায় । তেতিয়া আৰু মৃত্যুৰ কবলৰ পৰা মুক্তি পোৱাটো প্ৰায় অসম্ভৱ হৈ পৰে । ই যেন এক পৰজীৱী স্বৰ্ণলতা (আকাশীলতা) । সুযোগ বুজি কোনোবা এডাল গছক অৱলম্বন কৰিব পাৰিলেই হ'ল । কোনো গছ-বিৰিখেই এই আকাশীলতাৰ সহস্ৰ বেষ্টনীৰ পৰা মুক্তি বা ৰক্ষা নোপোৱাৰ দৰে মদৰ পৰাও ইয়াৰ ভক্তসকলে কোনোদিনেই মুক্তি নাপায় । বৰ্তমান সুৰাপায়ীৰ সংখ্যা বৃদ্ধি হৈ গৈছে আৰু সমাজ, পৰিয়াল সৰ্বত্ৰত বিৰাজ কৰিছে এক অশান্তিময় পৰিবেশ । সুৰা পানৰ ফলত নানা দুৰ্ঘটনা ঘটি কিমানে যে অকালতে মৃত্যুক সাৱটি ল'ব লগা হৈছে । তথাপি কোনোৱেতো এবাৰলৈও কোৱা নাই 'সুৰা পান ত্যাগ কৰোঁ আহক' বুলি । দেখি - শুনি, জানি বুজিও সুৰা পান যিসকলে এতিয়াও ত্যাগ কৰিব পৰা নাই তেনে লোককে মোৰ এই লেখা ।

## পৃথিৱীৰ বিখ্যাত গ্ৰন্থাগাৰ ঃ

| | দেশ | গ্ৰন্থাগাৰৰ নাম | কিতাপৰ সংখ্যা |
|---|---|---|---|
| i) | ৰাছিয়া | মস্কো লেনিন লাইব্ৰেৰী | এক কোটি । |
| ii) | ৰাছিয়া | কিয়েড নেচনেল লাইব্ৰেৰী | 92 লাখ । |
| iii) | ফ্ৰান্স | পেৰিচ নেচনেল লাইব্ৰেৰী | 60 লাখ । |
| iv) | ব্ৰিটেইন | লণ্ডন বৃটিশ মিউজিয়াম লাইব্ৰেৰী | 60 লাখ । |
| v) | নিউয়ৰ্ক | ইউনিভাৰছিটী লাইব্ৰেৰী | 30 লাখ । |
| vi) | জাৰ্মানী | বাৰ্লিন নেচনেল লাইব্ৰেৰী | 25 লাখ । |
| vii) | জাপান | টকিঅ' নেচনেল লাইব্ৰেৰী | 25 লাখ । |
| viii) | ডেনমাৰ্ক | পাব্লিক লাইব্ৰেৰী | 17 লাখ । |
| ix) | মিছৰ | কায়ৰো নেচনেল লাইব্ৰেৰী | 10 লাখ । |
| x) | কানাডা | পাব্লিক লাইব্ৰেৰী | 5 লাখ । |
| xi) | ভাৰত | কলিকতা নেচনেল লাইব্ৰেৰী | 3.5 লাখ । |

# চিকিৎসাহীন ব্যাধি - এইড্‌ছ

❑ হেমেন শইকীয়া
স্নাতক তৃতীয় বৰ্ষ (কলা)

The physician who devotes himself to the giving of treatment out of compassion for living souls attains the highest happiness, because there is no other gift superior to the gift of life.

- *Charaka*

বৰ্তমান যুগৰ চিকিৎসা বিজ্ঞানৰ প্ৰসাৰ ঘটিছে যদিও এইড্‌ছ ৰোগৰ উপযুক্ত চিকিৎসা বৰ্তমানলৈকে ওলোৱা নাই। এই মহাব্যাধিৰ নাম কেৱল দুই চাৰি জন শিক্ষিত আৰু নগৰীয়া মানুহৰ বাদে বেচি ভাগ গাঁৱলীয়া সাধাৰণ লোকে নাজানে। যি দুই চাৰিজনে এইড্‌ছ ৰোগৰ নাম শুনিছে তেওঁলোকেও ভাবি লয়, এইড্‌ছ এবিধ মাৰাত্মক সৌঁচৰা বেমাৰ। কিন্তু সেই ধাৰণা সম্পূৰ্ণ ভুল। আমি এইড্‌ছ ৰোগৰ সম্পৰ্কে দু-আষাৰ জানিলেও এই ৰোগৰ বিষয়ে বিতংকৈ জনাটো অতি প্ৰয়োজন। কিয়নো এই বিষয়ে সম্যক জ্ঞান থাকিলে আমাৰ নিজৰ সুবিধাৰ বাদেও দুই চাৰিজন নিৰক্ষৰ লোককো বুজাই দিব পৰা যাব। বাৰু আঁহকচোন আমি এইড্‌ছ ৰোগৰ বিষয়ে আলোচনা কৰোঁ।

এইড্‌ছ (AIDS) শব্দটোৰ প্ৰকৃত নাম হ'ল Acquired Immuno Deficiency Syndrome. HIV অৰ্থাৎ Human Immuno Virus ৰ দ্বাৰা আক্ৰান্ত হৈ মানুহে কেইবাটাও ৰোগত ভুগিব লগীয়া হয়। মানুহৰ দেহত যেতিয়া বীজাণু প্ৰৱেশ কৰে তেতিয়া ৰোগীক এইচ, আই, ভি, পজিটিভ (HIV + VE) বুলি কোৱা হয়। ভাইৰাছে জীৱ দেহত প্ৰৱেশ কৰাৰ পাছত লাহে লাহে জীৱদেহৰ ৰক্ষণশীল ক্ষমতা নাশ কৰে আৰু প্ৰায় আঠ বছৰৰ পাছত এইড্‌ছ ৰোগে সম্পূৰ্ণ ভাৱে দেখা দিয়ে।

জীৱদেহত প্ৰৱেশ কৰা বীজাণুবোৰ নাশ কৰিব পৰা ক্ষমতা মানুহৰ দেহত থাকে। এই ক্ষমতাক Immunity বোলে। এই Immunity ক্ষমতাই যি প্ৰণালীৰে বীজাণুবোৰ নাশ কৰে, সেই প্ৰণালীক Immune System বুলি কোৱা হয়। এই ৰক্ষণশীল ক্ষমতা প্ৰত্যেক মানুহৰ বেলেগ বেলেগ। থাইমাছ (Thymus), লিমফয়দ টিছু (Lymphoid tissue), এপেনদিক্স (Appendix), বোনমেৰ' (Bone marrow), যকৃত (Liver) আদিত ইমুন প্ৰণালী (Immune System) নিহিত হৈ থাকে। প্ৰকৃততে লিমফোচাইট (Lymphocyte), প্লাজমাছেল (Plasmacell) আৰু (Monocyte) মনোচাইটে এই সুক্ষ্ম বীজাণুবোৰ নাশ কৰে। কিন্তু এই HIV ৰ আক্ৰমণৰ প্ৰধান লক্ষ্য হ'ল ৰক্ষণশীল প্ৰণালীটো অৰ্থাৎ Immune System টো ধ্বংস কৰা। বীজাণুবোৰ শৰীৰত প্ৰৱেশ কৰিয়ে ধ্বংস কাৰ্য আৰম্ভ কৰি দিয়ে। বিশেষকৈ বীজাণুবোৰে লিমফোচাইটবোৰ (Lymphocyte) ধ্বংস কৰে। প্ৰায় আঠ বছৰৰ পাছত শৰীৰৰ ৰক্ষণশীল ক্ষমতা একেবাৰে নাইকিয়া হৈ যায়। তেতিয়া ৰোগীয়ে নানা ধৰণৰ বেমাৰত ভুগিবলৈ ধৰে।

সি যি কি নহওঁক এইড্‌ছ প্ৰকৃততে নতুন বেমাৰ নহয়। প্ৰথম অৱস্থাত এইৰোগ বেচিকৈ বিয়পা নাছিল। ১৯৮৬ চনত নিচাযুক্ত ঔষধ সেৱন কৰা লোকৰ তেজ পৰীক্ষা কৰোতে HIV পোৱা গৈছিল। আফ্ৰিকা মহাদেশতো তেনেধৰণৰ তেজ পৰীক্ষা কৰোতে HIV পোৱা গৈছিল। অৱশ্যে ১৯৮১ চনতেই আমেৰিকাই এইড্‌ছৰ প্ৰথম ৰোগীৰ প্ৰতিবেদন বিশ্ব স্বাস্থ্য সংস্থা (WHO) লৈ প্ৰেৰণ কৰিছিল। প্ৰধানতঃ এইড্‌ছ ৰোগ তিনি ধৰণে বিয়পিব পাৰে।

প্ৰথমতে, সুৰক্ষা নোলোৱাকৈ বহুজনৰ লগত যৌন সম্ভোগ কৰিলে।

দ্বিতীয়তে, তেজৰ দ্বাৰা অপৰিশোধিত বেজী আৰু ৰক্তদান আদিৰ জৰিয়তে।

তৃতীয়তে, আক্ৰান্ত মাতৃৰ পৰা শিশুলৈ প্ৰসৱৰ সময়ত, গৰ্ভধাৰণৰ সময়ত।

HIV ৰ বাদে অন্য বীজাণুৱে এইড্‌ছ বহন কৰাৰ প্ৰকৃত তথ্য

বৰ্তমানলৈকে পোৱা নাই বুলি বিশেষজ্ঞ সকলে দাবী কৰিছে । এই বিষয়ত কালিফৰ্ণীয়াৰ ভাৰতীয় বৈজ্ঞানিক ডাঃ সুধিৰ গুপ্তই নতুন এবিধ ভাইৰাচ ৰোগীৰ দেহত পোৱা বুলি মন্তব্য কৰিছে ।

এইড্‌ছ ৰোগ আকস্মিক ভাৱে বিয়পিব নোৱাৰে । HIV সাধাৰণতে ৰক্ত, যোনী ভাগ, বীৰ্য আদিৰ দ্বাৰাহে বিয়পে । আকস্মিক ভাৱে স্পৰ্শ কৰিলে, সাৱটি ধৰিলে, চুমা খালে এইড্‌ছ বিয়পিব নোৱাৰে । তদুপৰি একেলগে খোৱা বোৱা কৰিলে, একে শৌচাগাৰ ব্যৱহাৰ কৰিলে, একে বাচন-বৰ্তন ব্যৱহাৰ কৰিলে, কৰমৰ্দণ কৰিলে, একেলগে খেলা ধূলা কৰিলে, একেলগে সাঁতুৰিলে, একেলগে ভ্ৰমণ কৰিলে, আনকি হাঁচি কাঁহৰ দ্বাৰাও HIV- বিয়পিব নোৱাৰে । চিকিৎসক, পৰিচালিকা, পেথলজিকেল লেবোৰেটৰিত কাম কৰা সকলোৱে যথেষ্ট সবধাণতা অবলম্বন কৰিব লাগে । কিয়নো অপৰিশোধিত বেজীয়ে বিন্ধিলে শতকৰা দহ ভাগ HIV ভাইৰাছে আক্ৰমণ কৰিব পাৰে ।

আগতেই কোৱা হৈছে যে এইড্‌ছ ৰোগ কেইবাটাও ৰোগৰ সমষ্টিহে । মানুহৰ ৰোগ প্ৰতিৰোধ কৰাৰ ক্ষমতা হ্ৰাস পাই আহিলেহে HIV এ আক্ৰমণ কৰিবলৈ সুবিধা পায় । এইৰোগৰ প্ৰধান লক্ষণ সমূহ হৈছে - দিনে দিনে শুকাই ক্ষীণাই যোৱা, ৭ দিনতকৈ বেচি জ্বৰ হৈ থকা, এমাহতকৈ বেচিদিন পেটচলা, মুখৰ ভিতৰত ঘাঁ হোৱা, ছালৰ বেমাৰ, শৰীৰৰ গ্ৰন্থিবোৰ উমহা, পোৱা গাম হোৱা ইত্যাদি । HIV পজিটিভ হোৱা ৰোগীৰ তেজত চি ডি - ৪ কোষ ( C D -4 Cell ) পালেই বুজিব লাগিব যে মানুহজন প্ৰকৃততে এইড্‌ছ ৰোগত ভুগিছে । সাধাৰণতে চি ডি ৪ কোষ ৮০০ - ১২০০ মাইক্ৰো লিটাৰ তেজত পোৱা যায় । কিন্তু এইড্‌ছ ৰোগ হোৱা ৰোগীৰ তেজত ২০০ তকৈ কম কোষ পোৱা যায় । এই পৰীক্ষা প্ৰণালীৰ খৰচৰ মাত্ৰা বৰ বেচি আৰু আমাৰ দেশত এতিয়াও কৰিব পৰা হোৱা নাই । এতিয়া দেখা যায় যে শতকৰা $\frac{1}{3}$ ভাগ HIV পজিটিভ মাতৃয়ে HIV পজিটিভ শিশু জন্ম দিব পাৰে । মাতৃৰ পৰা শিশুলৈ গৰ্ভধাৰণ বা মাতৃদুগ্ধ পাণ কৰোতে বীজাণু বিয়পে ।

যিহেতু এইড্‌ছ ৰোগৰ কোনো চিকিৎসা নাই, গতিকে প্ৰতিৰোধ কৰিব পাৰিলেই এই ৰোগৰ পৰা হাত সাৰিব পাৰি । তলত উল্লেখ কৰা নিয়মবোৰ সকলোৱে পালন কৰিব লাগে ।

ক) সুৰক্ষা নোলোৱাকৈ যৌন সম্ভোগ কৰিব নালাগে ।

খ) সন্দেহ থাকিলে কণদম্ ব্যৱহাৰ কৰিব লাগে ।

গ) আনে ব্যৱহাৰ কৰা বেজী, ব্লেড ব্যৱহাৰ কৰিব নালাগে ।

ঘ) আনৰ দাঁত মজা ব্ৰাজ, তেজৰ লগত সংমিশ্ৰণ হোৱা আহিলা পাতি ব্যৱহাৰ কৰিব নালাগে ।

ঙ) তেজ পৰীক্ষা নকৰাকৈ তেজ কেতিয়াও গ্ৰহণ কৰিব নালাগে । আজিকালি চিকিৎসালয় বিলাকৰ বটলত HIV মুক্ত বুলি লিখা তেজ কিনিবলৈ পোৱা যায় । তেনে তেজহে গ্ৰহণ কৰিব লাগে ।

( লেখক - প্ৰৱন্ধটি যোগুত কৰোতে ডাঃ ধ্ৰুৱজ্যোতি দাসৰ 'এইড্‌ছ ৰোগৰ কিছু খুটিনাটি' নামৰ প্ৰৱন্ধটিৰ সহায় লোৱা হৈছে ।)

★ স্থলচৰ প্ৰাণীৰ ভিতৰত আফ্ৰিকাৰ হাতীয়েই সৰ্ববৃহৎ । প্ৰায় 2.74 মিটাৰৰ পৰা প্ৰায় 3.66 মিটাৰ (9-12 ফুট) উচ্চতাৰ এইবিধ হাতীৰ ওজন 4-7 টন পৰ্যন্ত হয় ।

★ চীনৰ প্ৰথম সম্ৰাট চিন - ছি হুয়াঙৰ ( খ্ৰীষ্টপূৰ্ব 246 - 210 ) 13, 140 গৰাকী পত্নী আৰু 2800 ল'ৰা - ছোৱালী আছিল । সম্ৰাটৰ ৰাজপ্ৰাসাদত 10,000 টা কোঠা আছিল আৰু তেওঁ সুদীৰ্ঘ 27 বছৰ ধৰি এটা কোঠাত কেতিয়াও দুৰাতি কটোৱা নাছিল ।

★ পৃথিৱীৰ আটাইতকৈ দীৰ্ঘ সময়ৰ ছবিখনৰ নাম 'কিঅ'ৰ ফৰ ইনছোম্নিয়া' ( Cure for Insomnia ) । 1987 চনৰ 31 জানুৱাৰীৰ পৰা 3 ফেব্ৰুৱাৰীলৈকে চিকাগোত সুদীৰ্ঘ 85 ঘন্টা এই চৰিখন প্ৰদৰ্শিত হৈছিল ।

# HISTORY OF NATIONAL CADET CORPS (N C C)

❑ **Amul Dhan Chakma**
T.D.C. 3rd year

The British Government desired to impart Army Training to students of Indian universities so that they may get good officers for their forces. In view of this they started University Training Corps ( U T C ) which later during 1925 was changed into University Officers Training Corps. However, this organisation had a limited sphere and only a limited number of students took part in its activities.

During Second World War it was noticed that university officers training corps could not fulfill its mission. Considering this and to impart training to youth in future, the Govt. of India appointed a National Cadet Corps Committee during 1947 under the chairman ship of pt. Hradaya Nath Kunjru. This committee deeply studied developing countries Army Training to youth in the world, and during March 1947 submitted a detailed report to Govt. of India. The Govt. of India accepted recommendations of the committee and prepared a bill. This bill was passed during April 1948 by the parliament and was made National Cadet Corps Act and under this act the NCC was opened in Schools / Colleges.

To widen this scope of the NCC training, a Girl Division during 1949, Air Wing in 1952 and Naval Wing during 1952 were established.

During 1960, NCC Rifles was established to impart NCC training to maximum number of students and after 1962 ( Chinese aggression ) during July 1963 NCC was made compulsory to all the healthy students of colleges/universities.

Since there was wide variation between dress, DA, number of cadets in a company between NCC and NCC Rifles, both of them were merged on 2nd April 1964 and compulsory training of students was abolished in 1968.

National Cadet Corps Directorate was established in the Ministry of Defence and an army officer of the rank of Colonel was appointed as the Director of NCC. It was upgraded to Brigadier during 1954, Major Gen. in 1961. The designation of the Director NCC was changed to Director General during 1982, the Director General NCC appointment was upgraded to the rank of Lt. Gen. The Director General is responsible for the functioning of NCC in the country through NCC Head Quarters situated in New Delhi.

There are 16 NCC Directorates covering all states and Union Territories. The Directorates are headed by an officer of the rank of Brigadier

or equivalent and designated as Deputy Director General NCC.

The Secretary, Ministry of Defence is the overall incharge, who is responsible to the Govt. of India for efficient functioning of the NCC.

Today NCC is quite popular in our country and now training syllabus social services, Adventure training and Ecology/Nature Awareness have also been included.

Today, its sactioned strength stands at 4.33 lakhs for senior division and 7.3 Lakh, for junior division cadet. There are 745 NCC units spread in our country, covering about 4500 colleges and 6500 schools.

**AIMS OF NATIONAL CADET CORPS**

i) To develop qualities of character, courage, Comradeship, Discipline, Leadership, secularoutlook, spirit of adventure, sportmanship and ideas of selfless service among the youth to make them useful citizens.

ii) To create, human resources organised, trained and motivated youth, to provide leadership in all walks of life, including in Armed Forces and always available for the service of the nation.

**MOTTO OF NATIONAL CADET CORPS**

**'Unity' AND 'Discipline'**

**BENEFIT TO NCC CADETS**

National Cadet Corps 'C' certificate holders will be required to compete in UPSC Examination for grant of commission in the Army through IMA and OTA. However, 32 vacancies in every regular course of IMA are reserved for NCC 'C' certificate holders who have passed UPSC entrance examination.

**NCC SPECIAL ENTRY SCHEME**

In this scheme application are invited by advertisement from only unmarried male NCC cadets for grant of short service commission (Non-Technical ) in the Indian Army. Cadets are exempsed from appearing in the UPSC examination.

**CONDITION OF ELIGIBILITY**

A) Age limit :- 19 to 25 years.

B) Educational qualification:- A graduate with an aggregate of 50% marks.

C) Serving in NCC :- Should have served for minimum 3 academic years in the senior Division of NCC.

D) Grading should have obtained minimum 'B' Grade in 'C' certificate Exam.

**FINANCIAL ASSISTANCE**

The Secretary grants financial assistance/ relief to NCC cadets in case of death or disability during organised NCC activities. The quantum of financial assistane payable is Rs. 1.25 Lakhs in case of death or 100% permanent disability during high risk NCC activities and 1 lakh during other NCC activities.

**SCHOLARSHIP SCHEME**

150 Scholarships to junior division / junior wing and 100 scholarship to senior division / senior wing of Rs 2000 each are awarded annually to meritorious NCC cadets.

i) Senior Division - passed intermediate or pre-degree with minimum of 70% marks in the aggregate in case of science stream and 60% in case of Arts / Commerce stream.

ii) Junior Division :- Passed 10th Standards with minimum of 70% marks in the aggregate of all subjects.

( Source :- NCC Magazines )

# THE SINGPHOS: ONE OF THE HILL TRIBES OF ASSAM

❑ **Mamoni Umbown**
T.D.C. 3rd year (Arts)

**Introduction :-** Assam is situated at the north-eastern region of India. It is famous for its rich natural resources and it holds a special position in cultural diversity among other states. The tribes of North-east India can be categoarised into two types. Hills tribes and plains tribes. Among all these tribes Singpho Community is one of the hill tribes of Assam.

**Origin of the Singpho Community :-**

According to the singphos, their ancestor migrated from "Majoy Singra Bum". "Majoy Singra Bum" means naturally that flat mountain. As the prevailing legend among the Singphos reveal the story that once in the very past before the existence of human being in the world, a certain semi-mythological figure came down from the heaven, splited into two, and six brothers came out of it, one of them died in the explosion. The brothers were named Gam. Nong, Ha, Du, Jang and Yawng respectively and thus till now the nomenclature of the singpho goes on accordingly.

The Singphos believe that the Caucasians who migrated to Europe were generated from the eldest brother Gam, the Chinese from the second brother Nong, the Siamese from the third brother Ha. The forth brother Du died and became the God of protection for the living brothers. The Kyein ( Burmese and Naga ) from the forth brother Tang. The sixth brother Yawng, also known as Daru Tsinli Yawng, became the forefather of the Singphos or the Kachins. According to the Singphos the word 'Singpho' means 'people'.

**Houses and occupation :-** The Singpho people live in a house, built with bamboo thatch and wood which is called "chang ghar". The house is rectangular in shape with number of rooms and a platform in front of the house and a fireplace in each room. The floor is raised 3 to 4 feet from the ground on posts. The flooring, external walls and internal partitions are of woven bamboo. At present the houses are built with modern materials and architechture.

Agriculture is the main occupation of the Singpho people. They mainly cultivate rice, potatoes, mustard and vegetables. Due to low production in agriculture as they practise the old traditional method now most of the Singpho people are engaged in various other occupations like tea plantation, fishery, paultry and piggery. Besides, some are engaged in various types of jobs their subtenance.

**Diet and Dress :-** The diets of the Singpho tribe are very healthy. The principal items of food are rice, sago, millet, maize and pulses like beans, roots and tuber like yam, arum, sweet potato, tapioca, meat and fish. The vegetables they prefer are mustard leaves stems of red and bottle gourd, edible leaves of wild plants and trees, pumpkin, ginger, garlic, sesame, bamboo shoot, plantain and banana flower etc. Rice is a staple food of the Singphos. The Singphos have their special style of cooking rice known as pungkhong sat ( steam preparation ).

The Singpho people have their own

traditional dress. Generally Singpho men put a garment which covers the lower portion from ankle to knee called 'Baka or Bupa', with turban in head called 'datat phambam'. The women wear 'Bathang' and 'Ningwat' ( methoni) and a white turban in head. The girls wear garment called Bukang' wove with colourful designs. The Singpho women are known to be expert in weaving and they used rough wooden loom for it.

**Family system :-** Traditionally the Singphos live in joint family but now it has disintegrated into nuclear families. The Singpho family is patriachal in nature. Father is the head of the family and other members of the family obeys the male head. As the Singpho family is patriachal in nature only the sons can inherit the parental properties.

**Marriage system :-** Marriage is an important institution for the Singpho community. They are in nature. They marry within the clan because they are supposed to have same blood relationship.

But now a days Endogamy and Exogamy both are prevalent in their society. Generally Singphos are monogamous. There is no dowry ; and divorce case is seen rarely in the Singpho society. Among them child marriage too is practically unknown. Widow re-marriage is also permissible.

**Religious Life :-** Religions like Buddhism and Christianity and Animism are accepted in the society. The Singphos accept Buddism and Christianity. Most of them are still adherent to traditional religion. That's why they celebrate every festival religiously. Their main festivals are Budha - Purnima, sangkhen, Now a - pai, non-si-poi, pai - leng, shapang yawng manaw poi etc. Shapang Yawng Manou Pai is a annual dance festival of the Singphos.

**Language and kinship terminology :-** The Singpho community has dialected of their own to communicate each other. Moreover, they also know to read and write the Assamese language without any mistake. They can also speak English and Hindi language.

The kinship system the Singpho community is really noticable. They use some kinship terminology to communicate with their very intimate relations. The terminology of relationship is given below.

| Words in English | Synonyms in the Singpho Language |
|---|---|
| Father | Awa. |
| Mather | Anu |
| Grand father | Achce |
| Grand Mother | Adui |
| Elder Sister | Aabba |
| Elder brother | Aaffu |
| Younger sister | Aanow |
| Younger brother | Aanow |
| Maternal Uncle | Aacha |
| Maternal Aunt | Aannie |
| Paternal Uncle | Wadoi |
| Paternal Aunt | Aashi |
| Daughter-in-law ( Bhabi ) | Aning. |

**Nomenclature :-** The nomenclature of the son and daughter in the Singpho community are given below -

| Son | Daughter |
|---|---|
| 1st - Gam | Ko |
| 2nd - Nong | Lu |
| 3rd - La | Rai |
| 4th - Du | Thu |
| 5th - Tang | Kai |
| 6th - Yawng | Kha |
| 7th - Kha | Pi |
| 8th - Shroi | Yune. |

**Conclusion :-** The Singpho are one of the hill tribes of Assam which is more or less assimilated with the Assamese society. They still maintain and preserve their own tradition literature, language folk ways etc. giving themselves a distinct place in the cultural mosaic of Assam.

# Child labour in India

❑ Sudip Ranjan Dey
T.D.C. 3rd year (Arts)

Children constitute 36 percent of India's population and it is a national shame that bulk of them still suffer from malnutrition, poverty, disease, cruel exploitation through forced child labour and beggary and top of all, illiteracy. Hundreds of thousands of childern roam the strects without homes or families. You can see them in plenty in the streets of Delhi, Mumbai, Kolkata, Chennai and other cities. Is it not a matter of monumental shame that of 30 million street children worldwide 11 million are in India, leading a wretched life, ill- clad and hungry, sleeping on the pavements, picking rags, begging or allowing themselves to be exploited in trades or occupations ?

One of the worst forms of child exploitation is child labour and India has the largest number of child labourers in the world- one third of those under the age of 16 are forced to work, often in the most dreadful condition. Many children have to work for long hours and are physically abused. As many as 73 million children representing 13 percent of the child population in the age group of 10-14 years are working in all kinds of jobs in different parts of the world.

In sheer magnitude of number, Asia tops the list with 44.6 million children of work followed by Africa with 23.6 million and Latin-America with 5.1 million. The International Labour Organization ( ILO ) reports estimate that 14.4 percent of children in the age group of 10-14 years works in India while the figure is put at 11.6 percent in the case of China. Even the planners say that the figure of child labourers might be around 17 million.

We have several laws like the Employment of Children Act' 1938, the Factories Act' 1948, Enforcement of Child Labour Prohibition and Regulation Act' 1986 etc. prohibiting the employment of children below a certain age. The constitution of India also decrees against the exploitation of children in the form of child labour. But the evil thrves despite the fact that child labour is economically unround, psychologically disastrous and critically wrong.

Poverty spawns child labour and viceversa and where families are larger, the parents find the employment of children lucrative, though in the long run it only trends to perpetuate rural poverty as also urban poverty in the fertering and mushroming slums that supply the boys for the wayside dhabas, the small hotels and restaurants, the automobile workshop and newspaper vending trade. Nearly 87 percent of the child workers are in the rural areas working in farms, plantations, fisheries and cottage industries in India. Though Primary Education is free and compulsory, a large number of children do not go to school because they have work at home. The Rural India is again caught in a cicjouds cycle. Specially in India, the rural poor families have more children ; they don't feel the pinch of feeding more mouths since more children means more 'labourers to keep the heart glowing. Child 'labour is necessary for the poor family or society.

Child labour creates a labour force which is ill- equipped in terms of spill to complete in todays globalised economy. Child labour also perpetuates the poverty in the general population, since the supply of child labour reduces the bargaining power of all workers, thereby depressing the wage rates of adults.

In 1996 the Ministry of Labour identified as many as 132 districts in the states of Andhra Pradesh, Karnataka, Tamilnadu, Maharashtra, Madhya Pradesh, Orissa, Delhi, Rajasthan, U.P., Bihar, Jammu and Kasmir and West Bengal where 90 percent of the two million children working face hazardous conditions. In 1995, the planning commission sanctioned a Rs. 850 crores programme for the rehabilitation of their children.

Under the National Child Labour Project ( NCLP), we have established special schools to provide non-formal education, vocational training, supplementary nutriton etc, to children withdrawn from employment. In its historic judgement on December 10, 1996, the Supreme Court of India gave certain directions regarding the manner which children working in the hazardous occupations are to be withdrawn from work and rehabitated as also the manner in which the working condition of children working in non-hazardous occupations are to be regulated and improved upon the important directions given in the judgment include payment of compensation amounting to Rs. 20,000 by the offending employers for every child employed in hazardous occupations, constitution of the Child-Labour Rehabilation cum-Welfare Fund, giving alternative employment to an adult member of the family in place of the child withdrawn from the hazardous employment by the appropriate goverment, completion of the survey of working children within a period of six month (i.e. by June' 10, 1997 ), the payment of internet on the worths of Rs. 25,000 to the family of the child withdrawn from works, provision of education in a suitable institution for the child withdrawn from work.

It is not known how many state govts. have carried out the directives of the Apex Court and how many have conducted the survey as required by the Court. It is well known that child labour is inextricably, interwined with rural and urban poverty, unplanned families and illiteracy among children and their parents. Unless we mount a planned crusade against poverty and illiteracy, child labour will continue to remain as one of the stumbling blocks to young human resource development. It is not enough we focus on IT, Telecom, the infrastucture sector, Tourism, Biotechnology and the life, we have to accord greater priority to poverty elimination and illiteracy which alone can wipe out child labour. The measures we have taken so far are palliative and are just drops in the ocean. As the latest HRO report points out, we lack the political will to tackle the burning social problems of the country.

Thanks to 93rd Constitution Amendment Bill, the right to Education upto the upper primary stage will soon become a Fundamental Right guaranteed by the constitution, once the bill undergoes all formalities including the President's assent. It is only a matter of time before we will take the first steps to secure the objective of universalisation of elementary eduaction which alone will help us to tackle the chronic problem of child labour. But unless the 2 children family norm is adopted, no amount of state funding of primary education is going to help. At present, despite free studentship, free books ( free uniform and even stipend for SC/ST students) and midday meals, primary education is not getting universalised due to prevailing poverty and illiteracy ......

# গল্প

“নাহি বৰ্ণনাৰ ছটা ঘটনাৰ ঘনঘটা
নাহি তত্ত্ব নাহি উপদেশ ।
অন্তৰে অতৃপ্তি ৰবে সাংগ কৰি মনে হবে
শেষ হৈয়ে হইল না শেষ ॥”

— ৰবীন্দ্ৰ নাথ ঠাকুৰ ।

# পথ



❑ **ধৰণী লাহন**

প্ৰাক্তন ছাত্ৰ, অসমীয়া বিভাগ

( এক )

মই অনবৰতে আজিকালি বুকুত এটা যন্ত্ৰণা অনুভৱ কৰো । বৰ ডাঙৰ যন্ত্ৰণা এইটো । যন্ত্ৰণাৰ ভৰত বুকুখন কেতিয়াবা ফাটি চিৰাচিৰ হৈ যাব যেন লাগে । অথচ সেইবোৰ একো নহয় । সময় আগবাঢ়ে ....... বুকুত যন্ত্ৰণাৰ পৰিমাণো বেছি হয় ..... । বুকুৰ পৰা যন্ত্ৰণাবিলাক উলাই যোৱা পথটো এতিয়া ৰুদ্ধ হৈ আছে ........... । পথটো কেতিয়া মুকলি হয় ..... সেয়া অনিশ্চিত ...... ।

বিশ্ববিদ্যালয়ৰ পৰা এটা ভাল ৰিজাল্ট কৰি উলাই অহা আজি দুবছৰেই হ'ল । যিদিনাই মই বিশ্ববিদ্যালয়ৰ পৰা চিৰদিনৰ বাবে উলাই আহিছিলো তেতিয়াই আৰম্ভ হৈছিল বুকুৰ এই যন্ত্ৰণাটো । সেই দিনাৰ সেই যন্ত্ৰণাৰ উৎস অৱশ্যে বেলেগ আছিল । আপোন কিবা এটা হেৰুৱাৰ বেদনাত যন্ত্ৰণাকাতৰ হৈছিল বুকুখন । শিক্ষাজীৱনৰ ইতি পেলাই শূন্যতাৰ অনুভৱেৰে মই গুচি আহিছিলো নিজৰ ঘৰলৈ । কিবা এটা সমাপ্তিৰ অন্তত নতুন কিবা এটা পোৱাৰ সপোন । ৰামধেনুৰ ৰঙেৰে জীৱনটো উজ্জ্বল কৰি পেলোৱাৰ সপোন দেখিছিলো মই । ঘৰলৈ আহি সেইদিনা মই পোন প্ৰথমবাৰৰ বাবে বিধৱা আইজনীৰ মুখত এটা হাঁহি দেখিবলৈ পাইছিলো । দেউতাৰ মৃত্যুৰ পাছত আইয়ে সেইয়া আকৌ প্ৰাণখুলি হাঁহিবলৈ আৰম্ভ কৰিছে । মোৰ মনটো আপোনা আপুনি ভাল লাগি গৈছিল । আইয়ে মোৰ মূৰৰ ওপৰত হাত বুলাই কৈছিল ''মোৰ আশা আজি পূৰ্ণ হ'ল পল্লৱ .... ।'' তোক অন্ততঃ মই খুটি খাব পৰা কৰিলো ..... ।'' ভনীজনীয়ে গোসাঁই ঘৰত চাকি-বন্তী জ্বলাই সেইদিনা সন্ধিয়া বৰ কৰুণভাৱে ঘোষা এটা গাইছিল । মই চকু দুটা মুদি কেৱল শুনি গৈছিলোঁ ।

''কিমতে ভকতি কৰিবো তোমাত হৰি এ মই মূঢ়মতি নাজানো তাৰ উপায় ৰাম ৰাম ।''

ঃ পল্লৱ সাজু হলিনে তই ?

ভিতৰত সেয়া আইৰ মাত । লাখুটিত ভৰদি দি আই মোৰ ওচৰলৈ আহি আছে । কাষে কাষে ভনীজনী । তাইৰ হাতত সাচতীয়া টকা কেইটামান । মোৰ ওচৰলৈ আহি আয়ে কলে, ''যা বোপাই । এইবাৰ কিবা এটা হয়ে বা ..... । মনটো পেলাই নিদিবিচোন ।''

মই একো নকৈ উলাই আহিলোঁ । ভনীজনীয়ে পদুলি মুখলৈকে আগবঢ়াই দিলে । তাইৰ চকুত সেয়া চকুপানী । মই খোজ আগবঢ়াই দিলোঁ ।

মই বৰ দুখীয়া ঘৰৰ ল'ৰা । খুওব সৰুতেই মোৰ দেউতা এই পৃথিৱীৰ পৰা নাইকীয়া হৈ গৈছে । আমাৰ সংসাৰখনত এতিয়া কেৱল আই, মই আৰু মোৰ একমাত্ৰ ভনী ৰূপা । তেওঁলোকৰ কৃপাতেই মই বিশ্ববিদ্যালয়ৰ ডিগ্ৰীটো লৈ ঘৰত বহি আছোঁ । চাকৰিৰ কাৰণে ঘূৰি ফুৰিছো যোৱা দুটাবছৰ । কিন্তু কতো চাকৰি এটা পোৱা নাই । ইন্টাৰভিউ দি দি হায়ৰাণ হৈ পৰিছোঁ । আজিও ইন্টাৰভিউ এটা দিবলৈকে উলাই আহিছো মই । নিজৰ ইচ্ছাৰ বিৰুদ্ধে দিয়া ইন্টাৰভিউ এইটো । আইৰ কৰুণ মুখখনেই মোক ইন্টাৰভিউটো দিবলৈ বাধ্য কৰাইছে ।

যদিও মই সম্পূৰ্ণ ইচ্ছাবিহীন ভাৱেই ইন্টাৰভিউটো দিবলৈ আহিছো, কিন্তু মোৰ অৱচেতন মনত অহৰহ এটা চিন্তাই আমনি কৰি আছে । সেয়া হৈছে মোক এটা চাকৰি লাগে । জীৱনৰ যাত্ৰা পথত আগবাঢ়ি যাওঁতে খুবেই প্ৰয়োজন হয় মোৰ চাকৰি এটা । মাটি সম্পত্তি নথকা মোৰ দৰে বেকাৰ এটাই চাকৰিটো পালেই, বহুতো ৰুদ্ধ পথ আপোনা-আপুনি খোল খাই যাব । বিশেষকৈ ভনী ৰূপাৰ বিয়াৰ পথটো । তাইৰ বয়স হৈছে যথেষ্ট । কিন্তু বিয়া দি উলিয়াই দিবলৈ ককায়েক হিচাপে মোৰ দেহত শক্তি নাই মই নিৰুপায় । ৰূপাও এইক্ষেত্ৰত যথেষ্ট সচেতন । মই সংস্থাপিত নহ'লে তাই বোলে এইখন ঘৰ এৰি থৈ নাযায় । মই ল'ৰা হ'লেও সংসাৰৰ বিষয়ে ভালদৰে একো নাজানো । ৰূপাই যিমানখিনি জানে সেইখিনিৰ তুলনাত মোৰ জ্ঞান তেনেই নগন্য । মই মনে মনে ঈশ্বৰক প্ৰাৰ্থনা কৰিলো -

''ভগৱান এইবাৰ কিবা এটা কৰিবা আৰু .... ।''

ইন্টাৰভিউথলী অভিমুখে মোৰগতি এইবাৰ দ্ৰুত হ'ল ।

চাকৰিটোৰ কাৰণে প্ৰায় পঞ্চাশজন প্ৰাৰ্থী । অফিচৰ সাধাৰণ কেৰাণী চাকৰি এটা মাত্ৰ । দূৰ দূৰণিৰ পৰাও বহু কেইজন প্ৰাৰ্থী আহিছে । প্ৰত্যেকৰে এটাই আশা । এইবাৰ যদি কেনেবাকৈ চাকৰিটো পাই যোৱা হয় । কিন্তু মই জানো এইবোৰ চিন্তাত কোনো নতুনত্ব নাই । সদায় কৰি থকা চিন্তা । তথাপিও এটা আশা । প্ৰত্যেকৰে মুখত সপোনৰ অলেখ সুঁহুৰি ।

কাষৰ চাকৰি প্ৰাৰ্থীজনৰ লগত মই উপযাচিয়েই চিনাকী হ'লো । চিন্তাক্লিষ্ট মুখ এখনৰ অধিকাৰী এজন মানুহ । মোতকৈ দুটা বছৰমান ডাঙৰ হ'ব বোধ হয় ।

ঃ কি নাম আপোনাৰ ?

ঃ হৰেণ বৰুৱা ।

ঃ ঘৰ ?

ঃ ন পামত ।

ঃ ইন্টাৰভিউ দিবলৈকে আহিছেনে ?

ঃ হয় ।

ঃ এতিয়ালৈকে কেইবাৰ ইন্টাৰভিউ দিলে ?

ঃ হিচাপ নাই । যোৱা চাৰিটা বছৰ কেৱল ইন্টাৰভিউ দি আছোঁ ।

ঃ এইবাৰ কিবা নতুনত্ব আশা কৰিছে নেকি ? ...... মানে ধৰক চাকৰিটো পোৱাৰ ক্ষেত্ৰত ..... ।

ঃ নাই । সেইবোৰ আশা কেতিয়াবাই এৰিলোঁ .... । চাকৰি নাপাও বুলি জানোৱেই । কাৰণ মোৰ হাতত চাকৰি এটা কিনিবৰ জোখাৰে টকা নাই । তথাপিও ঘৰুৱা মানুহখিনিৰ হেচাতেই ইন্টাৰভিউটো দি যাওঁ বুলি আহিছোঁ । চাকৰিটো নাপালেও অন্ততঃ মনৰ সন্তুষ্টি এটা হ'ব ।

লাহে লাহে কথাখিনি কৈ যাওঁতে মানুহজনৰ হাতৰ মুঠি এটা ক্ৰমাৎ টান হৈ পৰিছিল । মই একো নক'লো । তেওঁৰ হাতৰ মুঠিটোৰ সৈতে মোৰ যন্ত্ৰণাখিনি একাকাৰ হৈ গ'ল । মই নিজকে প্ৰবোধ দিলোঁ মোৰ দৰে মানুহ অন্ততঃ পৃথিৱীত আৰু আছে ...... ।

( দুই )

চিটী বাছৰ ভিৰ ঠেলি মই এয়া ইন্টাৰভিউ দি ঘৰলৈ আহিছো । ঘৰখন এই সন্ধিয়া পৰতে নিজম হৈ আছে । চাৰিওফালে এটা নিৰ্জন পৰিবেশ । মই আহি ঘৰৰ বাৰাণ্ডাত থিয় হলোহি । যন্ত্ৰণাৰ ভৰত মোৰ এতিয়া কোনো ধৰণৰ কথা বতৰা পাতিবলৈ মন যোৱা নাই । আইৰ সৈতে মুখামুখি হ'বলৈ মোৰ ভয় লাগিল । প্ৰতিটো ইন্টাৰভিউ দি অহাৰ পিছতেই মোৰ আচলতে এনেকুৱা হয় । আইক দেখিলে মোৰ মনত প্ৰশ্ন জাগে "আই বাৰু ইমান সোনকালে বুঢ়ী হ'ল কিয় ? আইৰ বুকুতো বাৰু মোৰ দৰে যন্ত্ৰণাৰ হেঁচা আছে নেকি ?"

"ৰূপা গৰম পানী অলপ কৰিথ' । পল্লৱ আহিবৰ হ'ল নহয় ... । ভগৱানে কিজানি এইবাৰ আমাক চকু মেলি চাইছেই ।"

অকস্মাত আইৰ মাতটো শুনিমোৰ কান্দি দিবৰ মন গ'ল । ইম্মান কৰুণ আইৰ মাতটো ! মোৰ দুচকুৰে দুটোপাল চকুলো বৈ আহিল । আইয়ে বাৰু কিয় ইমান সহজ ভাৱে কথাবোৰ লয় ... ? কোনো মতে নিজকে সম্বৰণ কৰি এইবাৰ ভিতৰলৈ সোমাই গ'লো । মোক দেখাৰ লগে লগে আই খৰ - ধৰকৈ কাষ চাপি আহিল । মই বিচনাতে ধুপুচকৈ বহি দিলো । আইয়ে কিবা এষাৰ ক'বলৈ মুখখন মেলোতেই মই বাধা দি ক'লো -

"ইন্টাৰভিউটো মই যথা সময়ত নাপালোগৈ আই । বাটত গাড়ী বেয়া হোৱাৰ কাৰণে কিছু পলম হ'ল ।"

কথাষাৰ কৈ মোৰ বুকুৰ যন্ত্ৰণাবিলাকে আৰু অলপ বঢ়াই লোৱা যেন লাগিল । আয়ে ক্ষীণ হাঁহি এটা মাৰি ক'লে - "হ'ব বোপাই, আৰু দিন আছে নহয় । এদিন নহয় এদিন আমাৰ সুদিন আহিবই ! সুদিনৰ পথ কোনেও ৰুদ্ধ কৰিব নোৱাৰে ... ।"

পুনৰ ভিতৰলৈ সোমাই যোৱা আইলৈ লক্ষ্য কৰি মই ভাবিলো "আইৰ সেই সুদিনৰ পথ বাৰু কেতিয়া মুকলি হ'ব ?"

( তিনি )

প্ৰফুল্লই মোক আজি সিহঁতৰ ঘৰলৈ বৰ জোৰকৈ মাতিথৈ গৈছে । সি মোৰ স্কুলীয়া দিনৰ বন্ধু । সি অৱশ্যে মোৰদৰে ডিগ্ৰী নললে । হাইস্কুলীয়া জীৱনতে তাৰ শিক্ষা গ্ৰহণৰ প্ৰক্ৰিয়াটো ইতি পৰিল । কিন্তু সি এতিয়া ডাঙৰ মানুহ .... । পঢ়া - শুনা নকৰাকৈ সমাজত উচ্চ স্থান ল'ব পৰা সকলৰ ভিতৰত প্ৰফুল্ল অন্যতম .... । তাক সকলোৱে শ্ৰদ্ধা কৰে । টকা পইচা সা-সম্পত্তি তাৰ এতিয়া নদন - বদন ... । ৰাজনীতিৰ গেলাবোকাত সোমাই সি কমদিনৰ ভিতৰতে ধনী হৈ পৰিল । সি আজিকালি সমাজৰ জনপ্ৰিয় নেতা । বিয়া বাৰু কৰাই বেচ সুখেৰে আছে সি । তাক দেখিলে মোৰ এতিয়া ভয়েই লাগে ..... ।

মই সাধাৰণতে প্ৰফুল্লৰ সংগ প্ৰায়ে এৰি চলো । কিন্তু সি আজি নিজে আহি মোক তাৰ ঘৰলৈ ইমান জোৰকৈ মাতিথৈ গৈছে যে, মই যদি তাৰ ঘৰলৈ নাযাওঁ, নিজে অলপ বেছি কৰা হ'ব । তাৰ লগত অৱশ্যে মোৰ কোনো শত্ৰুতাও নাই । দুয়োটা এতিয়া বেলেগ বেলেগ পথৰ পথিক যদিও আমাৰ বন্ধুত্ব জীয়াই আছে ...... । মই তাৰ ঘৰলৈ যোৱাটোকে সিদ্ধান্ত কৰিলোঁ ..... ।

আমাৰ ঘৰৰ পৰা প্ৰফুল্লহঁতৰ ঘৰলৈ প্ৰায় এককিল'মিটাৰ পথ । গাঁওখনৰ সিটোমূৰে সিহঁতৰ ঘৰ । আমাৰ দুয়োটাৰ ঘৰৰ মাজত এখন বিশাল পথাৰ । পথাৰৰ মাজে মাজে আলিটো । পুৰণি চাইকেলখন লৈ মই তাৰ ঘৰলৈ বুলি ৰাওনা হ'লো । বাটত যাওঁতে অলেখ চিন্তাই মোৰ মগজুত ভুমুকি মাৰিবলৈ ধৰিলে । চিন্তাৰ লগে লগে বুকুৰ যন্ত্ৰণাটোও বাঢ়ি গৈ থাকিল ।

চাকৰি এটা নাপালে মই বাৰু কেনেকৈ জীয়াই থাকিম ? আই আৰু ভনীজনীৰ আশাবিলাক পূৰ কৰিবলৈ হ'লে মই চাকৰি এটা পাবই লাগিব । কিন্তু চাকৰি যোগাৰ কৰাটো যে ইমান সহজ কথা নহয় । জীৱনত বহুবাৰ চাকৰিৰ বাবে ইন্টাৰভিউ দিলো । কিন্তু প্ৰতিবাৰেই চাকৰি নাপাওঁ । অৱশ্যে টকা নহ'লে আজিকালি চাকৰি পোৱাটো ইমান সহজ কথা নহয় । কিন্তু সেই বুলি ডিগ্ৰীৰ চাৰ্টিফিকেট বোৰততো আমাৰ দেহৰ পৰা ওলোৱা ঘামৰ গোন্ধ বিয়পি আছে । কিন্তু পাওঁ ক'ত ? প্ৰফুল্লক কৈ চাকৰি এটা যোগাৰ কৰিব পৰা যায় । কিন্তু তাৰ ওচৰত মোৰ সৰু হ'বলৈ ইচ্ছা নাই । তাৰ হাতখন দীঘল যদিওঁ ; মোৰ মূল্যবান চাৰ্টিফিকেটখনৰ

তুলনাত সেইখন বহুত চুটি । প্ৰফুল্লই এই কথা জানিও মোক কিয় মন্ত্ৰীৰ ওচৰলৈ যাবলৈ ইমান খাটিব কৰে ? সি বাৰু মোৰ উচ্চ ডিগ্ৰীক ইতিকিং কৰে নেকি ?

"তই আহিলি পল্লৱ ।"

হঠাৎ প্ৰফুল্লৰ মাতত মই বাস্তবলৈ ঘূৰি আহিলোঁ । প্ৰফুল্ল পদুলি মুখতে থিয় হৈ আছে । মোক দেখি তাৰ দুই ওঠৰ কোণেৰে হাঁহি এটা বিৰিঙি গ'ল । মই একো নকৈ তাক অনুসৰণ কৰিলোঁ ।

এটা আহল বহল কোঠাত প্ৰফুল্ল আৰু মই । প্ৰফুল্লই অলপ ড্ৰিংকছ্ কৰি আছে । চকু দুটা তাৰ ঢুলঢুলীয়া । তাক মই পত্নী আৰু ল'ৰা ছোৱালী হালব কথা সোধাত সি ক'লে, "সিহঁত আজি মামাকৰ ঘৰলৈ গৈছে ।" মোৰ লাহে লাহে পৰিবেশটো অসহ্য হৈ আহিবলৈ ধৰিলে । সি নো কি কাৰণে মোক ইমান জৰুৰী ভাৱে মাতিছিল, সেই বিষয়ে সোধাত প্ৰথমে সি একো কোৱা নাছিল । খন্তেক সময়ৰ নিৰৱতাৰ পিছত সি ঘপকৈ প্ৰশ্ন কৰিলে -

ঃ তোক চাকৰি নালাগে পল্লৱ ?

ঃ লাগে, নিশ্চয় লাগে, কিন্তু ইমান সহজে পাওঁ ক'ত ?

ঃ মোৰ লগত হাত মিলালেই দেখোন তই চাকৰি পাৱ ?

ঃ চাকৰি তোৰ কাৰণে গছত লাগি থকা ফল নহয় যে তই দিও বুলিয়েই দিব পাৰিবি ।

মোৰ অলপ খং উঠিছিল । সেয়ে কথাখিনি অলপ টানকৈ ক'লো । সি এবাৰ সজোৰে হাঁহি দিলে । তাৰপিছত সি প্ৰকৃতিস্থ হৈ মোৰ ফালে তীক্ষ্ণ দৃষ্টি নিক্ষেপ কৰি ক'লে -

ঃ তই নিজকে এতিয়াও বৰ ডাঙৰ বুলি ভাবি আছ' নহয় ? কাৰণ তোৰ ডিগ্ৰী আছে । কিন্তু সেই ডালেৰে তই কি কৰিবি ? আদৰ্শৰ পিছত দৌৰি উজুটি খোৱাতকৈ মোৰ হাতত ধৰি দৌৰিলে কি হয় ? আজিকালি টকাহে আচল কথা । টকা থাকিলে সব নিজে নিজে আহি যাব । মান .... সন্মান .... মৰ্যাদা ...... ।

মোৰ এইবাৰ ধৈৰ্যৰ বান্ধ ছিগি গ'ল । মই একপ্ৰকাৰ চিঞৰিয়েই ক'লো - "প্ৰফুল্ল, তই মোক অপমান কৰিছ ?"

ঃ অপমান নহয় পল্লৱ ; তোৰ ভালৰ কাৰণেই কৈছো ।

ঃ মোৰ ভালৰ কাৰণে তই চিন্তা কৰিব নালাগে । মই নিজেই কৰিম ।

কথাষাৰ কৈয়েই মই উঠিবলৈ ললো । প্ৰফুল্লই তৎক্ষণাত মোৰ হাত এখনত ধৰি ক'লে -

ঃ বাৰু হ'ব । তই মোৰ পথেৰে যাব নালাগে । বেলেগ এটা পথ দিম । তই গ্ৰহণ কৰিবি ? এই পথেৰে গ'লে তোৰ একো লোকচান নহয় আৰু চাকৰিটোও সহজে পাবি ।

ঃ কি পথ সেইটো ?

মই অলপ মৰম হৈ ক'লো । প্ৰফুল্লই এইবাৰ চাৰিওফালে এটা সন্ধানী দৃষ্টি দি মোৰ কাণৰ কাষত ফুচফুচাই ক'লে -

ঃ তোৰ ভনী এজনী আছে নহয় .... । তাইক যিকোনো এটা মন্ত্ৰীৰ ওচৰত এনিশা থাকিবলৈ দিলেই হ'ব । তোৰ চাকৰি আপোনা-আপুনি হৈ যাব .... । তই বাৰু একো চিন্তা কৰিব নালাগে । সকলো ঠিক কৰি দিম ।

প্ৰফুল্লই নিৰ্লজ ভাৱে কোৱা কথাষাৰত মোৰ সৰ্বশৰীৰ কঁপি উঠিল । ভৰিৰ তলৰ পৰা পৃথিৱীখন আঁতৰি যোৱা যেন অনুভৱ হ'ল । তাক আক্ৰমণ কৰোঁ বুলি হাতখন দাঙি লওতেই হঠাৎ তাৰ কমৰ দুৱাৰমুখত চকু দুটা স্থিৰ হৈ পৰিল । দুৱাৰ মুখত সেয়া এজন পুৰুষ আৰু এগৰাকী নাৰী । তেওঁলোকক দেখি মোৰ খংটো অলপ শাম কাটিল । প্ৰফুল্লই মোক একপ্ৰকাৰ উপহাস কৰিয়েই ক'লে - "তই তেনেকৈ কৰিলে কি হ'ব ? তোৰ দৰে দহজনে তেনেকৈয়ে চাকৰি লৈছে ।"

কথাষাৰ কৈয়ে প্ৰফুল্লই মানুহ হালক ভিতৰলৈ মাতি আনিলে । তেওঁলোকৰ চকুৰে চকুৰে পৰাত মই এইবাৰ সৰগ পৰা মানুহৰ দৰে স্থিৰ হৈ পৰিলো । এয়া মই কি দেখিছো । হৰেণ বৰুৱা ইয়াত ! .... আৰু লগত সেয়া কোন ? মোৰ খেলি মেলি মনটোৰ উমান পাইয়ে হবলা হৰেণ বৰুৱাই ক'লে - "এয়া মোৰ নৱবিবাহিতা পত্নী ।" কোনো এটা পথেৰেই চাকৰি যোগাৰ কৰিব নোৱাৰি মই এই পথ ল'লো । প্লিজ আপুনি আৰু মোক এই বিষয়ে এতিয়া একো প্ৰশ্ন নকৰিব ।

হৰেণ বৰুৱাৰ কথা কেইষাৰ শুনি মই একো ভাবিব নোৱাৰা হ'লো । মূৰটো চক্ৰাকাৰে ঘূৰিবলৈ ধৰিলে । প্ৰফুল্লৰ কমৰ পৰা ওলাই মই কেৱল সন্মুখৰ পথটোতে দৌৰিছোঁ । বুকুৰ যন্ত্ৰণাখিনিয়ে বাৰে বাৰে আমনি কৰিছে যদিও ; যন্ত্ৰণাখিনি মোৰ কিবা এটা ভাল লাগি গৈছে । মই লগত অনা চাইকেলখন তাতে এৰিথৈ আহিলো ।

দৌৰি যাওঁতে নিজৰ মনতে প্ৰশ্ন উদয় হ'ল, "মই দৌৰি থকা পথটো বাৰু কি পথ ? এই পথৰ বাৰু শেষ সীমা ক'ত ? প্ৰফুল্লৰ ঘৰত এৰি অহা চাইকেলখন নহ'লেও এই পথেৰে গৈ মই গন্তব্য স্থান পামগৈ নে ?

## মহৎ লোকৰ বাণী

★ যিজনে নিজকে জ্ঞানী বুলি ভাবে সেইজনেই আটাইতকৈ মূৰ্খ ।

- ভল্টেয়াৰ

★ কিবা যদি দান কৰিছা মুক্ত মনেৰে দান কৰা ঃ আশা থকাকৈ দান নকৰিবা ।

- মহাত্মা গান্ধী



# বিক্ষিপ্ত মন মৃত হৃদয়

❑ সন্তোষ কুমাৰ
স্নাতক তৃতীয় বৰ্ষ, (কলা)

......... জগত তালুকদাৰে আত্মহত্যা কৰিলে ।

ৰাতিপুৱাই এনে এটা অনাহুত বাতৰিৰ বাবে মই মুঠেই প্ৰস্তুত নাছিলোঁ । জীৱনৰ প্ৰায় তিনিকুৰিটা বসন্ত গৰকা প্ৰৌঢ় পুৰুষ আছিল জগত তালুকদাৰ । অবিশ্বাস্য যেন লাগিছিল যদিও কথাটো সঁচা-তালুকদাৰে আত্মহত্যা কৰিলে । বাক্যটোৰ ক্ৰিয়াৰ পিছত যদি 'কিয়' নামৰ এটা প্ৰশ্নবোধক শব্দ ওলোমাই দিয়া হয় তেন্তে ইয়াৰ উত্তৰ মই সদ্যহতে দিব নোৱাৰিম । আৰু ভৱিষ্যতে দিয়াৰ সম্ভাৱনাও নুই কৰিছোঁ ।

তালুকদাৰক মই জানো, চিনি পাওঁ । আজি ত্ৰিছ - বত্ৰিছ বছৰে একেলগে, একেটা অফিচতে চাকৰি কৰি আছোঁ । একেখন চহৰতে ঘৰ-বাৰী কৰিছোঁ । ক'বলৈ গ'লে তেওঁ মোৰ পূৰণি বন্ধু (?) । আৰু মাত্ৰ কেইটামান দিনৰ পিছতেই আমি দুয়ো চাকৰিৰ পৰা অৱসৰ ললোহেঁতেন । পিছে তালুকদাৰে আত্মহত্যা কৰি ইহসংসাৰৰ পৰাই অৱসৰ লৈ গুচি গ'ল । কিন্তু কিয়, সেয়া হলে নাজানিলো, আৰু হয়তো নাজানিমো কোনোদিন ।

তেওঁৰ লগত মই চাকৰি জীৱনৰ ডেৰ-কুৰিটা বছৰৰ বহু-সময় অন্তৰংগতাৰে (?) পাৰ কৰিছোঁ । হয়তো তেওঁ আনক নোকোৱা বহু কথাই মোক কৈছিল সহৃদয়তাৰে । হৃদয়বান মানুহ আছিল তালুকদাৰ । একমাত্ৰ তেওঁহে জানে, যি তালুকদাৰক একান্ত ঘনিষ্ঠ ভাৱে পাইছে । এতিয়া তেওঁ নাই, তেনে অৱস্থাত কিছুমান সঁচা কথা কলেও মৃতকৰ প্ৰশাস্তি গোৱা শ্ৰেণীৰে এজন বুলি মোকো যে নধৰিব তাত সন্দেহ নাই ।

তালুকদাৰৰ আত্মহত্যাৰ বাতৰিয়ে মোৰ মনলৈ কেৱল বিষাদহে নমাই আনিছে বুলি ক'লে হয়তো আচল স্বৰূপ প্ৰকাশ নহ'ব । খবৰটো পোৱাৰে পৰা মনত কিবা এক ৰিঙা ৰিঙা ভাব-বাহী বিয়াৰ উকা ৰভাখনৰ দৰে; আঁকোৱা-পকোৱা হুমনিয়াহৰ কুণ্ডলিৰে যেন ভৰি পৰিছে ৰভাখন ।

..... মন যোৱা নাই তালুকদাৰৰ ঘৰলৈ যাবলৈ । কিন্তু যাব লাগিছিল, অন্ততঃ একান্তই ভদ্ৰতাৰ খাতিৰত । নগ'লে বেয়া দেখি । এনেদৰেই মই মোক নিজকে ভদ্ৰতাৰ কাঠামোত বন্দী কৰি অনিচ্ছা সত্ত্বেও কিছুমান কাম কৰোঁ । এই যাব লগা হোৱা বাধ্যবাধকতাই ( নৈতিকতা ? ) মোৰ মনত একপ্ৰকাৰৰ অস্বস্তিৰ সৃষ্টি কৰিছে । দেহাটোতকৈ চোলাটোৰ জোখ বেছি ডাঙৰ হ'লে যেনে ধৰণৰ অস্বস্তিবোধ কৰোঁ, ঠিক তেনে ধৰণৰ অস্বস্তি । নগ'লে বেয়া দেখি কাৰণেহে যামনে ? এৰা কেৱল তাৰ বাবে হলেও মই যাবই লাগিব । পিছে......

গেটৰ বাহিৰৰ পৰাই হকাৰটোৱে দলিয়াই থৈ যোৱা দৈনিক কাকতখন তুলি আনি বাৰাণ্ডাৰ চকীখনতে বহি পঢ়াৰ আয়োজন কৰিছোঁ । অভ্যাসবশত হেড লাইনবোৰৰ ওপৰত চকু ফুৰাইছো । পিছে কথা এষাৰ কৈ থওঁ, মই গৰম খবৰ বিচৰা পাঠক নহওঁ । ক'বলৈ গ'লে গৰম খবৰবোৰো মোৰ বাবে নাতিশীতোষ্ণ, স্বাভাৱিক, গতানুগতিক । এইক্ষেত্ৰত মই মোক নিজকে আনতকৈ ব্যক্তিকৰ ব্যতিক্ৰম বুলি ভাবো । কাৰণ তেওঁলোকলৈ পুৱাৰ বাতৰিয়ে হত্যা - হিংসাৰ দৰে কুকৰ্মৰ খবৰবোৰহে কঢ়িয়াই আনে । প্ৰতিটো খবৰেই তেওঁলোকৰ মুখবোৰ আচৰিত ধৰণে বিকৃত কৰি তোলে ।

পিছে এটা কথা মোৰ বোধগম্য নহ'ল, হত্যা, হিংসা, ধৰ্ষন, কেলেংকাৰী আদিৰ দৰে খবৰে কাকতত স্থান পালে অৰ্থাৎ প্ৰকাশ পালে হঠাৎ কাকতৰ চাহিদা বাঢ়ি যায় কিয় ? কাকত নপঢ়াসকলেও হাতত কাকত একোখন তুলি লয়, কিয় ? তাৰমানে ওপৰে ওপৰে আমি যিমানেই মুখ বিকটালেও ভিতৰি কিন্তু তেনে এটা মনক পোহ দি আছোঁ, যিটো এই কাৰ্যবোৰৰ বাবে প্ৰতি পল লিক্ লিকাই থাকে । সেইবাবেই এনে বাতৰিয়ে আমাৰ চিত্ত আকৰ্ষণ কৰে ।

-"মানুহজনৰ কাণ্ড জ্ঞান বুলিবলৈ একো এটাই নাই । এনেয়ে চুলি পকি বুঢ়া হ'ল ।"

কাকতখন এনেয়ে লুটিয়াই বগৰাই থাকোতে শ্ৰীমতীৰ বিষোদ গাৰ মোৰ কাণত পৰিলহি ।

জানো, মোকেই কৈছে, আৰু বাক্যটোৰ প্ৰকৃতাৰ্থ কি তাকো জানো । তথাপিও ক'লো, নকৈ নোৱাৰোঁ, জানি শুনি প্ৰশ্ন কৰাটো মোৰ পুৰণি অভ্যাস ।

- "আচল কথাটো নোকোৱা কিয় ।"

- "ক'বলৈ আৰু বাকী আছেনে ? খবৰ অহা কিমান পৰ হ'ল ।"

কথাষাৰ কৈ গুচি গ'ল তেওঁ । আগতেই বুজিছিলো তালুকদাৰৰ ঘৰলৈ নোযোৱাৰ বাবে তেওঁৰ মুখত এই লাভাৰ উদ্গীৰণ ।

- "আনক দেখুৱাই এষাৰ কৃত্ৰিম সান্ত্বনাৰ বাণী শুনালে কি হ'ব সেই সান্ত্বনা অন্তৰৰ পৰাহি ওলাই নাহে । তেনে এষাৰ সান্ত্বনা যদি সবিতা তেওঁলোকেই বা কি সান্ত্বনা লাভ কৰিব ।"

কওঁ বুলি ভবা কথাষাৰো অৱশেষত নক'লো । কৈ লাভ নাই । নুবুজে এইবোৰ কথা । একেবাৰে নুবুজা নহয় আচলতে বুজিবলৈ চেষ্টা নকৰে । বুজাবলৈ গ'লেও ওলোটাই কেটেৰ জেঙেৰ মাত । মনে মনে থাকিলো, উত্তম কাম ।

ওলালো তালুকদাৰৰ ঘৰলৈ । শ্ৰীমতীৰো ভাষ্য মানুহজন নগ'লে হেনো বেয়া দেখি । মনৰ কথা কোনেও ধৰিব নোৱাৰে, দেখাও নাপায় ।

কিন্তু মানুহজন নগ'লে..... ? এহঃ তালৈ গৈনো কি বলে নোৱাৰা কামটো কৰিব লাগেহে, কৃত্রিমেই হওঁক অকৃত্রিমেই হওঁক দুষাৰ মান সান্ত্বনাৰ বাণী শুনাই দিলা বচ হৈ গলা মহানুভৱ ব্যক্তি ।

ব্যক্তিৰ মনৰ প্রকৃত স্বৰূপটো আনে সতকাই ধৰিব নোৱাৰাটো মানুহৰ বাবে পৰম সৌভাগ্যৰ কথা । ফলত মনৰ প্রকৃত কদর্যৰূপটো ঢাকি ধৰি আনটো কৃত্রিম জাক্‌জমক ফালটো দেখুৱাই দিয়ে । এই কাম সকলোৱেই কৰে,ময়ো কৰোঁ । কিন্তু সকলো মানুহৰেই অন্তৰত এটা প্রকৃত ৰূপ থাকে - কদর্য ৰূপ । কিন্তু ঢাকি ৰাখে আন এটা কৃত্রিম ৰূপে । যেনেদৰে সকলো মানুহেই কাপোৰৰ তলত নাঙঠ ।

তালুকদাৰ গুচি গ'ল । তেওঁৰ অনুপস্থিতিয়ে নিঃসন্দেহে মোৰ কর্মসূচীত কিছুমান প্রভাৱ পেলাব । বিশেষকৈ অফিচত থকা সময়ত ঘটা সৰু সৰু কামবোৰৰ । দৈনিক একঘেয়ে কামৰ ফাকে ফাকে দুষাৰমান ঘৰুৱা কথা, দেশদহৰ কথা পতা, মদনৰ গুমটিলৈ গৈ তামোল এখনকে চোবোৱা, ৰামলালৰ সৰু হোটেলখনত বহি এক 'ছিংগল' চাহ খোৱা ইত্যাদি । এই সকলো কর্মতে মোৰ সংগী আছিল তালুকদাৰ । ... হওঁতে আন সহকর্মী নথকা নহয়, পিছে তালুকদাৰৰ দৰে নহয় । মোৰ অনুপস্থিতিতো তালুকদাৰে এনেদৰেই ভাবিলেহেঁতেননে ? হয়তো ভাবিলেহেঁতেন, হয়তো নাভাবিলেহেঁতেন কোনে জানে ? মইতো নাজানো । মই নিজে বাৰু তালুকদাৰৰ অন্তৰত সিমানখিনি ঠাই অধিকাৰ কৰিছিলোনে, যিমানখিনি তালুকদাৰে মোৰ অন্তৰত কৰিছিল ?

কামৰ ব্যস্ততাৰ পৰা কিছু সকাহ পাবৰ বাবে আমি দুয়ো সদায় গৈছিলো চাহ খাবলৈ । তালুকদাৰৰ অনুপস্থিতিৰ দিনা আন কোনোবা সহকর্মী মোৰ সংগী হৈছিল । ৰতন মালাকাৰ তেনে এদিনৰ সংগী হৈছিল মোৰ । চাহ খাই উঠাৰ পিছত চাহৰ পইচা ময়েই পৰিশোধ কৰিলো । পইচা দিয়া দেখি মালাকাৰে ব্যস্তভাৱে চিঞৰি উঠিল ।

ঃ ''চৌধুৰী কি কৰে আপুনি ? নালাগে দিয়ক, চাহৰ পইচাখিনি ময়েই দিম ।'' তেওঁ বহাৰ পৰা উঠি আহি মোৰ হাতখন ধৰি ললে । উপায়ন্তৰহৈ ক'লো - ''এটা কাম কৰোঁ দিয়ক । আজিৰ পইচাখিনি ময়েই দিওঁ । পিছত আকৌ আহিম নহয়, তেতিয়া আপুনি দিব ।''

ঃ ''নহয় আজি মই দিওঁ, পিছত আপুনি দিব ।'' মালাকাৰ আকোৰগোজ ।

সৰু কথা এটাকৈলৈ আমাৰ মাজত এনে চিঞৰ বাখৰ খন দেখি ৰামলালো আচৰিত হৈ গৈছে । টনা আজোৰাৰ পৰিশেহত যেনিবা মোৰেই জয় হ'ল আৰু ময়েই চাহৰ পইচা পৰিশোধ কৰাৰ অধিকাৰ লাভ কৰিলোঁ ।

''চৌধুৰী আপোনাৰ দৰে মানুহ আজি বিৰল । আপোনাক বন্ধু হিচাপে পাই মই নিজকে সৌভাগ্যবান বুলি ভাবোঁ ।''

গর্বতে মোৰ বুকুখন দুই ইঞ্চিমান ফুলি উঠিছিল । অন্তত এজন মানুহে হ'লেও মোক বন্ধু হিচাপে ভাল পায় বুলি ভাবি । মালাকাৰক চাহৰ দুকানখনতে এৰিথৈ মই গুচি আহিলো । মালাকাৰৰ মুখত মোৰ প্রশংসা শুনি ৰামলালে হেনো আৰু এখোজ আগুৱাই মোৰ প্রশংসা কৰি কৈছিল - ''এই অফিচত চৌধুৰী চাৰৰ দৰে মানুহ দ্বিতীয় এজন দেখা নাই । আৰু মোৰ গোটেই জীৱনতো হয়তো নেদেখিম ।''

- ''কি ভাল মানুহহে ।'' গর্জি উঠিছিল মালাকাৰ । ৰামলাল আচৰিত । তাৰ পিছত গম্ভীৰ হৈ কৈছিল - ''মানুহৰ বাহ্যিক ৰূপটো দেখি ভাল বেয়াৰ চাৰ্টি-ফিকেট দি দিয়াটো উচিত নহয়, বুজিছ হ'বলা । বেয়া মানুহেও ভাল মানুহৰ দৰে আচৰণ কৰে । চৌধুৰীক তই ভাল বুলি জান, কিন্তু তেওঁৰ ভিতৰৰ প্রকৃত ৰূপটো নাজান । গতিকে অলপ সাৱধানে থাকিবি, বুইছ ? তোৰ দুকানখনৰো যে কোনোবাদিনা 'লালবাতি' নজ্বলাব তাৰ মানে নাই ।''

কথাষাৰ কৈ গপ্‌গপাই ওলাই গৈছিল মালাকাৰ । আঁ কৈ মুখমেলি মালাকাৰৰ কথা শুনি থিয় হৈ থকা ৰামলাল বহু দেৰী তেনেকৈয়ে থাকিল, স্থানুৰ দৰে ।

পিছত বুজিছিল সেয়া মালাকাৰৰ অভ্যাসেই ।

নতুনকৈ 'জইন' কৰা ডেকা কেৰাণী প্রশান্ত গগৈৰ লগত তালুকদাৰে কথা পাতি আছিল । কথা - পতানো কি গগৈয়ে কিছুমান কামৰ বুজ লৈছিল তালুকদাৰৰ পৰা । মালাকাৰেও নিজৰ টেবুলৰ পৰা উঠি আহি যোগ দিলে ।

''বুইছা, ডেকা ল'ৰা তুমি নতুনকৈ কামত সোমাইছা বহু কথাই নাজানা । শিকি বুজি লবলৈ সময় কিছু লাগিব । তালুকদাৰ চাৰৰ পৰা শিকি বুজি ল'বা । তালুকদাৰ চাৰ এইখন অফিচত থকালৈকে কোনেও চিন্তা কৰিব নালাগে । মনত ৰাখিবা, তালুকদাৰ চাৰৰ দৰে দ্বিতীয় এজন মানুহ তুমি এই অফিচত নাপাবা ।''

মালাকাৰৰ কথাই গগৈৰ চকুত জগাই তুলিলে কৃতজ্ঞতাৰ চাহনি ।

কিছু সময়ৰ পাছত গগৈক অকলে বাহিৰত লগ পাই মালাকাৰে হেনো কৈছিল ।

''তালুকদাৰক সকলোৱে ভাল বুলিয়েই কয় যদিও মানুহজন বৰ সুবিধাজনক নহয় । গতিকে নিজকে বচাই চলিবা । কোনো লোককেই গভীৰ বিশ্বাসত নলবা । আজিকালি সকলো মানুহ সুবিধাবাদী । সুযোগ পালেই যে তোমাক খেদি নিজৰ ভতিজা বা পুতেকৰ মূৰটো সেই চকীখনত নুগুজিব, তাৰ মানে নাই । গতিকে সাৱধান ।''

তালুকদাৰ মানুহজন মালাকাৰে কোৱাৰ দৰে সুবিধাজনক আছিলনে নাছিল মই ভাবি চোৱা নাই কোনোদিন । ভাবিবলৈ প্রয়োজন বোধো কৰা নাই । কিন্তু মালাকাৰ ! তেওঁ নিজেই বা কিমান সুবিধাজনক মানুহ ? মালাকাৰ সম্পর্কে সকলোৱে মুখে মুখে এটাই কথা ''মালাকাৰে আনৰ মিছা বদনাম (?) এনেয়ে ৰটি ফুৰে । কলুষ কালিমাহীন নিকা ভাবমূর্তিত চেকা সানে ।'' এয়া বিভিন্নজনৰ ভাষ্য । কিন্তু মোৰ দীর্ঘদিনীয়া অভিজ্ঞতাৰ পৰা কওঁ যে সেয়া মালাকাৰৰ চৰিত্রদোষ নহয় । তেওঁক পৰিবেশ পৰিস্থিতিয়ে যেনেধৰণে শিকাইছে তেওঁ তেনেধৰণেই মাত মাতিছে । ঠিক ভাটো চৰাইৰ দৰে ।

কিছুদিনৰ পিছত ডেকা ল'ৰা প্রশান্ত গগৈয়ে মোৰ পৰা লাই পাই ''লাই পোৱা কুকুৰে গললৈকে জপিয়াই'' - এই আপ্তবাক্য শাৰীক শৰোগত কৰি মোক সুধিলেহি ।

ঃ ''মালাকাৰ মানুহজন বৰ - সুবিধাজনক নহয় যেন পাইছো ।''

কথাষাৰ কৈ তেওঁ মোৰ মুখলৈ চালে । মোৰ বুজিবলৈ বাকী নৰ'ল যে এই বাক্যটো এটা প্ৰশ্নবোধক বাক্য ।

ঃ "কিয়, কিবা হ'লনেকি ?" কামৰ পৰা মূৰ নোতোলাকৈয়ে মই নিৰ্লিপ্ত ভাৱে ক'লো । গগৈলৈ চালো, যি উৎসাহেৰে কথাষাৰ কৈছিল সেই উৎসাহ এতিয়া আৰু নাই । হয়তো তেওঁ মোৰ পৰা এনে ধৰণৰ অপ্ৰত্যাশিত উত্তৰ ( প্ৰশ্ন ) আশা কৰা নাছিল । এনেধৰণৰ কথা মই মোৰ পূৰ্ব অভিজ্ঞতাৰ পৰাই কব পাৰো । যদি মই মালাকাৰৰ চৰিত্ৰৰ নেতিবাচক দিশসম্পৰ্কে দুটামান বাক্যৰ ফুলজাৰি মাৰিলোহেঁতেন, তেন্তে নিশ্চয় তেওঁ ভাল পালেহেঁতেন ।

ঃ "নাই মানে ..... তেনেকৈ একো হোৱা নাই । অৱশ্যে ক'বলৈ গ'লে তেওঁ মোক উপদেশ পৰামৰ্শহে দি আছে । কিন্তু ..... ইয়াৰ অন্তৰালত কিবা অভি-সন্ধি থকা যেন লাগে ; সেইবাবেহে আপোনাক সুধিলো, বেয়া নাপাব ।"

পুনৰবাৰ মূৰ তুলি গগৈলৈ চালো । থিৰেৰে বহি থাকিব পৰা নাই । যেন প্ৰশ্নটো সুধি এটা ডাঙৰ জগৰহে লগালে । তেওঁৰ আপাদ মস্তকতালৈ লক্ষ্য কৰি ক'লো ।

ঃ "আচলতে তুমি ভবাৰদৰে মালাকাৰ বেয়া মানুহ নহয় । "মালাকাৰক মই ভালমানুহ হিচাপেহে জানো - ৰিয়েলি হি ইজ এন অনেষ্ট মেন ।"

মোৰ কথা শুনি তালুকদাৰে সকাহ পোৱা যেন লাগিল । সকাহ মালাকাৰ সম্পৰ্কীয় মন্তব্যৰ বাবে নহয়, মোৰ ওচৰৰ পৰা আঁতৰি যাব পোৱাৰ বাবে । তেওঁ উঠি গ'ল । বহা ঠাইতেই বহি থাকিলো মই । গগৈক যি কলো সেয়া উচিত হ'লনে ? মইতো মালাকাৰৰ ক্ষেত্ৰত তেনেদৰে কোনোদিনেই ভবা নাছিলো - ৰিয়েলি এন অনেষ্ট মেন । কিন্তু হঠাৎ ওলাই গ'ল মুখৰ পৰা । মুখৰ পৰা ওলোৱা কথা আৰু বন্দুকৰ পৰা ওলাই যোৱা গুলি একেই, এবাৰ ওলাই গ'লে ওভতাই আনিব নোৱাৰি । এহ্ নোৱাৰিলেনো কি মহাভাৰতখন অশুদ্ধ হ'বহে, মইতো বেয়াকৈ একো কোৱা নাই । বৰঞ্চ যি কৈছোঁ ভালহে কৈছোঁ । এৱা মই যে মানুহক কেতিয়াও বেয়া বুলি নকওঁ মনে প্ৰাণে ভাল নাপালেও । ইয়ো হয়তো মোৰ জনপ্ৰিয়তাৰ এটা কাৰণ হ'ব পাৰে ।

মই এলেকৰ পেলেক আত্মীয়ৰ দৰে তালুকদাৰৰ ঘৰ গৈ ওলালোগৈ । ভালেমান মানুহ গোট খাইছে । মই নিজে এনে কাৰ্যত যাবলৈ বৰ টান পাওঁ । গ'লেও এক বুজাব নোৱাৰা ধৰণৰ অস্বস্তি অনুভৱ কৰোঁ । সেইবাবে এনে কাৰ্য প্ৰায়েই মই এৰাই চলো । আজিৰ কথাটো পিছে অলপ সুকীয়া । সুকীয়া এই কাৰণেই যে মই নগ'লে কথাটো বেয়া হয় । তালুকদাৰৰ ঘৰ ঘৰোৱাৰ এই বিপদত ময়েই তেওঁলোকৰ সাৰথি হ'ব লাগিব । গতিকে আহিব লগা হ'ল । আপুনি ক'ব পাৰে - একান্তই ভদ্ৰতাৰ খাতিৰত । এৱা ভদ্ৰতাৰ খাতিৰতেই ।

ভদ্ৰতাৰ কাঠমোত মোৰ মনক বন্দী কৰি ৰখাৰ বাবেই মই বহু অনিচ্ছাকৃত কৰ্মও কৰোঁ । ইয়াৰ বৃত্তৰ পৰিধি ভেদ কৰিব পৰাটো মোৰ বাবে সহজ নহয় । সেইবাবেই আজি এয়া এটা অস্বস্তিকৰ পৰিবেশত নিজকে নিৰ্দয় ভাৱে দলিয়াই দিছোঁ । একমাত্ৰ ভদ্ৰতাৰ খাতিৰত ।

সমবেদনা জনাবলৈ অহা লোকসকললৈ চালো । চিনাকী অচিনাকী বহু মুখ । কিছুমান অফিচৰ ক'লিগ, কৰ্মচাৰী, আত্মীয় স্বজন, ওচৰ চুবুৰীয়া ইত্যাদি ইত্যাদি । সকলোৰে মুখবোৰ বৰষুণৰ প্ৰাক্ মুহূৰ্তত ওন্দোলাই অনা আকাশখনৰ দৰে । এই যেন দুচকুৰ পৰা ধাৰাসাৰ বৰষিব বৃষ্টি ।

তেওঁলোকক দেখি মোৰ আকৌ সেই শব্দ দুটালৈ মনত পৰিল - 'ভদ্ৰতাৰ কাঠামো ।' এই লোকসকলৰ বেছি ভাগেই হয়তো আহিছে একমাত্ৰ নিজৰ ভদ্ৰতা ৰক্ষা কৰিবলৈ । আহিবলৈ মন নাই । নাহিলেও নহয় । অভদ্ৰামী কৰা নহ'ব জানো । ... গতিকে পাক্ এটা মাৰি আহোঁ । কিনো ডাঙৰ কথা । কিনো বলে নোৱাৰা কামটো । গতিকে চাউলো সিজিল, মিতিৰো ৰ'ল ।

শোকে ওন্দোলাই অনা তেওঁলোকৰ মুখমণ্ডল চালে তেনে যেন নালাগে কিন্তু । এই যেন অমৰাওটীয়া চকুৰ পৰা ধাৰাষাৰ বব চকুলো । আৰ্চী এখন পোৱা হ'লে ময়ো মোৰ মুখমণ্ডল চাব পাৰিলোঁহেতেন । মোৰ মুখ মণ্ডলত কিমানখিনি তেনে ভাব পৰিস্ফুট হৈছে চাবলৈ । মই জানো এই সময়ত মোৰ মুখাবয়বো গোমা হৈ পৰিছে । শোকৰ ক'লা আৱৰণ এটাই মোৰ মুখমণ্ডলক ক'লা কৰি ৰাখিছে । যেন শাওনৰ বৰ্ষণমুখৰ গোমা আকাশ ।

উপস্থিত মানুহখিনিৰ ওপৰে ওপৰে দৃষ্টি বাগৰাই পঠালো । প্ৰত্যেকৰে মুখাবয়বত খুন্দামাৰি সি পুনশ্চঃ উভতি আহিল মোৰ দুচকুলৈ । অফিচৰ সকলো আহিছে । গগৈ, বৰুৱা, শেনচোৱা, বেজবৰুৱা, মালাকাৰ কোনো বাদ পৰা নাই । এৱা, কিয় নাহিব ? আজিৰ পৰা যে আমাৰ মাজৰে এজন নোহোৱা হ'ল । গতিকে তেওঁক শেষ শ্ৰদ্ধা জনাবলৈ নাহিবনে ? আমাৰ মাজৰে যে এজন গুচি গ'ল । এৱা, অফিচৰ চকী এখন খালী হ'ল ।

কিন্তু সেই চকীখনতো সদায় খালি হৈ নাথাকে । আজিৰ বাদে কাইলৈ কোনোবা এজন মকৰল হ'ব । মোৰ ভতিজা ল'ৰাটোৰে কিবা এটা ব্যৱস্থা কৰিব পৰা হ'লেও । পঢ়া-শুনা কৰি এনেয়ে ঘৰতে 'বেকাৰ' হৈ আছে । চাকৰিটো হ'লে তাৰ লগতে ঘৰখনেও উশাহ এটা ল'ব পাৰিলেহেঁতেন । এৱা তালুকদাৰৰ পদটো যদি সি পাই যায় তেন্তে তালুকদাৰৰ মৃত্যু মোৰ বাবে অথবা আমাৰ পৰিয়ালটোৰ বাবে এটা ভাল খবৰ হিচাপেই বিবেচিত হ'ব । তেতিয়া কলোহেঁতেন তালুকদাৰে নিজে মৰিও আনক এসাজ খাব পৰাৰ ব্যৱস্থা কৰিলে । এৱা কামটো যদি মই ভবাৰ দৰে হৈ যোৱা হ'লে ...... ।

চৌধুৰী কি ভাবি আছে ? কলিতাৰ মাতত মোৰ ভাবত যতি পৰিল । ছেঃ কিবোৰ যে ভাবি আছিলো এইবোৰ । উচিত কথাই হ'লেও ইয়াত ভাবিব লাগেনে ? পিছে পৰেওতো ভাবিব পাৰিলোহেঁতেন ? ছেঃ স্থান ভাল অনুসৰি কাম কৰিবলৈ নিশিকি কেতিয়াবা বৰ শলঠেকত পৰোঁ । ভাববোৰ মনৰ পৰা জোকাৰি লৈ স্বাভাৱিক হ'বৰ যত্ন কৰিলোঁ অন্ততঃ তালুকদাৰৰ ঘৰত থকা সময়খিনিত এইবোৰ কথা ভাবি থকাটো বৰ অন্যায় হ'ব ।

তালুকদাৰৰ পৰিবাৰ, আত্মীয় স্বজন, জী, বোৱাৰী, নাতি নাতিনী সকলো শোকত ম্ৰিয়মান । ভাবিলো তেওঁলোক থকা কোঠাটোৰ পৰা বাহিৰলৈ ওলাই যাওঁ । কিন্তু বিবেকে কৈ উঠিল, নহয় তই তেনে

নকৰিবি । এৰা, তেওঁলোকৰ শোকত যদি এষাৰ সান্ত্বনা নিদিও তেন্তে কিহৰ বন্ধু ? কি কম ! .... কি বুলি সান্ত্বনা দিম !! ভীষণ অস্বস্তি । তথা পিছেওতো কিবা এষাৰ নক'লে জানো বেয়া নহ'ব ? এৰা কিবা এটা কবই লাগিব অন্ততঃ মোৰ ভদ্ৰতাৰ খাতিৰতেই । এৰা নিজৰ ভদ্ৰতাক জীয়াই ৰাখিবলৈকো মই ঘৰিয়ালৰ চকুপানী টুকিব লাগিব । পিছে এনে অৱস্থাত কেতিয়াবা অনামী ভয়টোৱে উক্ দি উঠে, ধৰা পৰিম নেকি ?

...... "জন্ম হ'লেই মৃত্যু অৱধাৰিত । মানুহৰ জন্মৰ লগে লগেই মৃত্যুয়ে দেহত খিতাপি লৈ শুই থাকে । যি দিনাই সি সাৰ পায়, সেইদিনাই সকলো শেষ ।শাশ্বত মৃত্যু সত্য, হলেও তাক আমি সহজ ভাৱে মানি ল'বলৈ টান পাওঁ । আমিও এদিন মৰিম, সকলোৱেই মৰিব, কিন্তু জীয়াই থকা দিনকেইটাত এই সৰু মৌলিক কথাষাৰ চিন্তা কৰিবলৈ আমি আজৰি নাপাওঁ । আমি মৃত্যুক পাহৰি থাকিব খোজো আৰু থাকো । সেইবাবে জীয়াই থকা দিনকেইটাত আমি হৈ পৰো স্বাৰ্থপৰ; এবাৰলৈ ভাবি নাচাও যে মৃত্যুৰ লগে লগেই এই সকলোবোৰ শেষ । মৃত্যুক আমি মনৰ পৰা আঁতৰাই ৰাখিব খোজো বাবেই মৃত্যুক সহজতে গ্ৰহণ কৰিব নোৱাৰোঁ ।

আমি সকলোৱেই এদিন মৰিম । আগ-পিছ মাথোঁ দুদিনৰ । তালুকদাৰৰ অকাল মৃত্যু তেওঁৰ ঘৰ - ঘৰোৱাৰ বাবে মৰ্মান্তিক হ'লেও তাক মানি লোৱাৰ বাদে দ্বিতীয় এটা উপায় নাই । গতিকে তাক সহজভাৱে ল'বলৈ চেষ্টা কৰাটোহে উচিত । সময়ত সকলো ঠিক হৈ যাব ।"....

ইত্যাদি ধৰণৰ কথাৰে তালুকদাৰৰ আত্মীয় - স্বজনক সান্ত্বনা দি উঠি দীঘল নিশ্বাস এটা এৰিলো । মনত কিছু স্বস্তি অনুভৱ কৰিলো, অস্বস্তিকৰ স্বস্তি.... ।

চাৰমিনাৰ এডাল জ্বলাই প্ৰথমটান মাৰোতেই মোৰ চকুত পৰিল দুৰৱা ! অৰূপ দুৰৱা !!

.... ছেঃ মই মিছাকৈ অৰূপ দুৰৱাকলৈ ব্যস্ত হৈ পৰিছো । একে অফিছৰ সহকৰ্মী যেতিয়া নাহিবনে ? তেওঁ অহাত অস্বাভাবিকতা ক'ত ? ...উত্তৰ নাপাই মই মনটোকে ধিক্কাৰ দিছো । হওঁতে হয় তালুকদাৰ জীৱিত থকা কালত তেওঁলোক দুয়োৰে মাজত কোনো দিনেই এটা সুসম্পৰ্ক গঢ়ি নুঠিল । তাৰ কাৰ্য কাৰণ একো জানিব পৰা নাযায় । কোনো এক অদৃশ্য শক্তিয়ে যেন দুয়োৰে মাজত বিশাল প্ৰাচীৰ হৈ থিয় দিছিল । বাহিৰে বাহিৰে ভাল হৈ থাকিলেও ভিতৰি যে দুয়ো - দুয়োকো প্ৰচণ্ড ঘৃণা কৰে সেই কথা সকলোৱে বিদিত । বহু ঠাইত তালুকদাৰৰ মিছাবদ্নাম ( সঁচা - মিছা মই হ'লে নাজানো ) ৰটি থকা অৱস্থাত অৰূপ দুৰৱাক দেখা বুলি বহুতে কোৱাও শুনিছো ।

তথাপিতো আহিছে অৰূপ দুৰৱা । হয়তো অতীতৰ সকলো কথা পাহৰি গৈছে । মনত ৰাখিনো লাভ কি ? এৰা, জীয়াই থকা দিনকেইটাতহে হিংসা, দ্বেষ, দ্বন্দ্ব, খৰিয়াল, ঘৃণা, কিন্তু মৃত্যুৰ লগে লগেই সকলো পতন । তেন্তে কি লাভ এইবোৰ কৰি জীয়াই থকা দিন দুটাত ? নে এইবোৰেই জীৱন ? হয়তো হ'বও পাৰে । .... নে এই সকলোবোৰৰে ওপৰত উঠি ভদ্ৰতা ! ..... নাহিলে যে একান্তই বেয়া দেখি ..... ।

ছেঃ কি ভাববোৰে যে আহি মনটো খেলিমেলি লগাই দিয়ে । ধীৰে ধীৰে আগুৱাই গ'লো তেওঁলোকৰ জুমটোৰ ফালে । সকলো শোকাভিভূত (?) । অফিচত হাজৰিকাৰ মুখত আখৈ ফুটাদি কথা ফুটে, ওঁঠৰ দুই কোন থুৰে জেপ-জেপীয়া হয় । কিন্তু আজি ! তেওঁ যেন গন্টি কৰি কৰিহে শব্দবোৰ উচ্চাৰণ কৰিছে । নানান বাৰে ভচহু কথাৰে আনক হুহুৱাই কাহিল কৰা যাদৰ বৰপূজাৰীৰ মুখত আনক কন্দোৱাব পৰা করুণ বাক্য । তালুকদাৰক চকুপাৰী দেখিব নোৱাৰা জনৰ মুখতো তেওঁৰ প্ৰশংসাৰ উৰ্মি । বাকী বোৰৰতো কথাই নাই । তালুকদাৰৰ প্ৰশস্তি পাঠ শুনি শুনি মোৰ মনত প্ৰশ্ন জাগিছে, সচাঁকৈয়ে তালুকদাৰ এই সকলোবোৰ প্ৰশংসাৰ যোগ্য আছিলনে ? হয়তো আছিল, হয়তো নাছিল । কিন্তু এটা কথা ঠিক বুজি উঠিছো মানুহ মৰিলে অনাহকতেওঁ প্ৰশংসা লাভ কৰে । এৰা .....

হাজৰিকাই অকলে মোক অলপ নিলগলৈ মাতি লৈ গ'ল । জেপৰ পৰা চাৰ্মিনাৰৰ পেকেট এটা উলিয়াই এডাল নিজে জ্বলাই মোলৈকো এডাল আগবঢ়াই দিলে । কিছু সময়ৰ অন্তৰে অন্তৰে বৈ বৈ অনাহক দুই এষাৰ কথা পাতিছে । এইবোৰ কথা ক'বলৈকে মোক মাতিছিলনে ? অৱশেহত মোৰ সকলো উৎকণ্ঠাৰ ওৰ পেলাই ক'লে আচল কথাটো ।


- "চৌধুৰী, আপুনিতো জানেই, চাকৰিৰ অভাৱত যোগ্যতা থকা ল'ৰাটোও ঘৰতে 'পচি' আছে । যদি আপুনি অলপ কোৱা মেলা কৰি, আমাৰ বাবে কিছু কষ্ট কৰি তাৰ মূৰটো তালুকদাৰৰ চকীখনতে গুজিব পৰা ব্যৱস্থা কৰি দিলে বৰ ডাঙৰ উপকাৰ কৰা হয় । আপুনি চেষ্টা কৰিলে হ'ব চৌধুৰী, আপোনাৰ ওপৰৰ অফিচৰ মানুহৰ লগত........ ।"

হাজৰিকাৰ এনে কথাৰ প্ৰত্যুত্তৰত মই কি ক'ম ভাবি পোৱা নাই । কিবা ক'ব লাগে নে নেলাগে সেই কথা বিবেচনা কৰাৰ শক্তিও যেন মোৰ নোহোৱা হৈছে । এনেতে পুলিচে তালুকদাৰৰ মৃতদেহটো পষ্টমৰ্টেমৰ বাবে নিবলৈ সাজু কৰা দেখি দুয়ো আগবাঢ়িলো ।ভালেই পালো, অস্বস্তিত ডুবি আছিলো ।

সকলোৱে তালুকদাৰৰ মৃতদেহটো ঢাকি ধৰিছে । এতিয়াও মেল খাই থকা চকু দুটাই যেন ট' ট' কৈ আমালৈকেহে চাই আছে । দেখিয়েই মোৰ কিবা লাগি গ'ল । বিকৃত মুখাবয়ব । কোনোদিনেই দেখা নাছিলো এনে দৃশ্য । মুখেদি তেজ নিগৰি যোৱা স্পষ্ট দাগ । দুপাৰি দাঁত নিকটাই আছে, যেন প্ৰচণ্ড ঘৃণা - আক্ৰোশত গৰ্জি উঠিছে । পুনৰ চালো চকু দুটালৈ । চকু দুটাই যেন আমাৰ মাজত কিবা এক অনামী বস্তুৰ গভীৰ অন্বেষণ কৰিছে । কি কৰিছে বাৰু, - আমাৰ মন, হৃদয় ইত্যাদি ? ভজা কাৰৈ মাছৰ চকুৰ দৰে সেই ঢেল খোৱা চকু দুটাই দেখিবনে মোৰ মন, আমাৰ মন ?

## মহৎ লোকৰ বাণী

★ এটা কুৎসিত মনতকৈ এখন কুৎসিত মুখমণ্ডলেই শ্ৰেয় । *- থমাছ ইলিচ ।*



# ধুমুহা, ৰামধেনু আৰু বৰষুণ

❑ অমিয় কুমাৰ সোণোৱাল
প্ৰাক্তন ছাত্ৰ

অমৰে পথাৰৰ পৰা আহিয়ে গা-পা ধুই মাটিতে পাটিখন পাৰি দীঘল দি শুই পৰিল । ভাগৰত তাৰ শৰীৰটো অৱশ অৱশ লাগিছে যদিও অকনমানো টোপনি অহা নাই । শাওনৰ মাহ । অতিপাত গৰম বাঁহৰ বিছনীখনেৰে বিচি বিচি কিছু ঠাণ্ডা লোৱাৰ ব্যৰ্থ চেষ্টা চলাইছে । এই দিনকেইটা পাৰ নহয় মানে আৰু সুখ নাই বৰষুণ দিলেও বাষ্টা - ঘাট লেতেৰা হয় আকৌ ৰ'দ দিলেও অতিপাত গৰম ; মুঠতে শান্তি নাই । অমৰ হঁতৰ খেতি আৰু দুই এদিনতে শেষ হ'ব । খেতি শেষ হ'লেহে অকনমান আজৰি পাব । একমাত্ৰ ভায়েক আৰু বৃদ্ধা মাকজনীয়ে সিহঁতৰ ঘৰৰ পৰিয়াল । ৰুৱা তোলা কৰিবৰ বাবে ঘৰত অন্য মানুহ নাই । ভায়েকে হাল বায় আৰু ৰুৱা তোলাৰ কামবোৰ অমৰে কৰে ।

নাই এই গৰমত আৰু শুব নোৱাৰি । অমৰে আগষ্ট মাহৰ প্ৰান্তিক এখনকে উলিয়াই এমুৰৰ পৰা পাতবোৰ লুটিয়াই গ'ল । অৰুণ গোস্বামীৰ সংঘাত শিৰোনামাৰ গল্প এটাকে সি পঢ়িলে । তাতো সি বৰ মন বহুৱাব নোৱাৰিলে । সঁচাকৈ অমৰৰ এইদৰে দৰিদ্ৰ জীৱনে বৰকৈ আমুৱাইছেগৈ আৰু । সিহঁতৰ ওচৰতে থকা বেচৰকাৰী স্কুল খনত শিক্ষক হিচাপে যোগদান কৰিবলৈ বহুদিনৰ পৰা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিয়ে সদায় তাক মাতি আছে । বিশেষকৈ অমৰে নিজৰ ইচ্ছাৰ বিপক্ষে কোনো কাম কৰাৰ পক্ষপাতী নহয় । লগতে ঘৰখনৰ অভাৱ অনাটন খিনি আছেই । চৰকাৰী চাকৰী কেতিয়া ওলাব তাৰ ঠিক নাই । সেই দিনা বাতৰি কাকতত শিক্ষামন্ত্ৰীৰ ঘোষণাত পাইছে যে আৰু ২০ বছৰলৈকে স্কুল চৰকাৰে নলয় তাতে O. B. B. আঁচনিৰ শিক্ষক সকলৰ আন্দোলন, দৰমহা নোপোৱাত শিক্ষকৰ আন্দোলন এইবোৰতো আছেই । নাই সি সেইখন স্কুলত যোগদান কৰি পেটৰ কেচু-কুমটি কেইটাক মৰাবতো নোৱাৰে । এইবোৰ কথাই তাৰ মনলৈ বাৰে বাৰে আহিবলৈ ধৰিলে ।

জীৱনৰ অলেখ প্ৰশ্নৰ উত্তৰ বিচাৰিব লগা হ'লেও দৃঢ় মনটোক বিচলিত হ'ব দিব নোৱাৰে ভুল হ'লেও শুদ্ধ হ'লেও প্ৰত্যেক মানুহৰ এটা নিৰ্দিষ্ট লক্ষ্য থাকে । সাম্প্ৰতিক জীৱনৰ অভিজ্ঞতাই তিতা কেঁহা লগাইছে । সি কেতিয়াবা ভাগৰি পৰে । পুনৰ দৃঢ় প্ৰতিজ্ঞ হয় নিজকে মানুহ হৈ জীয়াই ৰাখিবলৈ । মানুহৰ জীৱন সুখ আৰু দুখেৰে ভৰা । কাৰোবাৰ একালত সুখ, কাৰোবাৰ একালত দুখ । অমৰৰ দিনবোৰ খুউব কষ্ট আৰু অভাৱ অনাটনৰ মাজেদিয়ে পাৰ হৈ গৈছে । কলেজত পঢ়া পাঁচটা বছৰ সি নিজে উপাৰ্জন কৰিছিল । টিউচন কৰা, বজাৰ হাটলৈ কল, তামোল ইত্যাদি বিক্ৰী কৰা ইত্যাদিবোৰ অমৰৰ দৈনিক কাৰ্যসূচী । বি. এ. পাচ কৰা আজি দুবছৰেই হ'ল । স্নাতকোত্তৰ মহলাত D.C. অনুদানেৰে নাম লগাইছিল যদিও পৰীক্ষাৰ Form ফিলাপৰ 1500 টকা দিব নোৱাৰাৰ কাৰণে সি তাৰ শিক্ষা জীৱন সিমানতে সামৰিছিল । আধুনিক সমাজৰ লগত ফেৰ মৰাৰ কথাতো সি কল্পনাই কৰিব নোৱাৰে ।

বহু কথাই আজি অমৰৰ মনলৈ আহিছে । অমৰৰ বৃদ্ধা মাকজনী ভিতৰৰ বিছনাত পৰি আছে । বেমাৰ আজাৰ নাই যদিও বয়সে ভালেখিনি গ্ৰাস কৰাৰ হেতুকে লাখুটিৰ ওপৰত ভৰদি খোজ কাঢ়ি ফুৰে । মাকজনীৰ আল পৈচান ধৰিবলৈকে ঘৰত মাইকী মানুহ এজনীও নাই । ভায়েকে ৰাতিপুৱাৰ পৰা গধূলিলৈকে কামতে ব্যস্ত । কেতিয়াবা কাৰোবাৰ ঘৰত দিন হাজিৰাও কৰিব লাগে । অমৰে টিউচন কৰিবলৈ গ'লে ঘৰৰ মাকজনী তেনেই অকলশৰীয়া হৈ পৰে । এৰা সঁচাকৈ অমৰৰ ঘৰত এগৰাকী মাইকী মানুহৰ প্ৰয়োজন আছে । অমৰে শেৱালীক বৰ ভাল পায় । শেৱালী বড়া । শেৱালীয়েও বহুত ভাল পায় অমৰক । ঘৰখনেও অমৰৰ ব্যৱহাৰ পাতি বৰ ভাল পায় । কিন্তু অনিল বড়া মণ্ডলৰ জীয়েক এজনীক সি বিয়া কৰাই কি খুৱাব ? এদিন শেৱালীয়ে সুধিছিল ''অমৰদা আমাৰ সম্পৰ্ক আজি প্ৰায় ৫/৬ বছৰ হ'ল । এনেকৈ আৰু কিমান দিন থাকিম ? মা - দেউতাই মোৰ কথা সকলো জানে । কিবা এটা কৰক ।'' এৰা ভাল পাই থাকিলেই জীৱনত সকলো শেষ নহয় । ভাল পোৱাৰ যোগেদি অন্তৰ জয় কৰিব পৰাটোৱে প্ৰকৃত মানুহৰ ধৰ্ম । সেইদিনা অমৰে শেৱালীক কৈ দিছিল । ''চোৱা শেৱালী তোমাৰ কথাটোৰ মতামত মই আজিয়েই দিব নোৱাৰিম । আমাৰ মাৰ বহুত বয়স হৈছে । হয়তো বৰ বেছি দিন নাথাকিব । তোমাক মই নিজৰ কৰি ল'বৰ ইচ্ছা আজিৰ নহয় বহুদিনৰ । কিন্তু মোৰ দৰে দুখীয়া নিচলা ঘৰখনত এসাজ খাই দুসাজ নাখাই জানো থাকিব পাৰিবা ? তোমাৰ দুখ মা - দেউতাই জানো সহিব পাৰিব ? গতিকে তুমি আন কাৰোবাৰ সৈতে তোমাৰ জীৱনৰ মধুৰ সংসাৰ আৰম্ভ কৰাগৈ -

এইবুলি কৈ অমৰে যে কিমান কান্দিছিল । শেৱালীয়েও সেইদিনা হুকহুকাই কান্দি অমৰৰ বুকুৰ মাজত সোমাই গৈছিল ।

গৰমত অমৰ শুব পৰা নাই । গছৰ পাত এখিলাও লৰ চৰ কৰা দেখা নাই । হঠাৎ ক'ৰবাৰ পৰা এজাক শীতল বতাহ আহি তাৰ সমগ্ৰ শৰীৰটো জোৰ পেলাই গ'ল । সি মনত পেলাবলৈ চেষ্টা কৰিছিল দেউতাকৰ ছবিখন । যোৱাকালি কনপাই দেউতাৰ মুখত শুনিছিল "ভাল মানুহবোৰ বেছিদিন জীয়াই নেথাকে বুজিছা তোমাৰ দেউতা ইমান ভাল মানুহ আছিল ।" অমৰ প্ৰথম শ্ৰেণীত থাকোতে তাৰ দেউতাক মেলেৰীয়া বেমাৰত মৰিছিল । দেউতাক মৰাৰ দুবছৰ মানৰ পিছত সিহঁতৰ পৰিয়ালৰ মানুহে অমৰহঁতৰ মাক আৰু পুতেকহঁতক ঘৰৰ পৰা খেদি দিছিল । তাৰ ভালকৈ মনত আছে আইতাকে গালি পাৰিছিল "কুলক্ষিনী চালা মতাৰ মূৰ খোৱা জনী তই এতিয়াই মোৰ ঘৰৰ পৰা ওলাই যা" এই বুলি ঘৰৰ পৰা চুলিত ধৰি উলিয়াই পঠিওৱা তাৰ মনত আছে । সেইদিনাৰ পৰা বাৰীৰ চুকত থকা টঙী ঘৰটোত আছিল অমৰ, মাক আৰু ভায়েক । দিন হাজিৰা কৰি মাকে অমৰহঁতক পঢ়াইছিল । বহু কষ্ট কৰি ডাঙৰ দীঘল হৈছিল অমৰহঁত । কেতিয়াবা কেতিয়াবা ভাত পানী খাবলৈ নাপাই ভোকে লঘোনে শুই পৰিছিল । দেউতাকলৈ তাৰ মনত পৰিছে । দেউতাকে গাঁও আৰু সমাজখনৰ প্ৰতিয়ে সততে চকু ৰাখিছিল তাৰ প্ৰমাণ সি পাইছে । গাঁওখনক এক নতুন ৰূপ দিবৰ চেষ্টা দেউতাকে কৰিছিল । সেইবোৰ অতীত । আজিৰ সমাজত এজাক দণ্ড যুৱকৰ আৰ্বিভাৱ হৈছে । গাঁৱৰ সহজ সৰল সৌন্দৰ্য সিহঁতৰ মাজত নাই । সংস্কৃতি ৰক্ষাৰ নামত পশ্চিমীয়া সংস্কৃতিয়ে আজিৰ সমাজখন শিপাব ধৰিছে । ছোৱালীবোৰ অৰ্ধঃ নগ্ন **সাজপোচাক - ল'ৰাবোৰ সামাজিক অনুষ্ঠানত মদ-পানী খাই অশ্লীল বক্তব্য কৰা সি চকুৰ আগত দেখিছে আৰু শুনিছে । ধনৰ লোভত পৰি দেহ বিক্ৰী** কৰা যুৱতী সি দেখিছে । মুঠৰ ওপৰত যুৱ-সমাজৰ এই নৈতিক অধঃপতন চকুৰ আগত দেখি তাৰ আজি থুৱাই দিবৰ মন যায় । কিন্তু ? সিও সেই খন সমাজৰে এজন শিক্ষিত যুৱক । সেয়েহে কেতিয়াবা এক ভয়ংকৰ নিঃসংগতা বোধে তাক অতীষ্ঠ কৰি তোলে । সি বাৰু এনেকৈয়ে জীয়াই থাকিবনে ?

তাৰ মনত পৰিছে এদিন ৰমেনে তাক কৈছিল "অমৰ মই আজিৰ এই পৰিস্থিতিত সমাজখন নতুন ৰূপত গঢ়াৰ কথা ভাবি আমি সশস্ত্ৰ সংগ্ৰামত যোগ দিলো । মোৰ দেহটো জাতিৰ নামতেই উচৰ্গা কৰিম" ৰমেন আজি আৰু এই সংসাৰত নাই, যোৱা বছৰ ডিব্ৰুগড়ৰ ফালে কোনোৱা এখন গাঁৱত সংঘৰ্ষত সি নিহত হৈছিল । তাৰ গুলিৰে থকা গাঁও সৰকা কৰা দেহাটো পুলিচৰ মানুহে ঘৰত জমা দি গৈছিল । মাকজনীয়ে কিমান আউলী - বাউলী হৈ কান্দিছিল । তাৰ লগত পঢ়া ভাস্কৰ এতিয়া গুৱাহাটীত থাকে । কোনোবা চৰকাৰী অফিচৰ অফিচাৰ । দুয়ো একেলগে ইন্টাৰভিউ দিছিল । ৰমেনতকৈ অমৰৰ বহুত ভাল হৈছিল । বিষয়া এজনে কৈছিল "চাকৰী লাগে যদি ৭০ হেজাৰ টকা দিবা" ৰমেনহঁতৰ ঘৰখনৰ টকা পইচাৰ চিন্তা নাই লগে লগে টকা দি চাকৰীটো লৈছিল । অমৰে নিজৰ ভাগ্যক দোষ দিয়াৰ বাহিৰে প্ৰতিবাদ কৰাৰ কোনো উপায় পোৱা নাছিল ।

কি হৈছে আমাৰ সমাজখনৰ, দেশখনৰ ? চাৰিওফালে অৰাজকতা । অসমীয়া ডেকা লৰাবোৰক খেদি খেদি কুকুৰ মেকুৰীৰ দৰে হত্যা কৰিছে, চাকৰী পাবৰ বাবে হেজাৰ হেজাৰ টকাৰ ঘোচ, মন্ত্ৰী আমোলাৰ ৰাইজৰ ধন আত্মসাৎ ইত্যাদি ইত্যাদি । বাতৰি কাকতত সদায় হত্যাৰ বাতৰি উগ্ৰপন্থীয়ে শাৰী পতাই নিৰীহ মানুহক হত্যা কৰিছে, সমস্যা সমাধানৰ দাবীও আন্দোলন, পথ বন্ধ, অসম বন্ধ ইত্যাদি । এইবোৰ সচৰাচৰ ঘটনা । সৌ সিদিনা বৰ্ণালী নামৰ ৮ বছৰীয়া ছোৱালীক ৪ জনীয়া যুৱকৰ দল এটাই ধৰ্ষণ কৰি হত্যা কৰাৰ বাতৰি সি পঢ়িছে । এনেবোৰ ঘটনা সি শুনি শুনি তাৰ নিজৰ ওপৰতে ধিক্কাৰ উপজিছে । কি কৰিব সি ভাবি উপায় পোৱা নাই । সমাজখনত আজি পৰিবৰ্তন লাগে । শিক্ষিত যুৱক সকলে যদি সমাজখন গঢ়িবলৈ আগবাঢ়ি নাহে গঢ়িব কোনে ? সি বাৰু এতিয়া কি কৰিব ? হঠাৎ বতাহ এছাতি আহি তাৰ গাত খুন্দিয়াই থৈ যোৱাতহে সি বাস্তৱলৈ ঘুৰি আহিল । আকাশখন চাৰিওফালৰ পৰা **অন্ধকাৰ হৈ আহিছে । বিজুলী - গাজনি আহিছে, আকাশৰ চৰাইবোৰে নিজৰ নিজৰ বাসস্থানলৈ উৰা মাৰিছে, পথাৰৰ পৰা বোৱনীবোৰে খৰ** খোজেৰে ঘৰলৈ উভতিছে, মাকৰ পিয়াহৰ লোভত পৰি চিঞৰি চিঞৰি কান্দি থকা কেচুৱাবোৰে কল কলাইছে, নৈ পাৰত চৰি থকা গৰু ছাগলীবোৰ ঘৰলৈ উভতি আহিছে । সি বাৰাণ্ডাৰ মাটিতে বহি চিন্তা কৰিছে যেন ধুমুহা বতাহজাকে এই পৃথিৱীৰ পৰা হত্যা, হিংসা, লুণ্ঠন, শোষণ, ধৰ্ষণ আদি সকলোবোৰ ধুই নিঃশেষ কৰিব । পৃথিৱীত শান্তি আহিব ।

"ববাপু এইফালে আহ"

মাকে শুই থকা বিচনাখনলৈ অমৰ আগবাঢ়ি গল ।

- কি হ'ল মা ?
- মোৰ গাটো বৰ ভাল লগা নাই অ ববাপু মোৰ সময় হৈ গৈছে । মই মৰাৰ আগতে বোৱাৰী জনী চাই যাম ।

হঠাৎ এজাক ধুমুহা আহিল । ধুমুহা বতাহে ঘৰৰ মুধচটো উৰুৱাই লৈ গ'ল ।

## মহৎ লোকৰ বাণী

★ এটা প্ৰকৃত ভাল জীৱন সদায় জ্ঞানৰ দ্বাৰা নিৰ্দেশিত আৰু প্ৰেমৰ দ্বাৰা অনুপ্ৰাণিত হয় । - *ৱাট্ৰেণ্ড ৰাছেল ।*

★ আনক সমালোচনা কৰাৰ আগতে নিজকে এবাৰ ভাবি চোৱা । - *চক্ৰেটিছ ।*



# অৰূপাৰ চকুলো

❑ ভাস্কৰ সোণোৱাল
স্নাতক প্ৰথম বৰ্ষ (কলা)

মোক আচলতে দেখিবলৈ সিমান বেয়া যেন নালাগে । কাৰণ মোৰ ওঁঠযুৰি সদায় ভালদৰে লিপ্‌ষ্টিক্ ঘঁহি ৰঙা কৰি থওঁ । তাৰোপৰি চুলিখিনি আধুনিক ৰূপত সজাই থওঁ । আৰু চকুযুৰি ? দুই চেলাউৰি কাজল ঘঁহি যেন সৰগৰ পৰীৰ দৰে কৰি থওঁ । অৱশ্যে ইমান কৰিও কোনো ল'ৰাই মোৰ প্ৰেমত নপৰে । লগৰ প্ৰিয়ংকা, মৌচুমীহঁতে লগত প্ৰেমিক এজন এজন লৈ কলেজত ঘূৰি ফুৰে । সিহঁতক দেখি মোৰ বৰ হিংসা লাগে । মইও যদি সিহঁতৰ দৰে এজন প্ৰেমিক লগত লৈ ঘূৰিব পালোহেঁতেন .... । কান্দি দিবৰ মন যায় মোৰ কেতিয়াবা । মোক চাল্লা কোনেও পাত্তা নিদিয়ে । অকলশৰে খুটা এটাত আউজি দুখমনেৰে থিয় দি থাকো মই । কাপোৰ কানিওতো মই সদায় পৰি পাৰ্টিকৈয়ে পিন্ধি যাওঁ । তথাপিতো এজন ল'ৰাইও মোক সহাৰি জনাব নাপায়নে ? কিয় বাৰু ল'ৰাবোৰ ইমান নিষ্ঠুৰ ? সিহঁতে নিজকে বাৰু কি বুলি ভাবে ? ইমান অহংকাৰ সিহঁতৰ ? কথাবোৰ ভাবি ভাবি কেতিয়াবা মূৰ গৰম হৈ যায় মোৰ ।

এদিন যেনিবা মোৰ প্ৰেমিক এজন ওলাল । বেচেৰাৰ ভৰি এখন বেয়া । লেঙেৰাই লেঙেৰাই খোজ পেলায় । মূৰৰ চুলিৰ সংখ্যাও হিচাপ কৰিব পাৰি । মানে, তপা তাৰ মূৰটো । আমি দুয়ো কেন্টিনত বহি চাহ খাওঁ, কোনোবা এটা কোঠাত বহি দুয়ো প্ৰেমালাপ কৰোঁ, কলেজলৈ আহোতেওঁ দুয়ো একেলগে আহোঁ আৰু যাওঁ । তাকে দেখি বহুতে আমাক ঠাট্টা কৰি খিলখিলাই হাঁহে । হাঁহক দিয়া, লেঙেৰাই হওঁক বা তপাই হওঁক মোৰো এজন প্ৰেমিক আছে বুলি আনৰ আগত বুকু ফিন্দাই ক'ব পাৰো । এতিয়া মোৰ কোনো চিন্তা নাই । সদায় ফুৰ্তিত থাকো । এতিয়া আৰু খুটা এটাত আউজি দুখ মনেৰে থাকিব নেলাগে । তাৰোপৰি প্ৰিয়ংকাহঁতক দেখি মোৰ হিংসাও নালাগে । সিহঁতৰ লগত একেলগে ফেৰ মাৰিব পৰা হ'লো ।

কিন্তু কি জানো হৈছে, আজি কিছুদিনৰ পৰা মোৰ প্ৰেমিক অৰূপক মুঠেই ভাল নলগা হৈছে । মই বাৰু ইমান ডাঙৰ পৃথিৱীখনত লেঙেৰা, তপা এজনকহে প্ৰেমিক হিচাপে পালোনে ? নাই, মই অৰূপক কৈ দিম তাক মোৰ ভাল নালাগে বুলি । বেলেগ এজনক পতাব লাগিব । দুনীয়াত কি ল'ৰাৰ অভাৱ ? ৰূপে-গুণে নেপাব পাৰো, কিন্তু অৰূপতকৈতো এজন ভাল ল'ৰা পাম । লগৰ প্ৰিয়ংকাহঁতে হঁহাৰ কাৰণ মই এতিয়াহে বুজিব পাৰিছো । হয়তো, লেঙেৰা - তপা এজনৰ লগতনো প্ৰেম কৰেনে ? হাঁহিবতো, মই এতিয়াহে কথাবোৰ ভালদৰে বুজিব পাৰিছো । কৈ দিম তাক আজি মোৰ ভাল নালাগে বুলি । বৰ বেছি কৰিব লাগিলে লগাই দিম কাণতলীয়া চৰ এটা ।

কলেজৰ কাষৰ বট গছজোপাৰ তলতে বৈ আছো অৰূপ অহালৈ । ক্লাছো এটাহে কৰা হ'ল । এটি দীৰ্ঘনিশ্বাস ওলাই আহিল মোৰ । চকু ফুৰালো ওচৰৰে পাহাৰখনলৈ । বাৰিষাৰ মুক্ত ৰ'দ - বতাহ পাই জীপাল হৈ উঠিছে গছ - লতিকাবোৰ । কোনোবাই কোৱা কথা এষাৰিলৈ মনত পৰিল "পাহাৰ হেনো দূৰৰ পৰাহে সুন্দৰ দেখি" । সেয়েহে হ'বলা জুবিন গাৰ্গেও গায় - "জানমনি দূৰৰ পাহাৰ চোৱানে ? জানমনি শুৱনি যেন লাগেনে ? জানমনি ওচৰ পালে একোৱেই নাই ........ ।" মনতে পুনৰ এবাৰ গানটো আওৰালো ।

"হাই মাই ডাৰ্লিং" - অৰূপৰ মাতত মই ঘূৰি চালো । বেচেৰাই লেঙেৰাই লেঙেৰাই মোৰ ওচৰ পালেহি ।

"হাও আৰ ইউ অৰূপা ?"

"হোৱাট ?" মই এক প্ৰকাৰ চিঞৰি ক'লো ।

"অৰূপা..." সি অবাক হৈ মোৰ পিনে থৰ লাগি চাই থাকিল । মই খঙেৰে চালো তালৈ ।

"মই কিবা ভুল কৰিছো অৰূপা ?" অৰূপৰ কাতৰ কণ্ঠস্বৰ ।

"মুঠতে জানি থোৱা আজিৰ পৰা আমাৰ সম্পৰ্ক শেষ ।" মই খঙেৰে ক'লো ।

"হা-হা-হা-হা ........., তাকে ক'বলৈ হবলা মুখখন বেলুনৰ দৰে কৰি আছিলা । হা ...... " অৰূপে হাঁহি থাকিল ।

"তোৰ দৰে লেঙেৰা, তপা এজনৰ লগত মই প্ৰেম কৰিব নোৱাৰো । কোনো ছোৱালীয়ে তোক ভাল নাপায় জান মুৰ্খ ?" - মই ক'লো ।

"মইও তোমাৰ লগত ইমানদিনে প্ৰেমৰ অভিনয়হে কৰি আছিলো, তাকো বুজা নাছিলা জধামূৰ্খজনী । তোমাৰ দৰে যখিনী চেহেৰা লৈ জীয়াই থকাতকৈ মৰি যোৱাই ভাল । হা - হা ..... ।" - অৰূপে হাঁহিয়ে থাকিল ।

"চেতাপ ইউ ষ্টুপিড্, আই চে গেট আউট ।" মই চিঞৰি ক'লো ।

"থেংক ইউ, থেংক ইউ ।" - সি হাঁহি হাঁহি গ'লগৈ । মই আচৰিত হ'লো তাৰ আচৰণত । সি ইমানদিনে তেন্তে মোৰ লগত প্ৰেমৰ অভিনয়হে কৰি আছিল ? মোৰ চেহেৰা বাৰু সঁচাই যখিনী নেকি ? মই আৰু তাত এক মিনিটো নাথাকিলো । যোৱা মাহত দেউতাই কিনি দিয়া লেডী বাৰ্ড বাইচাইকেল লৈ বেগতে গুছি আহিলো ঘৰলৈ । কিন্তু ঘৰত গৈ দেখো দুৱাৰত প্ৰকাণ্ড তলাটো উলমি আছে । আমাৰ ঘৰৰ কাষৰে ৰবীহঁতৰ ঘৰত খবৰ লৈ গম পালো মা হেনো কিবা সকামত সমীৰহঁতৰ ঘৰলৈ গৈছে আৰু চাবিটো ৰবীহঁতৰ তাত দি গৈছে । মই লৰা-লৰিকৈ তলাটো খুলি চিধাই ড্ৰেচিং আইনাৰ সম্মুখত থিয় দিলোগৈ । ইয়ে ৰাম সঁচাই যখিনী চেহেৰা নেকি বাৰু ? চুলিখিনিলৈ চালো, ডাইনীৰ চুলিৰ দৰে কেকুঁৰা - কেকুৰি । চকু দুটাও দেখোন উখহা উখহা লাগিছে । নাকটোও ইমান চেপেটা। আৰু আগদাঁত কেইটা ? ইছ ৰাম আগদাঁত কেইটা দ পথাৰত

খেতি কৰা কোৰখনৰ দৰে । মোৰ চেহেৰা ইমান বেয়ানে ? ইমান আ-পচু ? মই কান্দি উঠিলো । আজিহে মই মোৰ চেহেৰা ভালদৰে লক্ষ্য কৰিছোঁ । মোৰ কান্দোন ক্ৰমাৎ বেছি হৈ আহিবলৈ ধৰিলে ।

"থক ......."

"আও ......." মই ড্ৰেছিং আইনাত ইমান জোৰেৰে খুন্দা খালো যে ন-ফুট মান পিছত থেকেচা খাই বহি পৰিলো । মোৰ কন্দা নিমিষতে বন্ধ হৈ গৈছিল যদিও পুনৰ কান্দোন বাঢ়িব ধৰিলে আৰু টিকাত বিষ অনুভৱ কৰিলো । লাভ নাই চাল্লা জীয়াই থাকি যখিনী চেহেৰা লৈ । মূৰৰ ওপৰত থকা ফেনখনলৈ চালো । ফেনখনতে ডিঙি কাটি আত্মহত্যা কৰা যাওঁক । ভবা মতেই কাম । টেবুল খনৰ ওপৰত টুলখন থলো । তাত উঠি আৰামত মৰিব পৰা যাব । চুইছটো দিব গৈ দেখো কাৰেন্ট নাই । কি কৰা যায় এতিয়া ? মোৰ মুখত হাঁহি বিৰিঙি উঠিল । ফেনাইল খায়েই দেখোন মৰিব পাৰি । সেইদিনা দেউতাই ফেনাইল অনা মই দেখিছো । ঘৰখনত হেনো পইতাচোঁৰাৰ উপদ্ৰৱ বাঢ়িছে । সেয়েহে দেউতাই বোলে চব মাৰি শেষ কৰিব । মোৰ আৰু হাঁহি উঠি গ'ল । মনতে ভোৰ - ভোৰালো - "দেউতা সৰু পইতাচোঁৰাবোৰ নমৰি মাকজনীহে মৰিল ।" মই মুখত হিন্দী গীত এটি আওৰাই ফেনাইল বটলটো বিচৰাত লাগিলো । বিচাৰি বিচাৰি অৱশেষত দেউতাৰ কোঠাৰ আলমাৰিটোৰ ওপৰত সৰু বটল এটা দেখিলো । সেইটোৱেই হ'ব নিশ্চয় । এতিয়া ইমান ওপৰৰ পৰা অনা যায় কেনেকৈ ? ইফালে - সিফালে চাই দেখো কোঠাটোৰ চোকত থকা বেতৰ লাঠি ডাললৈ । লাঠিডালে বটলটো ঠেলি দিলো ।

"আও .......

কিছুসময়ৰ পাছত জ্ঞান পাই দেখো বটলটো মোৰ মূৰত পৰিও পকা ওৱালত লাগি ফাটি পনীয়া পদাৰ্থখিনি মজিয়াখনৰ চাৰিওফালে বিয়পি আছে আৰু আমাৰ জেকি (কুকুৰ) য়ে আৰামত শুই চেলেকি আছে । পৰীক্ষা কৰি গম পাওঁ মৌজোলৰ বটলহে আছিল সেইটো । চাল্লা মৰিবৰ কোনো উপায় নাই । কিছুসময় পুনৰ চিন্তা কৰিলো কেনেকৈ মৰিব পাৰি । অ বুদ্ধি এটা পাইছো । আমাৰ পিছফালৰ নাদটোতে দেখোন জপিয়াই মৰিব পাৰি । পুনৰ লৰ দিলো নাদটোৰ কাষলৈ । কিন্তু ওচৰ পায়েই দেখো নাদটোত অকণো পানী নাই । শুকান নাদটোত জপিয়াই কেনেকৈ মৰিম ? খং আৰু হতাশাত মই অধীৰ হৈ পৰিছোঁ । অৰূপে কোৱা কথাষাৰিলৈ মনত পৰিল "তোমাৰ দৰে যখিনী চেহেৰা লৈ জীয়াই থকাতকৈ মৰি যোৱাই ভাল ।"

"ইউ ষ্টুপিড্ ......." - খঙত কেতিয়া কথাষাৰ ওলাই আহিল গমেই নাপালো । নাই মই মৰিবই লাগিব । এইবাৰ মই আমাৰ ঘৰৰ চিৰিয়েদি উঠি ওপৰ পালোগৈ । তাৰ পৰাই জপিয়াই মৰিম । পুনৰ মোৰ মুখত হাঁহি বিৰিঙিল । যি নহওক উপায় এটা পাইছো । ঠিক আছে এক, দুই, তিনি কোৱাৰ লগে লগেই জপিয়াম ।

"এক, দুই, ওঁহো, এক, দুই ......."

"ঠাছ ........."

"আ...........

"কি কৰিব খুজিছা পাগলী ?"

কাৰোবাৰ কাণতলীয়া চৰত ঠাইতে বহি পৰিলো । চাই দেখো মা ।

"পাগলী হৈছা নেকি ?"

"মা......." - মই কান্দিব ধৰিলো ।

"কি হ'ল ?"

"মা, মই কিয় ইমান আপচু মা ?"

"কোনে কৈছে ? মইতো তোমাক ৰাণী মুখাৰ্জীৰ দৰে দেখো ।"

"হা, সঁচানে মা ?"

"অঁতো"

মোৰ কন্দা নিমিষতে মাৰ গ'ল আৰু একেজাপে উঠি পুনৰ ড্ৰেচিং আইনাৰ কাষ পালোগৈ । কিন্তু, কিন্তু এয়া কি ? চুলি আউলি - বাউলিৰে এইবাৰ মোক ডিগবৈ চাৰি আলিত ঘূৰি ফুৰা পাগলীজনীৰ দৰে লাগিল ।

"মই অলপ শুওঁ, তুমি ভাত খাই লোৱাগৈ । মিছাতে অবান্তৰ কথাবোৰ ভাবি মূৰ নঘমাবা ।" - কথাষাৰ কৈ মা বেডৰুমলৈ আগবাঢ়িল । উপায় - নাপাই মই চকী এখনতে ধপচকৈ বহি পৰিলো । দেহত অলপ বিষো অনুভৱ কৰিলো । এৰা মৰিবৰ কাৰণে যো-জা চলাওতে কেইবাবাৰো দুখ পালো । ড্ৰেচিং আইনাত খুন্দা খালো, মৌজোলৰ বটল মূৰত পৰিল । তাৰোপৰি মাৰ কাণতলীয়া চৰ । অৰূপে কোৱা কথাষাৰ পুনৰ মনত পৰিল - "তোমাৰ দৰে যখিনী চেহেৰা লৈ জীয়াই থকাতকৈ মৰি যোৱাই ভাল ।" কথাষাৰ কাণত বাৰে বাৰে বাজি উঠিব ধৰিলে । নাই মই মৰিবই লাগিব । লৰা-লৰিকৈ মাৰ আলনাৰ পৰা চাদৰ এখন লৈ পিছফালৰ জল-ফাই জোপাৰ তল পালোগৈ । এতিয়া উঠা যায় কেনেকৈ ? চাদৰখন ককালত বান্ধি উঠিবলৈ চেষ্টা কৰিলো । "ধপচ্"

"আই ঐ" - মই পিছলি আহি শিপা এডালতে থেকেচা খাই বহি পৰিলো । বহু সময় ধৰি কেকাই - কেকাই পৰি থাকিলো । নাই উঠিবই লাগিব । এটাই লক্ষ্য চিপজৰী লোৱা । পৰাৰ পৰা কোনোমতে উঠিলো । পুনৰ গছত বগাবলৈ চেষ্টা কৰিলো । যুঁজি যুঁজি এসময়ত কোনোমতে উঠিলো । চাদৰখন এটা ডালত শকতকৈ বান্ধি ডিঙিত চীপজৰী লগাই ওলমিব ধৰোতেই শুনা পালো - "কেৰেক ধাম ।" তাৰ পিছত আৰু গম নাপাওঁ । প্ৰায় ডেৰ ঘণ্টামান পিছত জ্ঞান পাই দেখো মই চিকিৎসালয়ত বিচনাত শুই আছো । কাষত মা- দেউতা বহি আছে । মাই চকুলো টুকি আছে । তাৰমানে মই এতিয়াও মৰা নাই । দেহটোৰ অন্যান্য অংশত মই বিষ অনুভৱ কৰিছো । মৰিবৰ প্ৰস্তুতি চলোৱাৰে পৰা ভালেখিনি দুখ পালো । ধেৎ তেৰি । মৰিবৰ ইমান প্ৰস্তুতি চলাইও নমৰাৰ কাৰণে মই মনতে ভগৱানক অশেষ ধন্যবাদ জনালো ।

"হেৰৌ চীপজৰী লগালেনো শুকান ডালত লগাইনে ?" - নাৰ্চজনীয়ে হাতত কিবা লৈ সোমাই আহিল । মই মিছিকিয়াই হাঁহিলো । মিছিকিয়াই হাঁহাতো মোৰ অভ্যাস । মনতে খঙো উঠিছিল নাৰ্চ জনীৰ ওপৰত । যেন দুয়োহাতে ডিঙি চেপি জিভা এহাত উলিয়াই দিম ।

"তুমি এইবোৰ কি কৰি ফুৰিছা আইজনী ? তোমাৰ বাহিৰে আমাৰ আপোন আন কোনোবা আছে জানো ? তুমি এইবোৰ ..... ।" দেউতাই চকুলো টুকিব ধৰিলে । মই থৰ লাগি চাই থাকিলো দেউতালৈ । এৰা মোৰ বাহিৰে জানো ঘৰখনত আন কোনোবা আছে ? ময়েতো ঘৰখনৰ একমাত্ৰ সন্তান । মোৰ সপোন যেন লাগিল সকলো ঘটনা । খিৰিকীৰ ফাকেৰে সূৰ্যৰ ৰেঙনি কোঠাটোত আহি পৰিছেহি । হয়তো এতিয়া সূৰ্য পশ্চিম দিগন্তত মাৰ যাওঁ যাওঁ অলপ পিছতে ধৰিত্ৰীৰ বুকুলৈ আন্ধাৰ নামি আহিব । মই বাৰু এইবোৰ কি কৰিছোঁ । মই মা - দেউতাৰ মনত ইমান দুখ দিব খুজিছোঁ । মই কান্দি উঠিলো । মূৰটো যেন চক্ৰাকাৰ ৰূপত ঘূৰিব ধৰিছে । বিচনাখনো যেন মাটি ফাটি তল যাব ধৰিছে গভীৰৰ পৰা গভীৰতালৈ ...... ।



# অস্তগামী সুৰুযৰ হেঙুলী কিৰণ

❑ লোহিত গগৈ
স্নাতক তৃতীয় বৰ্ষ (কলা)

কিনকিনিয়াকৈ দি থকা বৰষুণজাকে গোটেই পৰিবেশটো অলপমান হলেও শান্ত কৰিলে । দিনৰ প্ৰখৰ ৰ'দৰ তাপত সমস্ত গছ-গছনি, জীৱজন্তুৱে যেন জীৱনৰ শেষক্ষণহে গণি আছিল । বৰষুণৰ শীতল পানী পাই পুনৰ জীৱন পোৱাদি পালে । কলীয়া ডাৱৰবোৰে অস্তগামী হেঙুলি সুৰুযটোকো ঢাকি পেলালে । খোলা খিৰিকিখনেদি দীপকে বাহিৰলৈ চাই পঠিয়ালে । বাহিৰৰ মানুহৰ ব্যস্ততা তেতিয়াও কমা নাই । মানুহবোৰে এক যন্ত্ৰৰ দৰে কাম কৰি ফুৰিছে । চৰাই - চিৰিকটিবোৰেও সন্ধিয়া হোৱাত নিজ নিজ বাহলৈ উভতিছে । সন্ধিয়া হ'বলৈ তেতিয়াও কেইমিনিটমান বাকী আছে । কিন্তু একেবাৰে আন্ধাৰ হ'লেই যেন লাগিল । সি খিৰিকিয়েদি ওচৰৰ বৰুৱাহঁতৰ ঘৰলৈ চালে - বাহিৰত তাঁৰ ডালত কাপোৰ মেলি থোৱা আছে । ঘৰত হয়তো মানুহ নাই নহ'লেনো এতিয়ালৈকে এইবোৰ এনেকৈয়ে থাকেনে ? সি নিজকে ভাবি চালে যেন তাৰো জীৱনত বহুতো কৰিব লগীয়া আছে । সি নিজৰ কামনা-বাসনাবোৰক বাস্তৱত ৰূপ দিব পাৰিব জানো ? নিশ্চয় পাৰিব লাগিব । নহ'লেনো তাৰ জীয়াই থকাৰ অৰ্থই বা কি ? জীৱন নামৰ সাগৰখন পাৰ হওঁতে প্ৰচণ্ড ঢৌৰ খুন্দা খাবই লাগিব । দুখ - কষ্টইহে জীৱন, জীৱনত দুখ-কষ্ট থকাৰ বাবেহে জীবনটো ইমান মূল্যবান । কিন্তু সি বাৰু জয়ী হ'ব পাৰিব জানো- এনেবোৰ ভাব-অনুভূতি তাৰ আজিৰ নহয় । সি সাধাৰণতকৈ বহুত বেছি চিন্তা কৰে । বাহিৰৰ পৰা অহা এজাক বতাহে তাৰ তন্ময়তা ভংগ কৰিলে ।

কলেজৰ পৰা আহি নিত্য - নৈমিত্তিক কামবোৰ শেষ হোৱাত সি তাৰ ৰুমৰ দোৱাৰখন বন্ধ কৰি বিছনাতে বাগৰ দিলে । বিছনাতে বাগৰি হাতত এখন আলোচনী তুলি ল'লে । আলোচনী পঢ়ি সি বৰ ভাল পায় । কিন্তু আজি তাৰ আলোচনীত মন নবহিল । তাৰ সলনি এখন চিঠিকে পঢ়িবলৈ উলিয়াই ল'লে । যিখন তাৰ প্ৰেয়সী পাপৰিয়ে তিনি বছৰ আগতে প্ৰেমৰ প্ৰথম কিৰণৰূপে দিছিল । সেই পাপৰিক সি বৰ ভাল পায় । পাপৰিৰ ঘৰত দেউতাক, মাক আৰু ভনীয়েক এজনী আছে । দেউতাকে চৰকাৰী চাকৰি এটা কৰে । ভনীয়েকে ওচৰৰে এখন স্কুলত অষ্টম মান শ্ৰেণীত পঢ়ে । পাপৰি দেখাত সুন্দৰ, উজ্জ্বল নীলাভ চকুজোৰিয়ে আৰু মুখৰ মিচিকিয়া হাঁহিটোৱে তাক আপোন পাহৰা কৰি পেলাইছে । চঞ্চল স্বভাৱৰ পাপৰিয়ে কম সময়তে আপোন কৰি ল'ব পাৰে । সেই কাৰণে হয়তো সি তাইৰ প্ৰেমত শৰবিদ্ধ হৰিণ । কথাবোৰ ভাবি থাকোতেই তাক বন কৰা ল'ৰাটোৱে চাহ একাপ দি ক'লে -

ঃ দাদা চাহ খাব । আজি বেছ নিমগ্ন যেন পাইছো । কথাকেইটা কৈ ল'ৰাটো তাৰ পৰা আঁতৰি আহিল । আচলতে ল'ৰাটোৱে ঘৰত কাম কৰে যদিও দুয়োৰে মাজত ভাল সম্পৰ্ক । দুয়ো বহুতো কথা পাতে বেছ মুকলি মূৰীয়াকৈ । গতিকে সি মাজে সময়ে তাক এনেদৰে জোকাই থাকে ।

চাহ কাপ খাই সি চিঠিখন পঢ়িবলৈ উলিয়াই ল'লে । যিয়েই নহওক প্ৰেয়সীৰ প্ৰথম চিঠি । ইয়াতে সি বিচাৰি পায় হৃদয়ৰ গোপন কোণত সাচি ৰখা এবুকু মৰম । গতিকে পাপৰিয়ে দিয়া প্ৰথম চিঠিখন সি অতি যত্নেৰে ৰাখিছে । চিঠিখন মেলি পঢ়িবলৈ আৰম্ভ কৰিলে -

মোৰ
মৰমৰ
দীপকদা

দীপকদা মই আপোনাৰ প্ৰেমত পাগল হৈ গৈছো । মই আপোনাক বহুদিনৰে পৰা ভাল পাই আছোঁ । মোৰ হৃদয়ৰ অযুত মৰম বোৰ আপোনাক চিৰদিনৰ বাবে দিব বিচাৰোঁ । আপুনি মোৰ মৰমক সঁহাৰি হয়তো জনাবও পাৰে নজনাবও পাৰে । কিন্তু মই আপোনাক মোৰ কাষত চিৰদিন পাব বিচাৰো । মোৰ হৃদয়ৰ গোপন মণিকোঠাত কেৱল আপুনি । মই আপোনাক বহুত ভাল পাওঁ .......... ।

চিঠিখন পঢ়ি শেষ নহওঁতেই বাহিৰত কোনোবাই তাৰ নাম ধৰি মাতি থকা শুনি সি বাহিৰলৈ ওলাই গ'ল । বাহিৰত দুজন ল'ৰা তাৰবাবে অপেক্ষা কৰি আছিল । সি ল'ৰা দুটাৰ পৰা এখন চিঠি পালে । ল'ৰা দুটাই চিঠিখন দি গুচি গ'ল । চিঠিখনলৈ চালে, পাপৰিৰ চিঠি । তাৰ মনটো ভাল লাগি গ'ল । সি ভিতৰলৈ সোমাই চিঠিখন পঢ়িবলৈ ধৰিলে -

মৰমৰ
দীপকদা

মই আপোনাৰ ওচৰত ক্ষমা বিচাৰিছোঁ । মোৰ হয়তো ভুল হৈ গ'ল । কিন্তু ভুলটো ইচ্ছাকৃত নাছিল । মোৰ দেউতাৰ চাকৰি বহুদূৰলৈ বদলি হৈ গ'ল । যোৱাকালি হঠাতে খবৰ আহিল যে দেউতাৰ চাকৰি বেলেগ ঠাইলৈ নিয়া হৈছে । গতিকে আজি আমি অতি আচম্বিতে ইয়াৰ পৰা ৰাওনা হলোঁ । আপোনাক যোৱাৰ আগতে মই এটাও খবৰ কৰিব নোৱাৰিলো । মই আপোনাক কথা দিও ৰাখিব নোৱাৰিলো । তাৰ বাবে মই অতি দুখী । কিন্তু মইহে জানো মোৰ অন্তৰে কিমান কান্দিছে । আমি বহু দূৰ - দূৰণিলৈ গুচি যাম হয়তো আৰু আপোনাক এই জনমত মই লগ নাপাম । আপোনাৰ কাৰণে মই চিৰজীৱন বাট চাই ৰ'ম । মোৰ আৰু আপোনাৰ মিলন এদিন নিশ্চয় হ'ব । মই আপোনাক ভাল - পাওঁ বহুত ..... - তাৰ পিছত কি লিখা আছিল আৰু সি পঢ়িব নোৱাৰিলে । তাৰ দুগালেদি দুধাৰি চকুলো বৈ আছিল । জীৱনত যাক নিজতকৈও বেছি ভাল পাইছিল, যাক পাবৰ কাৰণে সমস্ত ত্যাগ কৰিছিল তাই আজি বহু দূৰ-দূৰণিলৈ ... নাই তেনে হ'ব নোৱাৰে । তাই মোৰ হৃদয়ৰ পৰা আঁতৰি যাব নোৱাৰে । তাইৰ বাবে মই এই জনমটো বাদেই অহা সাত জনমলৈও বাট চাই ৰ'ম । তাৰ মনত পৰিল এদিন পাপৰিয়ে কোৱা কথা এষাৰলৈ- দীপকদা, মই যদি কেনে বাকৈ আপোনাৰ জীৱনৰ পৰা আঁতৰি যাওঁ .... সি তাইক আৰু একো ক'ব নিদিলে । সি মাথোঁ ক'লে - তুমি যদি মোৰ জীৱনৰ পৰা আঁতৰি যোৱা তেনেহ'লে মই কেতিয়াও আনৰ মৰম ভাল পোৱা গ্ৰহণ কৰিব নোৱাৰিম । মোৰ অন্তৰত মাথোঁ তুমি .... মাথোঁ তুমি ।

জীৱনৰ ৰঙীন কল্পনাৰ মধুৰ সপোনবোৰ বাস্তৱত ৰূপ দিব নোবাৰি সি একেবাৰে ভাগি পৰিল । তাৰ মানস পটত মাথোঁ পাপৰিৰ প্ৰতিচ্ছবি ভাঁহি আহিবলৈ ধৰিলে । সি চকুৰ আগত যেন দেখা পালে পাপৰিয়ে কান্দি কান্দি তাৰ পৰা গুচি যোৱাৰ । কিন্তু অহা জনমত মিলন জানো সম্ভৱ ? সি ভাবিবলৈ ধৰিলে । তাৰ অশ্ৰুৰ বোৱতি নৈখন আৰু খৰ গতিত ব'বলৈ ধৰিলে । প্ৰেয়সী পাপৰিৰ প্ৰথম চিঠিখন আকৌ এবাৰ পঢ়িবলৈ মন গ'ল । সি চিঠিখন উলিয়াই ল'লে -

....... দীপকদা, মই আপোনাৰ কাৰণে পাগল হৈ গৈছো । মই আপোনাক বহুত ভাল পাওঁ .... বহুত .... বহুত ...... ।



# আহুতি আৰু প্ৰতিশ্ৰুতি

❑ বুবু গগৈ
উঃ মাঃ প্ৰথম বৰ্ষ
( কলা শাখা )

পুহমহীয়া ৰাতিপুৱা । কুৱলীয়ে পৃথিৱীখনক চাৰিওফালে চাঁনি ধৰিছে । ডাঠ কুঁৱলী ফালি উজ্জ্বল সূৰ্যটোৰ আভাৰ পৃথিৱীত পৰিছে মাত্ৰ । যেন যন্ত্ৰণা আৰু অশান্তি যুদ্ধ আৰু আকাল ; অমানৱীয় আৰু আন্তৰিকতাহীনতাত ভুগি থকা অন্ধকাৰাচ্ছন্ন এই পৃথিৱীখনৰ পৰা আন্ধাৰ আঁতৰাই নিকা কৰি তুলিব । লাহে লাহে কুঁৱলী আঁতৰিছে । এনেতে ঘৰটোৰ পূব দিশত থকা খিৰিকীখন খুলি দিলে ৰূপাই । লগে লগে নতুন সূৰুযৰ হেঙুলীয়া কিৰণে কোঠাটো আলোকিত কৰিলে । খিৰিকীখনৰ ফালে চাই থকা ৰূপাই দোৱাৰখনৰ ফালে ঘূৰি চাই চমকি উঠিল । অমূল্য আৰু তাইৰ যুগ্মজীৱনৰ সাক্ষী । পুতেক প্ৰতীমৰ দেহাত অমূল্যৰ প্ৰতিচ্ছবি ।

মৃত্যু শাশ্বত । তথাপিতো অতি ক্ষিপ্ৰতাৰে আহিছিল অমূল্যৰ বাবে এই মৃত্যু । প্ৰকৃতিৰ চিৰন্তন সত্যক স্বীকাৰ কৰি ৰূপা আৰু একমাত্ৰ পুতেক প্ৰতীমক নিঃসঙ্গভাৱে এৰি থৈ গৈছিল অমূল্যই । তেওঁৰ মৃত্যুক আজিও কিন্তু ৰূপাই সহজভাৱে ল'ব পৰা নাই । লয়ে বা কেনেকৈ । অমূল্যই এইখন সমাজৰ বাবে যি সপোন ৰচিছিল, সেই সপোন দেখোন সপোনেই হৈয়ে ৰ'ল । বাস্তৱত আৰু আজিলৈকে পৰিণত নহ'ল ।

''টকা'' সাম্প্ৰতিক কালত ই এটা সাংঘাতিক শব্দ । প্ৰতিযোগিতা মূলক বজাৰ সদৃশ এই পৃথিৱীখনত টকাক লৈ চলিব ধৰিছে দুৰ্নীতি, লুণ্ঠন, শোষণ ; উত্তৱ হৈছে হত্যা হিংসাৰ, সন্ত্ৰাসৰ দৰে ভয়াবহ পৰিস্থিতি । টকাই মানুহৰ মাজত সৃষ্টি কৰিছে উচ্চ-নীচ্চ, ধনী-দুখীয়া, শত্ৰুতা - মিত্ৰতা । তেনেস্থলত গাঁৱলীয়া কৃষক শ্ৰেণীৰ ঘৰত জন্ম গ্ৰহণ কৰা শিক্ষিত যুৱক - যুৱতীসকলৰ ভৱিষ্যত জীৱন গঢ়াৰ থল থাকিলেই বা ক'ত ? এই আটাইবোৰ সমস্যা স্তব্ধ কৰিবলৈ হ'লে লাগিব শোষণ আৰু দুৰ্নীতি নিঃশেষ কৰিব পৰা শ্ৰমজীৱি শ্ৰেণীৰ এটা সক্ৰিয় সংগঠন ।

এনে এটি সংগঠনৰ সংগ্ৰামী যুৱক অমূল্য চলিহা । শোষণ-দুৰ্নীতি নিবাৰণৰ বাবে অসৰহ সংগ্ৰাম চলাইছিল তেওঁ । সপোন ৰচনা কৰিছিল তেওঁ ধনী - দুখীয়া, জাতি-ধৰ্মৰ মাজৰ প্ৰাচীৰখন ভাঙি চুৰমাৰ কৰি সকলোকে সমন্বয়ৰ ডোলেৰে বান্ধ খোৱাবলৈ । তেওঁৰ সপোন বাস্তৱত পৰিণত কৰাৰ বাবে আহোপুৰুষাৰ্থ চেষ্টাও চলাইছিল তেওঁ । অমূল্যৰ চিন্তাধাৰা, আদৰ্শৰ লগত ব্যতিক্ৰম নাছিল ৰূপাও । দুয়ো ডেকা - গাভৰুৰ মত একে । ৰূপাইও অংশগ্ৰহণ কৰিছিল অমূল্যৰ এই দুৰ্নীতিমুক্ত কৰিবৰ বাবে যুঁজ দিয়া সংগঠনটোৰ লগত । লাহে লাহে অমূল্য আৰু ৰূপাৰ মাজৰ সম্বন্ধ খুব মুকলি হৈ উঠিছে । দুয়োৰে একে চিন্তা ধাৰা, একে আদৰ্শই অৰিহণা যোগাইছিল দুয়োখন হৃদয়ৰ মিলনত । খুব কম সময়ৰ ভিতৰতেই আৱিৰ্ভাৱ হৈছিল দুখন হৃদয়েৰে পৰিপূৰ্ণ এটি সুন্দৰ কলি ।

চহৰৰ ধনী ব্যৱসায়ী প্ৰদীপ চৌধুৰীৰ একমাত্ৰ জীয়েক ৰূপা । পঢ়াই শুনায়ে ভাল নাম থকা ছোৱালী । সুখ্যাতিৰে বি. এ পাছ কৰাৰ পাছত দেউতাকে তাইক এম. এ. পঢ়িবলৈ কৈছিল । অধ্যাপিকা কৰিলে হেনো দৰমহাৰ কোনো খেলি মেলি নহয় । কিন্তু তাইৰযে টকাৰ প্ৰতি বিন্দু মাত্ৰই আসক্তি নাই । লাহেকৈ মাত দিছিল ৰূপাই - ''মই শিক্ষয়িত্ৰী হম, প্ৰাথমিক বিদ্যালয়ৰ, শিশুৰ মাজত নিজকে মই বিলাই দিম ।'' চিৎকাৰ কৰি উঠিছিল তাইৰ মাক দেউতাকে । ঘৃণা কৰিছিল তাইৰ সিদ্ধান্তক । ককায়েক দ্বীপেও হাঁহি দিছিল তাইৰ জীৱনৰ লক্ষ্য শুনি । ঘৰৰ সকলোৰে মন্তব্যক আওকাণ কৰি ওচৰৰে প্ৰাথমিক স্কুল এখনত শিক্ষয়িত্ৰী হৈছিলগৈ তাই ।

জীৱনত কিছুমান ব্যক্তিয়ে কেৱল সুখ শান্তি, লাহ বিলাহৰ ওপৰতেই উপজি থকা দেখা যায় আৰু এচাম তেনেই বঞ্চিত । লাহ বিলাহৰ সমভাগি ব্যক্তি বুলিবলৈ যাওঁতে বিশেষকৈ ভণ্ডামি, দালাল, দুৰ্নীতিগ্ৰস্ত বিষয়া আদিৰ কথাকে ক'ব পাৰি । এনে এজন দুৰ্নীতি পৰায়ণ ব্যৱসায়ী হ'ল

ৰূপাৰ দেউতাক প্ৰদীপ চৌধুৰী । কেৱল টকাকে চিনি পোৱা প্ৰদীপে টকাৰ বাবে কি কৰিব নোৱাৰে ? প্ৰয়োজন হ'লে আনৰ প্ৰাণো ল'ব পাৰে তেওঁ । কথাতে কয় নহয় - "জাত চাইহে কঠিয়া" - গতিকে বাপেকৰ দৰে পুতেক দ্বীপে কেৱল টকাৰ ওপৰতে ব্যস্ত । কিন্তু ৰূপা ঘৰখনৰ সকলোৰে ঘোৰ বিৰুধী । টকাক তাইৰ প্ৰয়োজন নাই । টকাৰ পৰিৱৰ্তে লাগে তাইক এখন সুস্থ-সবল সমাজ । যিখন সমাজ এচাম ধনী শ্ৰেণীৰ উদণ্ড ব্যক্তিয়ে নিঃশেষ কৰিবলৈ ওলাইছে ।

ইতিমধ্যেই কেইবাজনো দুৰ্নীতি বিষয়াক ধৰা পেলাইছে অমূল্যৰ সংগঠনটোৱে । লাহে লাহে অমূল্যৰ সংগঠনটোৰ আদৰ্শ আৰু লক্ষ্যৰ কথা ভাল দৰে জ্ঞাত হৈছে প্ৰদীপৰো ইপিনে । ৰূপাইও অমূল্যৰ লগত বৰকৈ ঘূৰা - মেলা কৰিবলৈ ধৰিছে । এইবোৰ কিন্তু ৰূপাৰ মাক দেউতাকে সমূলি ভাল পোৱা নাছিল । গতিকে দেউতাকে তেওঁৰ বন্ধু এজনৰ পুতেকৰ লগত তাইৰ বিয়া বন্দোৱস্ত কৰিছে । এদিন কথাটো ৰূপাকো ক'লে তেওঁ । কিন্তু দেউতাকৰ সিদ্ধান্তৰ লগত সম্পূৰ্ণ বিপৰীত তাই । চিঞৰি চিঞৰি ক'বলৈ ধৰিলে ৰূপাই - আপোনাৰ সেই ভন্দামি বন্ধুজনৰ পুতেক প্ৰণৱ, ওঁহো কেতিয়াও হ'ব নোৱাৰে সেই চৰিত্ৰহীন ডেকাজনৰ লগত মোৰ বিয়া । মোৰ ধন - সম্পত্তিৰ প্ৰয়োজন নাই দেউতা । মোক লাগে এজন সৎ আদৰ্শৰ ব্যক্তি । দৃঢ়তাৰে কোৱা ৰূপাৰ প্ৰত্যেকশাৰী বাক্যই দেউতাকৰ ভীষণ খং উঠি চুলি আগ পালেগৈ । খঙত মানুহজনৰ কপালৰ বলি ৰেখাবোৰ প্ৰকট হৈ পৰিছে । তথাপিতো ৰূপাক বুজাবলৈ চেষ্টা কৰিছিল তেওঁ -

ভুল বুজিছা ৰূপা, আজিৰ যুগত সৎ আদৰ্শৰ চৰিত্ৰৰ মূল্য নাই । টকা পইচা থাকিলে তোমাৰ থাকিব সৎ আদৰ্শ, চৰিত্ৰ, সন্মান - সকলো আৰু আজিৰ যুগত সৎ আদৰ্শৰ, সৎ চৰিত্ৰৰ ব্যক্তি আছেনো ক'ত ?

আছে দেউতা, আজিৰ যুগতো সৎ আদৰ্শবান পুৰুষ আছে ।আৰু সেইজন হ'ল অমূল্য চলিহা । তেওঁৰ লগতেই মোৰ বিয়া হোৱাটো খাটাং । ৰূপাৰ মুখত সুস্পষ্টতা ।

লগে লগে দেউতাকৰ কুঞ্চিত ভ্ৰূৰ তলৰ চকুযুৰি অসম্ভৱভাৱে ৰঙা হৈ পৰিলে । জোৰেৰে এটা চৰ বহুৱাই দিলে তেওঁ ৰূপাৰ গালত । দেউতাকে ৰূপাৰ অমান্তি সত্বেও জোৰ কৰি প্ৰণৱৰ লগত বিয়া ঠিক কৰিলে । কিন্তু ৰূপাই এদিন কোনো গত্যন্তৰ নেদেখি ঘৰৰ পৰা স্বেচ্ছাই ওলাই গৈ অমূল্যৰ লগত যুগ্ম জীৱনৰ পাতনি মেলিলে এটি সৰু বাঁহৰ ঘৰত । সেইদিনাৰে পৰা আৰম্ভ হ'ল দুই সংগ্ৰামীৰ পাৰিবাৰিক জীৱন । এটা অট্টালিকা সদৃশ আবাস গৃহৰ পৰিৱৰ্তে তাই এতিয়া এটা সৰু ঘৰতেই যি এসাজ ভাত খাইছে, তাকেই বৰ তৃপ্তি অনুভৱ কৰিব পাৰিছে । ধনী শ্ৰেণী ব্যৱসায়ীৰ জীয়ৰী ৰূপাই ধনী এজনলৈ বিয়া হৈ শীত তাপ নিয়ন্ত্ৰিত গাড়ীত উঠি ঘূৰি ফুৰিব পাৰিলেহেঁতেন । কিন্তু তাই যে ধন - সম্পত্তি, লাস বিলাস ভালেই নাপায় । তাইৰ চিন্তাধাৰা ধনী শ্ৰেণীৰ সম্পূৰ্ণ বিপৰীত । তাইৰ মতে চিন্তাধাৰা, আদৰ্শৰ মিল নথকাজনৰ লগত বিয়াত বহাই অনুচিত ।

সময়বোৰ পাৰ হৈছিল ... । দিনৰ পৰা মাহ, মাহৰ পৰা বছৰত । অতি আনন্দৰ মাজেৰে সময়বোৰ পাৰ কৰিছিল দুই সংগ্ৰামীৰ যুগ্ম জীৱনৰ । হঠাৎ এদিন সুমধুৰ ক্ষণবোৰৰ মাজেৰে আহিছিল এটা কুলক্ষণ । এদিন হঠাতে এজন অচিনাক্ত যুৱক কেইজনমানে ৰূপাৰ সন্মুখতে গুলিয়াই হত্যা কৰি থৈ গ'ল অমূল্যক ।

প্ৰতীমৰ দেহাত দেখা দেউতাক অমূল্যৰ প্ৰতিচ্ছবিয়ে সেই অভিশপ্ত দিনটোলৈ মনত পৰি গ'ল ৰূপাৰ । অমূল্যৰ মৃত্যুৰ আজি প্ৰায় দুবছৰ পাৰ হ'ল । আগতে তাইক ইমানবোৰ চিন্তাৰে আমনিও কৰা নাছিল আৰু আজিৰ দৰে দুৰ্বলো অনুভৱ কৰিব পৰা নাছিল । অমূল্যৰ অবিহনে তাই জীয়াই থকা দুৰুহ হ'ব । তথাপিতো তাই জীয়াই থাকিব অন্ততঃ প্ৰতীমৰ বাবে । কাৰণ তাই প্ৰতীমক দেউতাকৰ আদৰ্শেৰে গঢ়িব লাগিব আৰু দেউতাকৰ সপোনবোৰ বাস্তৱত পৰিণত কৰিব লাগিব । শেষ কৰিব লাগিব সমাজৰ দুৰ্নীতি, ভ্ৰষ্টাচাৰ, কূটনীতি, গঢ়িব লাগিব এখন সুস্থ - সবল নিকা সমাজ..............

## মহৎ লোকৰ বাণী

★ নভবা - নিচিন্তাকৈ প্ৰতিশ্ৰুতি নিদিবা ; দিয়াৰ পাছত তাক প্ৰাণ আহুতি দি হ'লেও পালন কৰিবা ।

*- মহাত্মা গান্ধী*

★ নজনাটো লাজৰ কথা নহয় ; জানিবলৈ ইচ্ছা নকৰাটোহে বেছি লাজৰ কথা ।

*- বেঞ্জামিন ফ্ৰেংকলিন*



# ডিচেম্বৰী হোৱা ভূত

❑ তপন ৰাইডিঙিয়া
স্নাতক প্ৰথম বৰ্ষ (কলা)

মানুহৰ জীৱনত কেতিয়াবা এনে একোটা ঘটনা ঘটে যাৰ স্মৃতি আজীৱন ৰৈ যায় । মোৰ জীৱনতো এবাৰ এনেকুৱা ঘটনা এটা ঘটিছিল যাক মই আজিও পাহৰিব পৰা নাই । সেইদিনাৰ সেই ঘটনাটোত মই ইমান ভয় খাইছিলো যে জীৱনত আৰু কোনোদিন ইমান ভয় খাই পোৱা নাছিলো ।

সেইদিনা আছিল দেওবাৰ । বন্ধৰ দিন । ৰাতিপুৱা শুই উঠি দেউতাৰ কামত অলপ সহায় কৰি দিলো । দুপৰীয়া গা-পা ধুই ভাত-পানী খাই Major ৰ কিতাপখন খুলি ল'লো । ভাল নালাগিল । জপাই থৈ দিলো । উপায় নাপাই বিছনাত বাগৰি 'ভূত বাংলা' নামৰ কিতাপখন পঢ়াত লাগিলো । কিতাপখনৰ কাহিনীটো বৰ ইন্টাৰেষ্টিং । পঢ়ি পঢ়ি ইমান নিচা লাগিল যে বাহিৰা জগতখনৰ কথা একেবাৰে পাহৰি গ'লো । এইদৰে কিমান সময় অতিবাহিত হৈছিল ক'ব নোৱাৰো । হঠাৎ ভৰ্ন্টিৰ মাততহে সম্বিৎ ঘূৰাই পালো । পঢ়াত ব্যাঘাত জন্মোৱাৰ কাৰণে ভৰ্ন্টিলৈ খং উঠিছিল যদিও পশ্চিম আকাশত বেলি মাৰ যোৱা দেখি মোৰ খঙো মাৰ গ'ল ।

কিতাপখন জপাই বাহিৰ ওলাই আহিলো । তেতিয়া চাৰিওফালে সন্ধিয়াই আৱৰি পেলাইছিল । পশু পক্ষীবোৰে নিজ নিজ বাহলৈ উভতিছিল । পথাৰত চৰিবলৈ দিয়া আমাৰ গৰুৰ জাকটোও উভতিছিল । কিন্তু 'মিলিজুলি' গাইজনী তেতিয়াও অহা নাই । দেউতাই মোক গাইজনী বিচাৰি যোৱাৰ কথা ক'লে । দেউতাৰ কথামতে গাইজনী বিচাৰি ইফাল সিফাল দৌৰিলো । নাই ক'তো নাই । বোধহয় পথাৰতে আছে । পথাৰলৈ যোৱাৰ সাহস গোটাব নোৱাৰি ঘৰলৈ উভতি আহিলো । কিন্তু এইবাৰহে লেঠাখন লাগিল । যেতিয়া দেউতাই মোক গাইজনী বিচাৰি পথাৰলৈ যোৱাৰ কথা ক'লে বুকুখন চিৰিং কৈ গ'ল । এনেয়ে মই ভয়াতুৰ, তাতে আকৌ আজি কিতাপখন পঢ়াৰ পাছৰ পৰাই ভয়ৰ মাত্ৰা অলপ বাঢ়িছিল । ভাবিলো, পথাৰলৈ যোৱা বুলি দেউতাকক ফাঁকি দিম, কিন্তু পিছ মুহূৰ্ততে জ্বলি থকা দেউতাৰ ৰঙা আঙঠাৰ নিচিনা চকুহালৰ কথা মনত পৰাত সেই আশা সিমানতে ত্যাগ কৰিলো ।

এন্ধাৰৰ মাজে মাজে অকলে যোৱাৰ সাহস গোটাব নোৱাৰি চুবুৰীয়া বন্ধু চিদানন্দক ( মুনু ) বিচাৰি ঘৰলৈ গ'লো । বৌৱেক ওলাই আহি সি নাই বুলি ক'লে । দুপৰীয়াই বজাৰলৈ গ'ল বোলে ! অহা নাই । পেটে - পেটে তাৰ ওপৰত খং উঠিল, অইনদিনা তাক যেতিয়াই তেতিয়াই পাওঁ, আজি তাৰো কামডাল ওলাল ।

খগেশ্বৰ বৰুৱাৰ দোকানখন পাৰহৈ পথাৰলৈ যোৱা সুৰুঙ্গীয়া ৰাস্তাটো পোৱাৰ লগে লগে মোৰ বুকুখন থিপ থিপাবলৈ ধৰিলে । ভৰিদুখন নচলা হ'ল, যেনে তেনে পথাৰৰ মাজৰ ফিল্ডখন পাৰ হৈছিলোহে । নাই ভয় কৰিলে নহ'ব । কলেজীয়া ল'ৰা এজনৰ ইমান ভয় বুলি জানিলে চকুচৰহাবোৰে হাঁহিব । মনতে ভাবিলো । তদুপৰি আজি গাইজনী নিব নোৱাৰিলে দেউতাই গালিত ত্ৰিভূৱন দেখুৱাব । সাত পাঁচ ভাবি ভয়টো কাটি কৰি থৈ আগুৱাই গৈ থাকিলো ।

বাঁহবাৰীৰ ওচৰৰ পথাৰখন পাই থমকি ৰ'লো । আৰে সেইটো আকৌ কি ? মোৰ পৰা কিছু আঁতৰত ছাঁৰ নিচিনা কিবা এটাই লৰচৰ কৰি আছে । শিয়াল নিশ্চয় । এন্ধাৰত ভালকৈ মনিবও নোৱাৰি । বুকুখনৰ থিপ থিপনিত এনে লাগিল যেন অসংখ্য জেট প্লেনৰ শব্দই বুকুৰ ভিতৰখন তুলপাৰ লগাইছে । মনতে দুই এজন দেৱতাৰ নাম লৈ আগুৱাই গ'লো । আগুৱাবলৈ পালোঁহে, আঁতৰৰ ছাঁয়ামূৰ্তিটোও ক্ৰমে দীঘল হ'বলৈ ধৰিলে । ভয়ত দুখোজ পিছুৱাই আহিলো । ছায়ামূৰ্তিটোও ক্ৰমে সৰুহৈ আহিল । মই লক্ষ্য কৰিলো যে মই আগুৱালে ছায়ামূৰ্তিটো দীঘল হৈ পৰে আৰু পিছুৱালে সৰু হয় । তাৰপিছত মোৰ মূৰটোৱে আৰু কাম নকৰা হ'ল । এক বিৰাট চিঞৰ মাৰি তৰানৰা চিঙি দৌৰ দিলো ।

ঘৰ পাই ভীষণভাৱে ফোপাবলৈ ধৰিলো । মোৰ এনেকুৱা এটা অৱস্থা দেখা পাই ঘৰৰ সকলোটিয়েই আচৰিত হৈ কি হ'ল, কি হ'ল বুলি সুধিব ধৰিলে । মই কিন্তু মুখেৰে কেৱল ভূত ভূত কৰিবলৈ ধৰিলো । ভন্টীজনীয়ে ততাতিয়াকৈ এঘটি পানী আনি দিলে । একে উশাহে পানীখিনি খাই পেলালো । ইতিমধ্যে মই এনেকৈ দৌৰি অহা দেখি দুই চাৰিজন লোকেৰে ঘৰ ভৰি পৰিল । আটায়ে কৌতুহলেৰে মই এনেকৈ দৌৰি অহাৰ কাৰণ সুধিব ধৰিলে । অলপ সুস্থবোধ কৰাত সকলো কথা বিৱৰি ক'লো ।

মই ভূত দেখা কথাটো কিন্তু মোৰ বন্ধুকেইজনে সহজভাৱে ল'ব নোৱাৰিলে । বন্ধু কেইজন মানে - সৰুল'ৰা ( মহেন্দ্ৰ ), কুশল, পেটাল, বিনন্দ আৰু সোণটি নামৰ উদণ্ড কেইটা । সিহঁতৰ মতে মই হেনো মিছাতে ভয় খাইছো । সেয়েহে সিহঁতে মোক ঠাইডোখৰ দেখুৱাবলৈ ক'লে । মই কিন্তু পুনৰ পথাৰলৈ যোৱাৰ কথা ভাবিবকেই নোৱাৰিলো, সিহঁতক ঠাইডোখৰৰ আভাস দি মই যাবলৈ অস্বীকাৰ কৰিলো । সিহঁতো কিন্তু নাচোৰবান্দা, মই নাযাওঁ মানে নেৰে ।

"কলেজত পঢ়ি থকা ল'ৰা এটাৰো ইমান ভয় নে ?" সোণটিৰ কথাষাৰত মই লাজ পালো । ঠিক কৰিলো মই যাম । আচলতে কি জানে, মই সৰুৰে পৰাই অসম্ভৱ জেদী যদিও মোৰ ভয়টো অলপ বেছি, সেয়ে মোৰ জেদী মনটোৰ ওচৰত ভয়ৰ পৰাজয় হ'ল ।

আগে আগে পাঁচজনীয়া ভূত-সন্ধানী বাহিনীটো আৰু পিছে পিছে মই । সিহঁতৰ হাতে হাতে একোডাল লাঠি । পথাৰ পোৱাৰ লগে লগে সিহঁত কেইটাই মোৰ পিনে প্ৰশ্নবোধক চাৱনিৰে চালে । মই হাতেৰে ঠাই ডোখৰ দেখুৱাই দিলো । মনে মনে ভগৱানক খাটিলো যে সিহঁতৰ ওচৰত মই যাতে লাজ পাব লগীয়া নহয় ।

হঠাৎ ক্ৰমে দীঘল হ'বলৈ ধৰা ছায়ামূৰ্তিটো দেখি আমি আটাই কেইটাই থমকি ৰ'লো । একেই ঘটনাৰেই পুনৰাবৃত্তি । আমি আগুৱালে ছায়ামূৰ্তিটো দীঘল হয় আৰু পিছুৱালে সৰু হয় । সিহঁতে পৰস্পৰে মুখৰ পিনে চোৱাচুই কৰিলে । ভয়ত মই সৰুল'ৰাৰ হাতত খামুচি ধৰিলো । মনত সাহস গোটাই আটাইকেইটাই আগুৱাই গ'লো । লগে লগে দেখোন ছায়ামূৰ্তিও দৌৰিবলৈ ধৰিলে । অলপ সময় গোটেই কেইটাই থমকি ৰৈ পিছমুহূৰ্তত ছায়ামূৰ্তিটোৰ পিছে পিছে চোঁচা ল'লো । এটা সময়ত ছায়ামূৰ্তিটো আৰু আমাৰ মাজত দূৰত্ব কমি আহিল । লগে লগে কুশলে হাতৰ লাঠিডালেৰে এটা ধনঞ্জয় কোব সোধোৱাত ছায়ামূৰ্তিটো বাগৰি পৰিল । সৰুভাই (বিনন্দ)ই আগুৱাই আহি হাতৰ টৰ্চটোৰ পোহৰ ছায়ামূৰ্তিটোৰ মুখত পেলালে ।

আৰে এইটো দেখোন সুখৰাম বঙালী । গোটেই কেইটাৰ চকু কপালত উঠিল । এই নিশাখন ই অকলে অকলে ইয়াত কি কৰি আছিল । কঁপি কঁপি ভয়াতুৰ দৃষ্টিৰে আমাৰ পিনে চাই থকা সুখৰাম বঙালীক বিনন্দ আৰু কুশলে জেৰা কৰাত লাগি গ'ল । আচল কথাটো তেতিয়াহে ওলাই পৰিল, যেতিয়া সুখৰাম বঙালীয়ে ভয়ে ভয়ে আমাক সকলো কথা ক'লে ।

সুখৰাম বঙালীৰ 'ডিচেন্টেৰী'ৰ দোষ আছে । সেইদিনা তাৰ মালিক যদু ৰাইডিঙিয়াই কিনি অনা বৰালি মাছ খোৱাৰ পিছতে সেই সৰ্বনাশীয়া বেমাৰটোৱে উক্ দিলে । পেটৰ কাপোৰত তৎ নাপাই সি সেই কামফেৰা কৰাৰ উদ্দেশ্যেৰে ওচৰৰ পথাৰখনতে বহিছিলগৈ । ঠিক সেইসময়তে ময়ো 'মিলিজুলি' নামৰ গাইজনী বিচাৰি পথাৰলৈ ওলাইছিলো । মোক তাৰ পিনে আগবঢ়া দেখি সি বেচেৰাই লাজতে থিয় দিছিলে আৰু ইপিনে মই ছায়ামূৰ্তিটো দীঘল হোৱা দেখিছিলো । এনেদৰে মই আগুৱাব খুজিলে সি লাজতে থিয় হয় আৰু পিছুৱালে বহি পৰে । শেষত যেতিয়া মই ভয় খাই দৌৰি গৈ পুনৰ সদলবলে অহা দেখি সি ভাবিলে যে কথা বিষম । সেয়েহে সি সুযোগ বুজি দৌৰিছিল ।

মোৰ ভয়ৰ কাহিনী ইমানতে শেষ হ'ল সঁচা, কিন্তু লেঠা হলে সিমানতে নমৰিল । এইবাৰ এটা নতুন সমস্যাৰ সন্মুখীন হ'লো । সেইদিনাৰ সেই আপদীয়া ঘটনাটোৰ পিছত মই বাহিৰলৈ ওলাব নোৱাৰা হ'লো । ওলালেই সেই উদণ্ডাকে পিছৰ পৰা জোকাব ধৰে । সিহঁতে মোৰ নতুন নামকৰণ কৰিলে 'ডিচেন্টেৰী হোৱা ভূত' ।

## মহৎ লোকৰ বাণী

★ চকু ফুটি যোৱাজন অন্ধ নহয় অন্ধ সেইজন যিজনে দেখিও নেদেখাৰ ভাও ধৰিছে ।

*- মহাত্মা গান্ধী*

★ আমি যি জানো সি তেনেই সামান্য আৰু আমি যি নাজানো সি অপৰিসীম ; গতিকে আমি জ্ঞানী বুলি ভবা অনুচিত ।

*- পাৰলেচ*



# LOVE - an inspiration

❑ **Chandan Tamang**
T.D.C. 1st year (Arts)

Raj attended the meeting in the city club hall which was organised by the "Arts and Literary Society" of the state to honour him for recieving the country's best and highest literary award. The chief minister of the state, as chief guest, began praising him in his welcome address.

But Raj was engrossed in deep thought. He found his mind turning to wards Payal, his beloved one, whom he loved from the very deep core of his heart. Tears came welling down his eyes as he remembered her. The words of Payal rang in his ears softly but clearly, "I wish to see you on the highest pedestal of literary world."

Raj and Payal were deeply in love, but she was born of a rich family that hated poverty. Raj was from a poor family, so Payal's parents did not approve of their relationship.

One stormy night, Raj heard a slight knock on his old door. When he opened it, no other than Payal was standing in front of him, fully wetted and with tears in her eyes. After ushering her inside, he asked the reason of the unusual visit. Payal broke into tears and began to utter in feeble voice that her parents had arranged her marriage with a wealthy tea garden owner of Darjelling. Raj felt the entire world shattering into pieces. He pulled Payal and embraced her with strong arms, "your parents cannot do this to me, they have no right to destroy our world." But it is said "Man proposes and God disposes." She was being prevented from gaining access to the world of love. After a fortnight of their last meeting, Payal was married against her vehement objection. That way a true love was nibbed in bud by the cruel hands of fate.

After a month Raj left Darjelling and went to Shimla on the pretext of seeking a job. One evening when he was relaxing on his bed, he received a small letter from Payal.

Raj

my Love

"When this letter reaches you, I will be no more on this earth. Please try to forget me and settle down with a more beautiful and virtuous one than your Payal. You are a gifted writer and some day I know, you will be blessed by Mother luck. At least for my sake and soul, do not give up your prolific writing. My last request is that you should try to live for the poor and destitute as people do not live long by their ages but by their noble deeds.

Fare well dear till we meet in ETERNITY"

ever your's

PAYAL

Like a defeated warrior, Raj dragged him self towards the window. A gust of cool air from far off mountains blew against his face and shocked his whole being. That moment, he knew

that Payal will always be with him in the vicissitudes of his life.

Raj had only one wish of life ; he was determined to fulfill Payal's dream and cherished aspiration. He devoted his time on literary works and published many poems and short stories. He journeyed through heaven and earth to reach his destination and came out triumphant. He became a renowned writer. Marriage proposal came from many well-do-families but Raj was married to the fond memories of Payal. A story "To fulfill her dream" own the best prestigious award which was written by him.

After attending the meeting, Raj drove his car towards "Payal Orphan house", which he established in memory of Payal. Children of the Orphan house came running to greet Raj. "Payal Orphan House" was a Raj's Temple - the Paradise of his True love. A gentle breeze blew his dark hair. He raised his head above and smiled. He had fulfilled Payal's two most cherished dreams.

Its Love, it's Love, that makes the world go forward and forward.

( This story is dedicated to my best loving friend PRANJAL SAIKIA who expired in 2001 and left me friendless in this big-earth. )



# কবিতা

"কবিতা হ'ল আবেগময় আৰু ছন্দ স্পন্দিত ভাষাৰ মাধ্যমত মানৱীয় মনৰ মূৰ্তিমান আৰু শিল্পিত অভিব্যক্তি।"

- ৱাটচ ডান্টন।

# প্ৰেমৰ কবিতা

❑ মৃণাল কুমাৰ গগৈ
প্ৰৱক্তা - অসমীয়া বিভাগ

সকলো হেৰোৱাই
তোমাৰ নাভিকমলত বিচাৰি ফুৰিছোঁ মৃত্যু

বৰফৰ পথ এটাৰে পাৰ হৈ আহি সময়
তোমাকেই বুলিব খোজোঁ বৰফ

তোমাৰ জিভাত জীণ যোৱা এই অস্থিৰ ধূলিবোৰ মোৰ বৰ চিনাকি
শিলৰ ফাঁকেৰে ওলাই অহা ঢেঁকীয়াৰ গজালিবোৰ
নিজান পানীৰ তলত ৰৈ থকা এহালি মাছ
কাকো মই পৰ নোবোলোঁ

সকলো হেৰোৱাইহে সুখী হলোঁ আজি
দিগ্‌বলয়ত আঁৰি দিছোঁ পৃথিৱীৰ স্বাভাৱিক পোছাক
আৰু লাহে লাহে সেই আদিম নগ্নতাত মই বুৰিছোঁ

প্ৰকাণ্ড পৰ্বত এটা বুকুত সাৱটি তুমিহে নিদ্ৰাৰত
ৰৈ ৰৈ বাজি আছে যি সুৰৰ বাঁহী
পাবলৈ আছেনো কি হেৰোৱাবলৈয়ো কিনো বাকী

বৰষুণক মই ঘিণ কৰিছোঁ
যি উটুৱাই নিনিয়ে এই চহৰৰ মমতা
তথাপি বৰ ধীৰে ধীৰে দূৰৈৰ পৰা ভাহি আহিছে এগছি চাকিৰ কম্পিত পোহৰ

এই পখী মিছা, গানৰ পাখী
এই আকাশ সঁচা বৰণহীন আকাশ
সঁচা-মিছা নদীৰ এই সুঁতি
ঠুনুকা শিলৰ মালা পিন্ধি নক্ষত্ৰৰ কক্ষপথেৰে ঢপলিয়াই ফুৰিছে শিৱ
যদি একোৱেই নাই কোনে বাট দেখুৱাব
চকুৰ আগত ফৰিঙৰ দৰে জাঁপিয়াই উঠিছে তোমাৰ মৃত্যু
পাপৰ পোহৰত গছৰ পাতবোৰ কুকুহা বৰণীয়া হৈ পৰিছে

অতদিনৰ মূৰত ভগ্ন স্বাস্থ্যেৰে আহি ওলালাহি
কি বুলি বিদায় দিওঁ তোমাক
ৰৈ যোৱা বুলি ক'বলৈয়ো নিজৰেই নাই আশ্ৰয়

তোমাৰেই সৃষ্টি তোমাৰেই নিৰ্দেশ ভিতৰতো তুমি বাহিৰতো তোমাৰ পদশব্দ
অনন্ত ভালপোৱা হেৰাই হেৰাই
হেৰাই নোযোৱা
যেন পুৱা দেও দি উৰি যোৱা এজাক ৰাজহাঁহ সন্ধ্যা সাগৰতীৰলৈ উভতি অহা
কেৱল ভৰি তলুৱাৰ মাটিকণহে পুণ্যৰ থলী
বাকী পদচিহ্নময় অতীত দুৰ্ঘোৰ পাপী

জীৱন গলিব ধৰা ৰবৰ বেণ্ড বুলিছোঁ আজি
সকলো ছাই হৈ নাযায় বুলিহে
সঁচা বুলি ক'বলৈয়ো ভীষণ সংকোচ
সাগৰ শুহিলেও পিয়াহ নপলাই যাব

# কবিতাৰ জন্ম

❑ পবিত্ৰ ভৰালী
প্ৰৱক্তা-ইংৰাজী বিভাগ

আজিকালি মোৰ স'তে তোমাৰ
দেখাদেখি নোহোৱা হ'ল
বেয়া পালা নেকি কিবা ?
শব্দই সুধিলে ।

তোমাক ইফাল সিফাল কৰি
ৰং চাম কিমান ?
তুমি নপৰানে ভাগৰি ?
নে তুমি মহিমাময়ী নাৰী
ৰহস্যৰ আৱেশ তৰি
কবিক অৱশ কৰি
কাঠ গড়াত তুলি
টানা চিপজৰী ।
কবিৰ মৃত্যুত হাঁহি হাঁহি
শৰাধ পাতা ছৱিৰ
তুমি অক্ষত ৰোৱা ষড়াংগে সুশোভিতা হৈ ।
কবিয়ে ক'লে ।

হয়তো তোমাত আত্মজাহ গৈ
তোমাক হেৰুৱাইছো
চক্ষুৰ আগত
হয়তো তুমি আত্মজাহ দি
খিতাপি লৈছা
মোৰ নিভৃত কোণত ।

ষড়াংগে খামুচি আছো
সৰস পান কৰি
উকুদ্বয় থৰক বৰক
শব্দ ! তুমি প্ৰসৱা নেকি ?

# প্ৰেমৰ স্তৱক

❑ হৰিকান্ত চেতিয়া

(১)
প্ৰেমনো কি !
জীৱনৰ সেউজীয়া উৎসৱ,
নে মৰমৰ ফুলনি বাগিছা ।
প্ৰেমৰো আছে এক নিজস্ব কবিতা,
জীৱনৰ চৌপাশে তাৰ মৃন্ময় বিশালতা ।

(২)
প্ৰেমে কি দিয়ে !
হৃদয়ে হৃদয়ে
কাৰোবাৰ বাবে দুখ,
কাৰোবাৰ বাবে সুখ,
কাৰোবাৰ হয়তো অমল প্ৰেৰণাৰ উৎস ।
সঁচাই,
প্ৰেমৰ যে কি গভীৰ নীলিম স্বাৰ্থ !

(৩)
প্ৰেমে গীতো গাব জানে,
মানুহৰ মনে মনে,
গোপনে গোপনে,
সেই গীতৰ মন্দাকিনীত ।
মৰমৰ বা লাগি উৰে,
অনেক ভৰুণ সপোন ।
সেয়েই হয়তো ;
প্ৰেম ইমান আপোন ।
এদিন এটা জোনাকী সন্ধিয়া,
কবিতাই ক'লে কাণে কাণে ।
জীৱনৰ কি অৰ্থ প্ৰেমৰ অবিহনে !!

# দুটি কবিতা

❑ সন্তোষ কুমাৰ
স্নাতক তৃতীয় বৰ্ষ (কলা)।

## (১)
### *গজালি*

ক'ব নোৱাৰাকৈয়ে মোৰ বুকুলৈ
সোমাই আহিল তেওঁ

একো নকয়, নাহাঁহে নামাতে
মাথোঁ চাই থাকে মোৰ চকুলৈ

সোধিলো কিয় আহিলা
ক'লেঃ
বুকুত এবুকু মাটি
সেয়েহে আহিলো
মাটি নাচাবা
আগতে তোমাৰ বুকুখন চাই লোৱা

খুলি চালো বুকুখন
মাটিৰ পৰশ লাগি
এটা অংকুৰিত বীজ

## (২)
### *সহযাত্ৰী*

ক'লৈ গৈ আছোঁ, আহিছোঁই বা ক'ৰ পৰা
আৰম্ভ ক'ত, শেষ ক'ত............
অবিৰত যাত্ৰাৰ ইত্যাদি প্ৰশ্নৰ উত্তৰ
মই নাজানো। তেওঁ নাজানে
চলন্ত ৰে'লৰ ডবাত তেওঁ আৰু মই

তেঁৱেই মোৰ সহযাত্ৰী হ'ব
জনা নাছিলোঁ
তেওঁ আহি ভালেই কৰিলে

এতিয়া ৰে'লৰ ডবাত ৰাতি
আন্ধাৰ নানামে
কলপতীয়া সেউজীয়াবোৰ সৰিপৰে
আমাৰ দওঁঠত
কিন্তু.............

এই সকলোবোৰ নেওচি তেওঁ যাবলৈ ওলাল

কোনোবা অনামী ষ্টেচনত নামি গ'ল তেওঁ
ভাগি থৈ গ'ল মোৰ প্ৰেমৰ ফুলদানী

যোৱাৰ আগতে টোপোলা এটা বুকুৰ পৰা উলিয়াই
মোৰ হাতত তুলি দিলে
খুলি চালো
তেওঁৰ ভঙা হৃদয়খন
মোৰ ফুলদানীটোৰ দৰে টুকুৰা টুকুৰ

তথাপিও..............
ৰে'লখন চলিয়েই থাকিল

# কবিতা

❑ বিজু ওজা
স্নাতক প্ৰথম বৰ্ষ (কলা) ।

ক্ৰমশ বাঢ়ি অহা এটি চিনাকি বাঁহীৰ সুৰ
পাহাৰটোৰ সিটোপাৰত আধা ফুলা ফুল
আৰু
তোমাৰ হাঁহিত শিমলু ফুলা গোন্ধ
এই সকলোৰে কাৰণে
তোমাক ভাল পাইছোঁ ।
যি শূন্য এটাৰ পৰা আৰম্ভ হৈছিল আমাৰ যাত্ৰা
সেই যাত্ৰাত আমাৰ খোজ
ৰং লাগি হয় গুলপীয়া
জীৱনত প্ৰথম তোমাকেই কথা দিছোঁ
পাহাৰৰ গৰা খহিলেই
তোমাৰ বাটলৈ উভতি নাচাওঁ
কাতৰ অনুৰোধ নকৰো আকৌ চুলি মেলা
দিয়াচোন দুহাত মেলি
কি দিব খুজিছোঁ মই
নদী পৰ্বত আকাশ বসন্তৰ এটি সন্ধ্যা নে
পদুম এপাহৰ এখিলা পাত
সিদিনা তোমাৰ প্ৰথম পত্ৰ পাই গ'ম পালো
তোমাকচোন বিশ্বাসৰ বাহিৰে একোৱেই দিব নোৱাৰি ।
আজিকালি তোমাক পাই
কাৰো কথাই ভাবিব নোখোজোঁ
সাগৰৰ মাজত দিশহীন হৈ পৰা
নাও এখনৰ বঠা চুৱলৈ উদগ্ৰীৱ
মোৰ দুখন হাত তোমাৰ মাজতে দেখিছোঁ ।
পুনশ্চঃ
তোমাৰ চকুতে দেখিছোঁ
বৈ অহা এখনি নৈ
যাৰ বাবে তোমাৰ প্ৰেমত পৰিছোঁ
এবাৰ বহুবাৰ ।

# জীৱন

❑ বিনীতা গগৈ
উঃ মাঃ প্ৰথম বৰ্ষ ( কলা )

নিছলা কংক্ৰিট
সুপ্ত
মায়া
অবুজ
আশা
চাক্ষুষ
চাৱনি
বেদনা ঢকাৰ
প্ৰয়াস !

# এপাহ নুফুলা ফুল

❑ চয়নিকা গগৈ
উঃ মাঃ প্ৰথম বৰ্ষ ( কলা )

কোন ? দুৱাৰৰ সিপাৰে !
নীলা আকাশৰ তলত ৰচা
সপোন নেকি ?

চিন্তা মোৰ অনুভৱ
মোহাছন্ন সেমেকা সন্ধিয়াত।

দেখা নাইনে বাৰু
দুৱাৰত মস্ত তলাটো
তাৰ চাবিটো দান দিলো
শৰতৰ শেৱালী ফুলক !

সেইয়াচোন নিয়ৰত তিতিছে
বৰ হাড় কঁপোৱা জাৰ

ফাগুনচোন পালেহি
কিহ'ব বাওছাটিৰ ?
ক'মনেকি পুৰঁতি নিশাৰ কথা !

ৰঙা গোলাপ কলিটোৰ হেনো
দৰ-দাম চলিছে
শুনিছো গ্ৰাহকৰ বহুত ভৰী
দুৱাৰখন এতিয়াও বন্ধ
নুফুটা ভাষাত আবেগ শূন্য স্বৰ

চকুযোৰ জ্বলিছে; দুৱাৰ হেনো
খুলিব -
পুৱাৰ পোহৰৰ খচমচনিত !!

# কেনে আছোঁ

❑ অজয় মৌৰ্য
স্নাতক তৃতীয় বৰ্ষ (কলা)
অনুবাদ ঃ- মৃণাল কুমাৰ গগৈ
প্ৰৱক্তা, অসমীয়া বিভাগ

তুমি নুসুধিলাঃ মই কেনে আছোঁ
এইটোৱো নুসুধিলাঃ মই কেতিয়া উভতিম
বিদায় বেলাত মই উলটি চাইছিলোঁ
কিন্তু মোতকৈ আগেয়ে তুমি গুচি গ'লা ।
যদিও তুমি সুধিলাহেঁতেন
তেতিয়াও কোনো কথাই মই ক'ব নোৱাৰিলোহেঁতেন
ওঁঠ বন্ধ কৰি মোৰ চকুয়েও একো বুজাব নোৱাৰিলোহেঁতেন তোমাক

কিন্তু তুমিতো নুসুধিলাই
এতিয়াও মোৰ আন্ধাৰ ঘৰটোত
তুমি উভতি অহাৰ চাকি জ্বলাই ৰাখিছোঁ
মই এইটো জানো যে তুমি মোক পাহৰি গৈছা
মই দিয়া পলাশৰ ফুল তোমাৰ কিতাপৰ ভিতৰত শুকাইগ'ল
মাজে মাজে সেই ফুলৰ সুবাস তুমি লৈ চাবা
এতিয়াও তাত আগৰ দৰেই স্নিগ্ধ সুবাস বৈ আছে ।

# সকলো শেষ তথাপিও

❑ প্ৰহ্লাদ বৰুৱা
স্নাতক ২য় বৰ্ষ (কলা)

এটি হাড় কঁপোৱা বেদনাৰ আলিঙ্গনে
ভাঙি গ'ল দুখনি হিয়া ;
হৃদয়ৰ প্ৰতিটো কোঠা কৰি গ'ল
দুখৰ ভঁৰাল ;
চাৰি চকুৰেদি বোৱাই গ'ল
চাৰিখন লুইত ;
জ্বলাই গ'ল দপ্‌দপাই
দুখৰ অনল ;
সকলো কৰি গ'ল শেষ ।
এতিয়া, দশোদিশৰ আকাশত
শূন্যৰ বাহিৰে নাই অন্য একো
এতিয়া, দশোদিশৰ আকাশ উদাস
কেউফালে নাই আনন্দৰ চিন ।
তথাপিও ...... তথাপিও আশাৰ এটি কিৰণ
এতিয়াও জীৱিত
হৃদয়ৰ কোনোৱা এটা কোণত ;
আশাৰ এটি কিৰণ
এতিয়াও জীৱিত
পুনৰ গঢ়াৰ মিলন
দুখনি হিয়াৰ মাজত ।

মাথোঁ আছোঁ অপেক্ষাত এটি নতুন পুৱাৰ ।

# In my heartland

❑ **Ranjan Chakma**
TDC 2nd Year (Arts)

The morning breeze
waits for you impatiently
In the garden
Jumping in joy.

The breeze bounces
On your sight.
It showers kisses
On your fresh flowery face.
It whirls around your body
Touching and embracing it
In indescribable ecstacy.
The birds become happy
And keep singing
In your praise.
The buds become flowers
And keep gazing
With astonishment at you
You are the only inhabitant
Of my heartland
While you keep dancing
I keep watching.
In my heartland
The presence is my pleasure
With instincts divine
And pulses I cannot me asurel.

# The value of money

❑ **Chayanika Bhattacharya**
H.S. 2nd year (Com.)

Money can buy pleasure, but not happiness.
Money can buy books, but not wisdom.
Money can buy a house, but not a home.
Money can buy a bad, but not sleep.
Money can buy medicine, but not health.
Money can buy opportunity, but not luck.
Money can buy status, but not respect.
Money can buy leisure, but not peace.
Money can buy everything yet nothing.
They why do people run after money ?

# Happy is he who makes others happy

❑ **Omin Chakma**
TDC 2nd year (Arts)

Happy is he who has lofty and noble aspirations.
Happy is he who enriches the lives of others.
Happy is he who allows others to live in peace.
Happy is he who makes this world a better
Place to live in.
Happy is he whose work and
Daily tasks are labours of love.
Happy is he who loves love.

## नेपाली कविता :-

# म, मेरो माया र कविता

कल्पना छेत्री
बी. ए. दोस्रो वर्ष

धेरै सोचेर पनि प्यारा लाई भन्न खोजेको
अस्पष्ट धेरै कुरा ...........
त्यसलाई लेख्छु कति शब्द मिलाएर
त्यो हुन्छ र कविता ?
एउटा मायाको चिनो कविता ...........
वर्तमानलाई हटाएर फर्केर जान्छु
त्यो अतीतमा
तिमिलाइ देखेको पहिलो दिनलाई
अनि...........
चोरेर हासेको त्यो
तिम्रो चेहरा
हेर्दा – हेर्दै बित्यो धेरै वर्ष
त्यसको हरेक क्षणनै
मेरो लागि कविता
त्यसलाइ लेखछु कति शब्द मिलाएर
त्यो हुन्छर कविता ?
एउटा मायाको चिनो कविता .......... ।

# थाहै न पाई बरा !
## ( व्यंग कविता )

सुरज उपाध्याय

साथी कविता लेखछन अरे प्रेमका कविता
छन्द – लय अनि प्रेमका शब्दहरुले भरिएका ;
साथीका साथीलाइ धेरै कविता सुनाएछन
छपाउने तर्खर् गर्छन कि – भन्ने आशामा
धेरै समय गुमाएछन ;
तर कहाँ प्रकाश गर्ने कुरा,
"अर्थपुर्ण छन कविता, अझ लेख्दै गरन"
–भन्ने फराकिला शब्दहरुको आधारमा साथी कवि भै
कसैले तपाइ भनोस – नभनोस आफै मपाइ भै
जम्मै कुरा चिप्लाएछन ।
कठै ! समय उम्केको, उमेर ढल्केको
थाहै पो पाएनछन
कसैले छपाउछकि भन्ने आशामा
साथी भिड़िएछन कवि बन्ने शाखामा
मानिस जम्मै सुतेछन भन्ने पत्तो पाए पछि
उज्यालो पछिको अंधकारले रित्तो द्धार धाए पछि
साथी कविता लेख्दा – लेख्दै भुसुकै निधाएछन
थाहै न पाई बरा ! मेरा साथी साहित्यिक भएछन ।

## हिन्दी कविता :-

# हमारें सपनों का देश

❑ जितेन्द्र राही दास
बी. एस. सी. द्वितीय वर्ष

चलों हाथ मिलाकर चलें ।
चलों कदम मिलाकर चलें ॥
चलों चलें उस देश में ।
भविष्य के भारत देश में ॥
जब होगा सबसे आगे अपना देश ।
नहीं कोई जाति होगी, नहीं कोई बेश ॥
नहीं रंग रूप का भेद होगा ।
वह हमारें सपनों का देश होगा ॥
नहीं दुखः दर्द होगा, नहीं होगा अत्याचार ।
जूर्म कहीं नहीं होगा, नहीं होगा व्याभिचार ॥
नहीं होगी गरीबी, नहीं होगी भुखमरी ।
नहीं चलेगी दुश्मन की कुटनीति ॥
नहीं बचेगी कोई भी कुरीति ।
अगर कुछ होगा तो होगा प्यार, प्यार, प्यार ॥
और होगा बापू जी का सत्याचार ।
वह हमारें सप्नों का देश होगा ॥
चलों चलें कदम मिलाकर 'राही' ।
हम सब का सपना सच होगा ॥

# मातृ भक्ति

❑ ओम प्रसाद उपाध्याय
बी. ए. तिसरी बर्ष

जन्म लिया है इसी भूमि पर
कुछ करके दिखलाओ ।
रास्ते हैं अनेक मंजिल एक ही बनाओ ।
देश का सदा रहे तुम्हें खयाल
हर वक्त देगा एक नयीं चुनौती,
यह करना है तुम्हे स्वीकार ।
कर्म पथ पर बढ़ते ही रहना,
यही है हमारा काम
पूर्वजो ने जो आजादी हमें दी है
यही है सदा रखना ध्यान,
देश की सेवा ही सर्वस्व है
यह है पूर्वजो का आशीर्वाद हमारे साथ ।
करना है हमें इस देश के लिए,
एक नये भविष्य का निर्माण ।

# কবি কাহাকে বলে

## ( বঙালী কবিতা )

❑ পিয়ুশ সিংঘ
উঃ মাঃ প্ৰথম বৰ্ষ
বাণিজ্য শাখা

ছন্দ মাত্রায় কবি হওয়া যায় না ।
ছন্দ মাত্রা কবির নাগাল পায় না ॥
ভাবুক যারা কবি তারা ।
পরম সুন্দরের করুণা ধারা ।
সর্ব ঘটে দেখেন তারা ॥
সাধক ছাড়া কবি কারা ।
আপন দুঃখ ফেলে দূরে ।
সবার দুঃখ তোলেন ধরে ॥
আপন রাজ্য যান ভুলে ।
ভাব রাজ্যের পড়েন তলে ॥
ভাবের চেট তোলেন যারা ।
কবির সম্মান পান তারা ॥

# ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০০১-০২ বৰ্ষ



সভাপতি
মনেশ্বৰ বৰ্মন



সাধাৰণ সম্পাদক
জয়ন্ত বড়া



আলোচনী সম্পাদক
হোমনাথ উপাধ্যায়



গুৰু খেল সম্পাদক
পাপু সোণোৱাল



লঘু খেল সম্পাদক
চিৰজিৎ কুমনেন



তৰ্ক আৰু আলোচনা সম্পাদক
ধ্ৰুৱণী লাহন



সাংস্কৃতিক সম্পাদক
পদ্মবিকাশ কোঁচ



সমাজ সেৱা সম্পাদক
বাসব ডেকা



সঙ্গীত সম্পাদক
উৎপল গগৈ



ছাত্ৰ-জিৰণী চ'ৰা সম্পাদক
ৰাতুল দাস





ছাত্ৰী-জিৰণী চ'ৰা সম্পাদিকা
জয়ন্তী দেৱী

বিঃ দ্ৰঃ - ছাত্ৰ-উপসভাপতি আৰু শৰীৰচৰ্চা সম্পাদকৰ পৰা ফটোসমূহ সময়মতে সংগ্ৰহ কৰিব পৰা নগ'ল ।

# ডিগবৈ মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি


## পঞ্চবিংশতিতম্ সংখ্যা ঃ ২০০১-২০০২ বৰ্ষ



সভাপতি
মনেশ্বৰ বৰ্মন



অধ্যাপক পবিত্ৰ ভৰালী
তত্বাবধায়ক



অধ্যাপক অচ্যুত শইকীয়া
সদস্য



আলোচনী সম্পাদক
হোমনাথ উপাধ্যায়



সন্তোষ কুমাৰ
সদস্য



লোহিত গগৈ
সদস্য



অৰূপ কলিতা
সদস্য



জ্যোতিমণি দাস
সদস্যা



অশ্বিনী শইকীয়া
সদস্য



মামনি উদ্বন
সদস্যা

# অতীতৰ সোঁৱৰণত ................



ঁতৰুণ চন্দ্ৰ গোস্বামী, এম, এচ, চি, আই, এফ, এচ
প্ৰতিষ্ঠাপক সভাপতি



ঁকৃষ্ণ প্ৰসাদ বৰুৱা
প্ৰতিষ্ঠাপক সম্পাদক

# Respected Ex-Principals of our College



**Sri Nerendra Nath Choudhury,** M.Sc.
Founder Principal
(15.7.65 - 30.11.67)



**Dr. P. K. Bhuyan,** M.A. (Double)
Ph. D., L.L.B.
(1.12.67 - 31.12.89)



**Late Swarnalata Gogoi, M.A.**
[1.1.90 - 4.5.90(I/C) ]
(5.5.90 - 28.2.93)



**Sri Rafique Hussain,** M.Sc.
Principal in-charge
(1.3.93 - 31.3.97)



**Sri Akela Khannam,** M.A.
Principal in-charge
(1.4.97 - 26.10.97)

# অতীতৰ সোঁৱৰণত .................



ঁতৰুণ চন্দ্ৰ গোস্বামী, এম, এচ, চি, আই, এফ, এচ
প্ৰতিষ্ঠাপক সভাপতি



ঁকৃষ্ণ প্ৰসাদ বৰুৱা
প্ৰতিষ্ঠাপক সম্পাদক

# Respected Ex-Principals of our College



**Sri Nerendra Nath Choudhury,** M.Sc.
Founder Principal
(15.7.65 - 30.11.67



**Dr. P. K. Bhuyan,** M.A. (Double)
Ph. D., L.L.B.
(1.12.67 - 31.12.89)



**Late Swarnalata Gogoi, M.A.**
[1.1.90 - 4.5.90(I/C) ]
(5.5.90 - 28.2.93)



**Sri Rafique Hussain,** M.Sc.
Principal in-charge
(1.3.93 - 31.3.97)



**Sri Akela Khannam,** M.A.
Principal in-charge
(1.4.97 - 26.10.97)





১৩ জুলাই ১৯৬৫ চনৰ দিনা ডিব্ৰুগড়ৰ হঁনুমান বক্স সূৰযমল কানৈ ডাঙৰীয়াই ডিগবৈ মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিছে । কাষত তঁৰুণ চন্দ্ৰ গোস্বামী, শ্ৰী এচ, চি, দত্তৰায়, কেঁ, পি, বৰুৱা আৰু বল্টু চক্ৰৱৰ্তী ।




সৰস্বতী বেদীঃ ডিগবৈ মহাবিদ্যালয় ।




ডিগবৈ মহাবিদ্যালয় তোৰণ



মহাবিদ্যালয় বাণিজ্য ভৱন



মহাবিদ্যালয় গ্ৰন্থাগাৰ

# DIGBOI COLLEGE

## PRINCIPAL : MANESWAR BARMAN

**TEACHING STAFF**

**Assamese**

1. Sri Purnananda Saikia ~ M.A., M.Phil
   (Head of the Dept.)
2. Mrs. Deepa Sarma Borthakur ~ M. A.
3. Sri Mrinal Kumar Gogoi ~ M. A., M. Phil.
4. Sri Achyut Saikia ~ M.A., M. Phil.

**Bengali**

1. Miss Binapani Kar ~ M.A.
   (Head of the Dept.)
2. Mrs. Nandita Mitra ~ M.A.

**Nepali**

1. Sri Debi Charan Sedai ~ M.A.

**Sankskrit**

1. Mrs. Geeta Chakraborty ~ M.A.

**Hindi**

1. Sri Butuk Nath Pandey ~ M.A.
   (Head of the Dept.)
2. Dr. Pradip Kumar Bharati ~ M.A., Ph. D.

**English**

1. Mrs. Ranjumoni Dutta ~ M.A.
   (Head of the Dept.)
2. Mrs. Debamita Chakraborty ~ M.A.
3. Mrs. Baby Ritu Phukan ~ M.A.
4. Sri Pabitra Bharali ~ M.A.
5. Sri Gouri Buragohain ~ M.A.
6. Sri Jayanta Deep Dutta ~ M.A.

**Economics**

1. Sri Gurupada Bhattacharjee ~ M.A.
   (Head of the Dept.)
2. Sri Samarendra Bhagawati ~ M.A.
3. Sri Jibanath Upadhyay ~ M.A.
4. Sri Ashokananda Chakraborty ~ M.A.
5. Mrs. Mamoni Sarma ~ M.A.

**Political Science**

1. Sri Natheswar Gogoi ~ M.A.
   (Head of the Dept.)
2. Sri Arun Chandra Dutta ~ M.A. M. Phil.
3. Sri Janardan Bora ~ M.A.
4. Sri Banjit Kumar Das ~ M.A.

**Philosophy**

1. Dr. (Mrs.) Nirmala Devi ~ M.A. Ph. D.
   (Head of the Dept.)
2. Mrs. Mukul Chakraborty ~ M.A.
3. Dr. (Mrs.) Itu Das ~ M.A. Ph. D.

**History**

1. Dr. (Mrs.) Anamika Neog ~ M.A. Ph. D.
   (Head of the Dept.)
2. Sri Partha Kumar Narah ~ M.A.

**Education**

1. Mrs. Nabaneeta Deka ~ M.A.

**Geography**

1. Mrs. Sangeeta Saikia ~ M.A.

**Mathematics**

1. Sri Swadesh Sahay Roy Choudhury ~ M. Sc. (Head of the Dept.)
2. Dr. Amrit Ch. Deka ~ M.Sc., Ph. D.
3. Sri Kedar Nath Timsina ~ M.Sc.
4. Sri Jiban Changmai ~ M.Sc.
5. Dr. Jatindra Lahkar ~ M. Sc., Ph. D.

**Physics**

1. Sri Deepak Ranjan Deb ~ M. Sc., M. Phil. (Head of the Dept)
2. Mrs. Arati Deb ~ M. Sc.
3. Mrs. Deepika Hazarika ~ M. Sc., M. Phil.
4. Dr. Arun Ch. Sarma ~ M. Sc., Ph. D.
5. Mrs. Rashmi Patowary ~ M. Sc.

**Chemistry**

1. Dr. Sudeep Kanti Kar ~ M. Sc., M. Phil., Ph. D. (Head of the Dept.)
2. Sri Tushit Kr. Sanyal ~ M. Sc.
3. Sri Arun Bikash Debnath ~ M. Sc.
4. Sri Golap Ch. Kalita ~ M. Sc., M. Phil.
5. Mrs. Jonali Dutta ~ M. Sc., M. Phil.

**Botany**

1. Sri Mahendra Bharali Baruah ~ M. Sc. (Head of the Dept.)
2. Mrs. Papori Kalita ~ M. Sc.
3. Mrs. Jyotshna Sarma Phukan ~ M. Sc.
4. Dr. Tilak Ch. Dutta ~ M. Sc., M. Phil., Ph. D.

**Zoology**

1. Mrs. Anu Borgohain ~ M. Sc. (Head of the Dept.)
2. Sri Saibal Deb ~ M. Sc.
3. Mrs. Aparajita Gogoi ~ M. Sc.

**Electronics**

1. Sri Pradeep Kr. Khound ~ M. Sc., M. Phil. (Head of the Dept.)
2. Sri Jayanta Handique ~ M. Sc., M. Phil.

**Computer Science**

1. Sri Prasanta Prasad Sinha ~ M. C. A.

**Commerce**

1. Sri Pradeep kumar Gupta ~ M. Com.
2. Sri Giasuddin Ahmed ~ M. Com.
3. Sri Hari Prasad Verma ~ M. Com.
4. Sri Bikash Kr. Baruah ~ M.Com.,M. Phil.
5. Sri Cheni Chandra Baruah ~ M.Com.,M. Phil.
6. Sri Bhavabhuti Shankar Baruah ~ M. Com.

**Administrative & Ministerial Staff**

1. Sri Ananda Saikia (S/A)
2. Sri Pulin Borgohain (UDA), Accountant
3. Sri Romendra Nath Khound (UDA), Cashier
4. Sri Anil Sarma (LDA)
5. Sri Pramutta Saikia (LDA)
6. Mrs. Rupa Saikia (LDA)
7. Mrs. Deepika Borkakati (LDA)
8. Sri Prakash Saikia (LDA)
9. Sri Krishna Kamar (Lab. Bearer)
10. Sri Pranab Kumar Roy (Lab. Bearer)
11. Sri BhojNath Sarma (Lab. Bearer)
12. Sri Golap Ch. Saikia (Lab. Bearer)
13. Sri Mukti Nath Sarma (Lab. Bearer)
14. Sri Robin Tanti (Lab. Bearer)
15. Sri Hiren Saikia (Lab. Bearer)
16. Sri Hem Kanta Konwar (Lab. Bearer)
17. Sri Binod Saikia (Lab. Bearer)
18. Sri Bidya Konwar (Office Bearer)
19. Sri Dinesh Garh (Grade IV)
20. Sri Ramjatan Harijan (Sweeper)

**Library Staff**

1. Sri Barun Deb, ~ B. A., B. Lib. Sc. ~ Librarian.
2. Sri Ajit Kumar Phukan~B. A., B. Lib. Sc.~Asstt. Librarian
3. Sri Heramba Patgiri ~ LDA
4. Sri Dulal Borah ~ Lib. Bearer.
5. Sri Dhiren Das ~ Lib. Bearer.

*উপন্যাসিকা ঃ-*

# অজানিতে কেতিয়াবা ...

❑ অশ্বিনী শইকীয়া
স্নাতক তৃতীয় বৰ্ষ ( কলা)

★ ★ ★ ★ ★ ★

তাইনো বাৰু কিয় তাক এনেকুৱা ব্যৱহাৰ কৰিলে ভাবি একো পাৰ নাপালে সি । সিতো তাইক বেয়াকৈ একো কোৱা নাছিল ; মাত্ৰ জিতুৰ দৰে বেয়া ল'ৰা এটাৰ লগত বেছিকৈ হলিগলি নকৰিবলৈ কৈছিল । বচ্ সেইটো কথাতে তাই কেণ্টিনত ইমানবোৰ ল'ৰা - ছোৱালীৰ আগত তাক অপমান কৰিলে । নিজৰ ওপৰতে ধিক্কাৰ জন্মিল তাৰ । ছিঃ কিহে যে পাইছিল তাক । আচলতে সিওঁ ভাল পাব বিচাৰিছিল নেকি তাইক ? নিজকে প্ৰশ্ন কৰি চালে সি । ধুৎ, তাইকনো আৰু ভাল পাব পাৰি নেকি ? ঘৰৰ ওচৰৰ ছোৱালী বুলিহে সি তাইৰ বেয়া হোৱাতো বিচৰা নাছিল । যাঃ চালা ক'ত মৰ মৰগৈ । বাপেকে প্ৰথমদিনা তাই কলেজলৈ যাওঁতে সিহঁতৰ ঘৰত আহি কৈছিল বুলিহে বোলো আমাৰ ছোৱালীজনী চাবা দেই এই প্ৰথম কলেজলৈ গৈছেতো, তাতে সৰু ছোৱালী । হুহঁ এনে সৰু ছোৱালীজনী । চালা ওঁঠ চেপিলে চা ... চাধা খেৎ তেৰিকা ছোৱালীয়ে চাধা খাই নেকি ? না .... না আজিকালিৰ ছোৱালী চাধা নাখালেও তলব-চলব জৰুৰ ওলাব । তপা বুঢ়া একদিন কলেজ আহি চা গম পাই যাবি জীয়েৰ কি দাইল বস্তু ।

ঃ অই গৰু, ইয়াত অকলে অকলে কি কৰি আছ ? তোক বিচাৰি চাৰা কলেজ চক্কৰ মাৰিলো । তই ইয়াত বহি মনে মনে খৈনী মাৰি আছ । দে অকনমান । - ক'ৰবাৰ পৰা দীপ আহি ধপককৈ তাৰ কাষত বহি ললেহি ।

ঃ মন খাৰাপ ভাই । মগজুটো অলপমান মুকলি বতাহ লগাই ঠাণ্ডা কৰিছোঁ । - অজানে দীপক খৈনী অলপমান দি উত্তৰ দিলে । দীপে তাৰ হাতৰ পৰা খৈনীখিনিলৈ বুঢ়া আৰু তৰ্জ্জনী আঙুলীৰ সহায়ত ওপৰৰ ওঁঠৰ ফাঁকত ভৰাই কলে, ''অথনিৰ তোৰ ঝেংখন শুনিলো । ৰাজীৱে কলে । চেন্দেল খুলি দিব লাগিছিল সেইজনীয়ে দুচৰ মান । আৰু তোৰ অইন কাম নাই খালী এজনী এৰি সিজনীৰ পিচত লাগি ফুৰিবি ।''

ঃ নহয় অ তাইৰ বাপেকে তাইৰ ওপৰত অলপমান মন দিব কৈছিল কাৰণেহে । বাৰু বাদ দে এইবোৰ । লাজতে দুটা ক্লাছ নকৰিলো । এই লাষ্ট ক্লাছটো কৰিব লাগিব । ব'ল উঠ যাওঁ । - দুইটাই বহাৰ পৰা উঠি পাঁচ নম্বৰ ক্লাছ ৰুমলৈ বুলি খোজ ললে ।

দীপ অজানৰ নলে গলে লগা বন্ধু । হাইস্কুলৰ পৰাই দুইটাই একেলগে পঢ়ি আহিছে । মাত্ৰ এটা কথাৰ বাহিৰে সিহঁত দুইটাৰে প্ৰতিটো কথাতে মিল আছে বুলি কলেও ভুল কোৱা নহ'ব চাগে । মিল বা সাদৃশ্য বুলি কলে বহু কথা আহি পৰে যেনে সিহঁত দুইটাই কোনোমতে গ্ৰেচ মাৰ্ক পাই মেট্ৰিক, হায়াৰ চেকেণ্ডাৰী পাচ কৰিছে, স্কুল, কলেজ, ওচৰ চুবুৰীয়া সকলোতে পৰ্যায় ক্ৰমে মহা ধুৰন্ধৰ বুলি সম্মান প্ৰাপ্ত ইত্যাদি । আনহাতে সিহঁত দুটাৰ মাজত থকা একমাত্ৰ অমিলটো হ'ল দুয়োটাৰে ফিগাৰ মানে শাৰীৰিক গঠন, এটা যদি ৰঙালাউ আনটো ৰঙালাউৰ গুটি । এটা যদি ভলুকা বাঁহ আনটো জেওঁৰা খুটি । অজানৰ তুলনাত দীপৰ শৰীৰটো সৰুসুৰা এটা পাহাৰেই । সেয়েহে সিহঁত দুটাৰ যুৰিটোৰ সকলোৱে বাইচাইকেলৰ টায়াৰ আৰু ট্ৰেক্টৰৰ চকা বুলি কয় । কয় মানে সিহঁত দুটাৰ আগত নকয়, যিহে ধুৰন্ধৰ কৈ কদোঁ বাহত জুই দিয়াহে হ'ব । কথাটো সকলোৱে কাৰণে 'অপেন চিক্ৰেট' ।

সিহঁত দুটা আহি ক্লাছত সোমায় মানে ইতিমধ্যে ইংলিচৰ ৰায় চাৰ ক্লাছত সোমাই ৰোলকল কৰি আছিল । এনেয়ে চাৰে ভালেই বুজায় কিন্তু বিৰাট খঙাল । সময়ৰ মূল্য বুজে । মানে সময়মতে ক্লাছত উপস্থিত নহলে গালিৰ কোবত দেৱীকৈ অহাজনৰ থৰকাছুটি হেৰায় । অজান আৰু দীপ দুয়োটাই চাৰৰ খঙটোৰ কথা জানে যদিও আজি যিহয় হওঁক সোমাবই বুলি ঠিৰাং কৰিলে । চুচুক চামাক কৈ দুয়োটা গৈ দুৱাৰ মুখত থিয় দিলে গৈ ।

ঃ চাৰ, সোমাব পাৰোনে ? - দুয়োটাই প্ৰায় একেলগে কৈ উঠিল । চাৰে কথাটো শুনিলেনে নাই ধৰিব নোৱাৰিলে সিহঁতে । চাৰে ৰেজিষ্টাৰ বহীখন চাই ৰোল নম্বৰ মতাত ব্যস্তহে আছে হয়তো নুশুনিবও পাৰে । পুনৰ মাতিলে অজানে । এইবাৰ আগৰ বাৰতকৈ ডাঙৰকৈ । ৰায় চাৰে মূৰদাঙি চালে সিহঁত দুটালৈ তাৰ পিছত চকুৰ ইঙ্গিতেৰে ভিতৰলৈ মাতিলে । দুয়োটাই ভয়ে ভয়ে ভিতৰলৈ সোমাই গ'ল । তেতিয়া ক্লাছৰুমটোৰ সকলোৱে চকুবোৰ সিহঁত দুটাৰ ওপৰত নিবদ্ধ আছিল ।

ঃসদায় এনেদৰে দেৰীকৈ নাহিবি । আজি প্ৰথমদিন কাৰণে এৰি দিছো । বহ গৈ যা । - চাৰে সিহঁতলৈ চাই ক'লে । কথাটো কব পৰা কি হ'ল ধৰিব নোৱাৰিলে অজান আৰু দীপে । চাৰৰ এনে নতুন ৰূপ এই প্ৰথম দেখিছে সিহঁতে । দেৰীকৈ অহা সত্ত্বেও আজি গালিৰ পৰিবৰ্তে মৌ বৰষা মাত পাইছে তাকো ৰায় চাৰৰ পৰা । অইন চাৰ বা বাইদেউ হোৱা হলে ইমান আচৰিত নহ'লহেঁতেন । ভেবা লাগি সিহঁত দুয়োটাই চাৰৰ মুখলৈ চাই থাকিল ।

ঃ অই, তহঁত দুটাৰ কি হ'ল, মই বহগৈ বুলি কোৱা শুনা নাই নেকি ? - তেনেকৈ চাই থকা দেখি ৰায় চাৰে দুয়োটাকে ধমক লগালে । এইবাৰ ধমকখাইহে সিহঁত দুয়োটাৰ সম্বিত ঘূৰি আহিল । আৰু গালি খোৱাৰ ভয়ত লৰালৰিকৈ দুয়োটা পিছৰ খালীহৈ থকা বেঞ্চখনত বহিলেগৈ ।

ঃ চাৰৰ আজি কি হ'ল বাৰু, মুডটো আজি পানীহৈ গ'ল নেকি ? - দীপে বহীখনত আজিৰ তাৰিখটো লিখি সুধিলে অজানক । ঃ জানো পাই ধৰিবকে পৰা নাই দেখোন । ৰহ এই ত্ৰিদীপক সুধি চাওঁ । - এই বুলি সি আগৰ বেঞ্চত বহি থকা ত্ৰিদীপক কথাটো সুধিলে । ত্ৰিদীপে আগফালে মুখ কৰিয়েই ফিচফিচাই কৈ গ'ল চাৰৰ মুড চেঞ্জ হোৱাৰ ৰহস্য । আজি কিমান দিনৰ মূৰত চাৰহঁতে দৰমহা পাইছে । ৰায় চাৰ দৰমহা পোৱাৰ দিনা সদায়ে খুচ হৈ থাকে । সিনো কেনেকৈ গম পালে বুলি অজানে সুধাত ত্ৰিদীপে কলে যে তাৰো হেনো এদিন সিহঁত দুটাৰ দৰেই দেৰী হৈছিল আৰু সেইদিনা খনো চাৰৰ দৰমহা পোৱাৰ দিন আছিল । সেইদিনা সি চাৰৰ গালি খোৱাৰ পৰা বাচি গৈছিল । ইতিমধ্যে চাৰে কীট্‌ছৰ কবিতা পঢ়াবলৈ লোৱা দেখি সিহঁত মনে মনে থাকিল ।

★ ★ ★ ★ ★ ★

এইবাৰ আন্তঃ মহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাৰ লীগ মেচ এখন সিহঁতৰ কলেজত অনুষ্ঠিত হ'ব । প্ৰতিপক্ষ শক্তিশালী তিনিচুকীয়া কলেজ । সেয়েহে কলেজৰ ছিলেকচন বৰ্ডে প্ৰেকটিছ মেচ ভাল খেলা খেলুৱৈ বোৰক ফাৰ্ষ্ট চাঞ্চ দিব । অজানে নিজেই অনুভৱ কৰে সি হয়তো চাঞ্চ নাপাব তথাপি এই কেইদিন সিও পুৰাদমে প্ৰেকটিছত লাগি গৈছে । ভাগ্য ভাল থাকিলে হয়তো চাঞ্চ পাই যাবও পাৰে । প্ৰথমতেতো তাক কোনোৱে খেলাবলৈকে মন কৰা নাছিল সি কিতো খেলিব বুলি । সি নিজেই জোৰ কৰি সোমাই খেলিছে, লগতে দীপেও তাৰহৈ কেপ্টেইন তথা মেজৰ গেমচ ছেক্ৰেটেৰীক দম দিলে । দীপে অবশ্যে খেলিবলৈ ইচ্ছা থাকিলেও এইবিধ খেলত দৌৰিব লাগে কাৰণে তাৰ পাহাৰৰ দৰে পেটটোৰ কাৰণেই নোৱাৰে । সেইলৈ বেচেৰাই কেতিয়াবা দুখও কৰে, তথাপিও খাবলৈ নেৰে । প্ৰত্যেকদিনাই ডবল ডবল খানা তাৰ । আজি দুটা পিৰিয়ড অফ আছিল কাৰণে সিহঁতে প্ৰেকটিছ অফ পিৰিয়ডতে কৰিলে । ফিল্ডৰ পৰা আহি অজান আৰু দীপ দুয়োটাই গাৰ্লচ কমনৰুমৰ কাষতে থকা আমলখি জোপাৰ ছাঁতে বৈ আছেহি । পৰৱৰ্তী ক্লাছটো আৰম্ভ হ'বলৈ তেতিয়াও দহ মিনিট বাকী আছিল । ল'ৰা - ছোৱালীবোৰ যেন বৰ ব্যস্ত এনে ভাবত ইফালে সিফালে ঘূৰি ফুৰিছে । অজানে আমলখি জোপালৈ চালে ক'ৰবাত ডালে - পাতে দুটা - এটা লাগি আছে নেকি বুলি । অলপ দেৰী বিচৰাৰ পাচত সি দেখিলে ঠিক তাৰ মূৰৰ পৰা দুইহাত মান ওপৰত চাৰিটা মান আমলখি লাগি আছে । দুবাৰ মান জপিয়াই চালে না ... নহ'ব ঢুকিয়েই নাপায় । গছজোপাত উঠিবলৈও কেনেবাকে প্ৰিঞ্চিপাল চাৰে দেখিব লাগিলে হ'ল আৰু । আইদিয়া ! ঘপককৈ তাৰ মনত বুদ্ধি এটা খেলালে । ই চালা দীপে তাক দাঙি ধৰিলেই সি আৰামত আমলখি কেইটা চিঙি আনিব পাৰিব । তেতিয়া সাপো মৰিব লাঠিও নাভাঙিব ।

ঃ অই দীপ, সৌ আমলখি কেইটা চা না মোক খা মোক খা কৰি আছে । তই মোক দাঙি ধৰনা মই চিঙি আনো । ফিফ্‌টি ফিফ্‌টি কৰিম । - অজানে দীপক মাতিলে ।

ঃ নহ'ব তোক দাঙি দিয়াৰ বেচ তিনিটা আমলখি দিব লাগিব তেতিয়াহে দাঙিম । - দীপে ওপৰলৈ চাই কলে ।

ঃ বুৰ্বক তাত চাৰিটা আমলখি লাগি আছে । তোক তিনিটা দি মই কি এটা খাম । তই চব বস্তুৱেই বেচি বেচিকৈ খাৱ কাৰণে পেটটো ঢোল হেন হৈ পৰিছে । - অজানে দীপৰ দাবী শুনি গৰগৰাই উঠিল ।

ঃ কুকুৰীকনা চালা, দেখা নাই পাঁচটা আমলখি লাগি আছে । তই দুটা মই তিনিটা লম হ'লতো । - এইবুলি কৈ সি অজানক ওপৰলৈ দাঙি ধৰিলে । অজানে চাই দেখিলে সঁচাকৈ পাঁচটা আমলখি লাগি আছে । এটা পাতৰ আঁৰত থকাৰ কাৰণে যি দেখা নাছিল সি সেইকেইটা চিঙিবলৈ ধৰোতেই হঠাতে কোনোবাই তাৰ নাম ধৰি মতা যেন পালে । পতাপত আমলখি কেইটা চিঙি দীপক তাক তললৈ নমাবলৈ ক'লে । তলত নামিয়েই কোনে মাতিছে বুলি ইফালে সিফালে চালে সি ।

ঃ জান দা, এইফালে মইহে মাতিছো ।

ছোৱালী কমনৰুমৰ ফালৰ পৰা মাতটো অহা যেন পাই সি সেইফালে চাই দেখিলে ধুনীয়াকৈ গোলমুখৰ ছোৱালী এজনীয়ে তাৰ ফালে চাই মাতিছে । সি দস্তৰমত অবাক হৈ গ'ল । সি ছোৱালীজনীক চিনিয়েই নাপায় অথচ ছোৱালীজনীয়ে তাক নামে সৈতে মাতিছে । আজিলৈকে কোনো ছোৱালীয়ে তাক এনেকৈ মাতি পোৱা নাই । ধুনীয়া ছোৱালী দেখিলে সিহে উপযাচি চিনাকী হৈ লয় । সপোন দেখা নাইতো সি ।

ঃ অই দীপ, তই মোক চিকুটি দেচোন পিঠিত । - অজানে তাৰ পিচফালে বৈ থকা দীপক ফুচফুচাই কলে ।

ঃ ওৱা ! তোক আকৌ মই কেলেই চিকুটিম । পগলা হৈছ নেকি ? - অজানৰ পাগলামী দেখি দীপক ভয় ভয় লাগি গ'ল ।

ঃ আৰে চিকুট না কথা এটা আছে । - অজানে দীপৰ বাওঁহাতখনত খামুচি ধৰি কলে । দীপে অজানৰ আদেশ মতেই কৰিলে ।

ঃ আহ ! - মুখেদি বিকট চিঞৰ এটা ওলাই আহিল অজানৰ । পিঠিৰ ওপৰত বোলড্ৰজাৰ চলা যেন লাগিল তাৰ । লগে লগে ঘূৰি সি দীপক গালি পাৰিবলৈ ধৰিলে - ''গৰু নেকি ? ইমান জোৰেৰে কেলেই চিকুটিছ ? চেক চেকাই গৈছে । পিঠিৰ মাংস এৰুৱাই আনিলি হবলা ।''

ঃ মই কি জানো তই কৈছ কাৰণেহে । - দীপে সেমেনা সেমেন কৰি ক'লে । ইফালে সিহঁত দুটাৰ কাণ্ড - কাৰখানা ধৰিব নোৱাৰি সেই ছোৱালীজনীয়ে কি কৰিম কি নকৰিম ভাবত চাই থাকিল সিহঁতৰ ফালে । এবাৰ ছোৱালীজনীৰ ফালে চাই অজান তাইৰ ওচৰ পালেগৈ ।

ঃ মোকেই মাতিছিলানে ? কিবা কাম আছিল ? - ছোৱালীজনীয়ে যে তাক মাতিছে সেই কথাটো যেন এতিয়াও তাৰ বিশ্বাস হোৱা নাই এনে ভাবত সুধিলে সি ।

ঃ আ... আপোনাৰ নামেই জান নহয় জানো ? - থতমত খাই ছোৱালীজনীয়ে সুধিলে তাক । এইজনীয়ে তাৰ ঘৰত মতা নামটো কেনেকৈ জানিলে ভাবিলে সি ।

ঃ অঁ .... অঁ মোৰেই নাম সেইটো । - লাজ পাই সি উত্তৰ দিলে ধেৎ তেৰিকা কিযে বুৰ্বকৰ দৰে প্ৰশ্নবোৰ কৰে সি । অথনিৰে পৰা তাই তাৰেই নাম ধৰি মাতি আছে ।

ঃ তোমাক তো মই চিনি নাপাওঁ । তুমি মোৰ ঘৰুৱা নামটো কেনেকৈ জানিলা ? - পুনৰ সুধিলে সি ।

ঃ কেলেই আপুনিয়েই জানো যোৱাবাৰৰ কলেজৰ আলোচনীত "অশান্ত হৃদয়ৰ উৰ্মিৰ্মালা" নামৰ উপন্যাসখন আৰু "এমুঠি নীলা বেদনা" নামৰ গল্পটো লিখা নাছিল জানো ? আপোনাৰ লগত চিনাকী হ'বলৈ মন গ'ল সেয়েহে আপোনাক বিচাৰি এইখিনি পালোহি পঢ়ি ভাল লগাৰ কাৰণে । - ছোৱালীজনীয়ে এইবাৰ ফৰফৰাই কথাবোৰ কৈ গ'ল । অহ ছোৱালীজনীয়ে তাক ভুল বুজিছে । সি পৰীক্ষাৰ প্ৰশ্ন কেইটাৰ উত্তৰকে ভালদৰে লিখিব নোৱাৰে, গল্প - উপন্যাস কেনেকৈ লিখিব । তাই বিচৰা জান সিহঁতৰ ক্লাছৰে । অজানে ভাবিলে কৈ দিব নেকি তইক সি তাই বিচৰা জান নহয় বুলি । পিচ মুহূৰ্ততে ভাবিলে নাঃ নকয় হাততে পোৱা মুকুতা সি পাইও হেৰুৱাব নিবিচাৰে । পিচত জানক বুজায় ক'ব সি ।

ঃ ধেৎ কি যে কোৱা । এনেয়ে অগৰং বগৰং এসোপা লিখিলো আৰু পিচে উপন্যাসেই হ'লনে গল্পই হ'ল ধৰিবই নোৱাৰিলো । তুমি পঢ়ি ভাল পোৱা বুলি জানি ভাল লাগিল । ধন্যবাদ । - জানৰ ডুপ্লিকেট হৈ নিখুঁত অভিনয় কৰি গ'ল সি । ঘপককৈ মনত পৰিল তাৰ ইমান দেৰী তাইৰ নামটোক সুধা হোৱা নাই কি যে পাগল সি ।

ঃ তো .... তোমাৰ নামটো .... । - তাইৰ মুখলৈ চাই সুধিলে সি ।

ঃ অ মোৰ নাম । মোৰ নাম বিদিশা শৰ্মা । এইবাৰ বি এ ছেকেণ্ড ইয়েৰ । - তাই উত্তৰ দিলে হাঁহি হাঁহি । বাহ্ হাঁহিলে আৰু ধুনীয়া দেখি তাইক মনতে ভাবিলে সি ।

ঃ অই আৰু কিমান দেৰী কথা পাত । ক্লাছ নকৰ নেকি ? -ইমান পৰে বৈ বৈ আমনি লাগি দীপে চিঞৰিলে অজানক । দীপৰ মাত শুনি অজানে ঘড়ীলৈ চাই দেখিলে ক্লাছ আৰম্ভ হ'বই এতিয়া । লৰালৰিকৈ সি বিদিশাক কলে - বেয়া নাপাবা দেই এই মাত্ৰ মোৰ ক্লাছ এটা আছে ।

ঃ জানদা, আপুনি মোক কাইলৈ এঘাৰ মান বজাত লগ কৰিব পাৰিব নেকি কেন্টিনত ? - বিদিশাই আশাৰে তাৰফালে চাই সুধিলে । তাইৰ কথা শুনি ৰোমাঞ্চিত হৈ উঠিল সি । সি লগে লগে তাইৰ কথাত সন্মত হ'ল আৰু তাইৰ পৰা বিদায় লৈ লৰালৰিকৈ পাঁচ নম্বৰ ৰুমলৈ বুলি খোজ ললে সিহঁত দুয়োটাই । অকস্মাত কিবা মনত পৰাৰ দৰে অজানে আকৌ ঘূৰি বিদিশালৈ চালে । তাই তেতিয়া কমন ৰুমত সোমাবলৈ অগ্ৰসৰ হৈছিল ।

ঃ দীপ, তই অলপমান দেৰী ইয়াতে ৰ চোন । মই এই মাত্ৰ আহিছো - এনেকৈ কৈয়েই সি দৌৰি যোৱাদি বিদিশাৰ ওচৰলৈ গ'ল ।

ঃ শুনাচোন বিদিশা । - অজানে কমন ৰুমৰ বাৰাণ্ডাত উঠিগৈ তাইক মাতিলে । বিদিশাই প্ৰশ্নবোধক দৃষ্টিৰে দুৱাৰ মুখৰ পৰা ঘূৰি তালৈ চালে ।

ঃ মা ... মানে আমলখি খাবা নেকি ? অথনি পাৰিছিলোতো । - সি অসহিষ্ণু ভাৱে সুধিলে তাইক । বিদিশাই হাঁহি মাৰি তাৰ হাতৰ পৰা আমলখি কেইটা লৈ তাক ধন্যবাদ দিলে । আমলখিনো কি তোমাৰ বাবে সৰগৰ জোন-বেলি তৰাও পাৰি আনিম, মনে মনে ভাবিলে সি । তাইৰ পৰা বিদায় লৈ দীপৰ কাষ পালেহি সি দীপে পোন্দোৱাকৈ তাৰফালে চাই পঠিয়ালে ।

ঃ এই তই কিয় এনেকৈ বাঘে চোৱাদি চাইছ ? - অজানে দীপক তেনেকৈ চোৱা দেখি কলে ।

ঃ তই চালা সেইজনীক গোটেই আমলখি কেইটা কেলেই দি দিলি ? ইমান কষ্টত পাৰিছিলো । - দীপে যেন খঙৰ ভমকত আমলখিৰ সলনি তাকেই খাই পেলাব এনেকৈ কলে ।

ঃ ৰ না কিনো সৰু ল'ৰাৰ দৰে পেন পেনাই থাক অ । ফাৰ্ষ্ট লাভ এট ফাৰ্ষ্ট চাইট্ বুজিছ । তই কি বুজিবি । ঠিক আছে আমলখিৰ সলনি তোক আজি মই কেন্টিনত খোৱাম হ'লতো । বল এতিয়া ক্লাছলৈ যাওঁ, দেৰীয়েই হ'ল । - অজানৰ কথা শুনি দীপে জিভাৰে টকালী পাৰি মনে মনে খৰ খোজেৰে যাবলৈ ধৰিলে ক্লাছ ৰুমলৈ বুলি ।

★ ★ ★ ★ ★ ★

সেইদিনা অজানে জানক কথাটো ক'ব বুলি ভাবিছিল যদিও জান কলেজলৈ নহা কাৰণে ক'ব নোৱাৰিলে । বিদিশাৰ কথাটো আজি জানক যেনে তেনে ক'বই লাগিব নহলে পিচত সি জান নহয় বুলি গম পালে চব গৰবৰহৈ যাব । কিবা এক অদ্ভূত মায়া জাগি উঠিছে তাৰ ছোৱালীজনীৰ প্ৰতি এই এদিনতে । সৌটো জান ক্লাছ ৰুমলৈ সোমাই আহিছে । অজানে তাক তাৰ লগতে বহিবলৈ মাতিলে । জান আহি তাৰ কাষত বহিলহি ।

ঃ জান, তই মোৰ কথা এটা ৰাখিবি । - অজানে তাৰ হাত দুখনত ধৰি কলে ।

ঃ কি কথা কলেহে গম পাম । - জানে উত্তৰ দিলে ।

ঃ তই বেয়া নাপাবি হাঁ । কালি তোক বুলি মোকেই জান বুলি ভাবি ছোৱালী এজনীয়ে চিনাকী হ'বলৈ বিচাৰিছিল । বৰ ধুনীয়া তাই । মই প্ৰথম দৃষ্টিতেই তাইৰ প্ৰেমত পৰি গলো । তাই মোক আজি লগ কৰিব মাতিছে । প্লীজ্ তই মোক হেল্প কৰনা । - যি কাতৰভাৱে কলে জানক ।

ঃ কি ধৰণৰ হেল্প কৰিব লাগে তোক । মোৰ নামত তই বদনাম হে কৰিবি যেন লাগিছে । নোৱাৰো দেই মই । - জানে লগে লগে কৈ উঠিল তাক ।

ঃ প্লীজ্ জান দোস্ত বুলি এইকন সহায় কৰি দে । মই শপত খাই কৈছো মই তোক বদনাম নকৰো । তই তাইক কেতিয়াও মইয়েই জান বুলি নকবি । - অজানে সঁচাকৈ কানত ধৰি শপত খাই কলে ।

ঃ ঠিক আছে । পিচত ধৰা পৰ যদি মোক নকবি । আৰু কামহৈ গলে মোক পাৰ্টী দিব লাগিব । কেন্টিনত নহয় হেটেল গেলেক্সীত । - জান তাৰ কথাত মান্তি হ'ল । অজানে ফুৰ্তিতে পাৰ্টী দিম বুলি কৈ দিলে । সিহঁতে কথা পাতি মচগুল হৈ থাকোতে কেতিয়ানো ৰাজনীতি বিজ্ঞানৰ শইকীয়াচাৰ ক্লাছ ৰুমলৈ সোমাই আহিল গমকে নাপালে ।

ঃ অই, এতিয়া কি কৰিবি ? কেনেকৈ ওলাবি ইয়াৰ পৰা ? তোকতো আজি বিদিশাই লগ কৰিবলৈ কৈছিল । - দীপে অজানক খোচ মাৰি ফুচফুচাই কলে । জানে ঘড়ীলৈ চাই দেখিলে এঘাৰ বাজি পোন্ধৰ মিনিট গৈছে । তাক বিদিশাই এইটো সময়তে মাতিছিল । এতিয়া কেনেকৈ ওলাব ইয়াৰ পৰা । আজি লগ কৰিব নোৱাৰিলে কি বুলি ভাবিব তাই । হয়তো দ্বিতীয় বাৰ লগ নকৰিবও পাৰে তাক । প্ৰথম দিনাই এনেকুৱা হ'ল । কান-

মূৰ গৰমহৈ আহিল তাৰ । শইকীয়াচাৰলৈ চাই সি দেখিলে চাৰে তলমূৰ কৰি ৰেজিষ্টাৰ বহীখন চাই ৰোলকল কৰিবলৈ আৰম্ভ কৰিছে । হঠাতে সি সিদ্ধান্তটো লৈ পেলালে । সিতো এনেয়েও একেবাৰে শেষৰ বেঞ্চত বহি আছে আৰু তাৰ বহা জেগাটোৰ পিচফালেই ৰ'ড নোহোৱা খিৰিকীখন । এটা ভৰি পাৰ কৰি দিলেই সিটো ভৰি আৰামত পাৰ হৈ আহিব । আগতেও এনেদৰে কেইবাবাৰো পলাই গৈছে সি ।

ঃ দীপ, তই প্ৰক্সি মানে মোৰ হৈ ৰোল নম্বৰ মাতি দিবি । মই এই খিৰিকীখনেদি মনে মনে পাৰহৈ যাওঁ তই মোক ঢাকি থাক । চাৰে তললৈ মূৰ কৰি ৰোলকল কৰি আছে গমেই নাপাব । - অজানে দীপৰ কানে কানে কলে ।

ঃ যা তেন্তে । বেষ্ট অব লাক । - দীপে তাৰ বিশাল দেহটোৰে তাক পাৰ্যমানে ঢাকিবলৈ চেষ্টা কৰি কলে । অজানে এবাৰ শইকীয়া চাৰৰ ফালে চাই হাউলী সোঁ ভৰিটো খিৰিকীখনেদি বাহিৰলৈ উলিয়াই দিলে । তাৰ মূৰত তেতিয়া বিদিশাৰ চিন্তাই দোলাদি আছিল ।

ঃ এই...... এই ..... বদমাছ, ধুৰন্ধৰ, চেনীৰাম, নেজ নথকা বান্দৰ চালা । কত পলাইছ হেঁ কত পলাইছ ? ভৰি খিৰিকীৰ বাহিৰত নথবি কোবাই ভাঙি পঠিয়াম বাপেক্কে । কলেজলৈ পঢ়িব আহিছনে লুকাচুৰি খেলিবলৈ আহিছ । - মেচিন গানৰ গুলীৰ দৰে অহা কৰ্কশ গালিবোৰৰ উৎস বিচাৰি সি পোনহৈ চাওঁতেই দেখিলে কলেজৰ প্ৰিঞ্চিপাল চাৰ টোপা কাড়পাতৰ দৰে তাৰফালেই আহি আছে । হে ভগবান ! প্ৰমাদ গনিলে সি । আজি কি হয় একো ঠিক নাই । সি কি কৰিব কি নকৰিব একো ভাবি নাপালে । হঠাতে তাৰ মগজুত বুদ্ধি এটা খেলালে, প্ৰিঞ্চিপাল চাৰে নেদেখাকৈ জেপৰ পৰা কলমটো উলিয়াই খিৰিকীৰ বাহিৰৰ পকী মজিয়াত পেলাই দিলে । ইতিমধ্যে চাৰ আহি তাৰ ওচৰ পাইছিলহি ।

ঃ তোক মই বহুত দিনৰ পৰা চাই আছো । কলেজত অভদ্ৰামী কৰিবলৈ আহ । খিৰিকীয়েদি ক্লাছ নকৰি পলাবলৈ আহিছ। মাৰৰ কোবত পিঠিৰ ছাল চিঙিম আজি তোৰ । - প্ৰিঞ্চিপাল চাৰে খঙৰ কোবত হাতত লৈ অনা চক্ মাটি দুডাল ভাঙি গুৰি কৰি পেলালে অজানিতে ।

ঃ ন - নহয় মা -- মানে চাৰ ক... ক'তনো পলাবলৈ বিচাৰিছিলো । জেপৰ পৰা কলমটো খিৰিকীয়েদি বাহিৰত পৰি যোৱাৰ কাৰণেহে তুলিবলৈ এইফালে ভৰিটো পাৰ কৰিছিলো । - অজানে কোনোমতে ভয়ে ভয়ে কথা কেইটা কৈ মজিয়াৰ পৰা কলমটো বুটলি আনিলে । তাৰ কথা শুনি প্ৰিঞ্চিপাল চাৰে তাৰ হাতত থকা কলমটোলৈ চাই ক্ষন্তেক তভক মাৰি ৰ'ল । হয়তো ভাবিলে ইয়াক মিছাতেই ইমান গালি পাৰিলো বুলি । সেয়েহে এইবাৰ নৰমসুৰত কলে তালৈ চাই, ''তই সঁচাকৈ কৈছতো ? আগলৈ এনেকৈ বাহিৰত কিবা পৰিলে খিৰিকীয়েদি নহয় দুৱাৰেদি বাহিৰলৈ আহিবি । যা বহগৈ ।'' এনেকৈ কৈয়েই চাৰ গুছি গ'ল । ইফালে হুলস্থূল শুনি সকলোৱে অবাক হৈ পিচলৈ ঘূৰি চাই আছিল । সময়ত তাৰ মগজুত উপস্থিত বুদ্ধিটো খেলোৱা কাৰণে ভগবানক মনে মনে অশেষ ধন্যবাদ দিলে । ইতিমধ্যে শইকীয়া চাৰে তাৰ ৰোল নম্বৰ মতাত সহাঁৰি জনাই বেঞ্চত বহি পৰিল সি । টেক্স বুকখন উলিয়াই চাৰে বুজাবলৈ আৰম্ভ কৰিলে যদিও অজানৰ মূৰত একো নোসোমাল বাৰে বাৰে বিদিশাৰ মুখখন তাৰ চকুৰ আগত ভাঁহি আহিল । ক্লাছ শেষ হোৱাৰ পাচত যেনে তেনে লগ কৰিব বুলি মনে মনে ঠিৰাং কৰিলে ।

★ ★ ★ ★ ★ ★

এই কেই দিনতে সি বিদিশাক বহুত কথাই কৈ পেলালে । তাৰ মিঠা মিঠা কথাবোৰত বিদিশা তাৰ প্ৰতি আকৰ্ষিত হৈ পৰিল । এই কেইদিনতে যেন দুয়োটা বহু ওচৰ চাপি গ'ল । সিহঁতৰ হৃদয়ত প্ৰেমৰ বীজ লাহে লাহে অংকুৰিত হ'বলৈ ধৰিলে । ক্লাছ শেষ কৰি অজান আৰু দীপ দুয়োটা ওলাই আহি চাইকেল ষ্টেণ্ডৰ ওচৰ পালেহি । হঠাতে অজানে দেখিলে বিদিশা লগৰ ছোৱালী জাকৰ লগত খোজ কাঢ়ি গৈছে ।

ঃ অই দীপ, তোৰ এনফিল্ডখন দেচোন । বিদিশাক লিফ্‌ট এটা দি ঘৰত থৈ আহোঁ গৈ । - অজানে দীপৰ এনফিল্ড বুলেটখন খুজিলে । সিঁহত দুয়োটাই সদায় একেলগে দীপৰ এনফিল্ডখনতে কলেজলৈ আহে । অৱশ্যে আজিলৈকে সি সেইখন চলোৱা নাই ।

ঃ তই চলাব পাৰিবি জানো ? নিব খুজিছ যদি নে বাৰু । চাবি ছেকেণ্ড গীয়েৰ নালাগে ডাইৰেক্ট প্ৰথমৰ পৰা তিনি নম্বৰত লাগে । ৰ মই ষ্টাৰ্ট কৰি দিছো । - দীপে চাইকেল ষ্টেণ্ডৰ পৰা এনফিল্ডখন উলিয়াই আনিলে ।

ঃ নালাগে তই ষ্টাৰ্ট কৰিব মই পাৰিম । মই নহালৈকে তই গগন হোটেলত বহি থাকিবি ।- অজানে ষ্টাৰ্ট কৰিবলৈ কিক্ মাৰিবলৈ সাজুহৈ কলে । দুবাৰ মান কিক্ মাৰি চালে - না ষ্টাৰ্ট নহ'ল । গাৰ সমস্ত শক্তি প্ৰয়োগ কৰিব লগা হ'ল দুই বাৰেই । এইবাৰ প্ৰচণ্ড জোৰেৰে কিক্‌টো মাৰিলে সি । হঠাৎ ভৰিটো পিচল খাই কিক্ ডালে ভৰিত আঘাত কৰাত ভাৰসাম্য ৰাখিব নোৱাৰি এনফিল্ডখন এৰি দিলে হাতৰ পৰা সি । বিষত জপিয়াব ধৰিলে সি ।

ঃ কৈছিলো নহয় তোক মই ষ্টাৰ্ট কৰি দিওঁ বুলি । এতিয়া পাইছ মজা চলাব পাৰিবিনে নোৱাৰ ? - দীপে এনফিল্ডখন তুলি কলে ।

ঃ তই ষ্টাৰ্ট কৰি দে । পাৰিম চলাব । জোতা পাত পিচল খাই গ'ল কাৰণেহে সেইডালে আহি ভৰিত মাৰিলেহি । - অজানে কেকাঁই কেকাঁই কলে । দীপে একে কিকে এনফিল্ডখন ষ্টাৰ্ট কৰি দিলে । অজানে উঠিলৈ প্ৰথমে ফাৰ্ষ্ট গীয়েৰত লগাই অলপদূৰ লাহে লাহে চলালে । সি বিদিশা যোৱাৰ ফালে চাই দেখিলে তাই ইতিমধ্যে বহুদূৰ পালেগৈ । এইবাৰ সি গীয়েৰ চেঞ্জ কৰিলে । ছেকেণ্ড গীয়েৰ শ্লীপ হৈ থাৰ্ড গীয়েৰত লাগিলগৈ । এনফিল্ডখন এইবাৰ তীব্ৰ বেগত আগবাঢ়িল । ক্ৰমান্বয়ে অজান বিদিশাহঁতৰ কাষ চাপি আহিল । ওচৰ পাই সি ব্ৰেক মাৰিবলৈ চেষ্টা কৰিলে যদিও তীব্ৰ বেগত অহা কাৰণে বিদিশাহঁতক পাৰ হৈ গ'ল । প্ৰচণ্ড জোৰেৰে হেঁচা মাৰি ধৰিলে ব্ৰেকত সি ।

ঃ বিদিশা .... আ ..... আ ! চিঞৰটো তাৰ শেষ হবলৈকে নাপালে এনফিল্ডখন গৈ ৰাস্তাৰ কাষৰ বালিৰ দমটোত সোমালেগৈ । অজান বহি থকা ঠাইৰ পৰা উফৰি মুখ গুজি বালিখিনিতে পৰিলগৈ । তাৰ অৱস্থা দেখি গোটেই জাক ছোৱালীয়ে হাঁহি দিলে । লৰালৰিকৈ উঠি বিদিশাৰ ফালে চাই গোটেই বালিৰে কলাহৈ যোৱা দাঁত কেইটা উলিয়াই বুৰ্বকৰ দৰে হাঁহিলে । বিদিশাই পোন্দোৱাকৈ তাৰ ফালে এবাৰ চাই আগলৈ খোজ ললে । সেই সময়তে বিপৰীত ফালৰ পৰা কোনোবা এটাই বাইক চলাই

আহি থকা দেখিলে সি । বাইকখন আহি বিদিশাৰ কাষত ৰৈ দিলে । অজানে স্পষ্টকৈ দেখিলে তাই আগন্তকৰ লগত অলপদেৰী কথা পাতি বাইকৰ পিচফালে উঠি দিলে । আগন্তকে আকৌ বিদিশাকলৈ অহা বাটে ঘুৰি গ'ল । দৃশ্যটো দেখি তাৰ নিজকে কিবা কিবা লাগি গ'ল । কোন হ'ব পাৰে সেইটো ? চিন্তাবোৰে তাৰ মনটো খেলি মেলি লগাই দিলে । এনফিল্ডখন পৰি থকাৰ পৰা উঠাই ঠেলি ঠেলি গুছি আহিল সি ।

★ ★ ★ ★ ★ ★

আজি অজান আৰু দীপ দুয়োটাই অলপ সোনকালে আহি গগন হোটেলত বহি আছেহি । এনেয়ে কি মন গ'ল জানো সিহঁত দুয়োটাই সোনকালেই ঘৰৰ পৰা ওলাইছিল । হঠাতে দীপে খোচ মাৰি ইঙ্গিতেৰে ৰাস্তালৈ দেখুৱালে অজানক । টিণ্ডিছকৈ খঙটো উঠি আহিল তাৰ । সি দেখিলে বিদিশা আৰু সেইদিনাৰ ল'ৰাজন । ল'ৰাজনে সেই নীলাৰঙৰ স্পেলন্দাৰ মটৰচাইকেলখন চলাই আহিছে । আজি তাইক সি সুধিবই ইমানদিন প্ৰেমৰ খেলা কিয় খেলিলে তাৰ লগত । ইতিমধ্যে বিদিশাহঁত আহি গগন হোটেলৰ ওচৰ পাইছিলহি । অজানে ভিতৰৰ পৰা ওলাই আহিল আৰু সিহঁতক ৰবলৈ হাতেৰে ইঙ্গিত দিলে । ল'ৰাজনে বাইকখন তাৰ গাৰ কাষতে ৰখাই দিলে ।

ঃ বিদিশা, আজিকালি তুমি বেচিকৈয়ে আৰ-তাৰ লগত ঘূৰিবলৈ আৰম্ভ কৰিছা । তোমাৰ লগত কথা আছে এইফালে আহাঁ । - এই বুলি সি বিদিশাৰ হাতত ধৰি টানিব ধৰিলে । বিদিশাই তাৰ আচৰণত আচৰিত হ'ল আৰু তাৰ পৰা হাতখন এৰুৱাবলৈ যত্ন কৰিলে । তাইৰ লগত অহা ল'ৰাজনে আকস্মিক ভাৱে ঘটা ঘটনাটোত হতভম্ব হৈ ৰ'ল যদিও পিচমুহূৰ্তে অজানৰ চোলাৰ কলাৰত ধৰি কলে -

ঃ আপুনি ইয়াৰ পৰা আঁতৰি যাওঁক নহলে কথা বেয়া হ'ব । -

ঃ কি কলি চেনীবাম কুকুৰ, বাহিৰৰ পৰা আহি কলেজত ছোৱালী লাইন মাৰিব আহিছ । চিনি পোৱা নাই । - এই বুলি অজানে ল'ৰাজনক ঠেলা মাৰি দিলে । ল'ৰাজন কোনোমতে নপৰাকৈ ৰ'ল ।

ঃ চুপ থাক অসভ্য কৰবাৰ । - লৰাজনৰ ধৈৰ্যৰ বান্ধ যেন খুলি গ'ল ।

ঃ নুচুপো কি কৰিবি তই । - কি ওলাই গৈছে মুখৰ পৰা সেইবোৰলৈ তাৰ ভ্ৰুক্ষেপেই নাই । আগবাঢ়ি গৈ দিলে ল'ৰাজনক এঘোঁচা লগাই । লৰাজনে খঙত একোনাই হৈ উপৰা উপৰিকৈ অজানক চাৰি ঘোঁচা মান লগাই দিলে । মুখত ধৰি সি মাটিত বহি পৰিল । ঘটনাৰ আকস্মিকতাত বিদিশা আৰু দীপ দুয়োটাই কিংকৰ্তব্য বিমূঢ় হৈ পৰিল । বিদিশাই লৰাজনক গালি পাৰি আঁতৰলৈ লৈ গ'ল । ইফালে দীপে অজানক ধৰি ধৰি হোটেলখনৰ ভিতৰলৈ লৈ আহিল । বিদিশাই লৰাজনক লৈ কলেজত নোসোমোৱাকৈয়ে উলটি গুচি গ'ল । অজান হোটেলৰ বেঞ্চতে মূৰথৈ পৰি ৰ'ল । ক'ৰ পৰা যে কি হৈ গ'ল । ফেঁকুৰি ফেঁকুৰি কান্দিবলৈ ধৰিলে সি । দীপে অবাক হৈ তাৰ ফালে চাই থাকিল ।

★ ★ ★ ★ ★ ★

সেইটো ঘটনা হৈ যোৱাৰ পাছৰ পৰা কেইবাদিনো সি কলেজত ভৰি দিয়াহি নাছিল । আজি তিনিচুকীয়া কলেজৰ লগত মেছ আছে কাৰণেহে আহিছে সি । আহিবলৈ মন নাছিল, ৰাজীৱে সিদিনা ঘৰত আহি কৈ গ'লহঁতাক বোলে টিমত পাঁচ নম্বৰ বেটছমেন ৰূপে খেলাইছে সেয়েহে আহিলে সি । ঘড়ীলৈ চালে সি ন বাজি পোন্ধৰ মিনিট গৈছে । খেল দহ বজাৰ পৰা আৰম্ভ হ'ব । ইতিমধ্যে তিনিচুকীয়া কলেজৰ টিমটো আহি পাইছিলহি । দৰ্শকবোৰ এজন দুজনকৈ গোট খাব ধৰিলে । অজানে বহি থকা ঠাইৰ পৰা দৰ্শক থকা ফালে চকু ফুৰাই চালে । মঞ্চৰ দৰে কৰি দিয়া ঠাইত চাৰ-বাইদেউ সকল বহিছে । প্ৰিঞ্চিপাল চাৰে খেল আৰম্ভ হোৱাৰ আগতে সকলৈ ভাষণ এটা দিলে । ইতিমধ্যে টছ কৰা হৈ গৈছিল । বিপক্ষৰ অধিনায়কে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত ললে । এটা ইনিংছত ২৫ অভাৰৰ খেল । অজানহঁতৰ দলৰ অধিনায়ক ৰাজীৱ আৰু অনুপ অপেনাৰ হিচাপে ফিল্ডত নামিল । অজানে আকৌ দৰ্শকৰ ফালে চাই পঠিয়ালে তাৰ চকু যুৰিয়ে দৰ্শকৰ মাজত বিদিশাৰ মুখখন বিচাৰিবলৈ ধৰিলে । নেদেখিলে তাইক ক'তো । বাইকত উঠি ঘূৰি ফুৰিছে কিজানি চালা সেইডালৰ লগত । মুখখন ঘূৰাই আনি সি ফিল্ডলৈ চালে । ৰাজীৱে প্ৰথম বলটো ফেচ কৰিলে । দীৰ্ঘকায়ী বলাৰ জনে প্ৰচণ্ড বেগত ডেলিভাৰী দিয়া বলটো ডিফেঞ্চিভ্ খেলিলে সি । ইফালে দৰ্শকৰ ফালৰ পৰা মাৰ মাৰ আদি চিঞৰবোৰ আহিবলৈ ধৰিলে । ৰাজীৱে পাঁচ নম্বৰ বলটো হুক্ কৰি স্কোৱেৰ লেগৰ ফালে মাৰি পঠিয়ালে । লগে লগে কমেন্টেটৰৰ চিঞৰ ৱান বাউন্স ফ'ৰ । ধীৰে ধীৰে সিহঁতৰ দলৰ ৰান বৃদ্ধি পাবলৈ ধৰিলে । অজানৰ হঠাতে মনটো বেয়া লাগি আহিল । বিদিশালৈ মনত পৰিব ধৰিলে । সি এবাৰ কেন্টিনৰ ফালৰ পৰা আহোঁগৈ বুলি সকলোকে মাত লগাই বহাৰ পৰা উঠি আহিল । তাক তেনেকৈ যোৱা দেখি টিমৰ বাকী কেইটাই পিচফালৰ পৰা কিবা কৈছিল সি সময়ত পাই যামহি বুলিকৈ লৰালৰিকৈ গুছি আহিল ।

★ ★ ★ ★ ★ ★

কেন্টিনত সোমাই অজানে একাপ চাহৰ অৰ্ডাৰ দিলে । চাহ খাই খাই সি হৈ যোৱা ঘটনাবোৰৰ কথা ভাবিব ধৰিলে । সি বাৰু ভুল কৰিছে নেকি ? সেইদিনা সি তেনেদৰে বিদিশাক ব্যৱহাৰ কৰিব নালাগিছিল ছেঃ কি যে হৈ গ'ল । তাই হয়তো আজি নাহিব । আহিলে সি তাইৰ ওচৰত ক্ষমা খুজিব মনে মনে ভাবিলে যি । কিমান সময় সি এনেদৰে বহি কথাবোৰ চিন্তা কৰি আছিল কব নোৱাৰিলে । ছিলমিলকৈ টোপনি আহি গৈছিল তাৰ । হঠাতে কোনোবাই আহি তাক সজোৰে জোকাৰি দিয়াত থতমত খাই চকু মেলি চোৱাত দেখিলে । ৰাজীৱে ফোফাই ফোফাই তাৰ ফালে চাই আছে । তাৰ মানে ৰাজীৱ আউট হ'ল । ঘপকৈ থিয় হ'ল অজান ।

ঃ অই পাগল, তই ফিল্ডৰ পৰা কিয় গুছি আহিলি ? এইবোৰ কাৰণতে তোক নেখেলাওঁ বুলি সকলোৱে কৈছিল । খেলিবলৈ মন নাই যদি আগতেই কেলেই নকলি । আমাৰ আঠটা উইকেট পৰিল । ২০ অভাৰত ১০৫ ৰান । তই আহিবি বুলি বাট চাওঁতে তোৰ পিচৰ কেইটাই বেটিং কৰিলে । ইমানদেৰী ইয়াত কি মূৰটো কৰি আছিলি । ব'ল ব'ল সোনকালে । - ইমানখিনি কথা একে লেখাৰিয়ে কৈ তাৰ ভাগৰ লাগিছিল বোধ কৰো । বেঞ্চত থকা জাৰটোৰ পৰা পানী এগিলাচলৈ কোঁট কোঁটকৈ খালে সি । ধেৎ তেৰিকা বিশ অভাৰ হৈ গ'ল । ইমান দেৰী বহি আছিলনে

সি । দেৱী নকৰি সিহঁত দুইটাই প্ৰায় দৌৰি যোৱাদি ফিল্ডলৈ বুলি অগ্ৰসৰ হ'ল । হঠাতে ফিল্ডৰ ফালৰ পৰা অহা হুলস্থূলৰ শব্দ সিহঁতৰ কানত পৰিল । লগে লগে মাইকত শুনা গ'ল ন নম্বৰ বেটছ্ মেন ক্লীন বল্ডহৈ আউট । এইবাৰ দুয়োটাই ৰেচকৰ্টৰ যোঁৱাৰ দৰে দৌৰিবলৈ আৰম্ভ কৰিলে । ফুফাই ফুফাই সিহঁত আহি নিজৰ দলৰ খেলুৱৈখিনিৰ কাষ পালেহি । অজানে লৰালৰিকৈ পেড - হেলমেট লগাই হাতত বেটখনলৈ ফিল্ডৰ মাজলৈ দৌৰিলে । সি ক্ৰিজৰ ওচৰলৈ আহি দেখিলে নন্ ষ্ট্ৰাইকিং এণ্ডত তেতিয়া অনুপম বৈ আছিল । অনুপম তাৰ কাষলৈ আহিল ।

ঃ আৰু মাত্ৰ পাঁচ অভাৰ আছে । যিমান ৰাণ কৰিব পাৰো সিমানে আমাৰ কাৰণে ভাল কাৰণ বিপক্ষ বেটিং আমাতকৈ ভাল । তই মাত্ৰ উইকেট চম্ভালিবি পাৰিলে বেয়া বল পালে মাৰিবি । মই যি পাৰো কৰিম । - অনুপমে দক্ষ বেটছমেনৰ দৰে তাক বুজালে । সি মূৰ দুপিয়াই শলাগিলে মাত্ৰ । অজানে ক্ৰিজলৈ আহি বেটখনেৰে উইকেটৰ গাৰ্ড ললে আৰু বলাৰে ডেলিভাৰী দিয়ালৈ বাট চালে । দীঘল দীঘল খোজেৰে বলাৰ জনে বল দিবলৈ তাৰফালে আগবাঢ়ি আহিল । অজানে তাৰ বুকুৰ ঢপঢপনিটো স্পষ্টকৈ শুনা পালে । প্ৰচণ্ড বেগত অহা বলটো কেতিয়ানো আহি তাৰ হেলমেটত লাগিলহি তলকিবই নোৱাৰিলে । থৰমৰ খাই লুটি খাই পৰিল সি ক্ৰিজতে । তাৰ অৱস্থা দেখি চাৰিওফালে হাঁহিৰ ৰোল উঠিল । মনে মনে বৰ লাজ পালে সি । দ্বিতীয় আৰু তৃতীয় বলটো কোনোমতে ৰখালে সি । চাৰিওফালৰ পৰা তাক উদ্দেশ্যি ঠাট্টা - মস্কৰাবোৰ বতাহত উৰি আহিব ধৰিলে । অজানে তাৰ মনটো দৃঢ় কৰি ললে । চতুৰ্থ বলটো লেগ ষ্টাম্পৰ সামান্য বাহিৰত পৰাত সুবিধা পাই সি স্কোৱেৰ লেগৰ ফালে চুইপ কৰিলে । বলটো গৈ বাউণ্ডেৰী লাইনত আশ্ৰয় ললে । ফ'ৰ ! দৰ্শক কিৰিলিয়াই উঠিল । মিডিল ষ্টাম্প থিয়াই অহা পঞ্চম বলটো সি ষ্ট্ৰেইট ড্ৰাইভ কৰি লং অনৰ ফালে উঠাই দিলে এটা নিশ্চিত ছিক্স । আকৌ দৰ্শকৰ চিৎকাৰ । অভাৰৰ অন্তিম বলটো এক্সট্ৰা কভাৰৰ ফালে লাহেকৈ ঠেলি একৰান ললে সি । এটা সময়ত সম্পূৰ্ণ পছিশ অভাৰৰ পিচত সিহঁতৰ কলেজৰ ৰাণ সংখ্যা হ'ল গৈ এশ চল্লিশ । অজানে বিস্ফোৰক বেটিঙেৰে কম বলত পয়ত্ৰিশ ৰাণ কৰিলে । অনুপমে কেৱল উইকেটৰ এটা দিশত থাকি তাক খুচুৰা ৰাণ লোৱাত সহায় কৰিলে । অজানৰ সাহসী বেটিঙৰ কাৰণে সকলোৱে তাক শলাগিলে । আধা ঘণ্টা বিৰতিৰ পাছত খেল পুনৰ আৰম্ভ হ'ল । অজানৰ ফিল্ডিং দুৰ্বল কাৰণে ৰাজীৱে তাক স্কোৱেৰ লেগত ফিল্ডিং কৰিবলৈ দিলে । শক্তিশালী বেটিঙৰ অধিকাৰী তিনিচুকীয়া দলে আৰম্ভণিৰে পৰা কোবাই খেলি প্ৰথম দহ অভাৰত বিনা উইকেটত সত্তৰ ৰাণ কৰিলে । ৰাজীৱে উপায়হীন হৈ ৰাণ চেক হওঁক বুলি স্পিনাৰ ৰাজেশক বলিং কৰিবলৈ দিলে । ৰাজেশৰ প্ৰথম বলটোতেই ফ'ৰ কোবালে । তাৰ মুখত হতাশাৰ চিন ফুটি উঠিল । দ্বিতীয় বলটো সি মিডিল ষ্টাম্প লক্ষ্য কৰি চিধা চিধা পেলাই দিলে । শ্ল বলটো বেটছ্ মেন জনে চুইপ কৰিবলৈ যাওঁতে পেডত লাগিল । অজানহঁতে সমস্বৰে চিঞৰি উঠিল হাউজ দেট ! আম্পায়াৰে আঙুলী ওপৰলৈ দাঙিলে । ফুৰ্তিত ক'ব নোৱাৰাহৈ অজানহঁত চিঞৰি উঠিল । এইবাৰ যেন ক্ৰিকেট দেৱতা সিহঁতৰ প্ৰতি সন্তুষ্ট হৈ পৰিল । ৰাজেশৰ গুগলীত নতুনকৈ অহা বেটছ্ মেনজন ক্লীনবল্ড হ'ল । সকলো ফিল্ডাৰে আহি ৰাজেশক সাম্ভাব্য হেট্ৰিকৰ কাৰণে বেষ্ট অব লাক দিলে । নতুন বেটছমেনজন আহি উইকেটৰ চাৰিওফালে এবাৰ চাই ললে । ৰাজেশে উৎসাহেৰে বলটো ডেলিভাৰী দিলে । এইবাৰ তাৰ বলটো মাটিত পৰিবলৈকে নিদিলে বাওঁহতীয়া বেটছমেনজনে । সি ক্ৰিজৰ পৰা ওলাই আহি বলটো কোবাই এক্স্ট্ৰাকভাৰ বাউণ্ডেৰী লাইনৰ বাহিৰ কৰি পঠিয়ালে । আম্পায়াৰে দুইহাত ওপৰলৈ তুলি ছিক্সাৰৰ নিৰ্দেশ দিলে । লাহে লাহে আকৌ ৰাণ বৃদ্ধি পাবলৈ ধৰিলে । এইবাৰ অবশ্যে নিয়মিত গতিত উইকেটো পৰিবলৈ ধৰিলে । এটা সময়ত তিনিচুকীয়া দলৰ আঠ উইকেটত এশ বিশ ৰাণ হ'ল । তেতিয়াও পাঁচ অভাৰ বলিং কৰিবলৈ বাকী আছিল । এইবাৰ কেপ্টেইন ৰাজেশে নিজেই বলিং কৰিবলৈ আগবাঢ়ি আহিল । সি মিডিয়াম পেচেৰে প্ৰথম বলটো দিলে । বেটছ্ মেন জনে বলটো স্কোৱেৰ লেগত ফিল্ডিং কৰি থকা অজানৰ ফালে মাৰি পঠিয়ালে অজানে দেখিলে বলটো প্ৰচণ্ড বেগত তাৰ ফালে আহি আছে । বলটো ধৰিবলৈ সি হাউলী হাত দুখন কাষ চপাই আনিলে । বলটোৱে তাৰ হাতদুখনক প্ৰতাৰণা কৰি ভৰিৰ তলে দিয়ে সৰকি বাউণ্ডেৰী লাইন চুবলৈ দৌৰ মাৰিলে । তাৰ ভুলৰ কাৰণে ফ'ৰ হোৱাৰ কাৰণে ৰাজীৱে আহি গালি শুনালে তাক । ইমানবোৰ মানুহৰ আগত বৰ লাজ পালে সি । তেইশ অভাৰৰ পিচত বিপক্ষ দলৰ ৰাণ হলগৈ এশ ত্ৰিশ । তিনিচুকীয়া দলক জিকিবলৈ আৰু এঘাৰ ৰাণ লাগে অন্তিম দুই অভাৰত । অন্তিম দুই অভাৰৰ এক অভাৰ ৰাজেশৰ আৰু এক অভাৰ ৰাজীৱৰ আছে । ৰাজেশ বলিং কৰিবলৈ আগবাঢ়ি আহিল । ৰাজেশৰ প্ৰথম বলটো বেচেৰা বেটছমেনজনে চুইপ কৰিবলৈ যাওঁতে গ্লভছ্ত লাগি উইকেটকীপাৰ জিষ্ণুৰ হাতত সোমালগৈ । সিহঁত গোটেই জাকৰ আপীলত আউটৰ সিদ্ধান্ত দিলে আম্পায়াৰে । উত্তেজনাত দৰ্শকৰ চিঞৰ বাখৰ ক্ৰমাৎ বাঢ়ি আহিব ধৰিলে । ন নম্বৰ বেটছমেনৰ প্ৰবেশ ঘটিল । সি আহিয়েই ৰাজেশৰ দ্বিতীয় বলটো ফ'ৰ কোবাই দিলে । অবশ্যে ৰাজেশৰ তৃতীয় আৰু চতুৰ্থ বলটো ডিফেন্সিভ্ খেলিবলৈ বাধ্য হ'ল সি । আকৌ সিহঁতৰ কলেজৰ সমৰ্থকবোৰ চিঞৰি উঠিল । বেটছমেনজন ক্ৰিজৰ পৰা ওলাই অহা দেখি ৰাজেশে এইবাৰ পঞ্চম বলটো অত্যন্ত চতুৰতাৰে দিলে । বেটছমেনজনে চকু মুদি বেট ঘূৰাই দিলে । বলটো স্কোৱেৰ লেগৰ ফালে বহু ওপৰলৈ উঠি গ'ল । অজানে বলটোৰ ফালে চাই থাকিল ।

ঃ অই গৰু, কি চাই আছ ? দৌৰ, কেটছ্ ইট ! - ৰাজীৱে চিঞৰিলে অজানে তেতিয়াহে সম্বিত ঘূৰাই পালে । বলটোলৈ চাই চাই উলটি দৌৰিবলৈ ধৰিলে সি । আহি আহি সি ক্ৰমাৎ বাউণ্ডেৰী লাইনৰ ওচৰ পালেহি চকু তেতিয়াও তাৰ বলটোৰ ওপৰত । সি ওপৰলৈ চাই অনুমান কৰিলে বলটো এইখিনিতেই পৰিব লাগে । হঠাতে দৰ্শকৰ মাজৰ পৰা কোনো বা ছোৱালীয়ে জানদা কেটছ্ ইট ! বুলি চিঞৰা শুনিলে । অজানে সকলো পাহৰি চিঞৰটো অহা ফালে চাই পঠিয়ালে । বিদিশা । বিদিশাই মাতিছে তাক । এইখিনিতে সি ভুল কৰিলে প্ৰচণ্ড বেগত নামি অহা বলটোৱে তাৰ নাক ভাঙি দিলে । চিঞৰ এটা মাৰি নাকত দুহাতেৰে ধৰি বহি পৰিল সি ইফালে ৰাজীৱে মূৰে কপালে হাত দি হুমনিয়াহ এটা কাঢ়িলে । সকলো দৌৰি আহিল অজানৰ ওচৰলৈ । তাৰ অৱস্থা দেখি সকলোৱে তাক খেলিব নালাগে বুলি কৈছিল যদিও সি নাকৰ পৰা

ওলোৱা তেজখিনি ধুই অলপমান সুস্থ হৈ খেলিব পাৰিম বুলি কলে । বিপক্ষৰ দলক তেতিয়া জিকিবলৈ সাতটা বলত তিনি ৰাণ লাগে ৰাজেশে তাৰ অভাৰৰ অন্তিম বলটো দিলে । এইবাৰ বেটছমেন জনে ওলাহি খেলিবলৈ গৈ লাইন মিচ কৰি ষ্টাম্পিং হ'ল । চাৰিওফালে আকৌ হুলস্থূল লাগি গ'ল । তিনিচুকীয়া দলৰ অন্তিম বেটছমেন জন আহি ক্রিজত উপস্থিত হ'ল । অন্তিম অভাৰৰ প্ৰথম বলটো ৰাজীৱে সুচতুৰ ভাৱে দিলে । কোনো ৰাণ কৰিব নোৱাৰিলে নতুন বেটছমেন জনে । পিচৰ বাকী তিনিটা বলটো যেতিয়া বেটছমেন জনে ৰাণ ল'ব নোৱাৰিলে অজান হতঁৰ উত্তেজনা তুংগত উঠিল । ৰাজীৱৰ পঞ্চম বলটো অফ ষ্টাম্পৰ সামান্য বাহিৰত পৰিল । সুবিধা পাই বেটছমেন জনে বলটো গালী পইন্টৰ ফালে কাট্ কৰি দুই ৰাণ ললে । অন্তিম বল এক ৰাণ লাগে তিনিচুকীয়া কলেজ টিমক জিকিবলৈ । দুয়োপক্ষৰে স্কৰ সমান সমান । সকলোৱে বুজিলে এতিয়া আৰু অজানহঁত কেতিয়াও নিজিকে । ভাগ্যত থাকিলে হয়তো পৰাজয় ৰোধ কৰিব পাৰিব ভাবিলে ৰাজীৱে । অজানহতঁৰ মুখবোৰ শুকান হৈ পৰিল । ৰাজীৱে গাৰ সমস্ত শক্তিৰে বলটো বেটছমেনজনৰ ফালে দলিয়াহি দিলে । বলটো চৰ্টপিচ্‌ড হৈ বেটছমেনজনৰ গাৰফালে উঠি আহিল । হুক্ কৰিলে বেটছমেনজনে বলটো । অজানে দেখিলে বলটো তাৰ সোঁফালেদি জোৰেৰে আহিব লাগিছে । সি বলটো অহালৈ বাট চালে । সকলোৱে নিস্তব্ধ হৈ তাক লক্ষ্য কৰি আছে । সকলো নিশ্চিত হৈ গ'ল ই ক'ত বলটো ধৰিব পাৰিব । আজি সিহঁতৰ কলেজ হাৰিলে । ইতিমধ্যে বলটো আহি তাৰ কাষ পালেহি । অজানে মৰো জীঁউ সোঁ আধিকৈ সোঁফালে বলটো লক্ষ্য কৰি প্ৰকাণ্ড জাঁপ এটা মাৰি পঠিয়ালে । বলটো বেগেৰে আহি তাৰ হাতত নোসোমাই তাৰ বুকুত আঘাত কৰিলে । কাঁহি উঠিল সি । বিষত জ্ঞান শূন্য হোৱাৰ দৰে ওপৰলৈ মুখ কৰি মৰাৰ দৰে বাগৰি পৰিল । সকলো নিশ্চিত হ'ল সি বলটো ধৰিব নোৱাৰিলে । ইফালে এক ৰাণ পুৰা কৰি তিনিচুকীয়া দলৰ বেটছমেন দুজনে আনন্দত জপিয়াবলৈ ধৰিলে অজানক তেনেকৈ লৰচৰ নকৰাকৈ পৰি থকা দেখি সকলো এইটো মৰিলেই কিজানি বুলি দৌৰি তাৰ ওচৰলৈ আহিল । ইমান পৰে অজান অলপমান সুস্থ হৈছিল । সি পৰি থকাৰ পৰাই বলটো বিচাৰি ইফালে - সিফালে চালে । হঠাতে কথা এটা মন কৰি তাৰ হাঁহি উঠি আহিল । থিয় হৈ সি জপিয়াই জপিয়াই হাঁহিবলৈ ধৰিলে । তাক আগুৰি ৰৈ থকা সকলো আচৰিত হ'ল । ই পগলা হোৱা নাইতো । অথনি নাকৰ আঘাত পাইছিল এতিয়া বুকুত, জৰুৰ বলিয়া হ'ল ই । ৰাজীৱৰ খঙটো উঠি আহিল টিঙিচকৈ খঙেৰে কলে সি, ''ইমান সাধাৰণ কেচটোকে ধৰিব নোৱাৰিলি । ক্ৰিকেট খেলিবলৈ আহ, লাজ নাই । তোৰ কাৰণেই আজি-হাৰিলো সেইকাৰণে তোক টিমত ল'বলৈ মন নাছিল । দাঁত চেলাবলৈ আহিছ ।''

এইবাৰ অজানে আগতকৈ জোৰেৰে হাঁহি হাঁহি পিন্ধি থকা চোলাটোৰ ভিতৰৰ পৰা তেজ ৰঙা ক্রিকেট বলটো উলিয়াই আনিলে । তাৰ পিছত সকলোৱে শুনাকৈ চিঞৰি কবলৈ ধৰিলে, ''আমি হৰা নাই! অই, আমি হৰা নাই! বলটো ধৰিবলৈ যাওঁতে বুকুত লাগি চোলাৰ বুটাম চিঙি ভিতৰলৈ সোমাই গৈছিল, মাটিত পৰাই নাই ।''

তাৰ কথা শুনি সকলোৱে তাৰ ওপৰৰ এটা বুটাম চিগা চোলাটোলৈ চাই ক্ষন্তেক সময় নিস্তব্ধ হৈ ৰ'ল । হঠাতে ৰাজীৱ, অনুপম, জিষ্ণু, ৰাজেশ সকলোৱে সমস্বৰে চিঞৰি উঠিল হাউজ দেট ! আম্পায়াৰ দুজনে ক্রিজলৈ আহি আলোচনা কৰি আউটৰ সিদ্ধান্ত দিলে । যিহেতু বল মাটিত পৰা নাছিল বিপক্ষ দলেও আপত্তি কৰিবৰ থল বিচাৰি নাপালে । ফিল্ডৰ মাজৰ পৰা অজানক কান্ধত তুলিলৈ ৰাজীৱ আৰু তাৰ পিচে পিচে ৰাজেশহঁতে চিঞৰি চিঞৰি দৰ্শকৰ ফালে আগবাঢ়ি আহিল । দৰ্শক সকলে সিহঁতক অভিনন্দন জনালে । দৰ্শকৰ মাজত চাৰ বাইদেউ আৰু প্রিঞ্চিপাল চাৰ আহি আকোঁৱালী ধৰিলে সিহঁতক । তাৰ পিছত সিহঁতৰ দলটো লগৰ লৰা - ছোৱালীখিনি থকা ফালে আহিল । হঠাতে অজানে দেখিলে বিদিশা আহি আছে তাৰ ফালে । তাই অলপদেৰী তাৰ চকুলৈ চাই হঠাতে তাৰ হাতত ধৰি কলে - , ''আপোনাক ডাঙৰ কথা এটা কবলৈ আছে । ইয়াত নকওঁ ।''

বুকুখন চিৰিঙকৈ মাৰিলে তাৰ । সেইদিনা তাক মৰা লৰাটোৰ কথা ক'ব নেকি যে তাক তাই ভাল পায় । সেইটোৱে হ'ব চাগে । আঁতৰত কলেও সি তাইক হেৰুৱাব ইয়াত সকলোৰে আগত কলেও হেৰুৱাব । সি মনটো ডাঠ কৰি ললে ।

ঃ কি কবলগীয়া আছে ইয়াতে কোৱা । - গম্ভীৰভাৱে কলে সি ।

ঃ সিদিনাৰ ঘটনাটোৰ বাবে মই সঁচাকৈ লজ্জিত । মোৰ ভুলৰ বাবে এনে হ'বলৈ পালে । সেইজন মোৰ মামাৰ লৰা হয় । তাক মই কথাটো ঘৰত বুজালো । মোক ক্ষমা কৰি দিবনে ? - বিদিশাই তলমূৰ কৰিয়েই কথাবোৰ কৈ গ'ল । হে ভগবান ! সেই ল'ৰাজন বিদিশাৰ মামাৰকৰ ল'ৰা । সি মিছাতে তাইক সন্দেহ কৰিছে । ইতিমধ্যে তাই কাৰোবাক হাত বাউল দি মাতিলে অজানে দেখিলে সেই ল'ৰাজন । লাজতে সি তল মূৰ কৰিলে । ল'ৰাজন আহি তাৰ ওচৰ পালেহি ।

ঃ জান দা, সিদিনা আপোনাক কৰা ব্যৱহাৰৰ বাবে মই দুঃখিত, মই ঘৰত আহিহে এইৰ মুখেৰে কথাবোৰ গম পালো - ল'ৰাজনে হাতযোৰকৈ ক্ষমা খুজিলে তাৰ পৰা ।

অজানে লাজ পাই ল'ৰাজনৰ হাতত ধৰি কলে, ''মোক লাজ দিছা কিয় ? ক্ষমা আচলতে মইহে খুজিব লাগে । মইহে আগতে গণ্ডগোল লগাই গৈছিলো । এতিয়া হিচাপ বৰাবৰ হৈ গ'ল নে কি কোৱা ?

ঃ না ... না এতিয়াও হিচাপ বৰাবৰ হোৱা নাই । এইক আপোনাৰ লগত মিল কৰাই নিদিলে ঘৰত গালিৰ কোবত থাকিবলৈ ঠাই নোহোৱা কৰিব । - এইবুলি ল'ৰাজনে বিদিশাৰ হাতখন অজানৰ হাতত দি দিলে । বিদিশাই লাজতে তল মূৰ কৰিলে ।

ঃ তোমাক মোৰো কথা এটা ক'ব লগীয়া আছে । - অজানে তাইক সি যে প্ৰকৃত জান নহয় কৈ দিম বুলি ভাবি কলে ।

ঃ মই জানো । আচল জানে মোক কৈছে । আপুনি সঁচা কথা কোৱা হলেও মই আপোনাক ভাল পালোহেঁতেন । - বিদিশাই তাৰ চকুলৈ চাই কলে । অজানে জোৰেৰে তাইক সাৱটি ধৰিলে গভীৰ মৰমত ।

ঃ ওপৰৱালা জবভি কিছিকো কুছ দেতা হে চপ্পৰ ফাৰকে দেতা হে । - ওচৰতে ৰৈ থকা দীপে সকলোৱে শুনাকৈ চিঞৰি কলে । অজান লগৰ গোটেই জাকে আনন্দত কিৰিলিয়াই উঠিল ।

( বিঃ দ্রঃ - ঘটনাটোৰ লগত কোনো বাস্তৱ সামঞ্জস্য নাই - লেখক । )

অতিথি শিতান

# ডিগবৈৰ গান্ধী মৈদান

❑ বিনন্দ কুমাৰ কোঁৱৰ
'আমাৰ অসম' আৰু 'অসমীয়াখবৰ'
কাকতৰ ডিগবৈৰ সাংবাদিক ।

ডিগবৈৰ মাজে মাজে জমা হৈ থকা তেলীয়া পানীৰ ডোঙা আৰু হাতীৰ ভৰিত লাগি অহা তেল বোকাত, চাক্ষুস উমান পাই, চৰকাৰী - অনুজ্ঞা পত্ৰ লৈ, কোম্পানীৰ সঞ্চালক সকলৰ অনুমোদন ক্ৰমে অসম ৰেলওৱেজ্ এণ্ড ট্ৰেডিং কোম্পানীৰ ইঞ্জিনিয়াৰ ডব্লিউ, এল, লেক চাহাবে ১৮৮৯ চনৰ চেপ্তেম্বৰ মাহত ডিগবৈৰ ১ নং তেল কুপটো খানিবলৈ আৰম্ভ কৰি ১৮৯০ চনত ৬৬২ ফুট তলত তেল পাইছিল । এই তেল কুপটোৰ পৰা দিনে ২০০ গ্যালন বা ৫ বেৰেল খাৰুৱাতেল ওলাইছিল । এই কুপ খানোতে প্ৰথম ভাপ চালিত যন্ত্ৰ ব্যৱহাৰ কৰিছিল । এইয়েই দেশৰ প্ৰথম তেল পথাৰ ডিগবৈৰ সংক্ষিপ্ত জন্ম কাহিনী ।

ডব্লিউ. এল. লেক চাহাবে ২ নং বৰবিলৰ মাজেৰে বৈ যোৱা ডিগবৈ নৈৰ পাৰত সদলবলে বাহৰ পাতি থাকিয়েই উক্ত ১ নং কুপটো খানিছিল । আজিকালি ডিগবৈৰ মানুহৰ ভাষাত 'ডিগবৈৰ নলা'য়েই তেতিয়াৰ ডিগবৈৰ নদী আছিল । বৰ্তমান ৰাষ্ট্ৰীয় বিদ্যালয়ৰ কাষত থকা, কোম্পানীৰ টেংক ফাৰ্মৰ বিপৰীতে থকা ডিগবৈ নৈৰ পাৰে পাৰে ওখ ঠাই ডোখৰতেই ডব্লিউ. এল. লেক চাহাবৰ বাহৰ আছিল । গতিকে এই নৈখনৰ নামেৰেই ঠাইখনৰ নাম ৰাখিছিল ডিগবৈ । অৱশ্যে ডিগবৈ নামৰ উৎপত্তি সম্পৰ্কত বিভিন্ন জনে বিভিন্ন মত আগবঢ়াই আহিছে । এই বিষয়টোৰ ওপৰত বহলাই আলোচনা নকৰি 'ডিগবৈ গান্ধী মৈদান' সম্পৰ্কত এই প্ৰৱন্ধত উল্লেখ কৰিব বিচাৰিছো ।

স্বাধীন হোৱাৰ আগতে আমাৰ দেশ ইংৰাজৰ অধীনত আছিল । ইংৰাজ সকলক ভাৰতৰ পৰা আঁতৰাই পঠিয়াই নিজৰ দেশ নিজে চলোৱাৰ অধিকাৰ পোৱাৰ কাৰণে যুঁজ দিবলৈ ১৮৮৫ চনত 'ভাৰতৰ জাতীয় কংগ্ৰেছ' নামে এটা দল গঠন কৰা হয় । জাতীয় পিতা মাহাত্মা গান্ধীৰ নেতৃত্বত এই কংগ্ৰেছ দলৰ কৰ্মীসকলে অশেষ কষ্ট আৰু নিৰ্যাতন গা-পাতিলৈ দেশৰ বাবে যথেষ্ট ত্যাগ কৰাৰ ফলত ১৯৪৭ চনৰ ১৪ আগষ্ট ৰাতি ১২ বজাৰ লগে লগে দ্বিখণ্ডিত কৰি হ'লেও ভাৰতৰ স্বাধীনতা ঘোষণা কৰা হৈছিল । অৰ্থাৎ ইংৰাজী দিন পঞ্জিকা অনুসৰি ১৫ আগষ্টৰ প্ৰথম চেকেণ্ডতে ভাৰতে বৃটিছ শাসনৰ জিঞ্জিৰি পেলাই দি মুক্ত, স্বাধীন হৈছিল ।

১৯৪৮ চনৰ ৩০ জানুৱাৰীত নাথুৰাম গড্‌ছে নামৰ এজন আততায়ীৰ গুলীত গান্ধীজী নিহত হয় । মাহাত্মা গান্ধীৰ দেহান্তৰৰ পাছতে তেওঁৰ চিতা ভস্ম ভাৰতৰ প্ৰায় সকলো নদী আশ্ৰিত তীৰ্থ স্থানও সমুদ্ৰত বিসৰ্জ্জন দিয়া হৈছিল । গুৱাহাটীৰ অমিয় কুমাৰ দাসৰ নেতৃত্বত অসমৰ পৰশুৰাম কুণ্ডতো চিতা ভস্ম বিসৰ্জ্জন দিয়াৰ কথা বাতৰি কাকতত প্ৰকাশ পাইছিল । সেই খবৰ পাই ডিগবৈৰ সমাজকৰ্মী শ্ৰীদ্বিজেশ চন্দ্ৰ দেৱশৰ্মাৰ নেতৃত্বত কংগ্ৰেছ কমিতিৰ সদস্য সকল আৰু কোম্পানীৰ কে. বি. কানুগা, এন. ডি. মহান্ত, কালী সৰকাৰ আদি সমবেত হৈ চিতা ভস্মৰ অংশ ডিগবৈলৈ আনি সংৰক্ষিত কৰাৰ বিষয়ে আলোচনা কৰিছিল । কে. বি. কানগাই গুৱাহাটীৰ অমিয় কুমাৰ দাসৰ লগত দূৰ সংযোগ (দূৰভাষ) যোগে অনুৰোধ কৰাত দাসেও বৰ আনন্দেৰে ডিগবৈৰ অনুৰোধ ৰক্ষা কৰি তেখেতে পৰশুৰামকুণ্ডলৈ অহাৰ পথত ডিগবৈৰ প্ৰতিনিধিয়ে শদিয়াত লগ ধৰি চিতা ভস্ম আনিবৰ কাৰণে দিন আৰু সময় দিছিল । এই খবৰ পোৱা লগে লগে কোম্পানীয়ে চিতা ভস্ম সংৰক্ষণ কৰিবৰ কাৰণে বৰ্তমান গান্ধী মৈদান থকা মাটি ডোখৰ ( প্ৰায় ১ $\frac{১}{২}$ বিঘা ) মঞ্জুৰ কৰিছিল । কালী সৰকাৰৰ তত্বাৱধানত দুদিনৰ ভিতৰতে প্ৰস্তাৱিত গান্ধী মৈদানতে পকা বেদীৰে সৈতে ক্ষুদ্ৰ টিনৰ চালৰ মন্দিৰটো কোম্পানীয়ে সজাই দিছিল । ভস্ম ৰাখিবৰ কাৰণে ৰূপৰ ধুনীয়া টেমা এটা সোণাৰীৰ হতুৱাই কৰাই দিছিল । টেমাটো ৰাখিবৰ কাৰণে চপা কাঠৰ সৰু বাকচ এটা ৰখা হৈছিল । ভস্ম অনা আগদিনাখন সৰ্ব্বদলীয় সভা এখন পাতি তাত ৬টা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছিল । ডিগবৈ কংগ্ৰেছ কমিতিৰ সভাপতি আৰু কালী সৰকাৰৰ ভস্ম অনাৰ দায়িত্ব আছিল যদিও সভাপতি বিশেষ পৰিস্থিতিত যাব নোৱাৰাত কালী সৰকাৰে এজন ব্যক্তি লগত লৈ ভস্ম অনা কামটো কৰিছিল । চিতা ভস্ম আনি পোৱাৰ পাছত প্ৰথম ৰাতি ডিগবৈ আৰক্ষী থানাত সম্মানেৰে ৰাখি পিছদিনাখন ভস্মৰ পাত্ৰ হাতীৰ ওপৰত এজনী নাবালিকা হৰিজন ছোৱালীয়ে ভস্মৰ পাত্ৰটো বহন কৰি নিয়ে আৰু জাতি-ধৰ্ম্ম-বৰ্ণ নিৰ্বিশেষে লগ লাগি সেইদিনা ডিগবৈ মূল ৰাজপথত শোভাযাত্ৰা কৰি আহি জুবিলী খেল পথাৰত একত্ৰিত হয়হি । তাৰ পাছত প্ৰস্তাৱিত গান্ধী মৈদানত স্থায়ীভাৱে চিতাভস্ম সংৰক্ষণৰ ব্যৱস্থা কৰে ।

গান্ধী মৈদানত ১৯৪৮ চনৰ পৰাই গান্ধী জয়ন্তী পালন কৰি আহিছে ডিগবৈ বাসীয়ে । ৰাষ্ট্ৰীয় উৎসৱ উদ্‌যাপন সমিতিয়ে ২ অক্টোবৰত গান্ধী মৈদানত গান্ধী জয়ন্তী দিনা গান্ধী সমাধিত পুষ্পাঞ্জলি অৰ্পণ আৰু তৰ্পণ, ৰাষ্ট্ৰীয় পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, ৰামধনু, ভজন আৰু ভক্তিমূলক গীত পৰিবেশন কৰি আহিছে । উল্লেখযোগ্য যে দিল্লীৰ ৰাজঘাটত গান্ধী সমাধিক্ষেত্ৰ আৰু অসমৰ ডিগবৈৰ 'গান্ধী মৈদান' বাদে ভাৰতৰ অন্য কোনো ঠাইত 'গান্ধী মৈদান' পাবলৈ নাই বুলি জনা যায় । ডিগবৈবাসীৰ বাবে এইটো গৌৰবৰ কথা ।

তদুপৰি শতবৰ্ষ গৰকা ডিগবৈ শোধনাগাৰ কৰ্তৃপক্ষই ইতিমধ্যে ২০০২ বৰ্ষত বহু গুৰুত্বপূৰ্ণ জনকল্যাণমূলক আঁচনি হাতত লৈ সিংহভাগ কাম সম্পাদন কৰিছে । এই আঁচনি সমূহৰ ভিতৰত 'গান্ধী মৈদান পুনৰ নিৰ্মাণ' আঁচনি হাতত লৈ চৌহদ উন্নত কৰাৰ লগতে ৫৪ বছৰীয়া পুৰণি মন্দিৰটো কিছু ওখ কৰি আঁটক ধুনীয়াকৈ নকৈ সজাই তুলিছে । উল্লেখ কৰিব পাৰি শতবাৰ্ষিকী যাদুঘৰ, ইকলজিকেল পাৰ্ক, ( শতবাৰ্ষিকী উদ্যান ) আদিৰ লগতে ডিগবৈ গান্ধী মৈদান বৈদেশিক পৰ্যটন দৰ্শনাৰ্থীৰ আকৰ্ষণীয় সম্পদ হ'ব ।

*কৃতজ্ঞতা :* শ্ৰীদ্বিজেশ চন্দ্ৰ দেৱশৰ্মা, শ্ৰীমানিক চন্দ্ৰ হাজৰিকা আৰু শ্ৰীনাৰায়ণ প্ৰসাদ দাস ।

অতিথি শিতান

# অসমীয়া নেপালী লোক সংস্কৃতিৰ ঐতিহ্য

❑ মনবাহাদুৰ ছেত্ৰী

মানৱ জীৱনৰ ইতিহাসৰ লগত লোক-কলাৰো জন্ম হৈছে বুলি ক'ব পাৰি । অৱশ্যে স্থানভেদে বা পৰিৱেশ অনুসৰি লোক-কলাই বিভিন্ন ৰূপত বিকাশ লাভ কৰে । হিমালয়ৰ কাষতে থকা মানুহৰ মাজত প্ৰচলিত লোক কলা আৰু সাগৰৰ দ্বীপত থকা মানুহৰ লোক-কলাৰ প্ৰভেদ হ'ব পাৰে । এই প্ৰভেদ আকাৰ আৰু প্ৰকাৰৰ মাজত দেখা গ'লেও ব্যৱহাৰিক দিশত ইয়াৰ কোনো প্ৰভেদ নাই ।

লোক-কলাত 'লোক' আৰু 'কলা'-এই দুটা শব্দ লগ লাগিছে । এই দুয়োটা শব্দৰ অৰ্থ ভিন্ন । 'লোক' বুলি কওঁতে সাধাৰণ জন-মানসক বুজাইছে । এই 'লোক' শব্দৰ পাছত 'কলা' শব্দৰ অৰ্থৰ ব্যাপকতা মনলৈ আনিব লাগিব ।

'কলা' সম্পৰ্কে অভিধানত উল্লেখ আছে যে, - যি কোনো কথা ভালকৈ, পৰি পাটিকৈ, শুদ্ধভাৱে শিল্পযুক্ত ব্যৱহাৰ উপযোগী হোৱা । ইয়াক চৌষষ্ঠীটা ভাগত ভাগ কৰা হৈছে । কিন্তু ইয়াত লোক-কলাৰ কথাহে বিচাৰ কৰা হৈছে । পৰম্পৰাগত কলাকেই লোক-কলা কোৱা হয় । গতিকে শিল্পকলা আৰু ললিত কলাকো ইয়াৰ অন্তৰ্গত কৰি ল'ব লাগিব । বস্তুকলা, মূৰ্তিকলা, সংগীতকলা, চিত্ৰকলা আৰু সাহিত্যক সামৰিহে ইয়াক ললিত কলা কোৱা হয় ।

আমি যাক ভাল পাওঁ তাকে পূজোঁ বা মৰম কৰো । এই ভালপোৱা ভাবৰ মাজতেই 'কলা' লুকাই আছে । আমাৰ মাজত বিশ্বাস, লোকাচাৰ একেই আছিল । কালৰ বিৱৰ্তনত আজি সেইবোৰেই আমাৰ মাজত বিভিন্ন ৰূপে দেখা দিছে যদিও আমাৰ লোক-কলা সম্ভাৰৰ ব্যৱহাৰে প্ৰাচীনৰ সম্বন্ধ কঢ়িয়াই বৰ্তমানলৈ আনিছে । বিশেষকৈ ভৌগোলিক কাৰণত ভিন্নতা পৰিলক্ষিত হৈছে ।

অসমীয়া সমাজৰ দৰেই নেপালী সমাজত বিভিন্ন সভ্যতাৰ মিলন ঘটিছে যাক আগতেই উল্লেখ কৰা হৈছে । সেই কাৰণে নেপালী লোক কলা সম্ভাৰত বিভিন্ন সভ্যতাৰ সমল পোৱা যায় । লামা সকলৰ গোম্বা, বামুণসকলৰ মন্দিৰ মূলত একেই উপাসনা কৰা স্থান । গতিকে অসমীয়া লোক কলা আৰু নেপালী লোক কলা ভিন্ন ৰূপটো একেই ৰূপত অন্তৰ্নিহিত হৈ আছে । লোককলাৰ জন্ম - এই কথা যুগে যুগে সোঁৱৰাইছে ।

আজি প্ৰযুক্তি বিদ্যা আৰু বিজ্ঞানৰ বিকাশে আমাৰ মাজত অনেক পৰিবৰ্তন আনিছে । এঠাইৰ পৰা যেতিয়া মানুহে বাহৰ সলায় তেতিয়া মানুহে বহুতো পুৰণিক এৰি নতুনক সাৱটি লবলগীয়া হয় । অসমলৈ প্ৰৱৰ্জিত হোৱা নেপালী সকলোৰে সেয়ে হ'ল । গতিকে নেপালী লোক কলাৰ প্ৰকৃত স্বৰূপ অসমত পাবলৈ নাই । সংমিশ্ৰণ আৰু সংযোজনহে লোক-কলাত পৰিলক্ষিত হয় ।

## লোক-সম্ভাৰ

অতীতৰে পৰা নেপালী সমাজৰ মাজত বিবাহ, সভা আদি অনুষ্ঠানবোৰত পাতেৰে তৈয়াৰী বাচনৰ ব্যৱহাৰ হৈ আহিছে । বিশেষকৈ পোহাৰী পাত যাক নেপালীসকলে ''চিল্লেপাত'' অৰ্থাৎ চিকুন পাত বুলিও কয় । এই পাতবোৰ বহুদিনলৈ সংৰক্ষণ কৰিব পাৰি । গোটেই হিমালয়ৰ নামনি অঞ্চলত আৰু অসমৰ হাবি-বননিত এই জাতীয় উদ্ভিদ পোৱা যায় ।

নেপালী সমাজত ব্যৱহৃত বিভিন্ন প্ৰকাৰৰ পাতেৰে নিৰ্মিত পাত্ৰসমূহ এনেধৰণৰ -

*ঘুম ঃ-* কৌপাত বা তেনে ডাঙৰ পাতেৰে সজা আৰু মূৰৰ পৰা পিঠি আৰু নিতম্বলৈকে ঢাক খোৱা এবিধ জাপি ।

*দুনা ঃ-* কৌপাত বা শাল গছৰ পাতেৰে সজা বাটিৰ দৰে এবিধ পাত্ৰ । পূজা, উৎসৱ, পৰ্ব বা ভোজত ইয়াক ব্যৱহাৰ কৰা হয় ।

*টপৰিঃ-* দুনাৰ দৰেই পাতেৰে সজা কাঁহি সদৃশ পাত্ৰ । ইয়াকো পূজা, উৎসৱ, ভোজ আদিত ব্যৱহাৰ কৰা হয় । পাতৰ উপৰিও বাঁহেৰে নিৰ্মিত কেইপদমান সঁজুলিৰ বিষয়ে তলত উল্লেখ কৰা হ'ল ।

*কোক্ৰো ঃ* কেঁচুৱা দোলাবলৈ বাঁহ বা বেতেৰে সজা এবিধ আহিলা ।

*ডোকো ঃ-* নেপালী তিৰোতাই পিঠিত বান্ধি ঘাঁহ খৰি আদি বোজা কঢ়িয়াই অনা বাঁহ বা বেতেৰে নিৰ্মিত সঁজুলি ।

*থুঙ্গে ঃ-* নেপালী তিৰোতাই পিঠিত বান্ধি ধান, মাহ বা চাউল কঢ়িয়াই অনা এবিধ বাঁহৰ সঁজুলি ।

এই উল্লেখিত সঁজুলিবোৰ সুবিধা অনুযায়ী বাঁহ বা বেতেৰে তৈয়াৰ কৰা হয় ।

*থাক্ৰো ঃ-* চুলিৰ জট ভঙা বহল হাতী দাঁতৰ অথবা বাঁহৰ ফণি ।

*কাঁইয়ো ঃ-* কাঁকৈ । চুলিৰ জট ভাঙিবলৈ আৰু ফণিওৱাৰ বাবে ব্যৱহৃত দীঘল বাঁহৰ ফণি ।

অসমৰ হীড়া / হাড়ী অথবা কুমাৰ সকলৰ দৰে নেপালীসকলৰ কুমালে বা কুমাৰসকলে মাটিৰ পাত্ৰ সাজিছিল । নেপালী সমাজত প্ৰচলিত মাটিৰ পাত্ৰ অনেক প্ৰকাৰৰ । মেথিমলা ভোগৰ চৰুৰ দৰেই নেপালী কুমাৰ সকলে বিধে বিধে মলা আৰু চৰু সাজিছিল । টেক্‌লি মাক 'টেকেলী' বুলি কোৱা হয় । এই টেকেলীত গাখীৰ, গুৰ অথবা শুকান বস্তু নিয়াৰিকৈ সঞ্চয় কৰি ৰাখিছিল ।

*খৈলা বা গাগৰো ঃ-* এই দুয়োটাই প্ৰায় একেই। ইয়াৰ ব্যৱহাৰো একে । পানী ৰখা বা ঘাটৰ পৰা পানী অনা কামত ব্যৱহাৰ হৈছিল । নৈপৰীয়া নেপালী সমাজত আজিও মাটিৰ পাত্ৰ বা কলহৰ ব্যৱহাৰ অধিক ।

বৰ্তমান অসমত কুমালে (কুমাৰ) লোকসকল আছে । কিন্তু তেওঁলোকৰ আগৰ শিল্প নাই । তেওঁলোকৰ সৰহ ভাগেই কৃষিজীৱী ।

## কাঠ বা কাঠৰ শিল্প ঃ

*হৰ্পে ঃ* ই কাঠেৰে তৈয়াৰী । ইয়াক দৈ, ঘী ৰাখিবৰ বাবে ব্যৱহাৰ কৰা হয় ।

*গাড়ু ঃ* মহৰ গাখীৰ খীৰোৱা কাঠৰ পাত্ৰ ।

*জৰো ঃ* কাঠেৰে তৈয়াৰী পাত্ৰ । ডাঙৰ বাচনত গাখীৰ গৰম কৰোঁতে ইয়াক ব্যৱহাৰ কৰা হয় । গাখীৰ যেতিয়া উতলে, গাখীৰ যাতে নষ্ট নহয় তাৰ বাবে এই পাত্ৰ ব্যৱহাৰ কৰা হয় । প্ৰয়োজন হ'লে পানীও ৰাখিব পাৰি ।

*মদানী ঃ* মদানীৰ ব্যৱহাৰ পশুপালক নেপালী সমাজত অতি গুৰুত্বপূৰ্ণ । কাঠ বা বাঁহেৰে তৈয়াৰী । মদানীৰে মাখন উলিওৱা হয় ।

*ঠেকি ঃ* গাখীৰ, মাখন আদি ভৰোৱা কাঠৰ পাত্ৰ ।ইয়াত দৈ, ঘী আদিও ৰখা হয় ।

*দুৰ্পে ঃ* ই বাঁহৰ চুঙাৰ দৰে আৰু দেখাত আকৰ্ষণীয় । ইয়াৰ ঢাকোন থাকে । এই ঢাকোনৰ ওপৰত মাৰ্বল গুটিৰ দৰে কাঠেৰে নিৰ্মিত বস্তু মধ্য ভাগত থকাকৈ তৈয়াৰী ।

*চৌ চৌ ঃ* সিংমাঙৰ নিচিনা । বুটা ভৰা ধুনীয়া । আকাৰত সৰু । দিনটোৰ বাবে ব্যৱহাৰ কৰিবলগীয়া গাখীৰ গৰম কৰি এই পাত্ৰত ৰখা হয় ।

*গুপ্তে ঃ* আলহী অথবা বুঢ়া - বুঢ়ীৰ বাবে আদৰেৰে খোৱা বস্তু ৰখা পাত্ৰ ।

*কোশি ঃ* কাঠৰ হ'লেও বহিৰ্ভাগত সুন্দৰ কাৰুকাৰ্যৰে খুদিত । দেখাত বৰ সুন্দৰ । আচাৰ, ঘী ৰখা পাত্ৰ ।

## ধাতুৰ ব্যৱহাৰ ঃ

*খুকুৰী ঃ* কঠিন আৰু উৎকৃষ্ট জাতৰ লোৰে খুকুৰী সজা হয় । খুকুৰী নেপালী মানুহৰ জাতীয় প্ৰতীক । নেপালী মানুহৰ জীৱনত খুকুৰীৰ বিশেষ গুৰুত্বপূৰ্ণ স্থান আছে । খুকুৰীৰ উপৰিও অসমীয়া নেপালীসকলে নিজে নিৰ্মাণ কৰি লোৱা লোৰ সঁজুলীবোৰ হ'ল - কোদালো ( কোৰ ) বনচৰো (কুঠাৰ ), বাচুলা ( সৰু কোৰ ), হঁচিয়া ( কাচি ), কণ্ডি - আগ বেঁকা ধেনুভিৰীয়া তৰোৱাল, খাড়ু - তৰোৱালৰ আকৃতিৰ কিন্তু তাতোকৈ সৰু আকাৰৰ অস্ত্ৰ ইত্যাদি । খুকুৰী ৰখা খাপটোক 'দাপ' বুলি কোৱা হয় । ই সাধাৰণ বা 'কোথে খুড়া' অনেক ধৰণৰ থাকে । ই চামৰাত সোণ ৰূপৰ মিশ্ৰণেৰে নিৰ্মিত ।

## ধাতুৰ পাত্ৰ ঃ

*ঢেওৱা ঃ* আঢ়ৈশ মিলিমিটাৰৰ পাত্ৰ ।

*পাঁচমুষ্ঠে ঃ* আধা লিটাৰৰ পাত্ৰ ।

## ধান চাউল জোখাৰ পাত্ৰ ঃ

*কুৰুৱা ঃ* সাড়ে সাতশ গ্ৰামৰ পাত্ৰ ।

*আৰি ঃ* চাৰি কেজিৰ পাত্ৰ ।

*মানো ঃ* পাঁচশ গ্ৰামৰ পাত্ৰ ।

*পাথি ঃ* পাঁচ কেজিৰ পাত্ৰ ।

*খড়কুলা ঃ* কাঁহ বা পিতলৰ ডাঙৰ বাচন ।

*টৌ ঃ* কাঁহৰ ডাঙৰ বাচন ।

ই ধাতুৰে নিৰ্মিত এবিধ পাত্ৰ হিচাপে ব্যৱহাৰ হয় । ইয়াৰ ব্যৱহাৰ আচলতে হাত-মুখ ধোৱা, অসুখে - বিসুখে শৌচ প্ৰস্ৰাৱ কৰা কামত দেখা যায় ।

*ঢুংগ্ৰো ঃ* গাখীৰ ভৰোৱা বাঁহৰ পাত্ৰ । কিছুমানে ইয়াক নিমখ ভৰাই থোৱা পাত্ৰ হিচাপে ব্যৱহাৰ কৰা দেখা যায় ।

## নৰা আৰু ধান খেৰৰ ব্যৱহাৰ ঃ

*গুন্দ্ৰী ঃ* ধান নৰা বা খেৰেৰে সজা ঢাৰীৰ দৰে এবিধ সঁজুলি । সাধাৰণতে বহিবলৈ ইয়াক ব্যৱহাৰ কৰা হয় ।

*পীৰা ঃ* ই আকাৰত গোলাকাৰ । গাঁও ঘৰত সাধাৰণ আলহীক বহিবলৈ দিয়া হয় ।

*চট্টি (চুকুল) ঃ* গুন্দ্ৰীৰ দৰেই ইয়াক বহিবলৈ ব্যৱহাৰ কৰা হয় । ই বৰ ডাঠ আৰু সাধাৰণতে খহটা ।

## মৰাপাটৰ ব্যৱহাৰ ঃ

*নাম্লো ঃ* মৰাপাটৰ সৰু সৰু ৰচিৰে তৈয়াৰী চেপেটা ভাৰ লোৱা সঁজুলি । নেপালী তিৰোতাই পথাৰৰ পৰা ঘাঁহ বনলৈ আহোঁতে ডোকোৰ লগত সংলগ্ন কৰি ৰখা ৰচি । এই ৰচিডাল তিৰোতা গৰাকীয়ে মূৰত লগাই ভাৰ বৈ আনে ।

*দামলো ঃ* হাতেৰে তৈয়াৰী মৰাপাটৰ পঘা ।

*নেতী ঃ* গাখীৰৰ পৰা মাখন কৰোঁতে ঘোঁটনি মাৰি মদানী টনা ৰচি ।

## পাট - সূতা -নোমৰ ব্যৱহাৰ ঃ

*গলৈচা ঃ* পাট সূতা আৰু জন্তুৰ নোমেৰে সজা ফুলাম দলিচা । এই দলিচা বৰ নিমজ আৰু ইয়াত তোলা ফুলবোৰ চালে চকুৰোৱা । আলহী-অতিথি বহাৰ কামত ইয়াক ব্যৱহাৰ কৰা হয় ।

*ৰাড়ি / কম্বল ঃ* সাধাৰণতে ভেড়াৰ নোমেৰে তৈয়াৰী নিমজ কোমল আৰু উমলগা কাপোৰ । ৰাড়ি দুই প্ৰকাৰৰ । এবিধ জাৰৰ দিনত গাত লয় আৰু আনবিধ সম্মানিত অতিথি বা ব্যক্তিক বহুৱাৰ কামত ব্যৱহৃত হয় । এই ৰাড়ি নানা ৰঙৰ আৰু অনেক প্ৰকাৰৰ থাকে ।

# সাম্প্ৰতিক শিক্ষা-ব্যৱস্থাৰ ওপৰত অভিমত

[ সাম্প্ৰতিক শিক্ষা ব্যৱস্থাই এটা গভীৰ প্ৰত্যাহবানৰ সন্মুখীন হ'ব লগীয়া হৈছে । সাম্প্ৰতিক শিক্ষা-ব্যৱস্থা আৰু এই ক্ষেত্ৰত ডিগবৈ মহাবিদ্যালয়ৰ অৱদান সম্পৰ্কে কিছু আভাস জানিবৰ বাবে ডিগবৈৰ কেইজনমান বিশিষ্ট ব্যক্তিৰ অভিমত বিচৰা হৈছিল । সেই অভিমতসমূহ তলত দাঙি ধৰা হ'ল । - সম্পাদক । ]

**প্ৰশ্নসমূহ :-**

১। প্ৰকৃত শিক্ষা কি ? শিক্ষাৰ প্ৰকৃত উদ্দেশ্যৰ পৰা বৰ্তমান শিক্ষা সমাজ বিচলিত হৈছে নেকি ?

২। বৰ্তমানৰ ছাত্ৰ-সমাজত শিক্ষাৰ প্ৰতি থাকিব লগা আগ্ৰহ হ্ৰাস হৈছে বুলি ভাবেনে ? যদি হৈছে ইয়াৰ মূল কাৰণ কি বুলি ভাবে ?

৩। অসমৰ ছাত্ৰ - ছাত্ৰীৰ প্ৰতিভা বিকাশত অসমৰ শিক্ষা - ব্যৱস্থাই আকাংক্ষিত সুবিধা আগবঢ়াব পাৰিছেনে ?

৪। বৰ্তমানৰ ছাত্ৰ-সমাজে এখন সু-সমাজ গঢ়ি তুলাত কেনে ভূমিকা ল'ব পাৰে ?

৫। ডিগবৈৰ শিক্ষাৰ ক্ষেত্ৰত ডিগবৈ মহাবিদ্যালয়ে কেনে ভূমিকা পালন কৰিছে / কৰা উচিত বুলি ভাবে ?

**উত্তৰ সমূহ :-**

**শ্ৰীদ্বিজেশ চন্দ্ৰ দেৱশৰ্মা**
ডিগবৈ ।

১। যি শিক্ষাৰ দ্বাৰা শাৰীৰিক, মানসিক আৰু নৈতিক দিশৰ সম্যক উৎকৰ্ষ সাধন হয় সেই শিক্ষাই প্ৰকৃত শিক্ষা । শিক্ষাৰ প্ৰকৃত উদ্দেশ্যৰ পৰা বৰ্তমান শিক্ষা সমাজ কিছু পৰিমাণে বিচলিত হৈছে ।

২। সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য হোৱাকৈ একে সময়তে শিক্ষাৰ প্ৰতি ছাত্ৰ সমাজৰ আগ্ৰহ হ্ৰাস হৈছে বা হোৱা নাই বুলি ক'বলৈ টান । হ্ৰাস হোৱাৰ মূল কাৰণ হ'ল পৰিবৰ্তিত পৰিবেশ, পৰিস্থিতি আৰু ব্যৱস্থাৰ লগত সংগতিবিহীন পাঠ্যক্ৰম তথা শিক্ষা ব্যৱস্থা ।

৩। নাই পৰা ।

৪। অধ্যয়ন পুষ্ট চিন্তা -চৰ্চাতে সমাজক উন্নয়নমূখী কৰাত সহজ কৰিব পাৰে ।

৫। স্থানীয় তথা ওচৰ চুবুৰীয়া শিক্ষাৰ্থী সকলৰ কাৰণে স্নাতক পাঠ্যক্ৰমে উচ্চ শিক্ষা সহজ-সাধ্য কৰিছে ।

**শ্ৰীপুণ্য শইকীয়া**
ডিগবৈ

১। প্ৰকৃত শিক্ষা গাত পিন্ধা কোট চোলাটো নহয় যে জাৰ-কালিহে শৰীৰত তাপ যোগানৰ বাবে ইয়াৰ প্ৰয়োজন । প্ৰকৃত শিক্ষা হ'ল শৰীৰৰ স্বাভাৱিক উত্তাপ যিটো জীৱন্ত মানুহৰ প্ৰধান লক্ষণ । অলংকাৰ বাদ দি ক'বলৈ হ'লে - প্ৰকৃত শিক্ষা হ'ল মানুহ হোৱাৰ এক চিৰ শ্বাশ্বত প্ৰকৌশল ।
হয়, শিক্ষাৰ প্ৰকৃত উদ্দেশ্যৰ পৰা বৰ্তমানৰ শিক্ষা ব্যৱস্থাটো বিচলিত হৈছে । কেৱল বিচলিত হৈছে বুলি ক'লেই যথেষ্ট নহয় - বৰং ক'ব পাৰি এতিয়াৰ শিক্ষা ব্যৱস্থাটো উদ্দেশ্যহীন হৈ পৰিছে ।

২। বৰ্তমানৰ ছাত্ৰ-সমাজৰ শিক্ষাৰ প্ৰতি থাকিব লগা আগ্ৰহ ভয়ংকৰ ভাৱে হ্ৰাস পাইছে । বাধ্য - বাধকতাত পৰি স্কুল কলেজলৈ গৈছে যদিও বেছি ভাগ ছাত্ৰ-ছাত্ৰীয়েই প্ৰতিষ্ঠানিক শিক্ষাৰ প্ৰতি আস্থা হেৰুৱাই পেলাইছে । ফলস্বৰূপে তেওঁলোকে আত্ম বিশ্বাসো বহু পৰিমাণে হেৰুৱাই পেলাইছে । ইয়াৰ কাৰণ মাত্ৰ এটা নহয় - বহুত কাৰণ আছে । ইয়াৰ বীজাণুটোৰ সন্ধান কৰিব লাগিব সমাজ দেহত । নব্য ভোগবাদী সমাজ ব্যৱস্থাত প্ৰতিষ্ঠানিক শিক্ষা কি দৰে অপাংক্তেয় আৰু অপ্ৰাসঙ্গিক হৈ পৰিছে সেয়া শিক্ষাৰ্থী সকলে নিজ চকুৰে দেখিছে । সৌ সিদিনালৈকে অন্ততঃ প্ৰতিষ্ঠানিক

শিক্ষাই জীৱিকাৰ পথটোকে মুকলি কৰি দিব পাৰিছিল - এতিয়া তাৰো মুদা মৰিল । গতিকে বিশেষ ব্যাখ্যাৰ প্ৰয়োজন নাই - শিক্ষাৰ প্ৰতি আগ্ৰহ হেৰুওৱাৰ মূল কাৰণটো হ'ল - শিক্ষাই নিজেই নিজৰ অৰ্থ গৌৰৱ হেৰুৱাই পেলাইছে ।

৩। নাই পৰা । অসমত প্ৰতিভাৰ অপমৃত্যুহে দেখিছোঁ । প্ৰতিভাৰ উত্তৰোত্তৰ বিকাশ ক'ত দেখিছোঁ ? দুই-এক সৌভাগ্যৱানে নিজৰ প্ৰতিভাক তুলি ধৰিবলৈ সক্ষম হৈছে - তাকো অসমৰ চাৰিসীমাৰ পৰা বাহিৰলৈ ওলাই গৈহে সেইটো সম্ভৱ হৈছে । যোৱা দহবছৰৰ ভিতৰত মেট্ৰিকত ষ্টেণ্ড কৰা প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰী কেইজন বৰ্তমানে ক'ত কেনেকে আছে তাৰ এটা পৰিসংখ্যা উলিয়াব পৰা হ'লে প্ৰশ্নটোৰ উত্তৰ আৰু বেছি স্পষ্ট হ'লহেঁতেন ।

৪। বিশিষ্ট ভূমিকা ল'ব পাৰে নিঃসন্দেহ । যিখন সমাজত তেওঁলোকে উঠা - বহা কৰে সেই সমাজখনলৈ কিছু মনোযোগেৰে লক্ষ্য কৰিলেই ছাত্ৰ-ছাত্ৰীসকলে নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ আভাস পাব । সমাজত বসবাস কৰা মানুহৰ মাজত ন্যূনতম বৈজ্ঞানিক দৃষ্টিভংগীৰ প্ৰসাৰ ঘটোৱাত ছাত্ৰ-ছাত্ৰীসকলে মূল ভূমিকা পালন কৰিব পাৰে । স্বাস্থ্য, চিন্তা, পৰিবেশ-ভাৱনা, অন্ধবিশ্বাস, কু-সংস্কাৰৰ বিপৰীতে যুক্তিবাদীতা আৰু বিজ্ঞান মনসতা সমাজ দেহত বিয়পাই দিয়াৰ ক্ষেত্ৰত ছাত্ৰসমাজ বিশেষ ভাৱে আগবাঢ়ি অহা উচিত । অৱশ্যে এইখিনি কৰিলেও তুমি উল্লেখ কৰা 'সু-সমাজ' খন গঢ়ি উঠিবনে নুঠে সন্দেহ আছে । আচল কথাটো হ'ল 'সু-সমাজ'ৰ ধাৰণাটোৱেই প্ৰায় শেষ হৈ গ'ল ।

৫। ডিগবৈ মহাবিদ্যালয়ে ডিগবৈৰ শিক্ষাৰ ক্ষেত্ৰত কেনে ভূমিকা পালন কৰিছে সেইটো উত্তৰ দিব লগীয়া প্ৰশ্ন নহয় । একোখন মহাবিদ্যালয় একো-একোটা অঞ্চলৰ ৰাডাৰ যন্ত্ৰ নিচিনা । বতৰ বিজ্ঞানী সকলে যেনেকৈ ৰাডাৰ যন্ত্ৰ পৰীক্ষা কৰি বতৰৰ আগজাননী ঘোষণা কৰে ঠিক তেনেকৈ একোটা অঞ্চলৰ ভৱিষ্যৎ জানিবলৈ মহাবিদ্যালয়খনলৈ ভালদৰে লক্ষ্য কৰিলেই হয় । ডিগবৈ কলেজৰ ঐতিহ্য আৰু সু-নামো আছে । নানান কাৰণত হয়তো ধাৰাবাহিকতা ৰক্ষিত হোৱা নাই । কেৱল ডিগবৈত বুলিয়েই নহয়-সমগ্ৰ অসমতে উচ্চ শিক্ষাৰ ব্যৱস্থাটো অগ্নি পৰীক্ষাৰ মুখামুখী হৈছে । নানান উপায়েৰে কলেজীয়া শিক্ষাৰ ওপৰত মাধমাৰ শোধাবলৈ এটা চক্ৰান্ত চলিছে ; এই সকলো ধাম-খুমীয়াৰ মাজৰ ডিগবৈ কলেজ সুন্দৰকৈ চলি আছে । মইতো কতো একো বেয়া দেখা নাই ।

## মহৎ লোকৰ বাণী

★ ভীমৰ গদা ঘূৰাবলৈ হ'লে প্ৰথমতে ভীমৰ সমান বল অৰ্জন কৰি ল'ব লাগিব ।
*- ভীমকান্ত কাকতি*

★ এটা সামান্য ফুটাইদি সোমোৱা পানীয়ে এখন প্ৰকাণ্ড জাহাজ বুৰাই পেলাব পাৰে ।
*- থমাছ মূলাৰ*

বিশেষ ৰচনা

# স্মৃতি, বিষাদ ও যন্ত্ৰণাৰ ভাষ্য

❑ শ্ৰীডম্বৰু শইকীয়া
প্ৰথম আলোচনী সম্পাদক
ডিগবৈ মহাবিদ্যালয়

সুদীৰ্ঘ জীৱনৰ বহু কথাই মানুহৰ অন্তৰৰ স্মৃতি পটৰ পৰা হেৰাই যায় আৰু বহু কথা স্মৰণ কৰি জীৱনৰ অন্তিম সময়তো সুখানুভৱ হয়। বৰ্তমানৰ ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীবোৰ দেখিলে বিগত সম্পাদক সকলৰ তালিকাখনৰ যেতিয়া নিজৰ নামটো এক নম্বৰত দেখি পাওঁ অকপটে স্বীকাৰ কৰোঁ মনত এক তৃপ্তিবোধ আৰু গৌৰৱ বোধ হয়।

১৯৭০ চনত হাইস্কুলৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হৈ ( সৌমাৰ বিদ্যাপীঠৰ পৰা ) মই তিনিচুকীয়া মহাবিদ্যালয়ত প্ৰাক্ - বিশ্ববিদ্যালয় পঢ়ো। কিন্তু ১৯৭১ চনত Pre-University পাছ কৰিয়েই ডিগবৈ মহাবিদ্যালয়ত স্নাতক (কলা) শ্ৰেণীত নাম লগাওঁ। সেই বছৰতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই মোক Debate Secy হিচাপে নিৰ্বাচিত কৰে। ছাত্ৰ একতা সভাত থাকোঁতে আলোচনী এখন ডিগবৈ মহাবিদ্যালয়ত নথকা কথাটো উপলব্ধি হয় আৰু বিষয়টো উত্থাপন কৰোঁ।

১৯৭২ চন পৰ্যন্ত ডিগবৈ মহাবিদ্যালয়ত এখন আলোচনী কিয় নাছিল সেইটো বৰ দুৰ্বোধ্য বিষয়। তাৰ ভিতৰত প্ৰধান কাৰণ আছিল সাহিত্য বিভাগবোৰৰ নেতৃত্ব তেতিয়ালৈকে দায়িত্বশীল শিক্ষক বৃন্দই বহন কৰা নাছিল আৰু অসমীয়াৰ Second Language বা Hons শাখা তেতিয়া পৰ্যন্ত ডিগবৈত নথকা হেতু সাহিত্য অনুৰাগী ছাত্ৰৰ অভাৱ আছিল। মই নিজে একক ভাৱে Second Language পঢ়িছিলো। যিকি নহওঁক একতা সভাৰ বৈঠকত এদিন বিষয়টো আলোচনা কৰা হ'ল আৰু আলোচনী এখন ১৯৭২-৭৩ বৰ্ষৰ পৰা প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ল। কিন্তু আৰম্ভণিতে প্ৰায় দুই, তিনিঘণ্টা সময় ৰুদ্ধশ্বাস আলোচনা হোৱাৰ পিছতো বিশেষ এটা সিদ্ধান্ত গ্ৰহণ কৰিব পৰা নাছিল। সেইটো হ'ল আলোচনীখনৰ মাধ্যম আৰু ভাষা। আলোচনী এখন ডিগবৈ মহাবিদ্যালয়ৰ পৰা অ'ত বছৰে প্ৰকাশ নোহোৱাৰ একমাত্ৰ অন্তৰায় আছিল এই বিষয়টোৱেই। মই বৰ আচৰিত হৈছিলো। সাধাৰণতে মই বহুবক্তা আছিলো যদিওঁ ( এতিয়াও বহু ক্ষেত্ৰত ) ডিগবৈ মহাবিদ্যালয়ত মোৰ ভাৱমূৰ্তি দাৰ্শনিক চৰিত্ৰৰ আছিল বুলি বন্ধু-বৰ্গৰ পৰা জানিছিলো, অৰ্থাৎ মই কথা ডিগবৈ মহাবিদ্যালয়ত পঢ়া সময়ত খু-ও-ব কম পাতিছিলো। তাৰ অৱশ্যে কাৰণ আছিল, যিটো এতিয়া উল্লেখ কৰা প্ৰাসঙ্গিক বিষয় নহয়।

ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীখনৰ ভাষা বা মাধ্যম সম্পৰ্কত ছাত্ৰ একতা সভাৰ সকলো বিভাগীয় সম্পাদক ও ভাৰপ্ৰাপ্ত অধ্যাপক বৃন্দ বিফল হোৱাৰ পিছতহে মই মাত দিছিলো - প্ৰকৃততে মই সভাৰ কাৰ্য বিৱৰণী লিখাত ব্যস্ত আছিলো। মোৰ বক্তব্য আছিল এনে - আমি অসমীয়া হোৱা বাবে আলোচনীখনৰ প্ৰথম ভাষা অসমীয়া হ'ব। যিহেতু তেতিয়াও আমি ইংৰাজী মাধ্যমত পঢ়ি আছিলো, গতিকে দ্বিতীয় ভাষা ইংৰাজী হ'ব। এতিয়া আৰু ভাষাৰ কথা চিন্তা কৰিব হ'লে ৰাষ্ট্ৰীয় ভাষা হিন্দীৰ স্থান হ'ব। এতিয়া বহুতৰে দাবী যে দ্বিতীয় সংখ্যাগৰিষ্ঠতাৰ (ছাত্ৰৰ) ফালৰ পৰা বাংলা ভাষাকো স্থান দিব লাগে। কিন্তু এইটো দৃষ্টিভঙ্গীৰে বিচাৰ কৰিলে, ডিগবৈ মহাবিদ্যালয়ত নেপালী ভাষাওঁ আছে আৰু তেওঁলোকৰ সংখ্যাও নগন্য নহয়। গতিকে তেওঁলোকক বঞ্চিত কৰাটো উচিত নহ'ব। কিন্তু তাকে কৰিব গ'লে আলোচনীখনৰ ভাষা পাঁচটা হ'বগৈ। কিন্তু পঞ্চভাষী আলোচনী এখন কোনে সম্পাদনা কৰিব ? তেনেকুৱা ছাত্ৰ পোৱা সম্ভৱ নহয়। মোৰ মতে আলোচনীৰ ভাষা সম্পৰ্কে আলোচনা নকৰি আমি দৃষ্টান্তলৈহে চকু দিব লাগে। আমি আলোচনী প্ৰকাশ কৰিমহে কিন্তু অসমৰ প্ৰতিখন মহাবিদ্যালয়তে আলোচনী প্ৰকাশ হৈ আছে। কটনত, কানৈত, জে-বিত, তিনিচুকীয়া মহাবিদ্যালয়ত। দেখা যায় যে, সকলোবোৰ মহাবিদ্যালয়ৰ আলোচনীত কেৱল দুটাই ভাষা আছে। অৰ্থাৎ অসমীয়া আৰু ইংৰাজী। গতিকে আমাৰ আলোচনীখনৰো এই দুটাই ভাষা হ'ব। - আমাৰ বক্তব্যৰ পিছত আৰু কোনোৱে অন্য যুক্তি প্ৰদৰ্শন কৰা নাছিল আৰু তেনেকৈয়ে আলোচনীখনৰ ভাষা নিৰ্দ্ধাৰণ হৈছিল।

ছাত্ৰ একতা সভাৰ নিৰ্বাচনত আলোচনী সম্পাদকৰ বাবে মই মনোনয়ন দাখিল কৰিছিলো। দুদিন মান পিছত এগৰাকী ছাত্ৰীয়ে মোক সুধিছিল - ডম্বৰু দা আলোচনীখনৰ বাবে মনোনয়ন কোনে দিছে জানে নেকি ? অতি জনপ্ৰিয় ছাত্ৰী গৰাকীক ওলোটাই প্ৰশ্ন কৰি জানিলো তেওঁ নিজে এই পদৰ বাবে আগ্ৰহী। মই হাঁহি উত্তৰ দিছিলো, - মই ক'ব নোৱাৰিম, তুমি সাধাৰণ সম্পাদকক সুধি চালেই ভাল হ'ব। যতদূৰ সম্ভৱ তেওঁ তাকে কৰিলে। জনাৰ পিছত হাঁহি হাঁহি মোক জনালে - আপুনি মোক জনোৱা নাই কিয় ? আপোনাৰ লগত যে মই প্ৰতিদ্বন্দী নহওঁ দেই। - সঁচাকৈ মই বিনা প্ৰতিদ্বন্দিতাৰে ডিগবৈ মহাবিদ্যালয়ৰ প্ৰথম আলোচনী সম্পাদক নিৰ্বাচিত হওঁ।

আলোচনী এখন প্ৰকাশ কৰা সাধাৰণ কথা নহয়। আজিকালি যধে-মধে, য'তে-ত'তে বিভিন্ন প্ৰকাৰৰ আলোচনী, আনকি বাতৰি কাকতো প্ৰকাশ হয়। পিছে পৃষ্ঠাই পৃষ্ঠাই ভুল বানান আৰু দুৰ্বল সম্পাদনা চকুত পৰে। - সাধাৰণতে নতুন লিখক ( অনামী সকল ) এই ক্ষেত্ৰত আগ্ৰহী হয়। কিন্তু তেওঁলোকৰ লিখনীৰ মানদণ্ড বহু সময়ত নেথাকে। অন্যহাতেদি যোগ্য ব্যক্তিসকলে আলোচনীলৈ যধে-মধে ৰচনা সম্ভাৰ

নিদিয়ে । গতিকেই তেওঁলোকক ব্যক্তিগত ভাৱে লগ কৰা বা নির্দ্ধাৰিত বিষয়ত ৰচনা বিচাৰি পত্ৰ দিয়া উচিত । তাকে নকৰিলে লিখকে স্ব-নির্বাচিত লেখা পঠাব । এনে হ'লে আলোচনীখনত সাহিত্যৰ সর্বদিশৰ পৰিপূর্ণতা নেথাকিব, যাৰ ফলত আলোচনীৰ মর্যাদা আৰু গাম্ভীর্য হ্রাস পায় । এইবোৰৰ উপৰিও সম্পাদক জন অধ্যয়নশীল, বহু আলোচনীৰ পাঠক হোৱা বাঞ্চনীয় ।এনে নকৰিলে আলোচনীত চুৰ কৰা, নকল কৰা বা আনৰ লিখা অসাধু ছাত্ৰৰ দ্বাৰা প্ৰকাশ হৈ যাব পাৰে । সেইটো বৰ বিপদজনক । মই নিজে ডিগবৈ মহাবিদ্যালয়ত থাকোঁতে ভালেমান এনে নকল লেখা আমাৰ হাতত ধৰা পৰিছিল । এওঁলোকক মই মাতি আনি তিৰস্কাৰ কৰিছিলো । পিছে আলোচনীখনৰ বেটুপাতটোৰ বাবে অলপতে বিপদত পৰিছিলো । সেই সময়ত মই দেখাৰ ভিতৰত পটু শিল্পী শ্ৰীঅমূল্য বৰুৱাৰ (বর্তমান কেলি ফোর্নিয়াত ) পিছতে এজন শিল্পী ডিগবৈ মহাবিদ্যালয়ত পাইছিলো । তেওঁ কোনো স্কেচ নকৰাকৈ এফালৰ পৰা আঁকি যাব পাৰিছিল সন্মুখত বহুৱাই মানুহজনক, কলেজৰ বিভিন্ন অনুষ্ঠানৰ (যেনে college week) ফলক । গতিকে তেওঁক মই একক ভাৱে ডিগবৈ মহাবিদ্যালয়ৰ প্ৰথম আলোচনীৰ বেটুপাত অঙ্কনৰ দায়িত্ব দিছিলো । সময়ত বেটুপাতটো পাওঁ, বৰ ভাল লাগিছিল । কিন্তু দুদিন পিছতে Sunday নে কলিকতিয়া আলোচনী এখনত ছবিখন চকুত পৰে । বন্ধুজনৰ ওপৰত বৰ খং উঠিছিল । এইখন প্ৰকাশ হোৱা হ'লে কিযে দুর্নাম নহ'লহেতেন । - সম্প্ৰতি এনে কাৰণতে ''সম্পাদনা সমিতি'' নামৰ প্ৰবন্ধ এটা দুলিয়াজানৰ সাহিত্য সভা প্ৰত্ৰিকাত প্ৰকাশ কৰোঁ ।

বেদনাৰ এবুকু বোজা ঃ এজন অসম বাসী বা অসমীয়া হিচাবে মই প্ৰায় বাঁইশটা বছৰ ভালকৈ শুব পৰা নাই, সত্য কথাটো হৈছে অশান্তিত আছো । ১৯৪৭ চনৰ আগতে ভাৰত, পাকিস্তান বা বাংলাদেশ বুলি কথা নাছিল । বিভাজনৰ পিছতহে পাকিস্তান । নতুন দেশ, নতুন সংবিধান, নতুন নাগৰিকত্ব । ১৯৭১ চনৰ পৰাহে বাংলাদেশ তাৰ নাগৰিক বাংলাদেশী শব্দৰ সৃষ্টি বা তাৰ সংবিধান, নাগৰিকত্ব আইনৰ সৃষ্টি । ইয়াত ১৯৬৫ চনৰ পৰা বাংলাদেশী বিতাৰণ হ'ব লাগে প্ৰশ্নটোৱে অবান্তৰ আছিল । সেয়ে ১৯৮০ চনত আন্দোলন কৰিও মই বিষয়টো সমর্থন কৰা নাছিলো । - এতিয়া দেশৰ সমস্যা বিদেশী নহয় । শিক্ষা, অর্থনীতি, সন্ত্ৰাসবাদী, ভূৱা-ৰাজনীতি, বানপানী, আৰু প্ৰশাসনীয় সকলো স্তৰতে দূর্নীতি তথা ব্যক্তিগত শিক্ষানুষ্ঠান ইত্যাদি ইত্যাদি । বছৰি বছৰি লাখ লাখ ছাত্ৰই বিদ্যা সাং কৰি কি কৰিব তাৰ এক অনিশ্চিত সমস্যাৰ ভয়াবহ ছবি ....... ইয়াত প্ৰকৃত অসমীয়াই শান্তিৰে শুব কিদৰে ?

অনিশ্চিত যাত্ৰা ঃ নবাগত সকল উচ্চ শিক্ষাৰ বাবে মহাবিদ্যালয়ত নাম অন্তর্ভূক্তি কৰিছে । শতকৰা ৭০ জন ছাত্ৰ-ছাত্ৰীয়ে কি পঢ়িব নেজানে, কিয় পঢ়িব নেজানে । লগৰ জনক সুধিছে - 'তই কি লৈছ' ? - তেনে ময়ো তাকে লওঁ । প্ৰকৃততে সাহিত্য, দর্শন, ভূগোল, বুৰঞ্জী, পদার্থ, ৰসায়ন, গণিত কি ? ইয়াৰ ভৱিষ্যত প্ৰসাৰ বা আত্মসংস্থান, দেশৰ আৰু নিজৰ কি প্ৰয়োজন বিষয়টোৰ মতে এক থুলমুল আভাস ছাত্ৰজনৰ থাকিব লাগিছিল । দোষ তেওঁলোকৰ নহয়, দোষ অভিভাৱকৰো নহয় । কাৰণ সকলো অভিভাৱকৰ এই জ্ঞান থাকিব নোৱাৰে । দোষ শিক্ষা ব্যৱস্থাৰ । অন্তত মাধ্যমিক বিদ্যালয়ৰ শেষান্ত পাঠ্যক্ৰমত বিষয় জ্ঞানৰ এটা পাঠ, দুটামান বক্তৃতা শিক্ষক সকলে ভৱিষ্যতৰ পথৰ ইঙ্গিত দি পঠাব লাগে । বিষয় জ্ঞান নেথাকিলে আকর্ষণ নেথাকে । আকর্ষণ বা আগ্ৰহ নেথাকিলে বিষয় আয়ত্ব নহয় । বিষয় আয়ত্ব নহলে বিফলতা হয় ।

এই জীৱনটো ঃ বাল্যাৱস্থাতে, ছাত্ৰাৱস্থাতে, চাকৰী কার্যকালতে, যৌৱনতে বা বার্দ্ধক্য তথা মৃত্যুতে জীৱনটো শেষ নহয় । আজি বোপায়ে চিঞৰি - বাখৰ কৰিছে - ভালকৈ পঢ় বুলি, অমুকটো কৰ বুলি, তমুকটো নকৰিবি বুলি । বোপায়ে জীৱনৰ পৰা অভিজ্ঞতা আহৰণ কৰিছে । সময়ৰ, বয়সৰ, বাস্তৱৰ পৰা কঠোৰ সংগ্ৰাম কৰি । অর্থোপার্জন সহজ কথা নহয় । কষ্টোপার্জিত ধন সহজভাৱে ব্যয় হ'লে মানুহে সহজ ভাৱে গ্ৰহণ কৰিব নোৱাৰে । গতিকেই বোপায়ে কয় । পিছে আমিওঁ সদায় ছাত্ৰ হৈ নেথাকো, এদিন ঘৰ-সংসাৰ কৰিম, উপার্জন কৰিম । আমাৰো সতি-সন্ততি হ'ব, আমিওঁ আমাৰ সতি-সন্ততিৰ উজ্বল ভৱিষ্যতৰ কথা চিন্তা কৰিব লাগিব । তেতিয়া আমি বোপায়ে আমাক বিৰক্তি লগাকৈ কোৱা কথাবোৰ আমিওঁ আমাৰ ভৱিষ্যত সন্তান সকলক ক'ব লাগিব । গতিকে যাত্ৰা কেতিয়াওঁ অনিশ্চিত হোৱা উচিত নহয় ।

যন্ত্ৰনাৰ ভাষ্য ঃ এটা কোম্পানীৰ কর্মচাৰী হোৱা সত্বেও সাহিত্য, ধর্ম আৰু জ্যোতিষ বিষয়ৰ লগত মই কেতিয়াবাৰ পৰাই ওতঃপ্ৰোত ভাৱে সাঙুৰ খালো । ধর্মৰ সংঘাত বিশ্ববাসী আৰু জ্যোতিষৰ সংঘাত আৰু ঈশ্বৰৰ বিশ্বাস অনাদি অনন্ত কালৰ এক অমীমাংসিত বিতর্ক । যৌৱন কালত আধুনিক শিক্ষাৰ প্ৰভাৱত ধর্ম, ঈশ্বৰৰ, জ্যোতিষৰ কোনো অর্থ নাই । কিন্তু জীৱনটো নিজতে শেষ নহয় । পিতা-পুত্ৰ পৰিবাৰ, আত্মীয় স্বজন, সমাজ, দেশৰ, পৃথিৱীৰ স'তে আমাৰ সম্পর্ক । যাৰ ৰোগ আছে তেওঁহে ডাক্তৰৰ ওচৰলৈ যাব । যাৰ নাই তেওঁ কিয় যাব ? জীৱনৰ বহু পাৰিবাৰিক, আর্থিক কিংবা শাৰীৰিক সমস্যাত বহু মানুহ কালক্ৰমত জর্জৰিত হৈ পৰে । - কিন্তু ইচ্ছা কৰিলেই, যত্ন কৰিলেই যিকোনো সমস্যা সমাধান কৰিব পাৰি বা লক্ষ্যত উপনীত হ'ব পাৰি কথাষাৰ সত্য নহয় । বিগত ২২ বছৰ দেশৰ সমস্যা লৈ সাত সাৰটি বহি থাকোঁতে সমস্যাটো বান্দৰৰ গাত ঘা হোৱাৰ দৰে অজস্ৰ সমস্যা হ'লগৈ কিন্তু সমস্যা সমাধান হোৱাৰ কোনো ইঙ্গিত নাই । মানুহে অলাগতিয়াল বস্তুবুলি নিজৰ চাবিপাত দলিয়াই দি এতিয়া দিকবিহিত হৈছে । দেশৰ দুৰাৱস্থা দূৰ কৰিব নোৱাৰা মানুহৰ যুক্তিবাদী কথাবোৰ তুলুঙা যুক্তি, অসাৰ ।

আকৌ জীৱন ঃ- যি জীৱন আমি অবাবত নষ্ট কৰিছোঁ, তাক পুত্ৰৰ মাধ্যমেৰে, নাতিৰ মাধ্যমেৰে দেখি পাম । আমি অবাবত সময় কটালে, ফাঁকি দিলে, প্ৰবঞ্চনা কৰিলে - সময়ত পুত্ৰ - নাতি সকলেওঁ তাকেই কৰিব । গতিকেই এই জীৱনেই অনন্ত জীৱন, অমূল্য জীৱন ।

সামৰণি ঃ দেশত পণ্ডিত - বিদ্যানুৰাগী, জ্ঞানী বা বিভিন্ন দিশত পাৰদর্শিতা দেখুৱাব পৰা মানুহৰ সংখ্যা তেনেই কম নহয় । বিদেশতো বহু অসমীয়াই কৃতিত্বপূর্ণ কাম কৰি আছে । দেশত ধনী, উদ্যোগী মানুহৰ সংখ্যাও কম নহয় । - দেশত যিটো অভাৱ সেয়া হ'ল প্ৰকৃত অসমীয়াৰ অভাৱ, দেশপ্ৰেমীৰ অভাৱ । অহঙ্কাৰ, স্বার্থপৰতাৰ বাদে এওঁলোকৰ গৌৰৱ কৰিব লগা একো নাই । কোনো এজনে আজি বুকু ডাঠি ক'ব নোৱাৰে 'মই অসমীয়া, এইখন আমাৰ সোণৰ অসম' । কোনো এজন অসমীয়াই বিদেশত ফিতাহি মাৰি ক'ব নোৱাৰে - ''বলা - আমাৰ সুজলা-সুফলা অসমখন তোমাক এবাৰ দেখুৱাই আনো - । কাৰণ তেওঁলোক অহঙ্কাৰী, স্বার্থপৰ ভুৱা পণ্ডিতহে - অসমীয়া নহয় ।

বিশেষ ৰচনা

# বিহংগম দৃষ্টিত 'ডিগবৈ মহাবিদ্যালয় আলোচনী'ৰ কেইটিমান প্ৰবন্ধ

❑ জয়কান্ত গন্ধীয়া

মহাবিদ্যালয় একোখনত সাহিত্য সৃষ্টিত বীজ ৰোপিত হয় সেই মহাবিদ্যালয়ৰ ছাত্ৰ সংগঠনটোৰ ছাত্ৰ-ছাত্ৰী-শিক্ষক-শিক্ষয়িত্ৰী সকলৰ দ্বাৰা প্ৰকাশিত আলোচনীখনত। সাহিত্য সৃষ্টিৰ বীজ ৰোপন কৰা হৈছে ডিগবৈ মহাবিদ্যালয়তো। মহাবিদ্যালয়খনৰ ছাত্ৰ-সন্থাৰ দ্বাৰা প্ৰকাশিত আলোচনীখনত বহুবোৰ সুলিখিত প্ৰবন্ধ, সুখ পাঠ্য গল্প, কবিতা, নাটক, উপন্যাসিকা আদি প্ৰকাশ হৈছে। তাৰে পঞ্চম সংখ্যাৰ পৰা প্ৰকাশিত প্ৰবন্ধকেইটামানৰ ওপৰত চমুকৈ আমাৰ মতামত ব্যক্ত কৰিব বিচাৰিছোঁ। (প্ৰথমৰ ৪ টা সংখ্যা আমাৰ হাতত পৰা নাই)।

১৯৮০-৮১ চনত ৰমেশ গগৈৰ সম্পাদনাত প্ৰকাশিত পঞ্চম সংখ্যাৰ 'ডিগবৈ, মহাবিদ্যালয় আলোচনী'ৰ প্ৰথম প্ৰবন্ধ 'প্ৰাদেশিকতাবাদ, অসম আৰু জ্যোতি - চিন্তা' শীৰ্ষক আৰু লেখক হ'ল বীৰেন বৰগোহাঁই। প্ৰবন্ধটোত জ্যোতিপ্ৰসাদৰ চিন্তাৰ বিভিন্ন দিশ সম্পৰ্কে সঠিক ভাৱে উল্লেখ কৰিছে। লেখকৰ ভাষা ভাব প্ৰকাশৰ বাবে সুন্দৰ হৈছে। প্ৰবন্ধটোত জ্যোতি প্ৰসাদৰ 'লভিতা' নাটকখনৰ সম্পৰ্কে এটা ভাল মন্তব্য পোৱা গৈছে। ....'নাট্যকাৰৰ 'লভিতা' নাট কেৱল নাটেই নহয় - ই সমসাময়িক কালৰ ৰাজনৈতিক আৰু ধৰ্ম-ইতিহাসৰ বস্তুনিষ্ঠ প্ৰতিচ্ছবিও দাঙি ধৰিবলৈ সক্ষম হৈছে। নাটকৰ যোগেদি ২য় মহাযুদ্ধৰ এটা সুন্দৰ প্ৰতিচ্ছবিৰ লগতে প্ৰত্যেক জাতি-উপজাতিৰ নিজস্ব স্বাধীনতাৰ প্ৰতি থকা স্পৃহাৰ এখন সুন্দৰ চিত্ৰ প্ৰতিফলন হোৱা দেখা যায়। অন্যহাতেদি নাটখনৰ মাজেদি কলুষিত ধৰ্ম-ইতিহাসৰ এখন বস্তুনিষ্ঠ প্ৰতিচ্ছবিও দেখা যায়।' এনে মতামতৰ যোগেদি ছাত্ৰ-লেখকজনৰ চিন্তাৰ গভীৰতাৰ উমান পাব পৰি। পঞ্চম সংখ্যাৰ আন এটা তথ্য সমৃদ্ধ প্ৰবন্ধ দেৱজ্যোতি হাজৰিকাৰ 'উদ্ভিদ বনাম ইন্ধন'। ফণিমনসা গছৰ বগা ৰসৰ (পাতত আঘাত কৰিলে নিৰ্গত হোৱা) পৰা 'জীৱাশ্মী ইন্ধন' পাব পৰা তথ্য অনুসন্ধিৎসু পাঠকৰ বাবে বৰ আকৰ্ষণীয় হৈছে। ইন্ধন উৎপন্নকাৰী ইউফৰবিয়া প্ৰজাতিৰ উদ্ভিদৰ বিষয়ে এই লেখকেও দেৱজ্যোতি হাজৰিকাৰ প্ৰবন্ধটোৰ পৰাহে জানিলোঁ। এই একেটা সংখ্যাতে বিজয়ানন্দ দুৱৰাই লিখা 'অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু ভাৰতবৰ্ষ' নামৰ প্ৰবন্ধটো এটা চিন্তা উদ্ৰেককাৰী প্ৰবন্ধ। এই প্ৰবন্ধটো এই যুগৰ প্ৰতিজন নতুন পুৰুষে, প্ৰবীণ শিক্ষিত চামে পঢ়া উচিত। লেখকে উদ্ধৃতি সংযোজন কৰা মূল গ্ৰন্থসমূহ পাঠকসকলে পঢ়িব পাৰিলে জ্ঞানৰ পৰিধিতো বাঢ়িবই, সমাজত এটা কুসংস্কাৰ মুক্ত পৰিবেশ সৃষ্টিৰ বাট মুকলি হ'ব বুলিও আশা কৰা যায়। চাৰ্বাক মুনিৰ দৰ্শন সম্পৰ্কে প্ৰবন্ধকাৰে পাঠকক জনাবলৈ যত্ন কৰিছে যে - ''তাত উল্লেখ থকা কথাসমূহ আজিৰ যুগৰ মানুহৰ চিন্তাধাৰাতকৈ কিছু ক্ষেত্ৰত যথেষ্ট উন্নত। তেওঁৰ দৰ্শনত পোৱা যায় - প্ৰত্যক্ষহে একমাত্ৰ প্ৰমাণ। অনুমান কোনোকালে প্ৰমাণ বুলি গ্ৰাহ্য হ'ব নোৱাৰে। পৰলোক মিছা। এই দেহ এবাৰ নষ্ট হ'লে তাক পুনৰায় পোৱাৰ সম্ভাৱনা মুঠেই নাই। বেদ ভণ্ডৰ ৰচনা। স্বৰ্গ নৰকাদি ধূৰ্তৰ কল্পিত। যজ্ঞত পশুবধ, মাংস আদি নিবেদন ৰাক্ষসবোৰে দিয়া। আচলতে স্বৰ্গ, নৰক, নিৰ্বাণ, মুক্তি আদি অবাস্তৱ কথা। যাগ-যজ্ঞ, অগ্নি হোত্ৰ, ব্ৰহ্মচৰ্য আদি নিস্ফল ক্ৰিয়া।'' - এই ধৰণৰ কথাই পাঠকক নিশ্চয় আকৰ্ষণ কৰিব আৰু চিন্তাৰ উদ্ৰেক ঘটাব। তাৰা পালৰ 'আধুনিকা নাৰী' শীৰ্ষক প্ৰবন্ধটোও এই সংখ্যাৰ এটা ভাল প্ৰবন্ধ। আধুনিকা নাৰীয়ে কি পালে, কি নাপালে; কিমান দি কিমান হেৰোৱালে এইখিনি কথা প্ৰবন্ধটোত চমুকৈ আলোচনা কৰা হৈছে। আন এটা প্ৰবন্ধ, আজিত কুমাৰ বড়াৰ 'বৰ্তমান অসমৰ গণজাগৰণ আৰু ডিগবৈ'ত অসম আন্দোলনৰ কথা বৰ্ণনা কৰিছে। বিপুল চন্দ্ৰ খাওণ্ডৰ 'বিশ্বত ছাত্ৰ-অশান্তিৰ চমু পৰ্যালোচনা' শীৰ্ষক প্ৰবন্ধটোত ছাত্ৰ আন্দোলনৰ মূল উৎস বিচাৰিবলৈ যত্ন কৰিছে আৰু শিক্ষা সংস্কাৰ সম্পৰ্কীয় চৰকাৰী নীতিৰো কিছু কথা আলোচনা কৰিছে।

ডিগবৈ মহাবিদ্যালয় আলোচনীৰ ৬ষ্ঠ সংখ্যা ১৯৮১-৮২ চনত ৰবীন ৰয়-ৰ সম্পাদনাত প্ৰকাশ হৈছে। এই সংখ্যাৰ প্ৰথম প্ৰবন্ধটো হৈছে মহাবিদ্যালয়খনৰ তেতিয়াৰ অধ্যক্ষ ড০ প্ৰফুল্ল কুমাৰ ভূঞাৰ। 'স্বাধীন ভাৰতৰ অৰ্থনৈতিক প্ৰগতি' শীৰ্ষক প্ৰবন্ধটোত কৃষিপ্ৰধান দেশ ভাৰতৰ কৃষিক্ষেত্ৰত হোৱা অৰ্থনৈতিক উন্নতি, উদ্যোগ ক্ষেত্ৰত হোৱা অৰ্থনৈতিক উন্নতি সম্পৰ্কে আলোচনা কৰি অধোগতিৰ কথাও তথ্য সহকাৰে আলোচনা কৰিছে। এই সংখ্যাত আন এটা উল্লেখযোগ্য প্ৰবন্ধ হ'ল - মানস বৰতামুলীৰ 'অসমত বিজ্ঞানৰ কেনেকৈ উন্নতি কৰিব পাৰি' শীৰ্ষক প্ৰবন্ধটো। প্ৰবন্ধটোত বিজ্ঞান বিষয়টো জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত লেখকে

কেইবাটাও সমস্যা আৰু তাৰ সমাধান সম্পৰ্কে আলোচনা কৰি পাঠকক আকৰ্ষণ কৰিবলৈ যত্ন কৰিছে । ৬ষ্ঠ সংখ্যাৰ আন এটা আকৰ্ষণীয় প্ৰৱন্ধ হ'ল অধ্যাপক প্ৰদীপ কুমাৰ চাহুৰ 'ক্ৰিকেটঃ ইয়াৰ ওপৰত অন্ধবিশ্বাস আৰু অৰ্থনীতিৰ প্ৰভাৱ' । প্ৰৱন্ধটোত ক্ৰিকেটৰ চমু পৰিচয়, জনপ্ৰিয়তাৰ বিষয়ে লিখিছে । লগতে ক্ৰিকেট জগতৰ অদ্ভূত ঘটনাৰ বিষয়ে, অন্ধবিশ্বাসৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ আলোচনা কৰিছে । অৰ্থনীতিৰ সৈতে ক্ৰিকেটৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰি অধ্যাপক চাহুৱে এটা ভাল কথা কৈছে - ''....ইমান খৰচী খেল কেৱল মনোৰঞ্জনৰ বাবেই খেলাটো সঁচাকৈয়ে এক চিন্তনীয় বিষয় । অৰ্থনৈতিক ভাৱে সমৃদ্ধ ৰাচিয়া, আমেৰিকা, চীন, জাপান আদি দেশে যেতিয়া এই খেলত ৰাপ দেখুওৱা নাই তেনে ক্ষেত্ৰত ভাৰতৰ দৰে বা পাকিস্তান, শ্ৰীলংকাৰ দৰে দুখীয়া দেশে এনে এটা খৰচী খেলত ব্যস্ত থকাটো খুব ভাল বুলি কোৱা নাযায় ।'' এই সংখ্যাত প্ৰকাশ হোৱা 'ভাৰতৰ বৈদেশিক নীতি' প্ৰৱন্ধটো চমু হলেও গুৰুত্বপূৰ্ণ আলোচনাৰে সমৃদ্ধ । লেখকঃ শ্ৰীৰাম প্ৰসাদ ডুবে । বিজয় মণ্ডলে লিখিছে 'ধৰ্ম এটা বিতৰ্কিত বিষয় - হয়নে ?' শীৰ্ষক প্ৰৱন্ধ । প্ৰৱন্ধটোত লেখকে নিজস্ব দৃষ্টি ভংগীৰে আলোচনা আগবঢ়াই চিন্তাৰ খোৰাক দিছে । ৰাণু বৰুৱা আৰু দীপক ভূঞাই লিখিছে 'ডিগবৈ মহাবিদ্যালয় আলোচনীঃ এটি সমীক্ষা' । প্ৰৱন্ধটোত আলোচনীখনৰ ১ম - ৫ম সংখ্যালৈ প্ৰকাশিত ৰচনা সম্ভাৰৰ নিৰপেক্ষ সমালোচনা আগবঢ়োৱা হৈছে । মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ প্ৰায় দুবছৰৰ পাছত আলোচনীখনৰ প্ৰস্তাৱনা সংখ্যা এটা ওলাইছিল । সেই সংখ্যাটো লেখকদ্বয়ৰ হাতত নপৰিল । ১ম সংখ্যা প্ৰকাশ হৈছিল ১৯৭৩ চনত । কুমাৰী প্ৰতিভা বৰুৱাৰ প্ৰৱন্ধ 'নতুন শক্তিৰ সন্ধানত' । লেখিকাই শক্তিৰ উৎস সম্পৰ্কে আলোচনা কৰি নতুন শক্তিৰ অনুসন্ধান সম্পৰ্কে বিজ্ঞানীসকল কিমান আগবাঢ়িছে তাৰ বতৰা দিছে ।

আলোচনীখনৰ ৭ম সংখ্যাৰ ( প্ৰকাশ কালঃ ১৯৮২-৮৩ চন ) প্ৰথম প্ৰৱন্ধটো হ'ল মহাবিদ্যালয়খনৰ তেতিয়াৰ উপাধ্যক্ষা ( এতিয়া স্বৰ্গীয়া) স্বৰ্ণলতা গগৈৰ 'সন্দিকৈ কৃষ্ণকান্ত' । 'পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত আছিল প্ৰচাৰ বিমুখ একাডেমিক ঋষি । তেওঁ আছিল স্থিতপ্ৰজ্ঞ জ্ঞান - সাধক । চিৰসুন্দৰৰ আৰাধনাই আছিল তেওঁৰ জীৱনৰ ব্ৰত ।' লক্ষ্মীৰ বৰপুত্ৰ এইজন সাধকৰ চমু জীৱনীমূলক প্ৰৱন্ধটিত লেখিকাই সন্দিকৈ ডাঙৰীয়াৰ নৈষধ চৰিত্ৰ, যশস্তিলক, সেতুবন্ধ - তিনিওখন গ্ৰন্থৰে একোটি চমু পৰিচয় দাঙি ধৰিছে । ৭ম সংখ্যাৰ 'অসমীয়া ভাষাৰ বিকাশ সাধনত আমাৰ দায়িত্ব আৰু কৰ্তব্য' শীৰ্ষক প্ৰৱন্ধত লেখিকা ইলাৰাণী দেৱীয়ে চমুতে আমাৰ ভাষাৰ ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত আমাক সচেতন কৰিবলৈ চেষ্টা কৰিছে । 'আমাৰ মাতৃভাষা ৰক্ষাৰ কাৰণে আমি পুৰণিকলীয়া মনোভাব সলনি কৰি নতুন দৃষ্টি ভংগীৰে চোৱাটো প্ৰয়োজন হৈ পৰিছে । অন্ততঃ অসমৰ চাৰিসীমাৰ ভিতৰত আন আন ভাষা-ভাষী লোকৰ লগত ভাবৰ আদান প্ৰদান কৰোঁতে ভাষিক মাধ্যম হিচাবে অসমীয়া ভাষা ব্যৱহাৰ কৰাতো বাধ্যতামূলকভাৱে সকলোৱে পালন কৰিব লাগে ।' বুলি লেখিকাই কোৱা কথাৰ এতিয়াও প্ৰাসংগিকতা শেষ হৈ যোৱা নাই । 'জাতীয় সংহতিলৈ মহাপুৰুষ শংকৰদেৱৰ অৱদান' আৰু 'বিজুলীৰ আৱিষ্কাৰ' ক্ৰমে অমূল্য কুমাৰ শইকীয়া আৰু বিদ্যাধৰ চেতিয়াৰ দুটা গতানুগতিক প্ৰৱন্ধ । চেতিয়াৰ প্ৰৱন্ধটোত অৱশ্যে দুই এটা বিজ্ঞানৰ বতৰা পোৱা যায় । প্ৰহ্লাদ কুমাৰ বৰাৰ 'মোৰ সেই চিৰস্মৰণীয় দিনকেইটা' লেখাটোত আৰ্মি এটাচমেন্ট কেম্পৰ স্মৃতি বৰ্ণনা কৰিছে । বৰ্ণনা ভাল লগা হৈছে । ৭ম সংখ্যাৰ এটা আকৰ্ষণীয়, কিছু গুৰুত্বপূৰ্ণ প্ৰৱন্ধ হ'ল ৰুবুল শইকীয়াৰ 'অপসংস্কৃতিৰ গ্ৰাসত বৰ্তমান অসমীয়া সমাজ আৰু সংস্কৃতি' । লেখকৰ উপলব্ধিয়ে পাঠকক জোকাৰ একোটা দি গৈছে । এই সংখ্যাৰ উল্লেখযোগ্য প্ৰৱন্ধটো হ'ল ভুইটী শইকীয়াৰ 'মানসিক ৰোগ ঃ বিশ্লেষণ আৰু চিকিৎসা' শীৰ্ষক প্ৰৱন্ধ । প্ৰৱন্ধটোত বিভিন্ন মানসিক ৰোগৰ বিশ্লেষণ সুন্দৰ ভাষাৰে পাঠকক বান্ধি পেলাব পৰাকৈ দিয়া হৈছে । লেখকে মনোৰোগৰ কাৰণ আৰু প্ৰকাৰ সম্পৰ্কে আলোচনা কৰাৰ পিছত অতীতত আৰু বৰ্তমান কালত মনোৰোগৰ চিকিৎসা সম্পৰ্কীয় কথাও আলোচনা কৰিছে । 'টাই জাতি আৰু টাই - আহোম যুগৰ সংস্কৃতি' প্ৰৱন্ধত লেখক প্ৰেমধৰ ফুকনে অধ্যয়নপুষ্ট মনৰ পৰিচয় দিব পাৰিছে । এইটো এটা সংৰক্ষণযোগ্য প্ৰৱন্ধ ।

ডিগবৈ মহাবিদ্যালয় আলোচনীৰ ৮৩-৮৪ চনত ৮ম সংখ্যা প্ৰকাশ হৈছে প্ৰবীন মমীন ৰাজখোৱাৰ সম্পাদনাত । এই সংখ্যাত 'ৰাজনৈতিক তত্ত্ব' শীৰ্ষক প্ৰৱন্ধটো ৰচনা কৰিছে ড০ প্ৰফুল্ল কুমাৰ ভূঞাদেৱে । প্ৰৱন্ধটো ৰাজনীতি সম্পৰ্কীয় কিছু তাত্ত্বিক কথাৰে পূৰ্ণ হৈছে । এটা চিন্তাগধুৰ প্ৰৱন্ধ । চিত্ৰধৰ সোণোৱালে 'জ্যোতিপ্ৰসাদৰ কাব্য প্ৰতিভা' সম্পৰ্কীয় প্ৰৱন্ধটোত বিষয়ৰ চমু পৰিচয় দিছে । আলোচনীখনৰ নৱম সংখ্যা আমাৰ হাতত নপৰিল । ৰঞ্জিত ফুকনৰ সম্পাদনাত ১৯৮৬-৮৭ চনত প্ৰকাশ হোৱা দশম সংখ্যাত ছটা গুৰুত্বপূৰ্ণ প্ৰৱন্ধ প্ৰকাশ হৈছে । এই সংখ্যাত প্ৰকাশ পোৱা ড০ প্ৰফুল্ল কুমাৰ ভূঞাদেৱৰ প্ৰৱন্ধ 'আমাৰ সাংবিধানিক দায়িত্ব'ত চমুকৈ কেইটামান অতি প্ৰয়োজনীয় কথা পাঠকসমাজক জনাইছে । 'নাৰীঃ তেতিয়া আৰু এতিয়া' প্ৰৱন্ধত চম্পাবালা বৰাই পাঠকৰ চিন্তাৰ উন্মেষ ঘটাব পাৰিছে । নাৰীৰ সৰলতাৰ সুযোগ লৈ আৰু পুৰুষ সমাজে তেওঁলোকক টেঁটু চেঁপি ধৰাৰ মানসিকতাৰ পৰা মুক্ত হ'ব পৰা নাই । চম্পাবালা বৰাৰ ''....আনহাতে সমাজৰ সকলো পৰ্যায়ৰ লোকে নাৰীক কেৱল 'গৃহলক্ষ্মী', 'অৱলা', 'দুৰ্বল' হিচাবে গণ্য নকৰি নাৰীও যে এক শ্ৰেণীৰ 'মানুহ' হিচাপে ভাবিব লাগিব । ভাৰতীয় নাৰী 'অবলা' কেতিয়াও নহয় । অতীতৰ বীৰত্বমূলক কামৰ কাৰণে নাৰী বিখ্যাত হৈ আছে । এই বীৰত্বমূলক কাম তেওঁলোকে অস্ত্ৰবলেৰে কৰা নাছিল, চৰিত্ৰবলেৰেহে কৰিছিল ।'' - এনে কথাই আজিৰ নাৰীক নিশ্চয় প্ৰেৰণা যোগাব । ইভা সোণোৱালে 'ৰূপ কোঁৱৰ জ্যোতিপ্ৰসাদৰ ব্যক্তি প্ৰতিভা' প্ৰৱন্ধটোত খুব চমুকৈ জ্যোতি প্ৰসাদৰ ব্যক্তিত্বৰ আলোচনা কৰিছে । এই সংখ্যাত প্ৰকাশ পোৱা আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰৱন্ধটো হ'ল পূৰ্ণানন্দ শইকীয়াৰ 'অসমত লেখন সামগ্ৰীৰ ক্ৰমবিকাশ' । প্ৰচুৰ তথ্যসমৃদ্ধ প্ৰৱন্ধটো সকলো শ্ৰেণীৰ

পাঠকৰ বাবে । প্ৰথম লেখন সামগ্ৰী শিলৰ ফলিৰ পৰা আৰম্ভ কৰি জেৰক্স ৰ দিনলৈকে ক্ৰমবিকাশৰ এটা ধাৰা বিৱৰণী যেন শইকীয়াদেৱে প্ৰৱন্ধটো দি গৈছে । হোমাৰৰ ইলিয়াদ আৰু ওদিছি সাপৰ ছালত লিখিছিল বুলি দিয়া তথ্য বেচ আমোদজনক হৈছে । প্ৰাচীন অসমত চিয়াঁহী তৈয়াৰ কৰা পদ্ধতিৰ বিৱৰণো নতুন মানুহৰ বাবে নিশ্চয় আমোদজনক হ'ব । 'উত্তৰকাশী ট্ৰেকিং কেম্পলৈ গৈছিলো' শীৰ্ষক প্ৰৱন্ধত বিনন্দ কুমাৰ কোঁৱৰে নিজৰ অভিজ্ঞতা প্ৰাঞ্জল ভাষাত বৰ্ণনা কৰিছে । প্ৰৱন্ধটোত উত্তৰ প্ৰদেশৰ বিভিন্ন দিশৰ ভালেখিনি তথ্যও পোৱা যায় । 'সেই ইহুদী বৈজ্ঞানিকজন' শীৰ্ষক প্ৰৱন্ধত প্ৰভাত কুমাৰ বৰুৱাই বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনৰ চমু জীৱনী আৰু কৰ্মৰাজিৰ এটি চমু পৰিচয় দাঙি ধৰিছে ।

আলোচনীৰ একাদশ সংখ্যাত ( সম্পাদনা পবিত্ৰ কুমাৰ গগৈ, প্ৰকাশ কালঃ ১৯৮৭-৮৮ ) প্ৰদীপ কুমাৰ খাউন্দে 'শব্দ আৰু শব্দৰ প্ৰদূষণ' সম্পৰ্কে আলোচনা কৰি পাঠকক বিজ্ঞানসন্মত সন্দেদ দিবলৈ যত্ন কৰিছে । প্ৰৱন্ধকাৰে বিষয়টো আকৰ্ষণীয়কৈ সজাই তোলাত সফল হৈছে । এনেধৰণৰ প্ৰৱন্ধই ছাত্ৰ-পাঠকৰ লগতে সৰ্বসাধাৰণৰো প্ৰচুৰ উপকাৰ সাধিব । 'শিক্ষাৰ দাবীত ছাত্ৰ আন্দোলন' অলক দাসৰ প্ৰৱন্ধ । প্ৰৱন্ধটোত শিক্ষা সম্পৰ্কীয় কেইটামান সমস্যাৰ কথা উল্লেখ কৰা হৈছে । মনু বৰগোহাঁয়ে ৰচনা কৰা 'শংকৰদেৱৰ ৰুক্মিণীহৰণ কাব্যত অসমীয়া জন-জীৱনৰ ছবি' প্ৰৱন্ধত কাব্যখনত বৰ্ণিত আটাইকেইটা ঘৰুৱা চিত্ৰৰে বৰ্ণনা দাঙি ধৰা হৈছে । একাদশ সংখ্যাত প্ৰকাশ পোৱা চম্পা বৰাৰ 'বৰ্তমান সময়ত যুৱ-ছাত্ৰ সমাজৰ দায়িত্ব আৰু কৰ্তব্য', নিবেদিতা শইকীয়াৰ 'অসমীয়া সাহিত্যৰ প্ৰথম গতি ধাৰাত মিছনেৰীসকলৰ অৱদান' শীৰ্ষক আন দুটা প্ৰৱন্ধ । দুয়োটা প্ৰৱন্ধতে বিষয় বস্তু খৰচি মাৰি আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে । 'বৌদ্ধিক চিন্তা-চৰ্চাৰ দৈন্যতা, অভদ্ৰ মনোচিত আচাৰ - ব্যৱহাৰ, অশালীন কথা - বতৰা, বিসদৃশ পিন্ধা - উৰা, উশৃংখল জীৱন নিৰ্বাহ আদিয়ে সংস্কৃতিবানসকলক শঙ্কিত কৰি তুলিছে' বুলি যুৱসমাজক উদ্দেশ্যি চম্পা বৰাই লিখা বাক্যসমূহে নিশ্চয় যুৱসমাজক ভৱাই তুলিব বুলি আশা কৰিব পাৰি । আনহাতে নিবেদিতা শইকীয়াৰো মূল্যায়ণ যথাৰীতি হৈছে ।

১৯৮৮-৮৯ চনত প্ৰকাশ হোৱা দ্বাদশ সংখ্যাত ( সম্পাদনা দীপেন কুমাৰ বড়া ) ৯ টা প্ৰৱন্ধ প্ৰকাশ কৰা হৈছে । 'চিৰস্মৰণীয় কবি টি, এছ, এলিয়ট' প্ৰৱন্ধত কুমাৰী প্ৰণামী গোস্বামীয়ে কবি জনাৰ জীৱন আৰু কাব্য প্ৰতিভাৰ পৰিচয় দিছে । অৰুণ শৰ্মাৰ 'বায়ুমণ্ডলৰ অজ'নস্তৰ আৰু ইয়াৰ ক্ষয়ীভৱনৰ ভয়াবহতা' বিজ্ঞান ভিত্তিক প্ৰৱন্ধ । প্ৰায় ১৯৭০ চনৰ মাজভাগৰ পৰাই অজ'নস্তৰৰ ধ্বংস আৰম্ভ হোৱা, শব্দোত্তৰ পৰিবহন যেন- এৰোপ্লেন, জেটপ্লেন, ৰকেট ইত্যাদিবোৰৰ অবাধ অহা যোৱাইও অজ'নস্তৰৰ ক্ষয়ীভৱনত ইন্ধন যোৱা বাৰ্তাৰে প্ৰৱন্ধটো পুষ্ট হৈছে । বিনোদ গগৈদেৱৰ 'কবি আৰু কবিতা' নামৰ চুটি প্ৰৱন্ধটোত ১৯৮৯ চনৰ ৬ জানুৱাৰীৰ দিনা ডিগবৈ মহাবিদ্যালয়ত অনুষ্ঠিত কবি সন্মিলন এখনিৰ চমু বিৱৰণ দিয়া হৈছে । অণু বৰুগোহাঁই (গগৈ)ৰ প্ৰৱন্ধ 'ৰহস্যময় মাছ/চিল'কাস্থ'ত সাগৰতলিত (প্ৰথম মাছটো পাইছিল ১৯৩৮ চনত চালুমনা নদীৰ মোহনাত) পোৱা চিল'কান্থ প্ৰজাতিৰ 'লেটিমেৰিয়া চালুমনি' মাজৰ জীৱন পদ্ধতি আৰু মাছবিধৰ আৱিষ্কাৰৰ কথা আলোচনা কৰিছে । ৭০ নিযুত বছৰৰ আগতে লুপ্ত হোৱা বুলি ভবা এই প্ৰজাতিৰ প্ৰথম মাছটো পানীৰ ৭৩ মিটাৰ গভীৰতাত পোৱা, দীঘলে ১ $\frac{১}{২}$ মিটাৰ, ওজন ৫৮ কিঃ গ্ৰাম, বাকলিবোৰ ডাঙৰ গোলাকৃতি গাঢ় নীলা ৰঙৰ আৰু ফিচা লবেট ( Lobate ) আকাৰৰ বুলি দিয়া বিৱৰণ আকৰ্ষণীয় হৈছে । দীপিকা হাজৰিকাই 'অতিপৰিবাহিতা আৰু সম্ভাৱনা' প্ৰৱন্ধত বিজ্ঞানৰ বতৰা দি পাঠকসমাজক বিজ্ঞানমুখী কৰিবলৈ যত্ন কৰিছে । লগতে এটা নজনা বিষয় সৰ্বসাধাৰণক জনাইছে । মণিদীপা কোঁৱৰৰ 'প্ৰৱন্ধ লিখন কলা' শীৰ্ষক প্ৰৱন্ধটো ছাত্ৰসকলৰ বাবে, বিশেষকৈ যিসকলে প্ৰৱন্ধ ৰচনা কৰি সাহিত্যৰ সাধনা কৰিব বিচাৰিছে- সেই সকলৰ বাবে প্ৰয়োজনীয় হৈছে । '' ..... বিষয় বিশ্লেষণ মানে বিষয়টোৰ আলোচনা কৰিব লগীয়া কথা কেইটা বিচাৰি উলিওৱা । বিষয়টো বিশ্লেষণ কৰোঁতে সংজ্ঞাৰ পৰাই আৰম্ভ কৰা ভাল । আলোচ্য বিষয়টো কেইটামান ভাগত ভগাব পাৰি যদিও ইয়াৰ পিছতে ভগোৱা উচিত সমীক্ষামূলক প্ৰতিবেদনবোৰ, ইয়াৰ পিছতে পাৰিসমীক্ষিত তথ্যবোৰৰ সাধাৰণ প্ৰৱণতা কি এই বিষয়ে এটা ইঙ্গিত .... '' আদি কথাই নতুন চাম প্ৰৱন্ধকাৰৰ সম্ভৱনা বঢ়োৱাত (এই প্ৰৱন্ধটোৱে) বেচ সহায় কৰিব । 'বৰ্তমান প্ৰজন্মঃ কেইটামান প্ৰাসঙ্গিক কথা' শীৰ্ষক অশোকানন্দ চক্ৰবৰ্তীৰ এটা গতানুগতিক প্ৰৱন্ধ । ৰবীন মৰাণে 'ক্যাৰাটে কি' শীৰ্ষক প্ৰৱন্ধত কংফু-ক্যাৰাটেৰ সম্ৰাট ব্ৰুচলীৰ জীৱন সম্পৰ্কে আলোচনা কৰি বিষয়টোৰ পৰিচয় দাঙি ধৰিছে । আবিদুল ইছলাম বৰাই 'অসমৰ থলুৱা সংস্কৃতি' প্ৰৱন্ধত থলুৱা সাংস্কৃতিক উপাদানসমূহ পাঠকক চিনাকি কৰোৱাই দিছে ।

'ডিগবৈ মহাবিদ্যালয় আলোচনী'ৰ ১৯৮৯-৯০ চনত প্ৰকাশিত ত্ৰয়োদশ সংখ্যাত ( সম্পাদিকা নয়নমণি বড়া ' চাৰিটা প্ৰবন্ধ প্ৰকাশিত হৈছে । 'গীতাঞ্জলিৰ ৰহস্যবাদ-এটি আলোচনা' প্ৰৱন্ধত অধ্যাপক পূৰ্ণানন্দ শইকীয়াই গ্ৰন্থখনিৰ এটি সম্যক পৰিচয় দিবলৈ যত্ন কৰিছে । প্ৰৱন্ধকাৰে গীতাঞ্জলিৰ জন্মমুহূৰ্তৰ কথা কৈ পিছত ৰহস্যবাদৰ স্বৰূপ উদ্ঘাটন কৰিবলৈ আগবাঢ়িছে । এই দিশত শ্ৰীশইকীয়াই ক) সৰ্বেশ্বৰবাদ, খ) দুখ গ্ৰহণৰ মনোভাব, গ) মিলনাকাঙ্ক্ষাৰ বিস্তৃতি, ঘ) লীলাবাদ, মায়া আৰু দ্বৈতবোধ ঙ) ভগৱানৰ মিলনাকাঙ্ক্ষা, চ) আত্মনিবেদন, ছ) বিৰল মিলন আৰু প্ৰাক্তন আগমন, জ) বৈৰাগ্য আৰু দান প্ৰতিদান, ঝ) মৃত্যুচেতনা - এই অনুভাগত গীতাঞ্জলীৰ বিচাৰ কৰিছে । গীতাঞ্জলিৰ অন্যান্য দিশৰ আলোচনাও প্ৰৱন্ধটোত সুন্দৰকৈ কৰা হৈছে । ''সামাজিক পৰিবৰ্তনৰ ধাৰা আৰু অসমীয়া সাহিত্য'' প্ৰৱন্ধত মুনীন বুঢ়াগোহাঁয়ে চমুকৈ অসমীয়া সাহিত্যৰ বিভিন্ন শাখাত- উপন্যাস, নাটক, চুটিগল্প, কবিতা আদিত সামাজিক পৰিবৰ্তনৰ কথা কেনেদৰে প্ৰতিফলিত হৈছে তাকে আলোচনা কৰিছে । প্ৰৱক্তা অণু বৰগোহাঁয়ে পখিলা আৰু মথৰ জীৱন প্ৰণালীৰে এটা

সুন্দৰ প্ৰবন্ধ প্ৰকাশ কৰিছে । প্ৰবন্ধটো বিজ্ঞান ভিত্তিক আৰু তথ্য সমৃদ্ধ । উষ্ণ সাগৰীয় অঞ্চলত পোৱা 'পাৰ্ল আয়েষ্টাৰ' নামৰ শামুক বিধৰ পেটত কেনেকৈ মুকুতা গঠন হয়, শামুকবিধ সাগৰৰ পৰা বুটলি আনি কেনেকৈ কৃত্ৰিমভাৱে মুকুতাৰ 'খেতি' কৰিব পাৰি - সেই বৰ্ণনাৰে মৃদুল বৰুৱাই ৰচনা কৰিছে 'মুকুতা আৰু ইয়াৰ গঠন, মুকুতা খেতি আৰু প্ৰতিপালন' প্ৰবন্ধ । প্ৰবন্ধটোৰ বৰ্ণনা বেচ আকৰ্ষণীয় হৈছে ।

আলোচনীখনৰ চতুৰ্দশ সংখ্যাত ('৯০ - '৯১ চন) প্ৰকাশ হৈছে ৬ টা প্ৰবন্ধ । প্ৰহ্লাদ শইকীয়াৰ প্ৰবন্ধ ''অসমৰ সামগ্ৰিক প্ৰগতি আৰু যুৱসমাজৰ দায়বদ্ধতা''ত কিছুমান সময়োচিত কথাৰ প্ৰতি সকীয়নী দিয়া হৈছে । পংকজজ্যোতি কোঁৱৰৰ ''মোৰ দৃষ্টিত ভাৰতৰ ৰাষ্ট্ৰীয় ঐক্যত কেৰোণ আৰু ইয়াৰ কাৰণ'' শীৰ্ষক লেখাত অনৈক্যৰ কাৰণসমূহ বিশ্লেষণ কৰি দেখুওৱা হৈছে । প্ৰদীপ কুমাৰ খাউণ্ডে ''দূৰদৰ্শন আৰু য়াগী এণ্টেনা'' প্ৰবন্ধত ঘৰতে য়াগী এণ্টেনাৰ নিৰ্মাণ সম্পৰ্কে বিস্তাৰিত বিৱৰণ দিছে । ''অসমীয়া সাহিত্যলৈ জোনাকী যুগৰ অৱদান'' শীৰ্ষক আলোচনামূলক প্ৰবন্ধ যুগুতাইছে অনন্ত কুমাৰ গগৈয়ে । সন্তোষ কুমাৰ শৰ্মাৰ ''ৰঘু চৌধাৰীৰ কবিতাত প্ৰকৃতি'' শীৰ্ষক আন এটা সাহিত্য আলোচনামূলক প্ৰবন্ধ । দুয়োটা প্ৰবন্ধতে লেখকদ্বয়ে সীমাৰ ভিতৰত তথ্য সমৃদ্ধ আলোচনা আগবঢ়াইছে । ''পিণ্ডাৰীলৈ গৈছিলোঁ'' পংকজ ৰাজগুৰুৰ ভ্ৰমণ বৃত্তান্ত । লেখাখিনি আমনি লগা হোৱা নাই ।

ৰুদ্ৰবাহাদুৰ ছেত্ৰীয়ে সম্পাদনা কৰা পঞ্চদশ সংখ্যাত (১৯৯১-৯২) এঘাৰটা প্ৰবন্ধ প্ৰকাশ কৰা হৈছে । প্ৰবন্ধসমূহ হ'ল - মদনমোহন চৌধুৰীৰ ''শিক্ষাৰ সংকট'', নিৰ্মলা দেৱীৰ ''ধৰ্মীয় চেতনা আৰু সামাজিক মূল্যবোধ'' অমৃত কুমাৰ দত্তৰ ''প্ৰদূষণ আৰু ইয়াৰ সমস্যা'', সত্য বৰগোহাঁইৰ ''সাম্প্ৰতিক অসমৰ গোষ্ঠীগত চিন্তা আৰু ছাত্ৰৰ ভূমিকা'', ভাস্কৰজ্যোতি গগৈৰ ''অসমৰ সাম্প্ৰতিক শৈক্ষিক পৰিবেশ বনাম সামাজিক দায়বদ্ধতা'', পূৰ্ণকান্ত শইকীয়াৰ ''পূজা - পাৰ্বনত লোক-সংস্কৃতিৰ প্ৰভাৱ'', মণিদীপা বৰুৱাৰ ''যুৱ মানসিকতা ঃ এটি সমীক্ষা'', লোহিত মৰাণৰ ''অসমীয়া লোক-সাহিত্যৰ এটি চমু আভাষ'', মুকুল চেতিয়াৰ ''স্মৃতি শক্তি'', ললিত বৰাৰ ''ডাৱৰ আৰু নৈৰ অনুপমা'' আৰু মনালিচা ভট্টাচাৰ্যৰ ''মনলিচাৰ শিল্পী লিনাৰ্ডো'' । গোটেইখিনি প্ৰবন্ধতে দেখা গ'ল লেখকসকল যেনেদৰে বিষয়ৰ গভীৰতালৈ যাব লাগিছিল তেনেদৰে নগ'ল । উদাহৰণ স্বৰূপে শেষত উল্লেখ কৰা প্ৰবন্ধ দুটাত 'অনুপমা' আৰু 'লিনাৰ্ডো' বিষয়ে যথেষ্ট আলোচনাৰ স্থল থকা সত্বেও লেখকদ্বয় আগনাবাঢ়িল, কষ্ট কৰাৰ পৰা বিৰত থাকিল ।

আলোচনীখনৰ ষষ্ঠদশ সংখ্যা ১৯৯২-৯৩ চনত প্ৰকাশ হৈছে গণেশ বাহাদুৰ ছেত্ৰীৰ সম্পাদনাত । ইয়াত প্ৰকাশ কৰা হৈছে ৬ টা প্ৰবন্ধ । প্ৰথম প্ৰবন্ধ ''শ্ৰীশ্ৰীশংকৰদেৱৰ ধৰ্ম-সংস্কৃতিত বিভাজন আৰু অনৈক্য ঃ সমাধানৰ উপায় ।'' ত মণিদীপা বৰুৱাই কিছুমান মনত লগা মতামত ব্যক্ত কৰিছে । 'লক্ষ্মীনাথ বেজবৰুৱাৰ নেতৃত্বত ''শংকৰ আলোচনা''ৰ যোগেদিহে শংকৰদেৱ সমাজজাত হ'ল ।' বুলি কোৱা কথাষাৰ এটা সত্যক প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস । 'ডাংকেল প্ৰস্তাৱ আৰু ভাৰতৰ অৰ্থনৈতক সাৰ্ব্বভৌমত্বৰ প্ৰত্যাহ্বান' শীৰ্ষক প্ৰবন্ধত মদনমোহন চৌধুৰীদেৱে বিষয়ে সামৰা গোটেইখিনি কথা উল্লেখ কৰিছে । মনোৰঞ্জন সোণোৱালৰ প্ৰবন্ধ ''ছাত্ৰ, বিপ্লৱ আৰু অন্যান্য''ত কিছু কথা নিৰপেক্ষভাৱে আলোচনা কৰিছে । 'বিগত অসম আন্দোলনে ছাত্ৰ-ছাত্ৰীসকলৰ যি এক মেৰুদণ্ডহী বিপ্লৱৰ মানসিকতা সৃষ্টি কৰি গ'ল সি বৰ্তমানলৈকে প্ৰতিক্ৰিয়া কৰি আছে আৰু যি এক বাতাবৰণ আমাৰ চৌপাশে গঢ়ি উঠিল সেই প্ৰতিক্ৰিয়াশীল বিপ্লৱ অদূৰ ভৱিষ্যতলৈকে চলি থকাৰ আশংকা আছে । ইয়াৰ প্ৰতিকাৰৰ চিন্তা এতিয়া কোনে কৰিব সেয়াহে আজিৰ চিন্তাৰ মূল বিষয় ।' - প্ৰবন্ধটোত এনেধৰণৰ কথাই পাঠকক নিশ্চয় চিন্তাৰ খোৰাক দিব । 'প্ৰসংগ ঃ ড্ৰাগছ, নিচাযুক্ত দ্ৰব্য আদি...' অনন্ত কুমাৰ দত্তৰ সাম্প্ৰতিক কালৰ পাঠকে পঢ়িব লগা প্ৰবন্ধ । প্ৰবন্ধটোত লেখকে বিষয়টো খৰচি মাৰি আলোচনা কৰিবলৈ যত্ন কৰিছে । 'ভাৰতীয় ভাষাৰ ভিতৰত নেপালী ভাষা' - দেৱীচৰণ ছেড়াইৰ এটা সুলিখিত ভাষা বিষয়ক প্ৰবন্ধ । প্ৰবন্ধটোৱে পাঠকক নতুন তথ্যৰ সন্ধেদ দিবলৈ সমৰ্থ হৈছে । সংগীতা বৰুৱাৰ 'জ্যোতিপ্ৰসাদৰ লভিতাত নাৰী চৰিত্ৰ' এই সংখ্যাৰ আন এটা আলোচনামূলক প্ৰবন্ধ ।

দীপক ছেত্ৰীৰ সম্পাদিত সপ্তদশ সংখ্যাত ৮টা প্ৰবন্ধ প্ৰকাশ হৈছে । দেৱীচৰণ ছেড়াইৰ 'ৰামায়ণ লিখনত ঃ অপ্ৰমাদী কবি মাধৱ কন্দলী আৰু আদিকবি ভানুভক্ত আচাৰ্য' এই সংখ্যাৰ উল্লেখযোগ্য প্ৰবন্ধ । অৱশ্যে আলোচনা অধিক বিস্তাৰিত হোৱাৰ থল থাকিল । জয়ন্তদীপ দত্ত, নিখিল কোঁৱৰ, জিতেন কছাৰী, হেমনাথ ছেত্ৰী, বীৰেণ গগৈ, জোন চাংমাই আৰু প্ৰসন্ন কুমাৰ সোণোৱালৰ প্ৰবন্ধ গতানুগতিক । তাৰ ভিতৰতে অৱশ্যে বীৰেণ গগৈৰ 'ড০ ভূপেন হাজৰিকা, জাতীয় চেতনা আৰু আমি' প্ৰবন্ধই পাঠকক কিছু আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে । ৰমণী বুঢ়াগোহাঁয়ে সম্পাদনা কৰা অষ্টাদশ সংখ্যাৰ প্ৰথম প্ৰবন্ধ 'অসমীয়া সাহিত্যত প্ৰগতিশীল চিন্তাঃ এটি চমু খতিয়ান' ত অধ্যাপক মদন মোহন চৌধুৰীদেৱে প্ৰগতি সাহিত্যৰ নৱবৈষ্ণৱ যুগৰ পৰা অসম আন্দোলনৰ কাললৈকে (১৯৮০-৮৬) চমু আলোচনা এটি দাঙি ধৰিছে । প্ৰৱক্তা তিলক চন্দ্ৰ দত্তৰ 'আমাৰ স্বাস্থ্য আৰু পৰিবেশ' অধিক তথ্যসমৃদ্ধ হলে আকৰ্ষণীয় হ'লহেতেন । মৃদুল চেতিয়াই 'সাম্প্ৰতিক অসমৰ শৈক্ষিক পৰিবেশ আৰু যুৱ-মানসিকতা' শীৰ্ষক প্ৰবন্ধত চিন্তাৰ খোৰাক যোগাবলৈ সমৰ্থ হৈছে । ৰফিক মহম্মদ হুচেইন, পবিত্ৰ বৰগোহাঁই, অপূৰ্ব হাজৰিকা, দুষ্মন্ত বৰাই নিজৰ নিজৰ লেখা নিটোল ৰূপৰ কৰিবলৈ যত্নপৰ হৈছে ।

ডিগবৈ মহাবিদ্যালয় আলোচনীৰ উনবিংশ সংখ্যাটো আমাৰ হাতত নপৰিল । বিংশ সংখ্যাত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰবন্ধ প্ৰকাশ হৈছে । ৰঞ্জুমণি দত্তৰ প্ৰবন্ধত চমুতে ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ কথা উল্লেখ কৰিছে । জয়ন্ত গগৈৰ প্ৰবন্ধ গতানুগতিক, আনহাতে গোলাপ কলিতাৰ প্ৰবন্ধ 'মানুহৰ শৰীৰত কেতবোৰ মৌলৰ প্ৰভাৱ' তথ্য সমৃদ্ধ । পবিত্ৰ বৰগোহাইৰ প্ৰবন্ধ 'অসমীয়া সংস্কৃতিৰ বৰ্তমান সংকট আৰু সমাধান'ত চিন্তাৰ খোৰাক যোগাবলৈ সমৰ্থ হৈছে ।

আলোচনীখনৰ দ্বাবিংশতিতম সংখ্যাৰ ( সম্পাদনা প্ৰফুল্ল সোণোৱাল) অসমীয়া বিভাগত তিনিটা প্ৰৱন্ধ প্ৰকাশ কৰা হৈছে । মঃ আছলম আহমেদ আৰু পাপু গগৈৰ প্ৰৱন্ধ দুটা নিতান্তই গতানুগতিক । দীপা শৰ্মা বৰঠাকুৰৰ 'পালি-সাহিত্যৰ অতুলনীয় সম্পদ ধম্মপদ' কিছু আকৰ্ষণীয় হৈছে । 'ধম্মপদ' কেৱল বৌদ্ধ সাহিত্যৰে নহয়, ই সমগ্ৰ ভাৰতৰ ধৰ্মসাহিত্যৰে এক অমূল্য সম্পদ ; গতিকে প্ৰৱন্ধটোত 'ধম্মপদ' সম্পৰ্কে অধিক বিৱৰণ - বিশ্লেষণ পঢ়িবলৈ পোৱা হলে সুখী হলোহেঁতেন । নীলাৎপল শইকীয়াৰ সম্পাদনাত ১৯৯৯ - ২০০০ চনত প্ৰকাশ হোৱা আলোচনীত ১১ টা প্ৰৱন্ধই ঠাই পাইছে । লাচিত বৰাৰ প্ৰৱন্ধ 'বিখ্যাত নাট্যকাৰ উইলিয়াম চেক্সপীয়েৰ আৰু কিছু প্ৰাসংগিক কথা' লিখিব লগা যথেষ্ট কথা আছিল যদিও প্ৰৱন্ধকাৰে কথা চমুৱাই থলে । মদন মোহন চৌধুৰী দেৱৰ প্ৰৱন্ধ 'সুদীৰ্ঘ শিক্ষক জীৱনৰ অভিজ্ঞতা আৰু উত্তৰ পুৰুষৰ প্ৰতি পৰামৰ্শ' শীৰ্ষক প্ৰৱন্ধত চিন্তাৰ খোৰাক দিবলৈ সমৰ্থ হৈছে । অতি নিৰপেক্ষ ভাৱে তেখেতে সাম্প্ৰতিক কালৰ শিক্ষা ব্যৱস্থা সম্পৰ্কে সময়ুচিত মতামত দাঙি ধৰি পাঠকৰ চিন্তা - চেতনাক জোকাৰি যাব পাৰিছে । 'যুৱ মানসিকতা আৰু কিছু প্ৰাসংগিক চিন্তা' শীৰ্ষক প্ৰৱন্ধত নীলোৎপল শইকীয়াই উচ্ছৃংখল যুৱমানসিকতা সম্পৰ্কে মনোচিত ভাৱে আলোচনা কৰিছে । গোলাপ কলিতাই তেখেতৰ প্ৰৱন্ধত চন্দ্ৰশেখৰ ভেংকটৰমণৰ অৱদান সম্পৰ্কে পাঠকক জনাবলৈ যত্ন কৰিছে আৰু সফল হৈছে । জিতু কটকীয়ে 'পাশ্চাত্য সংগীত' প্ৰৱন্ধত বিষয়ৰ থূলমূল পৰিচয় দাঙি ধৰিছে । 'আহোম যুগৰ বুৰঞ্জী সাহিত্য - এটি চমু আভাস' প্ৰৱন্ধত হিতালী গগৈয়ে আৰু কষ্ট কৰা হলে পাঠকক অধিক তথ্য দিবলৈ সমৰ্থ হ'লহেতেন । আহোম বুৰঞ্জী সম্পৰ্কে নিমেহি আলোচনা হোৱা নাই । আধুনিক যুগত তাত কিছুমান 'কাহিনী' সন্নিবিষ্ট হোৱা বুলি অভিযোগ শুনা যায় । এনে আলোচনাৰে সমৃদ্ধ হলে এই বিষয়ৰ প্ৰৱন্ধ আকৰ্ষণীয় হ'ব বুলি ভবা যায় । এই সংখ্যাত প্ৰকাশিত সংগীতা বৰুৱাৰ 'যুদ্ধ শান্তি আৰু মানৱ জাতি', ৰুণা ভাগৱতীৰ 'ধৈৰ্য', অৰূপ কলিতাৰ 'আমাৰ জাতীয় জীৱন, প্ৰচলিত সংস্কৃতি আৰু মোৰ চিন্তা', 'আমাৰ ছাত্ৰ সমাজ আৰু প্ৰতিযোগিতামূলক পৰীক্ষা' সাধাৰণ ভাৱে লিখিত প্ৰৱন্ধ । ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জীৱবিজ্ঞান বিভাগৰ অধ্যাপক ড০ প্ৰদীপ কুমাৰ বৰুৱাৰ 'বংশগতিৰ আধুনিক ধাৰা' এই সংখ্যাৰ এক উল্লেখযোগ্য প্ৰৱন্ধ । প্ৰৱন্ধটোত লেখকে পাঠকক আৰম্ভণিৰ পৰা শেষলৈকে গল্পকাৰে ধৰি ৰখাদি ধৰি ৰাখে । বিজ্ঞান ভিত্তিক বৰ্ণনাৰে প্ৰৱন্ধটো সমৃদ্ধ ।

ডিগবৈ কলেজ আলোচনীৰ ২০০০-০১ বৰ্ষৰ ধৰণী লাহনে সম্পাদনা কৰা চতুৰ্বিংশতিতম্ সংখ্যাত প্ৰকাশ হোৱা মৃণাল কুমাৰ গগৈৰ প্ৰৱন্ধ 'বিংশ শতাব্দীৰ শেষ দশকত অসমীয়া কবিতাৰ স্বৰূপ বৈচিত্ৰ'ত এটা দশকৰ কেইজনমান কবিৰ কবিতা সম্পৰ্কে এটা চমু আলোচনা দাঙি ধৰিছে । লগতে আধুনিক অসমীয়া কবিতাৰ পৃষ্ঠভূমি সম্পৰ্কেও কিছু আলোচনা কৰিছে । সমীৰ তাঁতী, জীৱন নৰহ, অনুভৱ তুলসী, চৈয়দ আব্দুল হালিম, বিপুলজ্যোতি শইকীয়া, নীলিম কুমাৰৰ কবিতা সম্পৰ্কে আলোচনা কৰি ২৮ জন কবিৰ নাম উল্লেখ কৰিছে দশকটোৰ কবি হিচাবে । আলোচনীখনত দ্বীজু ওজাই 'আৰ্নেষ্ট হেমিংওৱে আৰু তেওঁৰ দুঃসাহসিক জীৱন' সম্পৰ্কে চমু আলোচনা আগবঢ়াইছে । 'আমাৰ আচল পৰিচয় কিহত ?' সঞ্জনা মৌৰ্যৰ আন এটা চমু প্ৰৱন্ধ । 'আইদেউ সন্দিকৈৰ জীৱনৰ এটি চমু বিৱৰণ' দিছে মধুমিতা চাংমায়ে । প্ৰৱন্ধটো বিৱৰণ নহৈ আচলতে চমু পৰিচয়হে হ'ব লাগিছিল । প্ৰৱক্তা তিলক চন্দ্ৰ দত্তই 'বিশ্ববিদ্যালয়ৰ বিজ্ঞান পাঠ্যক্ৰমত জ্যোতিষৰ অন্তৰ্ভূক্তি আধুনিক বিজ্ঞান প্ৰযুক্তিৰ প্ৰতি চৰম উপহাস' বুলি এটা ভাল বিষয় আলোচনাৰ বাবে বাছি লৈছিল । প্ৰৱন্ধটোত জ্যোতিষৰ ফাকতি সম্পৰ্কে উদাহৰণসহ আলোচনা আগবঢ়োৱা হলে পাঠকৰ মনত যুক্তিয়ে ঠাই ললেহিহেঁতেন বুলি আশা কৰিব পাৰি । ''মানুহৰ অজ্ঞানতা, অশিক্ষা আৰু মনৰ দুৰ্বলতাৰ আশ্ৰয়লৈ সময়ত এই বিদ্যাই যাতে ক্ষয়ংকাৰী ৰূপ ধাৰণ কৰি সমাজলৈ অন্ধকাৰ নমাই নানে তাৰ প্ৰতিও সংশ্লিষ্ট মহলে গুৰুত্ব আৰোপ কৰাটো একান্ত প্ৰয়োজন । আজিৰ সময় বিবাহৰ ৰাশি যোৰা মিলাবৰ বাবে জ্যোতিষীৰ ওচৰলৈ যোৱাৰ সময় নহয় । এখন সুখ সমৃদ্ধিৰ ভৱিষ্যত সংসাৰৰ বাবে বংশগতি পৰামৰ্শদাতাৰ পৰামৰ্শ গ্ৰহণ কৰাটোহে বিবাহোপযুক্ত যুৱক যুৱতীৰ বাবে অধিক অৰ্থবহ আৰু লাভদায়ক হ'ব ।'' দত্তৰ এনে মতামতৰ প্ৰতি পাঠক নিশ্চয় আকৰ্ষিত হ'ব । 'টিউচন আৰু সাম্প্ৰতিক শিক্ষা' প্ৰৱন্ধত গিৰীশ শইকীয়াই কিছুমান সুন্দৰ বাক্য লিখিছে । ''জ্ঞানাৰ্জনৰ পথ বন্ধ কৰি থৈ পৰীক্ষালৈ চমু পাঠ এটি মুকলি কৰি দিয়ে টিউচন মাষ্টৰে'' - মনত লগা কথা । 'ৰেগিং' সম্পৰ্কে লিখিছে দুৰ্গা কোঁৱৰে । সমস্যাটো দাঙি ধৰি লেখকে প্ৰতিকাৰৰ উপায়ো উল্লেখ কৰিছে । বিনন্দ কুমাৰ কোঁৱৰৰ তথ্য ভিত্তিক প্ৰৱন্ধ 'ডিগবৈৰ প্ৰতীক সৈনিক সমাধিক্ষেত্ৰ ।' ''ভাৰতবৰ্ষত সৰ্বমুঠ ২৯ খন এনে প্ৰতীক সৈনিক সমাধিক্ষেত্ৰ আছে বুলি জনা যায় । ইয়াৰে অসমৰ গুৱাহাটীত এখন আৰু অন্যখন ডিগবৈত অৱস্থিত । ডিগবৈ শোধনাগাৰৰ পৰা ২ মাইল নিলগৰ পূবদিশে থকা ডিগবৈ পেঙেৰী - গড় কাপ্তানী পথৰ কাষত ডিগবৈ সৈনিক সমাধিক্ষেত্ৰ অৱস্থিত । প্ৰায় দুবিঘা মাটিৰে আগুৰি থকা ডিগবৈ সৈনিক সমাধিক্ষেত্ৰখন বাপাপুং পানবাৰী অঞ্চলৰ খেৰজান ফৰেষ্ট চেক গেটৰ কাষৰ এটা ওখ পাহাৰৰ ওপৰত ব্ৰিটিছসকলে নিৰ্মাণ কৰিছিল । ১৯৫০ চনৰ প্ৰলয়ংকাৰী ভূমিকম্প আৰু ১৯৫৩ চনত প্ৰচুৰ বৰষুণ হৈ হোৱা ভূমিস্খলনৰ ফলত ওচৰৰে মুকলি হেলনীয়া ঠাইলৈ সমাধিক্ষেত্ৰখন স্থানান্তৰিত কৰা হয় । এই সমাধিক্ষেত্ৰখনত সৰ্বমুঠ ২০০ জন সৈনিকৰ সমাধি আছে । ইয়াৰে ছজন অপৰিচিত সৈনিকৰ পাঁচজন ভাৰতীয় আৰু এজন যুক্তৰাষ্ট্ৰৰ সৈনিক ।'' তথ্যখিনি জানি পাঠকে নিশ্চয় ভাল পাব ।

[ প্ৰৱন্ধটোত আলোচনীখনৰ অসমীয়া বিভাগত প্ৰকাশিত প্ৰৱন্ধসমূহৰ ওপৰতহে মতামত একোটা দিয়া হ'ল । - লেখক ]

# সম্পাদকীয় প্ৰতিবেদন
# সাধাৰণ সম্পাদকৰ একাষাৰ

জয়জয়তে মোৰ প্ৰতিবেদনৰ প্ৰাকমুহূৰ্তত ডিগবৈ মহাবিদ্যালয়ৰসমূহ সন্মানীয় শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ, বন্ধু-বান্ধৱী আৰু ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ । ডিগবৈ মহাবিদ্যালয়ৰ ২০০১-২০০২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি মৰমৰ বন্ধু-বান্ধৱী, ভাইটি - ভন্টীসকলৰ অকুণ্ঠ সহযোগিতাত জয়ী হ'লো । সেয়ে আজি সকলো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী তথা ভাইটি - ভন্টীসকললৈ মোৰ হিয়াভৰা মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ উজ্বল ভৱিষ্যত কামনা কৰিছোঁ ।

ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ আসনখন গ্ৰহণ কৰিলো । কিন্তু ইয়াৰ সদ্ব্যৱহাৰ কৰিব পাৰিলো নে নাই সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয় । সাধাৰণ সম্পাদকৰ পদ পৰিচালনা কৰাৰ সময়ত কেতিয়াবা বহু জনক কঠোৰ কথাও শুনাবলগীয়া হয় । সেয়েহে যদি দুই এজনক বেয়াকৈ গালি পাৰিলেও সেয়া জ্যেষ্ঠজনৰ আশীৰ্বাদ বুলি ল'লে হ'ল - আৰু ইয়াৰ বাবে তেওঁলোকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো ।

৩৭ তম্ মহাবিদ্যালয় সপ্তাহ - সাধাৰণ সম্পাদকৰ কাৰ্যভাৰ আমাক ইং ৪/১/২০০২ তাৰিখে দিয়া হয় । জানুৱাৰী মাহৰ প্ৰথম সপ্তাহ সোমাই গ'ল, মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহ আৰম্ভ হোৱা নাই । গতিকে কাৰ্যভাৰ দিয়াৰ দিনাই উক্ত সভাত স্থিৰ কৰা হয় যে আগন্তুক ইং ৭ জানুৱাৰী সোমবাৰৰ পৰা ১২ জানুৱাৰী শনিবাৰলৈকে মহাবিদ্যালয় সপ্তাহ পতা হ'ব । এই সময়ছোৱাত এটি কথা উল্লেখ কৰিব পাৰি যে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহলৈ মাথোঁ তিনিটা দিন বাকী । মনত অলপ ভয়ো হৈছে যে ইমান ডাঙৰ এটা কাম তাতে ছাত্ৰ-ছাত্ৰী পাম নে নাপাম, মহাবিদ্যালয় সপ্তাহ সময়মতে পাতিব পাৰিম নে নোৱাৰিম । মনত কিছু সাহস আৰু উৎসাহ লৈ কাম কৰিছিলো আৰু যথা সময়ত মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয় । ডিগবৈ মহাবিদ্যালয়ৰ "৩৭ তম মহাবিদ্যালয় সপ্তাহ" ইং ৭/০১/২০০২ তাৰিখৰ পৰা ১২/০১/২০০২ তাৰিখলৈকে নৱবৰ্ষৰ লগতে যথেষ্ট উলহ মালহেৰে আয়োজন কৰা হয় ।

বিদায়ী সভা - প্ৰতিবছৰৰদৰেই পৰম্পৰাগতভাৱে ডিগবৈ মহাবিদ্যালয়ৰ উঃ মাঃ আৰু স্নাতক চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলক বিদায় জনাবৰ বাবে এখনি বিদায়ী সভা ইং ১৫/২/২০০২ তাৰিখে অনুষ্ঠিত কৰা হয় । পৃথিৱীত আমি মনুষ্য হৈ জনম ললো যেতিয়া, এদিন মৃত্যুবৰণ কৰিব লাগিব সেয়া সত্য কথা । যি সকল ছাত্ৰ-ছাত্ৰীয়ে দুচকুত অযুতস্বপ্ন লৈ আমাৰ মহাবিদ্যালয় গৰকিছিল, সেইসকল ছাত্ৰ-ছাত্ৰীক মাত্ৰ আনুষ্ঠানিকতা পালন কৰি বিদায় জনাইছো কিন্তু তেখেতসকলক আমাৰ অন্তৰৰ পৰা বিদায় জনোৱা নাই । তেখেতসকলৰ উজ্বল ভৱিষ্যত কামনা কৰি আমি মাথোঁ আশীৰ্বাদ হে দিব পাৰো আৰু অন্তৰৰ পৰা এধানিমান মৰম ।

ডিগবৈ মহাবিদ্যালয়ৰ সৰস্বতী পূজা - বিদ্যাৰ একমাত্ৰ আশীৰ্বাদ হ'ল সৰস্বতী আইৰ চৰণ । মহাবিদ্যালয়ৰ বিদায়ী সভাৰ ঠিক দুদিন পিছতেই শ্ৰীশ্ৰী সৰস্বতী আইৰ চৰণত এপাহি গন্ধপুষ্প দিবৰ বাবে ইং ১৭/২/২০০২ তাৰিখে সৰস্বতী পূজা যথেষ্ট উলহ মালহেৰে উদ্‌যাপন কৰা হয় ।

আদৰণি সভা - প্ৰতিবছৰে ডিগবৈ মহাবিদ্যালয়ৰ পৰা পুৰণি ছাত্ৰ-ছাত্ৰীসকলে বিদায় লয় আৰু অযুত স্বপ্ন দুচকুত আঁকি ভৱিষ্যত গঢ়াৰ মানসেৰে ন ছাত্ৰ-ছাত্ৰীসকলে পদাৰ্পন কৰেহি । তেখেতসকলক আদৰণি জনাবৰ বাবে ইং ১/৮/২০০২ তাৰিখে এখনি আদৰণি সভা অনুষ্ঠিত কৰা হয় ।

বাজেট - ছাত্ৰ একতা সভাৰ কাৰ্যভাৰ চলাই যাবলৈ উন্নত মানৰ পুঁজিৰ দৰকাৰ আৰু সেয়া আমাৰ মহাবিদ্যালয়ত বৰ অভাৱ । তথাপিও মোৰ কাৰ্যকালৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বাজেটৰ এটি চমু খতিয়ান দাঙি ধৰিছোঁ ।

২০০১-২০০২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ মুঠ বাজেটৰ পৰিমাণ আছিল ১,৪৪,৪০০ টকা । সাধাৰণ সম্পাদক বিভাগত কিছু টকাৰ নাটনি হয় যদিও যথেষ্ট সাৱধানতাৰে উক্ত টকা খৰচ কৰা হয় । মোৰ বিভাগৰ খৰচৰ চমু খতিয়ান তলত দাঙি ধৰা হ'ল ।

| | | | |
|---|---|---|---|
| ১। | মহাবিদ্যালয় সপ্তাহ | - | ১২,০০০ হাজাৰ টকা |
| ২। | বিদায়ী সভা | - | ৫,০০০ হাজাৰ টকা |
| ৩। | আদৰণি সভা | - | ৫৬০০ হাজাৰ টকা |
| | | | ২৩,৬০০ হাজাৰ টকা |

প্ৰতিষ্ঠা দিৱস - তৈল নগৰী ডিগবৈৰ পশ্চিম দিশত অৱস্থিত ডিগবৈ মহাবিদ্যালয়খনিৰ জন্ম হয় ১৯৬৫ চনৰ জুলাই মাহৰ ১৫ তাৰিখে । কিন্তু আচৰিত হ'বলগীয়া কথা এই যে আজি ৩৭ বছৰৰ পিছতহে মহাবিদ্যালয়খনৰ জন্ম দিনৰ কথা মনত পৰিলে নেকি ? যি কি নহওঁক অন্তত ৩৭ বছৰৰ পিছত প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস যোৱা ইং ১৫ আৰু ১৬ জুলাই ২০০২ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয় । আশা কৰোঁ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস এইবছৰৰ পৰাই পৰম্পৰাগতভাৱে পালন কৰা হ'ব ।

ডিগবৈ মহাবিদ্যালয় বনাম সমস্যা - সমস্যা শব্দটোৰ অৰ্থ গভীৰ । জীৱনৰ প্ৰতিটো খোজতে প্ৰতিটো মুহূৰ্তত মানুহে সমস্যাৰ সম্মুখীন হ'বলগীয়া হয় । মহাবিদ্যালয়ত নামভৰ্তি কৰি পঢ়াশুনা কৰাটোৱে এজন ছাত্ৰৰ কৰ্তব্য নহয় । মহাবিদ্যালয়ৰ উন্নতি তথা সুনামৰ আশা সকলোৱে বিচাৰে । মহাবিদ্যালয়ৰ প্ৰতিটো সমস্যা সমাধান কৰিবৰ বাবে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে চেষ্টা কৰিব । কেৱলমাত্ৰ সাধাৰণ সম্পাদক আছে তেখেতেই এই সমস্যাটোৰ সমাধান কৰিব পাৰিব এনে কথা নহয় । সাধাৰণ সম্পাদকো অন্য এজন ছাত্ৰৰ দৰেই ছাত্ৰ, মাথোঁ কথা হ'ল সাধাৰণ সম্পাদকৰ হাতত কিছুমান ক্ষমতা বেছি থাকে ।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-মহাবিদ্যালয়ৰ শিক্ষক -শিক্ষয়িত্ৰী সকলে বিচাৰে যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়াশুনা কৰি ভাল ৰিজাল্ট কৰি মহাবিদ্যালয়ৰ সুনাম কঢ়িয়াই আনক । যোৱা দুটা বছৰত ডিগবৈ মহাবিদ্যালয়ে ভাল ৰিজাল্ট কৰিছেও । কিন্তু কথা হ'ল মহাবিদ্যালয়ৰ বাণিজ্য শাখাটো ইমান দুৰ্ব্বল কিয় ? বাণিজ্য শাখাত ভাল ছাত্ৰ-ছাত্ৰী নহিনে ভালমতে ক্লাছ নহয় নে শিক্ষকৰ অভাৱ ? মহাবিদ্যালয়ৰ অধ্যক্ষই এই বিষয়ত যদি গুৰুত্ব দিয়ে তেন্তে মহাবিদ্যালয়ৰ বাণিজ্য শাখাৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে নিশ্চয় 1st class পাব । মহাবিদ্যালয়ত শিক্ষকৰ মাজত Non-Co-operation চলি থাকিলে ভালমতে ক্লাছ নহয় আৰু ইয়াৰ ফল আমাৰ ছাত্ৰ-ছাত্ৰীয়ে ভুগিব লাগে এনে কিয় হয় ? মহাবিদ্যালয়ত কিছুমান ৰাজনীতিজ্ঞ সোমাই শিক্ষাৰ নামত সকলো দিশতেই ৰাজনীতি চলাই থাকে । ছাত্ৰছাত্ৰীৰ সমস্যাৰ কথাত কোনো কানমাৰ নিদিয়া হয় । মহাবিদ্যালয়ত শিক্ষাৰ নামত ৰাজনীতি কিয় ? এনে কৰিলে এদিন মহাবিদ্যালয় নিশ্চয় ৰসাতলে যাব ।

কৃতজ্ঞতা স্বীকাৰ - মোৰ কাৰ্যকাল অৱস্থাত সকলো দিশতে দিহা পৰামৰ্শ তথা সহায় - সহযোগ আগবঢ়োৱা সাধাৰণ সম্পাদকৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত বিকাশ কুমাৰ বৰুৱা চাৰলৈ, মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰীযুত মনেশ্বৰ বৰ্মন চাৰলৈ, ছাত্ৰ একতা সভাৰ সমূহ বিভাগীয় সম্পাদকৰ দায়িত্বত থকা তত্বাবধায়ক শিক্ষক, ছাত্ৰ একতা সভাৰ সম্পাদকসকল আৰু মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকললৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ থাকিল ।

মহাবিদ্যালয়ত মোৰ কাৰ্যকালৰ আৰম্ভণীৰ পৰা শেষমুহূৰ্তলৈকে মোক সকলো দিশতে সহায় কৰা ছাত্ৰ বন্ধু - দিপক কুমাৰ আগৰৱাল, শিৱ প্ৰসাদ কুমাৰ, ৰতন গোৱালা, সাগৰ গিৰি, পাপু সোণোৱাল, লটিফুৰ ৰহমান, ৰাজীৱ ভট্টাচাৰ্য, বাসৱ ডেকা, বিজু ওজা আৰু বান্ধৱী মৌচুমী কলিতা, পদ্মজা খাউণ্ড, শ্ৰাৱনী দাসগুপ্ত, নৱনীতা চক্ৰৱৰ্তী, বৰ্ণিতা আচাৰ্য, ৰাণী বড়ালৈ লগতে যি সকল বন্ধু-বান্ধৱী, ছাত্ৰ ছাত্ৰীয়ে সহায় কৰিছিলে তেওঁলোকলৈয়ো মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ থাকিল ।

সদৌ শেষত অজানিতে যদি মোৰ কাৰ্যকালত কিবা ভুল ক্ৰটি হৈ গৈছে তাৰবাবে সকলোৰে ওচৰত ক্ষমা মাগিছো । পুনৰবাৰ ডিগবৈ মহাবিদ্যালয়ৰ সকলোলৈকে শ্ৰদ্ধা ও আন্তৰিক কৃতজ্ঞতা যঁচাৰ লগতে ডিগবৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো -

জয়তু ডিগবৈ মহাবিদ্যালয়
জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰসন্থা
জয় আই অসম ।

ধন্যবাদেৰে
**শ্ৰীজয়ন্ত বড়া**
*সাধাৰণ সম্পাদক*
ডিগবৈ মহাবিদ্যালয় ছাত্ৰসন্থা
২০০১-০২ বৰ্ষ ।

# ASSISTANT GENERAL SECRETARY

At the very on my report. I would Like to import my respect to our principal, vice principal and our professors, and my heartiest love and gratitude to all my dearest colleages for giving me a great opportunity to serve in favour of Digboi college as an Assistant General Secretary for the session 2001-02.

After being elected as an Assistant General Secretary, I tried my best with all my efforts to help our general secretary 'Jayanta Borah' in carrying out his various duties, especially during the college-week.I shall remain ever grateful to our G.S - Jayanta Barah and V.P Rajib Bhattacharjee for his full co-operation to me in performing all my works succesfully. I would no doubt Like to express my high sense of gratitude and thanks to all my dearest friends of 'Digboi college' for sacrificing their precious time with me in my hour of need, special thanks to Jayanta, Rajib, Diju, Deepak, Latifur, Ratan, Papu, Basab, Dip and Ratul for their true help and co-operation.

Above all I express my heartiest thanks to my teachers, Sir M. Barman. Sir S.S Roychoodhury, Sir G. Buragohain, Sir M. K. Gogoi, Sir P. Bharali, Sir Janardhan, Sir P. Narah and so on for advicing me in every step and helping me to carry on my works without any difficulty. I will reamin ever grateful to them for without them no work would have been carried out so smoothly and swiftly.

Lastly, I congratulate all the champions and winners who had participated in various section of competitions in the College Week.

With regard & Best wishes
Shiv prasad kumar
A.G.S
Digboi College Students' Union 2001-02.

# MAJOR GAMES SECTION

At the very starting of this report I convey my sincere respect to honourable principal, vice- principal and teaching and office staff. Paying love wishes and thanks to secretaries, students and friends for electing me as a major games secretary of D.C.S.U. 2001-02.

I had tried my best to perform the duties through out the session taking the responsibilities in my hand I can't say myself about the extent of my success.. But I want only to say that I feel gratful that I got three golden chance to serve for the wellfare of Digboi College. Cricket and Football had been organised in the Annual college week celebration under major games section. Inter College Football was held on 10th September 02.

The immense required helps I have got from various sides following my secretarial duties and got much encouragement from my prof-in-charge (Mr. J. Handique), Principal Sir, Nayan Jyoti Barman, Pratim Baruah, Rupam Kakoty, Suraj Chandra Gogoi, Pankaj kumar Gogoi, Pallav Kr. Gogoi, Ikram Hussain and secretaries of union for those. I shall ever reamin gratful.

At last with the aid of this report I would like to recommend that all the students may take part in social works as well as games and sports following with their good studies which shall prove to earn the proudness of Digboi College performing their intencity and potentiality in the competitions of coming Annual Cllege week celebration.

I seek the excuse for any mistakes under my tenure, conveying heartiest love for all members of Digboi College. Wishing for the bright future of Digboi College.

Your sincerely
Papu Sonowal
Major Games Seceretary
D.C.S.U - 02

# সাধাৰণ খেল বিভাগ

প্ৰতিবেদনৰ আৰম্ভণিতেই সমূহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ যিসকলৰ অকৃত্ৰিম সাহস প্ৰেৰণা আৰু সহযোগিতাত মই ডিগবৈ মহাবিদ্যালয়ৰ ২০০১-২০০২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ খেলবিভাগৰ সম্পাদকৰ দায়িত্বত নিযুক্তি হৈছিলো । লগতে মোৰ এই দায়িত্ব পালনৰ সময়ছোৱাত বিভিন্ন দিশত দিহা পৰামৰ্শৰে অনুপ্ৰাণিত কৰা পৰম শ্ৰদ্ধাৰ অৰুণ দত্ত, পবিত্ৰ ভৰালী আৰু জনাৰ্দন বড়া ছাৰলৈ মোৰ হিয়া ভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ । খেল সমূহ সুচাৰু ৰূপে পৰিচালনা কৰাত সৰ্বতো প্ৰকাৰে সহায় কৰা মৰমৰ বন্ধু লোহিত, ৰতন দাদা আৰু নিলোৎপল দাদালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

ডিগবৈ মহাবিদ্যালয়ৰ সাধাৰণ খেলবিভাগৰ সম্পাদকৰ দায়িত্ব পালনত কিমানদূৰ কৃতকাৰ্যতা লাভ কৰিব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয় । সাধাৰণ খেলবিভাগৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰাৰ লগে লগেই মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ সকলো দায়িত্ব সৰ্বতো প্ৰকাৰে পালন কৰিলো যদিও কিছুমান আসোঁৱাহ ৰৈ গ'ল । মহাবিদ্যালয়খনত সাধাৰণ খেলবিভাগৰ সকলোবিলাক সামগ্ৰী নথকাত বিভাগীয় খেলসমূহ পৰিচালনাত বহুতো অসুবিধাৰ সন্মুখীন হ'বলগীয়াত পৰিছিলো আৰু যাৰ ফলত সকলোবিলাক খেল অনুষ্ঠিত কৰিব পৰা নগ'ল । উল্লেখযোগ্য যে ডিগবৈ মহাবিদ্যালয়ৰ দৰে এখন মহাবিদ্যালয়ত উপযুক্ত খেলৰ সামগ্ৰী নথকাটো অতি পৰিতাপৰ কথা । মহাবিদ্যালয় কতৃপক্ষই যদি উপযুক্ত খেলৰ সামগ্ৰী যোগান ধৰিব পাৰে তেন্তে ডিগবৈ মহাবিদ্যালয়ে ভৱিষ্যতে নিশ্চয় সাধাৰণ খেলবিভাগত সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হ'ব । সাধাৰণ খেলবিভাগত সম্পাদকৰ পুঁজিৰ পৰাই ১,৫০০.০০ টকা খৰচ কৰি মহাবিদ্যালয়খনলৈ পুৰুষৰ বাবে এডাল জেভেলিন ক্ৰয় কৰা হয় ।

সদৌ শেষত সকলো ভুল ত্ৰুটিৰ মাৰ্জনা কামনা কৰি সাধাৰণ খেলবিভাগৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলো ।

জয়তু ডিগবৈ মহাবিদ্যালয়
জয় আই অসম

*ধন্যবাদ*

**জিতেন মূৰা**

*সম্পাদক সাধাৰণ, খেলবিভাগ ।*

---

# লঘু ক্ৰীড়া বিভাগ

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, সন্মানীয় শিক্ষাগুৰু আৰু কৰ্মচাৰী বৰ্গলৈ আন্তৰিক শুভেচ্ছা ও শ্ৰদ্ধা জনাইছোঁ । ডিগবৈ মহাবিদ্যালয়ৰ ২০০১-২০০২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ লঘু ক্ৰীড়া খেল বিভাগৰ সম্পাদক হিচাবে নিৰ্বাচিত কৰি সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰীসকল ধন্যবাদৰ পাত্ৰ ।

নিৰ্বাচনত জয়ী হৈয়ে মই মহাবিদ্যালয়ৰ ৩৭ তম্ বাৰ্ষিক ক্ৰীড়া সমাৰোহত মোৰ বিভাগত থকা আটাইবিলাক খেলৰে প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ । মোৰ কাৰ্যকালত কিমান দূৰ সফলতা লাভ কৰিলোঁ আপোনালোকৰ বিচাৰ্যৰ বিষয় । মোৰ কাৰ্যকালত সকলো সময়ত দিহা পৰামৰ্শ তথা সহায়ৰ হাত আগবঢ়োৱাৰ বাবে মোৰ বিভাগৰ তত্বাৱধায়ক শ্ৰীপাৰ্থ নৰহ চাৰৰ লগতে অধ্যক্ষ মহোদয় শ্ৰীযুত মনেশ্বৰ বৰ্মন চাৰলৈ অশেষ কৃতজ্ঞতা জনাইছোঁ তাৰোপৰি সহায় কৰা বন্ধুবৰ্গ, প্ৰতীম বৰুৱা, হেমন্ত কুমু, ধ্ৰুৱজ্যোতি কোঁচ, ৰাজীৱ ছেত্ৰী, দেৱজিৎ ৰাখেত, ৰোহিত উপাধ্যায়, জানমনি শইকীয়া আৰু বহুতৰ মাজত মই চিৰকৃতজ্ঞ ।

সদৌ শেষত মোৰ কাৰ্যকালত যদি অজানিতে কিবা ভুল ত্ৰুটি হৈছে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ ।

জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা ।

*ধন্যবাদেৰে*

**চিৰজিৎ কুমনেন**

*সম্পাদক, লঘু ক্ৰীড়া বিভাগ ।*

# তৰ্ক আৰু আলোচনা বিভাগ

ডিগবৈ মহাবিদ্যালয়ৰ পৰম্পৰা আৰু কেলেণ্ডাৰক অস্বীকাৰ নকৰি অনুষ্ঠিত ২০০১-০২ শিক্ষাবৰ্ষৰ বাবে ছাত্ৰ - একতা সভাৰ সাধাৰণ নিৰ্বাচনত তৰ্ক আৰু আলোচনা চক্ৰ'ৰ সম্পাদকৰ পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰি সৰ্ববৃহৎ পৰিমাণৰ ভোটেৰে মোক জয়ী কৰাই ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভালৈ নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি ঐকান্তিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ । কাৰ্যভাৰ গ্ৰহণ কৰিয়েই অতি কম সময়ৰ ভিতৰতেই ''৩৭ তম ডিগবৈ মহাবিদ্যালয় সপ্তাহ'' উদ্‌যাপন কৰা হয় । হাতত কম সময় পোৱা সত্বেও অতি নিয়াৰিকৈয়েই মই মোৰ বিভাগৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰাত সফল হ'লো বুলিয়েই ভাবিছো, অৱশ্যে দাবী নকৰোঁ ।

মোৰ বিভাগৰ কাৰ্য সম্পাদন কৰোঁতে অলেখ জনে সহায়ৰ হাত আগবঢ়াইছিল । তেখেতসকলক এই ছেগতে কৃতজ্ঞতা জনাইছোঁ, অন্যথাই মোক অকৃতজ্ঞতাৰ দোষে চুব । প্ৰথমেই ছাত্ৰ - একতা সভাৰ সভাপতি তথা মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত মনেশ্বৰ বৰ্মন দেৱলৈ শলাগৰ শৰাই আগবঢ়াইছো । তেখেতৰ পিছত 'তৰ্ক আৰু আলোচনা বিভাগ'ৰ তত্বাৱধায়ক ড০ এচ. কে কৰ চাৰৰ নাম উল্লেখ নকৰিলে মোৰ এই প্ৰতিবেদন সম্পূৰ্ণ নহ'ব । তেখেতক কৃতজ্ঞতা জনোৱা ভাষা মোৰ নাই । তদুপৰি প্ৰতিযোগিতাসমূহত নিজৰ অমূল্য সময় খৰচ কৰি বিচাৰকৰ আসনত অধীষ্ট হৈ মোক ঋণি কৰা শিক্ষাগুৰুসকলকো কৃতজ্ঞতা জনাইছো । তেখেতসকলৰ নাম এবাৰ মই ইয়াত বিনম্ৰভাৱে সুঁৱৰিছো - ড০ এচ. কে. কৰ, শ্ৰীযুত মৃণাল কুমাৰ গগৈ, শ্ৰীযুত অচ্যুত শইকীয়া, শ্ৰীযুত পবিত্ৰ ভৰালী, শ্ৰীযুত গৌৰীশংকৰ বুঢ়াগোহাঁই ইত্যাদি । তদুপৰি বিভিন্ন ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱা ছাত্ৰ-বন্ধু সন্তোষ কুমাৰ আৰু দ্বিজু ওজাক কৃতজ্ঞতা নজনালে মোক অকৃতজ্ঞতাৰ দোষে চুব । তদুপৰি ৰাজীৱ, পদ্ম, অজয়, দুৰ্লভ, উৎপল, অৰুণিমা, মন্দিতা, হোমনাথ, জয়ন্ত, ফণি, সীমা, পল্লৱী, মাইনু আদিলৈকো মোৰ হিয়া ভৰা কৃতজ্ঞতা জনাইছো ।

সদৌ শেষত ডিগবৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতিৰ কামনাৰে মোৰ বছৰেকীয়া প্ৰতিবেদনৰ সামৰণি মাৰিলো ।

*বিনয়াবনত*

**শ্ৰীধৰণী লাহন**

*সম্পাদক*

*তৰ্ক আৰু আলোচনা* চক্ৰ বিভাগ ।

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

২০০১-০২ বৰ্ষ ।

# শৰীৰ চৰ্চা বিভাগ

জয় জয়তে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী তথা সন্মানীয় শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ । মহাবিদ্যালয়ৰ ২০০১-২০০২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদক হিচাপে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকললৈ মই মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ ।

নিৰ্বাচনত জয়ী হৈয়েই মই মহাবিদ্যালয়ৰ ৩৭ তম বাৰ্ষিক ক্ৰীড়া সমাৰোহত মোৰ বিভাগত থকা আটাইবিলাক খেলৰে প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ । প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা আগৰ তুলনাত যথেষ্ঠ আছিল বাবে এই বিভাগত মই সফল হৈছো বুলিয়েই ক'ব পাৰি । মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহত মোৰ বিভাগত খেলসমূহ পৰিচালনা কৰাত বিশেষভাৱে সহায় সহযোগ আগবঢ়োৱা তত্বাৱধায়ক মহোদয় শ্ৰীযুত গৌৰি শংকৰ বুঢ়াগোহাঁই চাৰৰ লগতে বন্ধু ত্ৰিদীপ, পংকজ, ৰূপম, ইক্ৰাম, অপূৰ্ব, লাকী, তিলোত্তমা, কংকনা, মৈত্ৰী আৰু বহুতো বন্ধু বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ ।

সদৌ শেষত, মোৰ কাৰ্যকালত যদি অজানিতে কিবা ভুল ভ্ৰান্তি হৈছে তেন্তে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ ।

জয়তু ডিগবৈ মহাবিদ্যালয়

জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰসন্থা

ধন্যবাদেৰে

**দীপ বৰপূজাৰী**

*সম্পাদক, শৰীৰ চৰ্চা বিভাগ*

ডিগবৈ মহাবিদ্যালয় ছাত্ৰসন্থা ২০০১-০২ ।

# সাংস্কৃতিক বিভাগ

আৰম্ভণিতে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী, বন্ধুবৰ্গলৈ হিয়া ভৰা প্ৰীতি জনাইছোঁ । মই মোৰ কাৰ্যকালত কিমান দূৰ সফল হ'ব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয় । তথাপি মই মোৰ দায়িত্বৰ প্ৰতি অৱহেলা কৰা নাছিলো ।

মহাবিদ্যালয়ৰ '৩৭ তম্ মহাবিদ্যালয় সপ্তাহ'ৰ লগত সংগতি ৰাখি মোৰ বিভাগৰ অন্তৰ্গত প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিছিলোঁ । আবৃত্তি, পেইন্টিং, ৰচনা, অন্টাক্ষৰী আদি প্ৰতিযোগিতাত ভালে সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিলে যদিও এককাভিনয় আৰু একাংকিকা নাট প্ৰতিযোগিতাত কোনো প্ৰতিযোগী আগবাঢ়ি নাহিলে । ইয়াৰোপৰি স্বৰচিত গল্প, প্ৰৱন্ধ, কবিতা প্ৰতিযোগিতাও অনুষ্ঠিত কৰিছিলো ।

সম্পাদকৰ দৰে এক গুৰুভাৰ দায়িত্ব সুচাৰুৰূপে আগবঢ়াই নিয়াত সহায় কৰা ভাৰপ্ৰাপ্ত অধ্যাপিকা শ্ৰীযুক্তা অপৰাজিতা গগৈ বাইদেউৰ লগতে অধ্যক্ষ মহোদয় প্ৰমূখ্যে মৃণাল গগৈ চাৰ, পবিত্ৰ ভৰালী চাৰ, জনাৰ্দন বড়া চাৰ, গৌৰীশংকৰ বুঢ়াগোহাঁই চাৰ, মামনি শৰ্মা বাইদেউ আৰু বন্ধুবৰ্গ অজয়, ৰাজীৱ, দুৰ্লভ, ধৰণী, দ্বিজু, সন্তোষ, ৰবীন, দেবেন, উৎপল, জয়ন্ত, মীৰা, যমুনা, কল্পনা, মৌচুমী, ৰিমী আদি সুহৃদ বন্ধু বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

শেষত অজানিতে মোৰ কিবা ভুল হৈ গ'লে তাৰ বাবে ক্ষমা বিচাৰিছোঁ । অন্তত মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদনৰ সামৰণি মাৰিব বিচাৰিছোঁ ।

'জয়তু ডিগবৈ মহাবিদ্যালয়' ।

ধন্যবাদেৰে

**শ্ৰীপদ্ম বিকাশ কোঁচ**

*সাংস্কৃতিক সম্পাদক*

ডিগবৈ মহাবিদ্যালয় ছাত্ৰসন্থা ২০০১-০২ ।

---

# সংগীত বিভাগ

জয় জয়তে ডিগবৈ মহাবিদ্যালয়ৰ সংগীত বিভাগৰ সম্পাদক হিচাপে সম্মানীয় শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ, বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো ।

ছাত্ৰ একতা সভাৰ পৰম্পৰা অনুসৰি নিৰ্বাচিত হোৱাৰ পিছত কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মাত্ৰ তিনিদিনৰ পিছত ৩৭ তম্ মহাবিদ্যালয় সপ্তাহৰ কাৰ্যসূচী হাতত লব লগা হয় । এই সপ্তাহত মোৰ শিতানত পাতিব লগীয়া সকলো সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো ।

মোৰ কাৰ্যকালত কি কৰিলো বা কৰা নাই সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয় । মোৰ কাৰ্যকালত সকলো সময়ত দিহা পৰামৰ্শ তথা সহায়ৰ হাত আগবঢ়োৱাৰ বাবে মোৰ বিভাগৰ তত্বাবধায়ক শ্ৰীবৰুণ দেব চাৰৰ লগতে অধ্যক্ষ মহোদয় আৰু বন্ধুবৰ্গ ৰাজীব, অজয়, প্ৰহ্লাদ, দুৰ্লভ, পদ্ম, ধৰণী, দ্বিজু, দীপক, বাসব, প্ৰতীম, সিদ্ধাৰ্থ আৰু বান্ধৱী তৃষ্ণা, পাপৰি, জয়ন্তী, জুৰি, মৌচুমী, অপৰাজিতা, চন্দা, পল্লবী, দুৰ্গা, মমিতা আৰু বহুতৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'লো ।

সদৌ শেষত মোৰ কাৰ্যকালত যদি অজানিতে কিবা ভুল ক্ৰটি হৈ গৈছে, তেন্তে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো ।

জয়তু ডিগবৈ মহাবিদ্যালয় ।

জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰসন্থা ॥

ধন্যবাদেৰে

**শ্ৰীউৎপল গগৈ**

*সম্পাদক, সংগীত বিভাগ*

ডিগবৈ মহাবিদ্যালয় ছাত্ৰসন্থা ২০০১-০২ ।

---

# ছাত্ৰ-জিৰণী কোঠা-বিভাগ

জয় জয়তে ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-জিৰণী কোঠা সম্পাদক হিচাপে সম্মানীয় শিক্ষাগুৰু, কৰ্মচাৰী বৃন্দ, বন্ধু - বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীসমূহলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ ।

কাৰ্যভাৰ গ্ৰহণ কৰা কিছুদিনৰ পিছতেই আৰম্ভ হৈছিল মহাবিদ্যালয়ৰ '৩৭ তম বাৰ্ষিক ক্ৰীড়া সপ্তাহখনি । এই ক্ৰীড়া সপ্তাহত মোৰ বিভাগত থকা সকলো ধৰণৰ খেল সমূহ সূচাৰু ৰূপেই অনুষ্ঠিত কৰিছিলোঁ ।

মোৰ বিভাগৰ খেল সমূহ পৰিচালনা কৰাত বিশেষ ভাৱে সহায় সহযোগ আগবঢ়োৱা তত্বাবধায়ক শ্ৰীযুত কে. এন. টিমচিনা চাৰ, পবিত্ৰ ভৰালী চাৰ, তদুপৰি বন্ধু-বান্ধৱী কল্যাণ, উত্তম, দেৱজীত; ৰেদিপ, ইলিয়াছ, হিমাদ্ৰী বাই, ধৰণীদা আদি সকলোলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ বছেৰেকীয়া প্ৰতিবেদন সামৰণি মাৰিছোঁ ।

জয়তু ডিগবৈ মহাবিদ্যালয় ।

জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা ।

ধন্যবাদেৰে

**ৰাতুল দাস**

*ছাত্ৰ-জিৰণী কোঠা সম্পাদক*

২০০১-০২ বৰ্ষ ।

# SOCIAL SERVICE SECTION

At the very first of this report of my short time work in union of the year 2001-02' As a Social Service Sec. I would like to give a heartest gratitude to all respect and dearest Coleague and I offer my due re-spect to my teachers and the Students of the institution without whom I am useless for the job offered for the uplifting for Social work of this institution. Even though if some how I fail to do some thing I ask purdon from the respected teachears & colague mates and also the students of this college.

After holding this post within few day there was a college week where there was no job for my particular post though I tried in my own way to help the other sec's who are included in this matter and our journey of the c-week ends happily.

After that there comes a big job in my favour i,e the S.Puja where I got emmence help from the fellow students of this institution, along with my other secretaries of the union and I offer them my heartest gratitude and thanks to them. And my special thanks to the head person i,e. M. Barman Sir And also to qauri sir, P. Bharai Sir P. B. Baruah Sir. of our college who helped me in various past of my work last but not the best I once my head to a very special person other than D.C Sedai Sir.

There are some special person who are of great help to me and they are Rajib, Ajoy, Padmo, Utpal, Jayanta, shiv prasad sagar, Deepak, Dulab and Biswajeet for this I put my heartest thanks to them.

At last the aid of this report I would like to recommend that all the students may take part in social works as well as games and sports following with their good studies which shall earns them as well as college name in proved.

Lastly my special thanks to 'HUMNATH UPADHYAY' the magazine secy for including my report in this very magazine.

Thank you all

Sri. Basab Deka
Social Service secy.
D.C.S.U.01-'02'

# GIRLS' COMMON ROOM SECTION

At the very outset of this letter I would like to thanks all the students of Digboi College for giving me an opportunity to serve in favour of Digboi College as a Girls' Common Room Secretary for the session of 2001-2003, I have tried my level best after taken all the responsibilities entrusted upon me although it is for the Digboi College students' to decide how I have chalk out my duties.

After a few days to taking our on us 37th annual college week held from 7th January to 12th January 2002 as much as I can try to do my obediene with my dearest and nearest one - Flower, Carrom and Chess Competition had been organised in the annual college week celebration under Girls' Common Room section. It was really a nice experience for me to spend my few moments with "Digboi College Students' Union".

The immerse required helps I have got from various sides following my secretarial duties and got much encouragement from my prof-in-charge. Mrs. Sangita Saikia, students unions president and Principal Mr. M. Barman, the Students are - Trishna, Tillu, Mousumi, Papu, Krishna, Manu, Rajev, Utpal, have helped me greatly from different directions for those I shall ever remain grateful.

If anything I have done wrong or mismanaged kowingly works or unknowingly in my tenure. I beg for your for giveness.

Thanking you all.
Miss Jayanti Devi
Girls' Common Room Secretary

# RESULTS OF THE 37TH ANNUAL COLLEGE WEEK CELEBRATION- 2001-02.

**GENERAL SPORTS SECTION :-**

***100MT RACE (GIRLS')***

1st - Mousumi kalita
2nd - Minoti Kumnen.
3rd - Mamoni Begam.

***200MT RACE (GIRLS')***

1st - Minati Kumnen
2nd - Rekha Gundon
3rd - Mousumi kalita

***JAVELINE (GIRLS')***

1st - Runu Devi
2nd - Rekha Gundon
3rd - Tilotama Boro

**DISCUSS ( GIRLS' )**

1st - Minoti kumnen
2nd - Tilotama Boro
3rd - Jyotimoni Das

**SHAT PUT (GIRLS')**

1st - Shrabani Dasgupta
2nd - Mamoni Begam
3rd - Rekha Gundon

**LONG JUMP (GIRLS')**

1st - Minati Kumnen
2nd - Mayuri Buragohain.
3rd - Madhumita Buragohain.

**100MT RACE (BOYS')**

1st - Diganta Sonowal.
2nd - Neetumoni Gogoi.
3rd - Sanju Pradhan.

**200MT RACE ( BOYS' )**

1st - Diganta Sonowal
2nd - Kamal Sonowal
3rd - Sanju Pradhan

**400MT RACE (BOYS')**

1st - Diganta Sonowal.
2nd - Jiten Murah
3rd - Sanju Pradhan

**800 MT RACE (BOYS')**

1st - Jiten Murah
2nd - Sanju Pradhan
3rd - Abhijit Gogoi

**1500MT RACE (BOYS')**

1st - Jiten Murah
2nd - Sanju Pradhan
3rd - Rajesh Kr. Kohar.
4th - Dambar bd. Chetry.

**SHAT PUT (BOYS')**

1st - Montu Borah.
2nd - Rajesh Kr. Kohar.
3rd - Prahlad Baruah.

**DISSCUSS (BOYS')**

1st - Robi Sonowal
2nd - Rajesh Kr. Kohar
3rd - Prahlad Baruah

**LONG JUMP ( BOYS' )**

1st - Neetumoni Gogoi.
2nd - Gagan Sonowal.
3rd - Rajesh Kr. Kohar.
& Arup Sonowal.

**HIGH JUMP (BOYS')**

1st - Shanti Adhikari.
2nd - Neetumoni Gogoi.
3rd - Raj Marchy.

**TRIPPLE JUMP (BOYS')**

1st - Neetumoni Gogoi.
2nd - Parthajit Debnath.
3rd - Rajesh kr. kohar.

**JAVELINE (BOYS')**

1st - Nandeswar Gogoi.
2nd - Abhijit Gogoi.
3rd - Felix Jems.

**RELAY RACE (4 X100) (BOYS')**

1st Group - Diganta Sonowal,
Pankaj Gogoi,
Nitumoni Gogoi,
Gonesh Sonowal,

2nd Group - Pallab Gogoi,
Arup Sonowal,
Gagan Sonowal,
Pranjal Saikia,

3rd Group - Jiten Murah,
Jayanta Borah,
Utpal Gogoi,
Prahlad Baruah,

BEST ATHELETE (GIRLS') -Minati Kumnen.
BEST SHORT RUNNER (BOYS') -Diganta Sonowal.
BEST LONG RUNNER (BOYS') -Jiten Murah.

**MAJOR GAMES SECTION:-**

*FOOTBALL- Winner* - Arts Stream
Runners up - Science Stream
*CRICKET - Winner* - Commerce Stream
Runners up - Arts Stream

Best player in football - Nitu Gogoi
Main of the match in cricket - Krishna Sonowal

**MINOR GAMES SECTION:-**

***BADMINTON***

Girls' (Single)
Champion - Runu Devi.
Runners up - Mousumi kalita.

Girls' (Double)
Champion - Runu Devi & Mousumi Kalita.
Runners up - Trishna Buragohain & Tina Thakuri

Boys (single)
Champion - Bidyut Buragohain.
Runners Up - Rajib Lochan Gogoi.

Boys' (Double)
Champion - Bidyut Buragohain & Rajib Lochan Gogoi.
*Runners up* - Omprakash Upadhyay & Narayan Chetry.

**GYMNASIUM SECTION:-**

***POWER LIFTING -BELOW -52KG***

1st - Mukesh Chand Mall - 290 kg
2nd - Bikash Pradhan - 225 kg
3rd - Kandarpa Kachari - 207.5 kg

***POWER LIFTING - 52 KG TO 60KG***

1st - Samsul Hussain -250kg
2nd - Dipak Chetry -180kg
3rd - Bikash saikia -165kg

***POWER LIFTING - 60KG TO 70KG***

1st - Khuku Phukan -405kg.
2nd - Suraj Kumar Gogoi -344.5kg.
3rd - Rakesh Jaiswal -307.5kg

***POWER LIFTING - ABOVE 70KG***

1st - Biju Phukan -340 Kg
2nd - Rabi Sonowal -290 kg
3rd - Jaynath Singh -285 kg

**ARM WRESTLING-BELOW 55KG (BOYS')**

1st - Pankaj Gogoi
2nd - Subash Debnath.
3rd - Jitendra Yadav.

**ARM WRESTLING -56 TO 65KG (BOYS')**

1st - Sagar Shrestha
2nd - Ratan Guwala
3rd - Suraj Chandra Gogoi

**ARM WRESTLING - ABOVE 65KG (BOYS')**

1st - Manish Giri
2nd - Jaynath Singh
3rd - Rakesh Jaiswal

**ARM WRESTLING - BELOW 50KG (GIRLS')**

1st - Rekhamoni Diyang
2nd - Reshma khan
3rd - Runu Devi

**ARM WRESTLING ABOVE 50 KG ( GIRLS' )**

1st - Minoti Kumnen
2nd - Jyotimoni Das
3rd - Rekha Gundon

**BODY BUILDING COMPETITION**

1st - Jainath Singh
2nd - Monuj Bejboruah
3rd - Mukesh Chandmall
4th - Kandarpa Kachari.
5th - Suraj chandra Gogoi.

BEST POSER '2001-02
MUKESH CHAND MALL.

STRONG MAN OF 2001-02
KHUKU PHUKAN

MR.DIGBOI COLLEGE-2001-02
JAINATH SINGH.

**MUSIC SECTION :-**

**BORGEET**

Consolation - Mousumi Kalita.

**JYOTI SANGEET**

1st - Subhajit Debnath.
2nd - Mousumi Kalita.
3rd - Uday Sankar Chakoraborty
Consolation - Binita Upadhyay

**RABINDRA SANGEET**

1st - Subhajit Debnath
2nd - Durga Mazumdar
Uday Sankar Chakraborty
3rd - Binita Upadhyay
Indrajit Sengupta

**BHAJAN**

1st - Subhajit Debnath
2nd - Moon Moon Das
3rd - Binita Upadhyay

**RABHA SANGEET**

1st - Subhajit Debnath
2nd - Uday Sankar Chakraborty
3rd - Binita Upadhyay

**GAZAL**

1st - Subhajit Debnath
2nd - Binita Upadhyay

**LOKAGEET**

1st - Subhajit Debnath
2nd - Indrajit Sengupta
3rd - Uday Sankar Chakraborty

**MODERN SONG**

1st - Indrajit Sengupta
2nd - Subhajit Debnath
3rd - Binita Upadhyay & Utpal Gogoi

**BIHU GEET**

1st - Rana Baruah
2nd - Utpal Gogoi
3rd - Moon Sonowal
Ajay Chetry.

**CULTURAL SECTION:-**

**ESSAY (SCRIPT) WRITING**

1st - Dharani lahan.
2nd - Sanjana Maurya.
3rd - Mousumi Kalita.
Consolation-Nabanita Chakraborty.

**SHORT STORY(SCRIPT)WRITING**

1st - Santosh Kumar.
2nd - Dharani Lahan.
3rd - Bubu Gogoi.
Mousumi kalita.

**POEM (SCRIPT) WRITING**

1st,2nd,3rd - NIL
Consolation - Santosh Kumar.
- Biju Ojha.
- Hira Phukan.
- Mousumi Kalita.

**RECITATION ( ASSAMESE )**

1st - Ilawati Gogoi
2nd - Dharani Lahon
3rd - Kamal Kachari

**RECITATION (ENGLISH)**

1st - Joydeepa Bhattacharya.
- Mousumi kalita.
2nd - Navanita Chakraborty.
- Shravani Dasgupta.

**SPOT ESSAY COMPETITION**

1st - Santosh kumar.
2nd - Raihan Uddin Ahmed.
3rd - Madhusudan Upadhyay
4th - Subhajit Debnath.

**ART COMPETITION**

1st - Narayan Chetry.
2nd & 3rd - Nil.

**ANTAKSHARI COMPETITION**

*Winner group* - Rabindra kr. Sonar.
- Atanu kr. Sarkar.
- Narbahaur Chetry.
*Runners Up* - Dipanwita Baruah.
- Deepa Das.
- Reeta Tamang.

**BEST LITERATE**

SRI SANTOSH KUMAR.

**DEBATE & SYMPOSIA SECTION:-**

***EXTEMPORE SPEECH COMPETITION***

1st - Dharani Lahan.
2nd - Mousumi Kalita.
3rd - Sanjana Maurya.

**DEBATING COMPETITION**

1st - Mousumi kalita.
2nd - Sanjana Maurya.
3rd - Girish Saikia.

**GROUP DISCUSSION COMPETITION**

1st - Dharani Lahan & Santosh Kumar.
2nd - Mousumi kalita & Sanjana Maurya
3rd - Girish Saikia & Bubu Gogoi.

**QUIZ COMPETITION**

1st - Raihanuddin Ahmed & Debajyoti Kar
2nd - Subhajit Debnath & Kishanjee Deb
3rd - Rabindra Kumar Sonar & Somit Das

**BOYS' COMMON ROOM SECTION:-**

CHESS

1st - Luhit Gogoi
2nd - Ridip Sharma

**CARROM (SINGLE)**

1st - Robi Sonowal
2nd - Raju Dutta
Consolation - Durlov Sonowal

**CARROM (DOUBLE)**

1st - Robi Sonowal & Jayanta Borah
2nd - Tapan Raidingia & Moon Sonowal

**TABLE TENNIS (SINGLE)**

1st - Pankaj Gogoi
2nd - Sanju Pradhan

**TABLE TENNIS (DOUBLE)**

1st - Pankaj Gogoi & Sanju Pradhan
2nd - Pallav Gogoi & Sanju Kr. Sonar

**GENERAL SECRETARY SECTION:-**

GO AS YOU LIKE

1st - Anita Belder.
2nd - Samsul Hussain.
3rd - Moon Sonowal.

**MUSICAL CHAIR**

1st - Aparupa Buragohain.
2nd - Chayanika Bhattacharya.
3rd - Bunti Baishya.

**MEMORY TEST**

1st - Mousumi kalita.
2nd - Diju Ojah.
3rd - Pallabi Bezbaruah.

**GIRLS' COMMON ROOM SECTION :-**

**CARROM ( SINGLE )**

1st - Monika Gogoi
2nd - Madhumita Buragohain

**CARROM ( DOUBLE )**

1st - Jyotimoni Das & Pallabi Bezbaruah
2nd - Durga Mazumdar & Nibedita Das

**CHESS**

1st - Jayanti Devi
2nd - Pallabi Bezbaruah

**FLOWER**

1st - Runu Devi
2nd - Apsara Dulal
3rd - Sima Gogoi

# OUR EX-EDITORS

| | | | |
|---|---|---|---|
| 1. | Dambaru Saikia | - | 1972-73 |
| 2. | Sivadas Talukdar | - | 1975-76 |
| 3. | Pradip Phukan | - | 1976-77 |
| 4. | Ajit Kr. Borah | - | 1978-79 |
| 5. | Ramesh Gogoi | - | 1980-81 |
| 6. | Robin Roy | - | 1981-82 |
| 7. | Narendra Hazarika | - | 1982-83 |
| 8. | Prabin Momin Rajkhowa | - | 1983-84 |
| 9. | Arun Paul | - | 1984-85 |
| 10. | Ranjit Phukan | - | 1986-87 |
| 11. | Pabitra Kr. Gogoi | - | 1987-88 |
| 12. | Dipen Kr. Borah | - | 1988-89 |
| 13. | Noyan Moni Borah | - | 1989-90 |
| 14. | Kamala Kanta Buragohain | - | 1990-91 |
| 15. | Rudra Bahadur Chetry | - | 1991-92 |
| 16. | Ganesh Bahadur Chetry | - | 1992-93 |
| 17. | Dipak Kr. Chetry | - | 1993-94 |
| 18. | Ramoni Buragohain | - | 1994-95 |
| 19. | Rajib Saikia | - | 1995-96 |
| 20. | Pritom Kumar Khaund | - | 1996-97 |
| 21. | Bhuvendra Sharma | - | 1997-98 |
| 22. | Prafulla Sonowal | - | 1998-99 |
| 23. | Neelutpal Saikia | - | 1999-2000 |
| 24. | Dharani Lahan | - | 2000-01 |

**AND THIS ISSUE IS EDITED BY HUMNATH UPADHYA**


Roland











